# সোণালী

সোণাৰি মহাবিদ্যালয় আলোচনী

২০১৬-১৭ বৰ্ষ



ভাৰপ্ৰাপ্ত সম্পাদক

জ্যোতিৰ্ময় ৰয়চৌধূৰী

## মহাবিদ্যালয়ৰ বিভিন্ন বিভাগসমূহৰ প্ৰাচীৰ পত্ৰিকাৰ শ্লেপশ্বত ঃ






















SONARI COLLEGE LIBRARY
Estd. 1970
Date.........




# সোণালী


সোণাৰি মহাবিদ্যালয়ৰ আলোচনী

২০১৬-১৭ বৰ্ষ

ভাৰপ্ৰাপ্ত সম্পাদক

**জ্যোতিৰ্ময় ৰয়চৌধূৰী**

SONARI COLLEGE LIBRARY
Estd. 1970
Date........




**ANNUAL MAGAZINE (SONARI COLLEGE)**
Sonari College Student's Union, 2016-17

29th Issue, Edited by Jyotirmoy Roychowdhury
Sonari College Student's Union, 2016-17

| | |
|---|---|
| ডঃ বিমল চন্দ্ৰ গগৈ | মুখ্য উপদেষ্টা |
| ডঃ ৰাণা কোঁৱৰ | উপদেষ্টা |
| ডঃ ৰঘুনাথ কাগ্যুং | উপদেষ্টা |
| ডঃ অনিতা কোঁৱৰ | উপদেষ্টা |
| জ্যোতিৰ্ময় ৰয়চৌধুৰী | ভাৰপ্ৰাপ্ত সম্পাদক |
| দিপু গগৈ | সদস্য |
| শিশিৰ কুমাৰ গগৈ | সদস্য |
| নাজমিন চুলতানা | সদস্য |
| কাশ্যপ বৰুৱা | সদস্য |
| পল্লৱী ফুকন | সদস্য |

বেটুপাট ঃ কাশ্যপ বৰুৱা, সামগ্ৰিক পৰিকল্পনা ঃ ভাৰপ্ৰাপ্ত সম্পাদক

প্ৰকাশক ঃ সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা
মুদ্ৰণ ঃ আধুনিক অফ্‌ছেট, মৰাণ এপ'লো মাৰ্কেট, জিলা - ডিব্ৰুগড় (অসম)




## উচৰ্গা

স্বদেশ আৰু স্বজাতিৰ হকে যিসকল ব্যক্তিয়ে নিজৰ জীৱন আহুতি দিলে তথা মহাবিদ্যালয়খনৰ উন্নতিৰ হকে নিঃস্বাৰ্থ ত্যাগ আগবঢ়াই ইহ সংসাৰৰ পৰা বিদায় মাগিলে সেইসকলৰ স্মৃতিত 'সোণালী' উচৰ্গা কৰা হ'ল।

## শ্ৰদ্ধাঞ্জলি

বিগত বৰ্ষসমূহত আমাৰ মাজৰ পৰা আঁতৰি যোৱা কলেজৰ ছাত্ৰ-ছাত্ৰী, অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী তথা সমাজৰ বিভিন্ন দিশত অৱদান আগবঢ়াই পৰলোকগামী হোৱা বিশিষ্ট ব্যক্তিসকললৈ 'সোণালী'ৰ এই সংখ্যাৰ জৰিয়তে শ্ৰদ্ধাঞ্জলি আগবঢ়াইছো।




অধ্যক্ষ - ড° বিমল চন্দ্ৰ গগৈ



উপাধ্যক্ষ - শ্ৰীযুত অৰ্পণ কুমাৰ বৰুৱা

# ছাত্ৰ একতা সভা ২০১৬-১৭ বৰ্ষ




ড° বিমল চন্দ্ৰ গগৈ
সভাপতি


উদয়ন ফুকন
উপ-সভাপতি


বিশ্বজিৎ বৰুৱা
সাধাৰণ সম্পাদক


পুচেংখাম বৰুৱা
সহঃ সম্পাদক


দিপু গগৈ
সম্পাদক, গুৰু খেল বিভাগ


বিদ্যুৎ ফুকন
সম্পাদক
লঘু খেল বিভাগৰ


জ্যোতিৰ্ময় ৰয়চৌধুৰী
সম্পাদক
সাংস্কৃতিক বিভাগ


ময়ুৰ বৰুৱা
সম্পাদক
আলোচনী বিভাগ


বিদ্যুৎ হাজৰিকা
সম্পাদক
তৰ্ক বিভাগ


হিমাশ্ৰী শইকীয়া
সম্পাদিকা
সংগীত বিভাগ


পল্লৱী ফুকন
সম্পাদিকা
সাহিত্য বিভাগ


ৰঞ্জু প্ৰধান
সম্পাদক
শৰীৰচৰ্চা বিভাগ


ৰুস্মিতা চুতীয়া
সম্পাদিকা
সমাজ সেৱা


অক্ষয়জ্যোতি গগৈ
সম্পাদক
ছাত্ৰ জিৰণী কোঠা


সংজ্ঞা বৰুৱা
সম্পাদিকা
ছাত্ৰী জিৰণী কোঠা

# সম্পাদনা সমিতি


ড° বিমল চন্দ্ৰ গগৈ
অধ্যক্ষ আৰু মুখ্য উপদেষ্টা


ড° ৰাণা কোঁৱৰ
উপদেষ্টা


ড° ৰঘুনাথ কাগয়ুং
উপদেষ্টা


ড° অনিতা কোঁৱৰ
উপদেষ্টা


জ্যোতিৰ্ময় ৰয়চৌধুৰী
ভাৰপ্ৰাপ্ত সম্পাদক


দীপু গগৈ
সদস্য



শিশিৰ কুমাৰ গগৈ
সদস্য


নাজমিন চুলতানা
সদস্যা


কাশ্যপ বৰুৱা
সদস্য


পল্লৱী ফুকন
সদস্যা

# চিত্ৰপট



দীপ দত্ত




সীমান্ত হাজৰিকা



পল্লৱী ফুকন



মিনাক্ষী সংনামী



কাশ্যপ বৰুৱা



নুৰ য়াছমিন বেগম

# শ্ৰেষ্ঠ প্ৰতিভা মহাবিদ্যালয় সপ্তাহ ২০১৬-২০১৭ বৰ্ষ



লক্ষীচন্দ দাস
শ্ৰেষ্ঠ গায়ক



বিতুপন বৰুৱা
শ্ৰেষ্ঠ অভিনেতা আৰু পৰিচালক



অনন্যা গগৈ
শ্ৰেষ্ঠ অভিনেত্ৰী



দিব্যজ্যোতি দত্ত
শ্ৰেষ্ঠ তাৰ্কিক



শচীন ৰায়
শ্ৰেষ্ঠ কৌতুক অভিনেতা



মাধুৰ্য্যা গগৈ
শ্ৰেষ্ঠ সহঃ অভিনেত্ৰী



কাশ্যপ বৰুৱা
শ্ৰেষ্ঠ দবা খেলুৱৈ



বিতুপন ফুকন
শ্ৰেষ্ঠ বেডমিন্টন খেলুৱৈ



কল্পজ্যোতি চাংমাই
শ্ৰেষ্ঠ সমাজ সেৱক



কাব্যশ্ৰী মহন
চিত্ৰাংকনত প্ৰথম





ইছেন শ্যাম আৰু ৰেইনী বৰগোহাঁই
মিছ সোণাৰি কলেজ



সূৰুয গোছাই
আধুনিক নৃত্যত প্ৰথম



বিশাল দত্ত
মিমিকিৰিত প্ৰথম



দিপাংকৰ দত্ত
মিষ্টাৰ সোণাৰি কলেজ



নৱনীতা বৰা
শাস্ত্ৰীয় নৃত্যত প্ৰথম

# মহাবিদ্যালয় গৌৰৱ

## ২০১৬-১৭ আন্তঃমহাবিদ্যালয়ৰ বিভিন্ন প্ৰতিযোগিতাসমূহত সফলতা লাভ কৰা ছাত্ৰ-ছাত্ৰীসকল



আন্তঃ মহাবিদ্যালয় ক্ৰিকেট চেম্পিয়ন দলটি



মৃদুপৱন চেতিয়া
ৰূপৰ পদক বিজয়ী
ভাৰ উত্তোলন প্ৰতিযোগিতা



ৰঞ্জু প্ৰধান
স্বৰ্ণপদক পদক বিজয়ী
ভাৰ উত্তোলন প্ৰতিযোগিতা



দিপাংকৰ দত্ত
প্ৰথম পুৰস্কাৰ প্ৰাপ্ত
দেহশ্ৰী প্ৰতিযোগিতা



শচীন ৰায়
দ্বিতীয় স্থান প্ৰাপ্ত
ফটোগ্ৰাফী প্ৰতিযোগিতা




মুজিবুৰ আলি
মেন অৱ দ্যা ছিৰিজ
ক্ৰিকেট প্ৰতিযোগিতা


# মহাবিদ্যালয় সপ্তাহৰ অভিজ্ঞান

















## ২০১৬-১৭ বৰ্ষত মহাবিদ্যালয় পৰিয়ালে ৰূপায়ণ কৰা বিভিন্ন কাৰ্যসূচীৰ দৃশ্যাংশ





















# কৃতজ্ঞতা

সেইসকললৈ, যিসকলে প্ৰতি মুহূৰ্ততে দিহা-পৰামৰ্শ
আৰু সহায় সহযোগিতাৰে আমাক অনুপ্ৰাণিত
কৰিলে—

।। জয় আই অসম ।।

**অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ**

**ASOM JATIYATABADI YUBA-CHATRA PARISHAD**

কেন্দ্ৰীয় সমিতি ঃ চান্দমাৰী, গুৱাহাটী-৭৮১০০৩

**CENTRAL COMMITTEE : CHANDMARI, GUWAHATI-781003**

**ESTD. : 1978**

প্ৰসঙ্গ............................... দিনাংক..................................



## শুভেচ্ছা বাৰ্তা

*ঐতিহাসিক চৰাইদেউৰ উচ্চ শিক্ষাৰ অগ্ৰণী শিক্ষা অনুষ্ঠান সোণাৰি মহাবিদ্যালয়। ঐতিহ্যমণ্ডিত এই সোণাৰি মহাবিদ্যালয়খনে চৰাইদেউৰ বিভিন্ন প্ৰান্তৰ পৰা মানৱ সম্পদ গঢ়াত উল্লেখনীয় ভূমিকা গ্ৰহণ কৰি অহাৰ লগতে সোণাৰি মহাবিদ্যালয়ত শিক্ষা গ্ৰহণ কৰি চৰাইদেউৰ অসংখ্য ছাত্ৰ-ছাত্ৰীয়ে সমাজৰ বিভিন্ন ক্ষেত্ৰত সুপ্ৰতিষ্ঠা লাভ কৰি মহিমামণ্ডিত হৈছে। চৰাইদেউৰ এই ঐতিহ্যমণ্ডিত সোণাৰি মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ "সোণালী" প্ৰকাশৰ দিহা কৰা বুলি জানিব পাৰি অতিশয় আনন্দিত হৈছো। মহাবিদ্যালয়ত অধ্যয়নৰত নৱপ্ৰজন্মৰ লেখক-লেখিকা, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী আৰু প্ৰৱক্তাসকলৰ তত্বগধুৰ লেখনিয়ে "সোণালী"ক সৰ্বাঙ্গসুন্দৰ কৰি সোণসেৰীয়া কৰি তুলিব বুলি আশা কৰিলো।*

*সদৌ শেষত সোণাৰি মহাবিদ্যালয়ৰ প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যত সোণালী হোৱাৰ কামনা কৰাৰ লগতে মহাবিদ্যালয়ৰ অধ্যক্ষ আৰু সমূহ প্ৰৱক্তাক আন্তৰিক শুভেচ্ছা জনালো।*

*।। জয় আই অসম ।।*

*ধন্যবাদেৰে*

*(পলাশ চাংমাই)*
*সাধাৰণ সম্পাদক*
*অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ*
*কেন্দ্ৰীয় সমিতি*
*চান্দমাৰি, গুৱাহাটী*

আমাৰ দাবী ঃ পূৰ্ণ স্বায়ত্ব শাসন আৰু দ্বি-নাগৰিকত্ব প্ৰবৰ্ত্তন ★ আমাৰ লক্ষ্য ঃ জাতীয়তাবাদৰ ভেটিত সাম্যবাদ





# অধ্যক্ষৰ একলম




অসমৰ মানচিত্ৰত নতুনকৈ সংযোজিত চৰাইদেউ জিলাৰ অন্যতম উচ্চ শিক্ষাৰ অনুষ্ঠান হ'ল সোণাৰি মহাবিদ্যালয়। এই মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'সোণালী' হৈছে ইয়াৰ ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক বিকাশৰ দাপোণ স্বৰূপ। সোণাৰি মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰখনে ইয়াত অধ্যয়ন কৰি থকা ছাত্ৰ-ছাত্ৰীসকলৰ সৃষ্টিশীল লেখা, গল্প, কবিতা, নাটক আদি প্ৰকাশ কৰিবলৈ উৎসাহিত কৰাৰ লগতে তেওঁলোকৰ বৌদ্ধিক বিকাশত অৰিহণা যোগাই আহিছে।

মহাবিদ্যালয় এখনৰ মূলধন ছাত্ৰ-ছাত্ৰীসকলৰ সামগ্ৰিক উন্নতিয়েই মহাবিদ্যালয়খনৰ উন্নতি প্ৰতিফলিত কৰে। ছাত্ৰ-ছাত্ৰীসকলৰ ভাল সামাজিক আচৰণৰ দ্বাৰাই সমাজত ভাল বুলি পৰিগণিত হয়। ভাল ছাত্ৰ-ছাত্ৰী থাকিলে মহাবিদ্যালয়ৰ পৰীক্ষাসমূহত ভাল ফলাফল পোৱা যায় আৰু সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীক লৈ মহাবিদ্যালয় পৰিয়ালৰ লগতে গোটেই অঞ্চলটোৱেই গৌৰৱবোধ কৰে।

সমসাজ (Uniform) পৰিধান কৰি স্কুলবেগ লগত লৈ কোনো বিষয়ক জানিবলৈ আগ্ৰহী ব্যক্তিকেই ছাত্ৰ বা ছাত্ৰী বুলি কোৱা হয়। সাধাৰণতে আমি আশা কৰো যে ছাত্ৰ বা ছাত্ৰী সকলৰ গাত

কিছুমান গুণ থাকিব লাগে। যিজন ব্যক্তি আমি আশা কৰা গুণৰাজিৰ অধিকাৰী হয় তেওঁকেই ভাল ছাত্র বা ছাত্রী বুলিব পাৰি।

প্ৰতিগৰাকী বিদ্যাৰ্থীয়েই সফল আৰু ভাল ছাত্র বা ভাল ছাত্রী হ'ব বিচাৰে। কিন্তু এগৰাকী প্ৰকৃত বা ভাল বিদ্যাৰ্থী হোৱাটো একেবাৰে সহজো নহয়। ভাল নাম পাবলৈ কি কৰিব লাগে তাক জানিব লাগিব। এই ক্ষেত্ৰত আমাক শিক্ষক-শিক্ষয়ত্ৰীসকলে পথ প্ৰদৰ্শন কৰিব পাৰে। সেইবাবে আমি শিক্ষক-শিক্ষয়িত্ৰীসকলক সন্মান কৰিব লাগে আৰু তেখেতসকলৰ বাধ্য হ'ব লাগে। এজন প্ৰকৃত বিদ্যাৰ্থী হোৱাৰ এইটোৱেই প্ৰথম পদক্ষেপ। শিক্ষকৰ প্ৰতি প্ৰকৃতাৰ্থত সন্মান আৰু শ্ৰদ্ধা থাকিব লাগে আৰু তাক আচৰণত প্ৰকাশ কৰিব লাগে। সচাঁ অৰ্থত এজন বিদ্যাৰ্থীৰ বিষয়বস্তুক শিকিবলৈ আৰু জানিবলৈ আগ্ৰহ থাকিব লাগে অৰ্থাৎ শিক্ষাৰ্থীৰ মূখ্য কৰ্তব্য হ'ল অধ্যয়ন আৰু অধ্যয়নৰ বিনে আন গতি নাই । কিয়নো পুথিসমূহ হৈছে জ্ঞানৰ ভঁৰাল।

ছাত্র জীৱনৰ অন্যতম গুৰুত্বপূৰ্ণ কথা হ'ল নিয়মানুবৰ্ত্তিতা। শিক্ষানুষ্ঠানৰ অনুশাসন, নীতি-নিয়ম সুন্দৰভাৱে পালন কৰাটো প্ৰয়োজন। শিক্ষাৰ্থীজন সদায়েই বাধ্য হ'ব লাগে, নিয়মানুৱৰ্ত্তী আৰু সময়ানুৱৰ্ত্তী হ'ব লাগে। শিক্ষানুষ্ঠান বা সমাজৰ নিয়ম-কানুন নমনা, সময়ৰ সদ্ব্যৱহাৰ নকৰা ব্যক্তিয়ে কেতিয়াও জীৱনত সফল হ'ব নোৱাৰে। চাইকেল, বাইক আদি চলাওঁতে কম বেগত চলোৱা আৰু সদায় বাওঁফালে যোৱা, ৰাস্তাত যান জঁটৰ সৃষ্টি নকৰাটো কৰ্তব্য হ'ব লাগে। বিদ্যাৰ্থী সদায় সময়ৰ প্ৰতি সচেতন হ'ব লাগে। শিক্ষকে কৰিবলৈ দিয়া ঘৰৰ কাম (Home work) সময়মতে কৰাটো এটা ভাল অভ্যাস। খেলাধূলা আৰু কাম কাজ বোৰৰ এখন Routine তৈয়াৰ কৰি কৰিব পাৰিলে সুফল পোৱা যায়।

বিদ্যালয় বা মহাবিদ্যালয়ৰ শিক্ষাৰ্থীসকলৰ সমসাজ (Uniform) পৰিধান কৰিবলৈ দিয়া হয় কিয়নো তেওঁলোক বিদ্যাৰ্থী হিচাপে সকলো সমান। সেইবাবে তেওঁলোকে ইজনে সিজনক একেটা পৰিয়ালৰ সদস্যৰূপে ভাৱিব লাগে। কাৰোবাক ধনী বা দুখীয়া বুলি ভেদভাৱ ৰাখিব নালাগে। কোনো সহপাঠীকেই খং ৰাগ কৰিব নালাগে। ছাত্র সদায় ছাত্র। কেতিয়াবা দেখা যায় যে কিছুমান ছাত্রই শিক্ষকৰ কথা মানে কিন্তু ঘৰত পিতৃ-মাতৃ বা অভিভাৱকৰ কথা নুশুনে। এই ক্ষেত্ৰত আমি মনত ৰাখিব লাগিব যে আমাতকৈ জেষ্ঠজন আৰু পিতৃ মাতৃৰ প্ৰতিও সমানেই শ্ৰদ্ধা ৰাখিব লাগে, তেতিয়াহে আমি নিজকে ভাল ছাত্র বা ছাত্রী বুলি ক'ব পাৰিম।

শিক্ষণৰ বাবে আন এটা লাগতিয়াল কথা হ'ল বিষয়ৰ প্ৰতি মনোযোগ (Attention)। যেতিয়া শিক্ষকে কোনো বিষয়ৰ পাঠ পঢ়ুৱাই থাকে, তেতিয়া আমি অতি মনোযোগেৰে তাক আয়ত্ব কৰিবলৈ চেষ্টা কৰিব লাগে। তেনেসময়ত সহপাঠীৰ লগত কথা পতা বা বাহিৰলৈ দৃষ্টি নিক্ষেপ কৰা অনুচিত। নিজৰ পাঠ শিকোতে সম্পূৰ্ণ মনোযোগ আৰু অতি আগ্ৰহেৰে শিকিব লাগে। তেনেকুৱা ছাত্র শিক্ষকৰ প্ৰিয়পাত্ৰ হয়।

পৰিষ্কাৰ-পৰিচ্ছন্নতা এজন ভাল ছাত্রৰ বাবে অতি লাগতিয়াল কথা। চুলি সুন্দৰকৈ কটাই পৰিস্কাৰ কাপোৰ পৰিধান কৰি বিদ্যালয়লৈ আহিব লাগে। নিজক তথা বিদ্যালয়খনক পৰিস্কাৰ কৈ ৰাখিব লাগে। আমাৰ হাতৰ আখৰ পৰিস্কাৰ হ'ব লাগে, কাৰণ ভাল হাতৰ আখৰ শিক্ষাৰ এটা অংগ। সত্য বাদিতা হ'ল এজন ভাল ছাত্রৰ গুৰুত্বপূৰ্ণ গুণ। মাহাত্মা গান্ধীৰ মতে, "সত্যই ঈশ্বৰ"। গতিকে, আমি সদায় সত্য কথা ক'ব লাগে। সত্যবাদী ছাত্রই শিক্ষক আৰু জেষ্ঠজনৰ পৰা মৰম-স্নেহ আৰু আদৰ পায়।

ভাল ছাত্র হ'বলৈ হ'লে সততা, সাধুতা আদি গুণ বিলাক আয়ত্ব কৰিব লাগে। এই গুণবোৰ নিজৰ আচৰণত প্ৰকাশ হ'ব লাগে। ছাত্র-ছাত্রীৰ চিন্তাধাৰা সদায় সদৰ্থক বা আশাবাদী হ'ব লাগে। কোনো বিষয়ৰ ভাল দিশটোৰ প্ৰতি গুৰুত্ব দিব লাগে আৰু সকলো কথাৰ প্ৰতি আশাবাদী দৃষ্টিভংগী ৰাখিব লাগে। এইটো সঁচা কথা যে এজন ভাল ছাত্রৰ পৰা আমি পৰীক্ষাত ভাল ফলাফল আশা কৰো। ধৈৰ্য্য আৰু সাহসেৰে উপৰোক্ত গুণৰাজি আয়ত্ব কৰিব এজন ব্যক্তিয়ে ভাল ছাত্র হোৱাৰ লগতে ভৱিষ্যতৰ সুনাগৰিক হ'ব পাৰে। গুণৱান শিক্ষাৰ্থী হ'লেহে গুণগত শিক্ষাৰ কথাযাৰ বাস্তৱত ৰূপায়িত কৰাৰ কথা ভাৱিব পাৰি।

সদৌ শেষত সোণাৰি মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী "সোণালী"ৰ পঢ়ুৱৈ সমাজে পূৰ্বৰ দৰেই আকোৱালি ল'ব বুলি আশা কৰিলো। "সোণালী"ৰ এই সংখ্যাটি প্ৰকাশৰ ক্ষেত্ৰত অৰিহণা যোগোৱা সকলোলৈকে ধন্যবাদ জনাই 'অধ্যক্ষৰ একলম" সামৰিলো।

ড০ বিমল চন্দ্ৰ গগৈ
অধ্যক্ষ
সোণাৰি মহাবিদ্যালয়





# সূচীপত্ৰ


সম্পাদকীয়

**প্ৰৱন্ধ।**

| | |
|---|---|
| দেৱযানী বুঢ়াগোহাঁই | আহোম যুগৰ স্থাপত্য /১৫ |
| মুনমী গগৈ | অসমৰ অৰ্থনীতি/১৭ |
| টঙ্কেশ্বৰ বৰুৱা | প্ৰাচীন ভাৰতত গণিত চৰ্চা আৰু ভাৰতীয় গণিতজ্ঞৰ অৱদান/১৯ |
| শিশিৰ কুমাৰ গগৈ | নিচাযুক্ত দ্ৰব্য আৰু বৰ্তমান যুব প্ৰজন্ম/২১ |
| ঋতুপৰ্ণা দত্ত | গ্ৰাম্য অৰ্থনীতিৰ পটভূমিত মহিলা সবলীকৰণ/২৩ |
| Rituparna Gogoi | Popular culture : Its aspects/২৫ |
| ত্ৰিদ্বীপ বৰুৱা | দ্ৰব্য আৰু সেৱা কৰ (GST)/২৬ |
| শ্যামলজ্যোতি গগৈ | নাগৰিকত্ব সংশোধনী বিধেয়ক আৰু কিছু কথা/২৮ |
| মৃদুল পছুওী | বিশ্বাস/২৯ |
| Saurav Deb | The importance of music in our lives/৩০ |
| বিৰাজ বৰগোহাঁই | অসমৰ পৰ্যটন ক্ষেত্ৰৰ সম্ভাৱনীয়তা/৩১ |
| দিপু গগৈ | ঐশ্বৰ্যময় আহোম যুগৰ বৰ্ণময় নাৰী/৩৩ |
| কংকনা গগৈ | অন্য এক মহামাৰী/৩৪ |
| জ্যোতিৰ্ময় ৰয়চৌধূৰী | অসমৰ চাহ জনগোষ্ঠী/৩৫ |
| দিব্যজ্যোতি দত্ত | নাৰী আৰু সমাজ ব্যৱস্থা/৩৭ |

**কবিতা ।** **পৃষ্ঠা সংখ্যা ৩৯-৪০**

| | |
|---|---|
| শিশিৰ কুমাৰ গগৈ | আখৰা |
| সূৰ্য্য গগৈ | লিমাৰিক |
| ড°ৰীতা দত্ত | ৰংপুৰৰ বিননি |
| মিনাক্ষী সৎনামী | সোঁৱৰণি |
| শেৱালি চাৰিঙীয়া | আবেলি |
| ঝৰ্না বৰুৱা | হেঁপাহৰ বুলনি |
| হেমা চেতিয়া | এক অজান অনুভৱ |
| মৃদুস্মিতা গগৈ | স্বাগতম সতীৰ্থ |
| নাজলিন বেগম | তুমি বন্তিৰ দৰে জ্বলিবা |
| কাব্যশ্ৰী মহন | অসমী |
| বিতুপন ভূঁঞা | নিয়ৰ |
| বিদ্যুৎ শইকীয়া | সপোন |

| | |
|---|---|
| ইন্দুৰাণী বৰুৱা | ডায়েৰী |
| অমল হাতমুৰীয়া | জীৱন |
| মানৱজ্যোতি বসুমতাৰী | সমাপ্তি |
| পাহাৰী গগৈ | ফাগুন |
| জেনিফাৰ বেগম | সন্ত্ৰাস |
| বাবুল তেলী | অনুভৱ |
| এনিশা শৰ্মা | আধুনিকতা |
| চাহিল আহমেদ | সপোন |
| বনশ্ৰী গগৈ | বৈ যায় সময় |
| অশ্বিনী গগৈ | অনুভৱে গৰকা মোৰ সোণাৰি মহাবিদ্যালয় |
| প্ৰতীক্ষা বকল | হেঁপাহৰ বৰষুণ যাত্ৰা |
| বিতোপন বৰুৱা | ৰাষ্ট্ৰ গঢ়াৰ সুখ |
| অম্লান পাংগিং | দিখৌ |
| দুলুমনি চেতিয়া | মুক্ত জীৱন |

**গল্প |**

| | |
|---|---|
| ইন্দুৰাণী বৰুৱা | আন্ধাৰৰ শেষত/৫০ |
| নৱজিৎ গগৈ | আত্মগোপন/৫২ |

**অনুভৱৰ একাঁজলি |**

| | |
|---|---|
| এনিশা শৰ্মা | হেৰুৱা জীৱনৰ ৰঙ/৫৩ |

**ভ্ৰমন কাহিনী |**

| | |
|---|---|
| ৰীণা বৰঠাকুৰ | ডন ব্ৰেডমেনৰ দেশত/৫৫ |
| স্বপ্নালী ৰাইদঙীয়া | College Excursion Tour to Jaipur, A place of Historical Importance/৫৭ |

**নাটক |**

| | |
|---|---|
| বিতুমনি বুঢ়াগোহাঁই | এজাক ধুমুহাৰ শেষত/৫৮ |
| নৱজ্যোতি খণ্ডাধৰা | ৰং/৬৩ |
| বিতোপন বৰুৱা | হলিডে/৬৯ |

**পুৰস্কাৰ শিতান** ৭০-৮৩
**(মহাবিদ্যালয় সপ্তাহত স্থানপ্ৰাপ্তসমূহ ক্ৰমান্বয়ে)**

শ্লোগান/ কবিতা/ প্ৰবন্ধ/ চুটিগল্প/ নীলা খামৰ চিঠি/


**যুৱবাৰ্তা** ৮৪-৯৩

**প্ৰতিবেদন** ৯৪-১০৪






# সম্পাদকীয়





'সাৰে আছো আমি
হেজাৰ সেলানী
জ্ঞানৰ পূজাৰী হৈ,
কলা বিজ্ঞানৰ দুগছি বন্তি
দুখনি হাততে লৈ।'

মহাবিদ্যালয়ৰ সংগীতত উল্লেখ থকা কলা বিজ্ঞানৰ এই বন্তিয়ে প্ৰজ্বলিত হৈ থকা জ্ঞানৰ মন্দিৰটি ১৯৭০ চনৰ ৫ আগষ্টত প্ৰতিষ্ঠা লাভ কৰিছিল। বৰ্তমান এই জ্ঞানৰ মন্দিৰ সোণাৰি মহাবিদ্যালয় চৰাই দেউ জিলাৰ এখনি অগ্ৰণী শিক্ষানুষ্ঠান। পোন প্ৰথমে মই যিসকল মহান মনিষীৰ সৎ চিন্তা, সৎ প্ৰচেষ্টা, ত্যাগ আৰু নিঃস্বাৰ্থ সেৱাৰ বিনিময়ত পুৱাৰ সূৰুযৰ কিৰণৰ দৰে এই জ্ঞানৰ মন্দিৰ সাৰ পাই উঠিছে, তেখেত সকলক সোঁৱৰিছো লগতে এই জ্ঞানৰ মন্দিৰে আজি আৰু অধিক উন্নয়নৰ জখলাত আগুৱাই যাবলৈ সক্ষম হোৱাত প্ৰতিটো ক্ষেত্ৰতে সহায় তথা ত্যাগ স্বীকাৰ কৰি অহা শ্ৰদ্ধাভাজন এই মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষসকল আৰু বৰ্তমান অধ্যক্ষ তথা এই বৰ্ষৰ ছাত্ৰ একতা সভাৰ সভাপতি শ্ৰদ্ধাৰ ড০ বিমল চন্দ্ৰ গগৈ ছাৰকে প্ৰমুখ্য কৰি পূজনীয় শিক্ষাগুৰু সকললৈ মোৰ তৰফৰ পৰা আন্তৰিক শ্ৰদ্ধা, ভক্তি আৰু ওলগ জনাইছোঁ।

যদিহে জ্ঞান এখন সাগৰ হয় আৰু আমাৰ মহাবিদ্যালয়খন জ্ঞান সন্ধানী যাত্ৰাৰ সূৰুযমুখী পথৰ এখন নাওঁ য'ত আমি যাত্ৰী সুন্দৰৰ পূজাৰী, তেন্তে

সাহিত্য হ'ব সেই নাওঁৰ গুৰি গঁঠা। মনৰ ভাৱে প্ৰকাশৰ বাট নাপালে মৰহি যায়, সেইবাবে সাহিত্য চৰ্চা হৈছে যুগে যুগে সদায়ে সমাজৰ দাপোন, য'ত প্ৰতিফলিত হয় ৰাজপথৰ কাৰুনৰ পৰা বিকাশ উজ্জ্বল দস্তাবেজ অথবা ইতিহাসৰ বৃহৎ ভুল, যি ভুলে আমাক দেখুৱাই অবাটে নোযোৱাৰ পথ আৰু সেইবাবে হয়তো অৰ্থনীতিৰ পাঠসমূহত দেশক সমৃদ্ধিশালী কৰাৰ আমি স্বপ্ন দেখো। ইতিহাসৰ পাঠসমূহৰ পৰা আমি আমাৰ পাঠসমূহ শুধৰাও। ৰাজনৈতিক পাঠত আমি দেশক শক্তিশালী কৰাৰ পৰিকল্পনা গঢ়ি তোলো অথবা সাহিত্যৰ পাঠসমূহত আমি সকলোকে সামৰি লিখো নতুনৰ জয়গান। সাহিত্য জীৱনত প্ৰতিটো স্তৰতে নিতান্তই প্ৰয়োজনীয়। বিশেষকৈ এজন ব্যক্তিৰ জীৱনৰ কলেজীয়া দিনত সাহিত্য চৰ্চাই প্ৰাণ পাই উঠে। সাহিত্য হৈছে এখন সমাজৰ দাপোন। মিলনেই সাহিত্য সৃষ্টিৰ মূল। সাহিত্য আত্মাৰ অনুভূতিৰ ব্যক্তৰূপ। ই হৃদয়ৰ পৰা অংকুৰিত হৈ অন্তৰআত্মাত তাৰ আনন্দ, ৰস আৰু মহত্ব সম্পৰ্কে হৃদয়ংগম কৰায়। গতিশীলতা সাহিত্যৰ এক চিৰপ্ৰবাহমান সুঁতি। চিৰ নতুন চিৰ পুৰাতন সাহিত্যৰ সৌন্দৰ্য প্ৰকাশ কৰিবলৈ কিমান কবিয়ে, চিত্ৰকৰে প্ৰয়াস কৰি আহিছে, কিন্তু তাৰ পৰিৱৰ্তনকামী ৰূপৰ বাবে ইয়াক বাস্তৱ ৰূপক প্ৰতিফলিত কৰিবলৈ কোনো সক্ষম হ'ব পৰা নাই, যদিও চেষ্টা অব্যাহত....। এই সকলোবোৰৰ আঁৰতে সৃষ্টি হয় সাহিত্যৰ অন্য এক ৰূপ, 'আলোচনী'।

হে জ্ঞানৰ সতীৰ্থসকল, এই সময় সংকট সময়। আমাৰ ওচৰত বিপ্লৱ আছে কিন্তু না ই বিপ্লৱৰ এক সুদৃঢ় ভেটি, আমাৰ ওচৰত জাগৰণৰ এক সত্বা আছে কিন্তু এই জাগৰণৰ সত্বাই পোৱা নাই এক সঠিক দিশ, আমাৰ ওচৰত প্ৰতিভা আছে কিন্তু সেই প্ৰতিভাৰ প্ৰয়োজন এখন উপযুক্ত মঞ্চৰ, আমাৰ ওচৰত সময় আছে কিন্তু বহু সময়ত এই সময়ো কৰিছো অপচয়। সেইবাবে আমাক প্ৰয়োজন এক বৌদ্ধিক জাগৰণৰ, যি জাগৰণে দেশৰ প্ৰগতি আনিব, মাতৃভূমিক সুৰক্ষা দিব, জাতিটোক দিব এক নতুন পৰিচয় আৰু এক নতুন গতি। বৌদ্ধিক চৰ্চাৰ এক অংশ হ'ব পাৰে এই আলোচনীখন। বন্ধুক বা বাৰুদেৰে আমি জাগৰণৰ সূচনা কৰা নাই, এই সময় কলমেৰে বিপ্লৱ সৃষ্টি কৰাৰ,চিয়াঁহিৰে ইতিহাস ৰচাৰ আৰু অধ্যয়নেৰে পৃথিৱী গঢ়াৰ। এখন মহাবিদ্যালয়ে এটা অঞ্চলৰ জ্ঞান বৃক্ষৰ শিপাক বহন কৰে। সেই জ্ঞানে এই অঞ্চলৰ যুৱ প্ৰজন্মক সামাজিক, ৰাজনৈতিক, সাংস্কৃতিকভাৱে সচেতন কৰি তোলে। ছাত্ৰ সমাজ ৰাজনীতিৰ লগত প্ৰত্যক্ষৰূপত জড়িত হোৱাটো সম্পূৰ্ণৰূপে এটা পৃথক বিষয় কিন্তু প্ৰত্যেক যুৱ প্ৰজন্মই সামাজিক, ৰাজনৈতিক আৰু সাংস্কৃতিক দিশত সচেতন হোৱাটো এখন দেশৰ বাবে নিতান্তই প্ৰয়োজনীয়। তাৰ লগতে আমাৰ প্ৰজন্মৰ এজন ছাত্ৰই যাতে অৰ্থনৈতিকভাৱে দেশৰ বোজা নহয় অৰ্থাৎ প্ৰত্যেকজন সতীৰ্থই যাতে নিজকে মানৱ সম্পদৰূপে পৰিগণিত কৰে আৰু দেশৰ বিকাশত যাতে নিজৰ অৱদান আগবঢ়ায় সেয়াই আমাৰ কাম্য।

ভাৰতবৰ্ষৰ সংস্কৃতিক ক্ষেত্ৰৰ আটাইতকৈ গুৰুত্বপূৰ্ণ দিশ হৈছে বিভিন্ন জাতি-জনগোষ্ঠী, ভাষাৰ অপূৰ্ব সমাহাৰ ঠিক একেধৰণৰ দিশ অসমৰ ক্ষেত্ৰতো দেখিবলৈ পোৱা যায়। অসমত বিভিন্ন নৃগোষ্ঠীয় সমূহে নিজক অসমীয়া বুলি পৰিচয় দিয়ে আৰু তেনে সময়তে যুৱ প্ৰজন্মই নিজৰ সাংস্কৃতিক পৰিবেশৰ প্ৰতি সচেতন হোৱাটো খুবেই প্ৰয়োজনীয়। ইয়াৰ লগতে বিশ্বৰ অন্যান্য প্ৰান্তৰ সংস্কৃতিৰ বিষয়ে অধ্যয়ন কৰি জ্ঞান অৰ্জন কৰাটো নিতান্তই দৰকাৰ।

ভাৰতবৰ্ষৰ ভৱিষ্যত নিৰ্ভৰ কৰিছে ভাৰতবৰ্ষৰ যুৱ শক্তিৰ ওপৰত। এইখন ভাৰতবৰ্ষত প্ৰায় 65% তকৈ অধিক লোকেই হৈছে যুৱ প্ৰজন্ম। গতিকে এই লোকসকল সঠিক দিশে আগবাঢ়ি যোৱাটো খুবেই আৱশ্যকীয়, যুৱ প্ৰজন্মই বিশ্ববিদ্যালয়, মহাবিদ্যালয় সমূহৰ ছাত্ৰ শক্তিয়ে তেওঁলোকৰ বৌদ্ধিক চিন্তা-চৰ্চাৰ পৰিৱৰ্তনৰ সূচনা কৰিব লাগিব। বৰ্তমানৰ যান্মাষিক পদ্ধতিত আমাৰ ছাত্ৰ সমাজৰ বাবে ক্ৰীয়া চৰ্চা, সাহিত্য চৰ্চা, সাংস্কৃতিক চৰ্চা কৰাৰ সময় যথেষ্ট কম। ইয়াৰ মাজতো সাহিত্য চৰ্চা কৰি আমি মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীৰ সোণালী প্ৰকাশ কৰিব লৈছো। বৰ্তমানৰ যান্মাসিক পদ্ধতিত সময় যথেষ্ট কম হোৱাৰ উপৰিও দুটাকৈ আন্তঃ যান্মাসিক পৰীক্ষা, চেমিনাৰ, গৃহপ্ৰদত্ত কৰ্ম আদি থাকে। এই সমূহ কৰাৰ পিছত আমাৰ বাবে অন্য কাম কাজৰ বাবে সময় যথেষ্ট তাকৰ। মোৰ দৃষ্টিত এই পাঠ্যক্ৰমৰ কিছু পৰিবৰ্তন কৰাৰ প্ৰাসংগিকতা আহিছে পৰিছে। পৃথিৱীৰ শিক্ষা ব্যৱস্থাৰ ভিতৰতে ফিনলেণ্ডৰ শিক্ষা ব্যৱস্থা আটাইতকৈ উন্নত বুলি গণ্য কৰা হয়। ফিনলেণ্ডৰ 14 বছৰ পৰ্যন্ত এজন শিশুক কোনো পৰীক্ষাত অৱতীৰ্ণ হ'বলৈ দিয়া নহয়, কিন্তু ফিনলেণ্ডত শিশুজনক প্ৰকৃতি, সমাজ, সংস্কৃতিৰ লগত পোনপটীয়াকৈ অধ্যয়ন কৰিবলৈ দিয়া হয়। যাৰ ফলত আমি শিকোঁ 'A For Apple' আৰু সিঁহতে বিষয় বস্তুটোৰ ওপৰত এক সম্পূৰ্ণ জ্ঞান আয়ত্ব কৰে। যিহেতু ফিনলেণ্ডৰ শিক্ষা ব্যৱস্থাই তাৰ শিশুসকলক নম্বৰ কেন্দ্ৰিক হিচাপে গঢ় নিদিয়ে। সেয়েহে তাৰ শিশুয়ে নিজৰ গুণ সম্পৰ্কে জনাৰ এক সুবিধা লাভ কৰে আৰু সেই দিশেধাৱিত হয়, আমি যিহেতু প্ৰত্যেকজন একো একোজন মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সেয়েহে আমি কথাবিলাক নতুনকৈ ভবাৰ সময় আহি পৰিছে। বৰ্তমান সময়ত যিদৰে আমি শিক্ষাগত অৰ্হতাৰ অৰ্জন কৰিব লাগিব। ঠিক একে স্থলত আমি দক্ষ হৈ উঠিব লাগিব। অৰ্হতা অৰ্জন কৰি যিদৰে মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনিব লাগিব, ঠিক একেদৰে দক্ষতা অৰ্জন কৰি সমাজৰ প্ৰতি থকা আমাৰ দায়িত্ববোধও সুচাৰুৰূপে পালন কৰিব লাগিব আৰু মহাবিদ্যালয়ৰ আলোচনীখন এই যাত্ৰাৰ প্ৰয়াসৰ এক অংশীদাৰ।

শলাগৰ শৰাই -

কৃতজ্ঞতা জনামনো কাক? আলোচনীৰ বাবে যেতিয়া কাৰোবাৰ ওচৰ চাপিছো সকলোৱে মোক আদৰেৰে সম্ভাষণ জনাইছিল তাৰ বাবে মই তেওঁলোকৰ ওচৰত চিৰ ঋণী। মই আলোচনী বিভাগৰ সম্পাদক নাছিলো। মই সাংস্কৃতিক বিভাগৰহে সম্পাদক আছিলো। কিন্তু আলোচনী বিভাগৰ সম্পাদকজনৰ কিছুমান বিশেষ অসুবিধাৰ বাবে তেওঁ মোক এই দায়িত্ব অৰ্পণ কৰে আৰু লগতে ছাত্ৰ একতা সভাৰ সকলো সদস্যই মোক এই গুৰু দায়িত্ব গ্ৰহণ কৰিবলৈ কয়। আলোচনী বিভাগৰ তত্বাৱধায়ক কেইজনেও বিশেষকৈ ড০ ৰঘুনাথ কাগয়ুং ছাৰে আমাক যথেষ্ট অনুপ্ৰেৰণা যোগায় আলোচনীখন প্ৰকাশ কৰাৰ ক্ষেত্ৰত আগভাগ লয়। মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয় শ্ৰদ্ধাৰ ড০ বিমলচন্দ্ৰ গগৈ ছাৰেও আমাৰ এই প্ৰস্তাৱত পূৰ্ণ সমৰ্থন জনায় আৰু যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ আমাক অনুমতি প্ৰদান কৰে। আলোচনী বিভাগৰ তত্বাৱধায়কৰ দায়িত্বত থকা ড০ ৰাণা কোঁৱৰ ছাৰ, ড০ ৰঘুনাথ কাগয়ুং ছাৰ, শ্ৰীযুক্তা অনিতা কোঁৱৰ বাইদেউ আৰু শ্ৰদ্ধাৰ অধ্যক্ষ ড০ বিমল চন্দ্ৰ গগৈ ছাৰৰ দিহা-পৰামৰ্শ আৰু সহায় সহযোগিতাৰ অবিহনে এই যাত্ৰা এতিয়াও সম্ভৱপৰ নাছিল। মই এই সোণালী প্ৰকাশৰ কৰাৰ সুবিধা লাভ কৰিম বুলি কেতিয়াও ভবা নাছিলো, মহাবিদ্যালয়ৰ দাপোণস্বৰূপ আলোচনী 'সোণালী'খন প্ৰকাশ কৰাৰ সুবিধা লাভ কৰাৰ বাবে মই নিজকে ভাগ্যবান বুলি অনুভৱ কৰিছো। এতিয়া সন্মুখত ডাঙৰ প্ৰত্যাহ্বান আছিল যে মই আলোচনীখনৰ কামবোৰ সুচাৰুৰূপে সামাধা কৰিব পাৰিমনে? পূৰ্বতে আলোচনীৰ লগত সংগতি থকা কোনো ধৰণৰ কাম-কাজত মোৰ জড়িত হোৱাৰ অভিজ্ঞতা নাছিল। এই সময়তে মই শ্ৰদ্ধাৰ শিক্ষাগুৰু ড০ পৰানন কোঁৱৰ ছাৰৰ কাষ চাপিছিলো আৰু তেওঁ মোক আলোচনী সম্পৰ্কে বহুখিনি জ্ঞান প্ৰদান কৰে, যি মোৰ বাবে আছিল আপুৰুগীয়া সম্বল। মহাবিদ্যালয়ৰ আলোচনীখন প্ৰস্তুত কৰাৰ আৱশ্যকীয় দিশসমূহৰ ওপৰত মোক আলোকপাত কৰি দিয়াৰ বাবে ছাৰক মই ধন্যবাদ আৰু কৃতজ্ঞতা জনাইছো। বন্ধৰ সময় ডিচেম্বৰ মাহত মাত্ৰ ১৫ দিনৰ ভিতৰত অশেষ কষ্ট স্বীকাৰ কৰি আলোচনীৰ বাবে যিসকলে লেখা প্ৰদান কৰিলে তেওলোকৰ ওচৰত মই চিৰ ঋণী হৈ ৰম। ইয়াৰ উপৰি বিভিন্ন সময়ত আলোচনীখন প্ৰকাশৰ ক্ষেত্ৰত মোক দিহা পৰামৰ্শ আগবঢ়াই মোক সহায় কৰাৰ বাবে শ্ৰদ্ধাৰ শিক্ষাগুৰু শ্ৰীযুত দিব্যজ্যোতি কোঁৱৰ ছাৰক অশেষ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো। আলোচনীখন প্ৰকাশৰ বাবে মোক সকলো সময়তে উৎসাহ আৰু সহায়-সহযোগিতা কৰাৰ বাবে ২০১৬-১৭ দিনৰ বৰ্ষৰ ছাত্ৰ একতা সভাৰ প্ৰত্যেকজন সদস্যক অশেষ ধন্যবাদ আৰু কৃতজ্ঞতা জনাইছো।

মোৰ প্ৰতিটো কাৰ্যত সহায়-সহযোগিতা আগবঢ়োৱা সুকল্যান, কাশ্যপ, বাবুল, আয়ুান, কিংশুক অভিজিত, সুদৰ্শন,প্ৰদ্যুৎ, শৈলেন, শিশিৰ, আজমিন, পাৰবিন, নাজমিন, লোনা, সংজ্ঞা, বৰ্ষা, নিকিতা, ৰুমী, নিকুমণি, মুনমী, পূজা হঁতলৈ অশেষ মৰম আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো, আলোচনীখনৰ যুগৰ্বাতা শিতানৰ বাবে লিখা প্ৰদান কৰা গুৱাহাটী বিশ্ববিদ্যালয়ৰ লাকীমণি বৰুৱা বা, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ৰাহুল ছেত্ৰী দা, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অভিনৱ চেতিয়া দা, কটন কলেজৰ ত্ৰিনয়ন বৰুৱা দা, মনোহৰী কানৈ মহাবিদ্যালয়ৰ ঋতুমণি চেতিয়া, শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়ৰ দিব্যজ্যোতি গগৈ, JISTৰ জ্যোতিৰ্ময়ী শইকীয়া, সন্দিকৈ মহাবিদ্যালয়ৰ কস্তুৰী চুতীয়া আৰু শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ ৰাখী বৰদলৈ অশেষ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো। আলোচনীখনৰ বাবে স্কেচ আৰু বেটুপাত অংকণ কৰা কাশ্যপক অশেষ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো।

আলোচনীখনৰ ছপা কৰাৰ ক্ষেত্ৰত সহায় আগবঢ়োৱা আধুনিক অফছেট মৰাণৰ সকলোলৈকে অশেষ ধন্যবাদ জ্ঞাপন কৰিছো, শেষত অজানিতে ৰৈ যোৱা ভুল ত্ৰুটিবোৰৰ বাবে মই সকলোৰে ওচৰত ক্ষমা প্ৰৰ্থনা বিচাৰিছোঁ। সদৌ শেষত 'সোণালী'ৰ গতি ব্ৰহ্মপুত্ৰৰ দৰে চিৰ প্ৰবাহমান হোৱাৰ আশাৰে-

"জয়তু সোণাৰি মহাবিদ্যালয়"

"জয়তু সোণাৰী মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা"

**জ্যোতিৰ্ময় ৰয়চৌধূৰী**
ভাৰপ্ৰাপ্ত সম্পাদক


সোণাৰি মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী, ২০১৬-২০১৭
সোণালী

# মহাবিদ্যালয় সংগীত

সাৰে আছো আমি
হেজাৰ সেনানী
জ্ঞানৰ পূজাৰী হে;
কলা বিজ্ঞানৰ দুগছি বন্তি
দুখনি হাতত লৈ।
সেউজী আমাৰ মনৰ পৃথিৱী
জ্ঞানেৰে জীপাল কৰা,
দুখ দৈন্য দূৰতে বিদুৰি
হৰষে উপচাওঁ ধৰা;
দৃষ্টি আমাৰ দূৰ দিগন্ত
পাখি মেলি উৰি যাওঁ
শান্তিৰ পখী হৈ।।
সৃষ্টিৰ কঠিয়া আহাঁ গুজি দিওঁ
আমাৰ মনৰ পথাৰতে,
অন্ধকাৰৰ প্ৰাচীৰ ভাঙি
পোহৰৰে ঢল বোৱাওঁ আমি
জ্ঞানৰ পূজাৰী হে
জ্ঞানৰ পূজাৰী হে।।

**ৰচনা আৰু সুৰ ঃ**
**ৰঞ্জিত চন্দ্ৰ বুঢ়াগোহাঁই**





# আহোম যুগৰ স্থাপত্য
# (Ahom Architecture)

**দেৱযানী বৰগোহাঁই**
ষষ্ঠ ষাণ্মাসিক, বুৰঞ্জী বিভাগ

**বৰ্তমান পৰ্যটনৰ স্থান হিচাপে চৰাইদেউৰ আটাইতকৈ উল্লেখযোগ্য সম্পদ হ'ল - মৈদামসমূহ। আহোম স্বৰ্গদেউসকলৰ মৃত্যু হ'লে এক বিশেষ পদ্ধতিৰে অন্ত্যেষ্টিক্ৰিয়া সমাপন কৰা হৈছিল। এই পদ্ধতি অনুসৰি উৰিয়াম কাঠেৰে নিৰ্মিত 'ৰংদাম' নামৰ এটা কাঠৰ বাকচত সুমুৱাই ভালেমান নীতি নিয়ম পালন কৰি সেইবোৰৰ ওপৰত মাটিৰে বা ইটাৰে একোটা সমাধি নিৰ্মাণ কৰা হৈছিল,**

একোটা জাতিৰ শিল্প কলাসমূহৰ ভিতৰত স্থাপত্য আৰু ভাস্কৰ্যই এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি থাকে, কাৰণ ইয়াৰ জাতিটোৰ সৌন্দৰ্যবোধ,শিল্প-চেতনা আৰু জনসাধাৰণৰ ভাব অনুভূতি এক দৃশ্যমান বাস্তৱ ৰূপত প্ৰকাশিত হয়। একোটা স্থাপত্য কৰ্ম দেশবাসীৰ আকৰ্ষণ আৰু ধ্যান-ধাৰণাৰ কেন্দ্ৰস্থল হৈ পৰাৰ কাৰণেই সি এক জাতীয় সম্পদৰ মৰ্যাদা লাভ কৰিবলৈ সক্ষম হয়। গতিকে স্থাপত্য আৰু ভাস্কৰ্য সম্পদসমূহে জনসাধাৰণক যেনেভাৱে আকৃষ্ট কৰিব পাৰে, অন্য সাংস্কৃতিক সম্পদে তেনেভাৱে নোৱাৰে। ১২২৮ খ্ৰীঃৰ পৰা প্ৰায় ছশ বছৰ কাল সৰ্বমুঠ ৩৮ জন আহোম স্বৰ্গদেৱে অসম শাসন কৰিছিল। আহোম স্বৰ্গদেউসকলে ৰাজত্বৰ বিভিন্ন সময়ত অসমৰ বিভিন্ন ঠাইত নগৰ, ৰাজমহল, দৌল-দেৱালয়, আলি-পদূলি, পুখুৰী আদি নিৰ্মাণকৰি স্থাপত্য-ভাস্কৰ্যৰ নিদৰ্শন যুগমীয়া কৰি থৈ গৈছে। পূৰ্বৰ অবিভক্ত শিৱসাগৰ জিলাতেই সৰহ সময় আহোম ৰজাসকলৰ ৰাজধানী আছিল বাবে ইয়াতে আহোম যুগৰ বহু স্মৃতিচিহ্ন সিচঁৰিত হৈ আছে।

স্বৰ্গদেউ ৰুদ্ৰসিংহৰ (১৬৯৬-১৭১৫ খ্ৰীঃ) ৰাজত্বৰ সময়খিনি অসমৰ স্থাপত্যৰ বিকাশৰ ক্ষেত্ৰত এক বৈশিষ্ট্যপূৰ্ণ সময়। এই সময়ছোৱাত যে কেৱল স্থাপত্যই সৃষ্টি হৈছিল তেনে নহয়, স্থাপত্যৰ ক্ষেত্ৰত হ'ব পৰা প্ৰায় সকলোবোৰ নক্সাৰে পৰীক্ষা-নিৰীক্ষা এই সময়ছোৱাত হৈছিল। তেওঁ মঠ-মন্দিৰৰ উপৰি ৰংপুৰ নগৰখন স্থায়ীভাৱে পাতিবলৈ আৰম্ভ কৰি অসমত স্থায়ী স্থাপত্যৰ ক্ষেত্ৰত এক আলোড়নৰ সৃষ্টি কৰে। আহোম যুগৰ স্থাপত্যক সাধাৰণতে তিনিটা ভাগত ভাগ কৰা হয় - ৰাজকীয় স্থাপত্য, মন্দিৰ স্থাপত্য আৰু সত্ৰ স্থাপত্য। তলত আহোম যুগৰ ৰাজকীয় স্থাপত্যৰ উজ্জ্বল চানেকি বহন কৰি থকা তিনিখন ঠাই ক্ৰমে চৰাইদেউ, গড়গাঁও আৰু ৰংপুৰ সম্পৰ্কে আলোচনা কৰা হৈছে।

**চৰাইদেউ ঃ** পৃথিৱীৰ বিভিন্ন অভিৰুচিৰ পৰ্যটকক আকৰ্ষন কৰিব পৰাকৈ অসম এখন সমৃদ্ধিশালী ৰাজ্য। ইয়াৰ নৈ, বিল, পৰ্বত-পাহাৰ, অভয়াৰণ্য আদিয়ে যেনেকৈ শোভা বৰ্দ্ধন কৰি আছে, ঠিক তেনেকৈ বিভিন্ন জনগোষ্ঠীৰ বাৰে ৰহণীয়া সংস্কৃতি আৰু প্ৰত্নতাত্ত্বিক সম্পদসমূহেও পৰ্যটক সকলৰ প্ৰাচীন কালৰে পৰা মুগ্ধ কৰি আহিছে। 'চৰাইদেউ' ঠাইখন কেইটামান সৰু সৰু পাহাৰৰ সমষ্টি। ১২৫৩ খ্ৰীঃত চৰাইদেউত স্বৰ্গদেউ চুকাফাই আহোম ৰাজ্যৰ প্ৰথম ৰাজধানী স্থাপন কৰিছিল। চুকাফাই শিমলুৰ পৰা উজাই আহি 'মুং-টি-না-মাও' অৰ্থাৎ নতুন দাৰত নগৰ পাতে। এই ঠায়ো পানীত তল যোৱা দেখি ওচৰৰ পাহাৰত জেতাম-ডয়-জেলুং-

জোখাম' নগৰ স্থাপন কৰে। এই শব্দটোৱে পাহাৰত থকা ডাঙৰ আৰু পবিত্ৰ নগৰ এখনক বুজায়। এই নগৰখনেই পিছলৈ 'চৰাইদেউ' নামে জনাজাত হ'ল। চুকাফাই চৰাইদেউত ৰাজধানী নামে জনাজাত হ'ল। চুকাফাই চৰাইদেউত ৰাজধানী স্থাপন কৰাৰ পৰা স্বৰ্গদেউ ত্যাও খামতিৰ দিনলৈকে ইয়াত আহোম ৰাজ্যৰ ৰাজধানী আছিল। পিছত চুকাফাই চৰাইদেউৰ পৰা চৰগুৱালৈ ৰাজধানী স্থানান্তৰ কৰে। ৰাজধানী স্থাপনৰ পিছত ইন্দ্ৰ বা লেং-ডনক পূজিবৰ বাবে চৰাইদেউত এখন দেওশাল প্ৰতিষ্ঠা কৰা হৈছিল। বৰ্তমান চৰাইদেউ স্বৰ্গদেউ, ডা-ডাঙৰীয়া আৰু ৰাজপৰিয়ালৰ লোকসকলৰ শেষকৃত্য সমাধা কৰা বা মৈদাম দিয়া স্থান হিচাপেহে জনাজাত। বৰ্তমান পৰ্যটনৰ স্থান হিচাপে চৰাইদেউৰ আটাইতকৈ উল্লেখযোগ্য সম্পদ হ'ল - মৈদামসমূহ। আহোম স্বৰ্গদেউসকলৰ মৃত্যু হ'লে এক বিশেষ পদ্ধতিৰে অন্ত্যেষ্টিক্ৰিয়া সমাপন কৰা হৈছিল। এই পদ্ধতি অনুসৰি উৰিয়াম কাঠেৰে নিৰ্মিত 'ৰংদাম' নামৰ এটা কাঠৰ বাকচত সুমুৱাই ভালেমান নীতি নিয়ম পালন কৰি সেইবোৰৰ ওপৰত মাটিৰে বা ইটাৰে একোটা সমাধি নিৰ্মাণ কৰা হৈছিল, ইয়াক মৈদাম বোলা হয়। স্বৰ্গদেউ সকলৰ মূৰ য'ত সমাধিস্থ কৰা হয় সেইয়াই মৈদাম। মৈদামত ৰজা বা ৰাজ পৰিয়ালৰ শৱ লগত সোণ, ৰূপ, হীৰা, ধন, তেওঁ ব্যৱহাৰ কৰা প্ৰিয় সোণ ৰূপৰ মাইহাং, বাটি, ঘটি, লোটা, ভোগজৰা, হেংদাং লিগিৰণ -লিগিৰী, চালপীৰা ইত্যাদি সকলো মূল্যৱান বস্তু দিয়া হৈছিল। ধন সোণ থকা পবিত্ৰ মৈদাম ৰক্ষা কৰিবৰ কাৰণে ৰখীয়া নিযুক্তি দিছিল। চৰাইদেউত উল্লেখ পোৱা যথেষ্ট ডাঙৰ চাৰিটা মৈদাম কেন্দ্ৰীয় পুৰাতত্ত্ব বিভাগে সংৰক্ষণ কৰা এইকেইটা ক্ৰমে গদাধৰ সিংহ, ৰুদ্ৰসিংহ, শিৱসিংহ আৰু ৰাপেশ্বৰ সিংহৰ বুলি কোৱা হয়। ইয়াৰ ভিতৰত আটাইতকৈ ডাঙৰ মৈদামটো গদাধৰ সিংহৰ।

গড়গাঁও ঃ গড়গাঁও আহোম ৰাজ্যৰ তৃতীয়খন বুৰঞ্জী প্ৰসিদ্ধ ৰাজধানী। তিনিশতিকা ব্যাপী, প্ৰায় আঢ়ৈশ বছৰ ধৰি গড়গাঁও আহোম ৰাজ্যৰ ৰাজধানী আছিল। স্বৰ্গদেউ চুক্লেনমুঙে হেমেনাবাৰীৰ এটা দিশত গড়সহ ৰাজপ্ৰসাদ সাজি গড়গাঁও ৰাজধানী স্থাপন কৰাৰ বাবে তেওঁ গড়গএগা ৰজা নামে জনাজাত। অৱশ্য গড় মাৰি নগৰ পতাৰ বাবে ইয়াৰ নাম গড়গাঁও হয়। গড়গএগা ৰজাৰ পত্নী চাওচিঙে চীনৰ শান ৰাজ্যৰ অনুকৰণত ৰাজপ্ৰসাদৰ চাৰিওফালে আয়তাকাৰ গড় বন্ধাইছিল। নগৰখনৰ চাৰিওফালে আয়তাকাৰ গড় বন্ধাইছিল। নগৰখনৰ চাৰিওফালে তিনিটা গড় বন্ধাইছিল। নগৰখনৰ চাৰিওফালে তিনিটা গড়ৰ এক আৱেষ্টনী তৈয়াৰ কৰা হৈছিল। একেবাৰে প্ৰথমটো গড় ৩০ ফুটমান বহলকৈ মাটিৰে ১৫/১৬ ফুট ওখ কৰি বন্ধা হৈছিল। স্বৰ্গদেউ প্ৰতাপসিংহৰ দিনত নগৰৰ চৌদিশে বাঁহ গড় বান্ধি দহখন দুৱাৰ আৰু তিনিখন সিংহদুৱাৰ নিৰ্মানি কৰা হৈছিল। চুক্লেনমুঙৰ ৰাজত্বকালৰ পৰা প্ৰমত্ত সিংহৰ ৰাজত্ব কাললৈ বিভিন্ন সময়ত গড়গাঁৱত ভালেমান ঘৰ-দুৱাৰ, কাৰেং আদি সজা হৈছিল। অতীজৰ গড় গাঁৱত প্ৰায় ২৩ বিঘামান মাটি জুৰি ভিতৰ গড়ৰ ভিতৰত হোলোংঘৰ, পাটঘৰ, শিঙৰীঘৰ, বৰচ'চা, কুজি ঘৰ, পালিঘৰ আদি ঘৰবোৰ আৰু মূল কাৰেংঘৰটোৰ কাষত গোলাঘৰ , টোপৰ ঘৰ, খাৰ ঘৰ, অস্ত্ৰ-শস্ত্ৰৰ ঘৰ আদি আছিল। গড়গাঁৱৰ সকলোতকৈ প্ৰসিদ্ধ আৰু এতিয়াও অক্ষত অৱস্থাত থকা ঘৰটো হ'ল কাৰেংঘৰ। এই পকী ৰাজ প্ৰসাদটো ৰাজেশ্বৰ সিংহৰ ৰাজত্বকালত নিৰ্মাণ কৰা হৈছিল। আৰম্ভণিৰে পৰা ইয়াৰ দুটা মহল ভূ-গৰ্ভস্থ আছিল। ইংৰাজসকলৰ ৰাজত্ব কালত তৃতীয় মহলাটোও মাটিৰে পুতিপেলোৱা হয়। বৰ্তমান কাৰেংঘৰটো ভাৰতীয় প্ৰত্নতাত্ত্বিক জৰীপ বিভাগৰ অসম চাৰ্কোলৰ অধীনত সংৰক্ষন কৰা হৈছে।

ৰংপুৰ ঃ বৰ্তমান শিৱসাগৰ নগৰৰ গাতে লাগি থকা ৰংপুৰ নগৰখন প্ৰতিষ্ঠা কৰা হৈছিল ১৬৯৮-১৬৯৯ খ্ৰীঃত আহোম স্বৰ্গদেউ ৰুদ্ৰসিংহৰ দিনত। ইয়ালৈ ৰাজধানী স্থানান্তৰ কৰাৰ পূৰ্বে ইয়াৰ নাম মেটেকা নামেৰেহে জনাজাত আছিল। সেইকালত ৰংপুৰ নগৰ দীঘলে বাৰ মাইল আৰু পথালিয়ে দহ মাইল আৰু ইয়াৰ চাৰিওফালে কিছু দূৰৰ কালগাঁও, গৌৰিসাগৰ গাঁও, কেৰিমেৰি আলি গাঁও, মেটেকা আৰু ভোগাবাৰী লগত আছিল। স্বৰ্গদেউসকল থকা ঘৰবিলাক বৰ হোলোং, বৰচ'ৰা, বৰ বাটঘৰ, ঢাকনি চ'ৰা, চাংমাইশাল মৰঙ্গ বা শৌচাগাৰ ইত্যাদি। প্ৰায়বিলাক ঘৰেই চাংঘৰ। ৰুদ্ৰসিংহই ৰংপুৰত কেইবাটাও আলি-পদূলি, ৰাজভৱন আৰু দৌল-দেৱালয় নিৰ্মাণ কৰাইছিল। ৰংপুৰ নগৰত জয়সাগৰ পুখুৰী খন্দাইছিল, বৈদ্যনাথ শিৱ, দুৰ্গা, গনেশ, সূৰ্য, গৰসিংহ আদিৰ দৌল বন্ধাইছিল। আহোম ৰাজ্যৰ ৰাজধানী ৰংপুৰ নগৰৰ অন্যতম প্ৰধান কীৰ্তিচিহ্ন হৈছে ৰংঘৰ। পোনতে স্বৰ্গদেউ ৰুদ্ৰসিংহই ৰংপুৰত খেল- ধেমালি চাবলৈ 'ৰংপুৰ' নাম দি ১৫/১৬ হতীয়া শাল কাঠৰ খুঁটাৰে কাঠৰ পাত দি চাং দি এটা দুমহলীয়া ঘৰ সজাইছিল,হেঙুল হাইতালেৰে ৰং কৰা ঘৰটোৰ কাঠৰ খুঁটাত লতা, ফুল, জীৱ-জন্তু আদিৰ মূৰ্তি কাটি সুন্দৰ ৰূপ দিয়া হৈছিল।

স্বৰ্গদেউ প্ৰমত্ত সিংহই ১৭৪৫ খ্ৰীঃত ৰংপুৰত আগৰ কাঠৰ চাংঘৰৰ ঠাইত ইটাৰে হাঁহকণীৰ আকৃতিৰ বৰ্তমানলৈকে প্ৰায় পূৰ্বৰ মূল আকৃতিৰে বৰ্তি থকা দুমহলীয়া পকী ঘৰটো নিৰ্মাণ কৰে।

তলাতল ঘৰ ঃ ৰংপুৰৰ আনটো কীৰ্তিস্তম্ভ হ'ল তলাতল ঘৰ। এই সুৰংগৰ নিৰ্মাণৰ মূল উদ্দেশ্য আছিল শত্ৰুৰ আক্ৰমনত যাতে ৰজা সুৰংগইদি পলাই সাৰিব পাৰে। তলাতল ঘৰৰ তলৰ মহলাটো ঘোঁৰাশাল, গুদাম, চাউদাঙে পহৰা দিয়া স্থান আৰু লিগিৰা থকা ঘৰ আৰু ওপৰ মহলাকেইটা ৰজা আৰু ৰাজ পৰিয়ালৰ লোক থকাৰ বাবে ব্যৱহাৰ কৰা হৈছিল। তলাতল ঘৰটো ৰাজেশ্বৰ সিংহৰ দিনতে নিৰ্মাণ কৰা হৈছিল। তলাতল ঘৰৰ ভিতৰত বিভিন্ন কামৰ বাবে শৃংখলাবদ্ধভাৱে সুকীয়া সুকীয়া ঘৰ, যেনে - বৰচ'ৰা ঘৰ, দেওঘৰ, চটাই চ'ৰা, বৰঘৰ, পালী ঘৰ, মৰংঘৰ, বুলনি ঘৰ ইত্যাদি।





# অসমৰ অৰ্থনীতি

মুনমী গগৈ
ষষ্ঠ ষাণ্মাসিক, অৰ্থনীতি বিভাগ



যোৱা দুটা শতিকাত অসমৰ অৰ্থনীতিৰ ব্যাপক পৰিবৰ্তন লক্ষ্য কৰা যায়। বৃটিছ সকলৰ অসমত শাসন প্ৰৱৰ্তনৰ পিছত পৰম্পৰাগতভাৱে চলি অহা অৰ্থনীতিয়ে এক নতুন ৰূপ ধাৰণ কৰিলে। প্ৰাক্ বৃটিছ অৰ্থনীতি মূলতঃ কৃষি ভিত্তিক অৰ্থনীতি আছিল। কৃষিৰ লগতে ক্ষুদ্ৰ আৰু ঘৰুৱা শিল্প, হস্ত-তাঁত শিল্প, কাঠ-বাঁহ বেতৰ সামগ্ৰী ইত্যাদি নিৰ্মাণ কৰা হৈছিল। অৱশ্যে আহোম ৰাজত্বৰ সময়ত পাহাৰ ভৈয়ামৰ জাতি জনজাতিৰ মাজত, নিকতৱৰ্তী দেশ চীন, ব্ৰহ্মদেশ, ভাৰতৰ বিভিন্ন প্ৰান্তৰ লগত দ্ৰব্য আদান-প্ৰদান (বিনিময় ব্যৱস্থা) সুচল ব্যৱস্থা আছিল।

বৃটিছ শাসনৰ সময়ৰ পৰা অসমৰ অৰ্থনীতিলৈ এক ব্যাপক পৰিৱৰ্তন আহিল। অসমত প্ৰচুৰ ভাৱে উৎপাদন হোৱা বাঁহ, কাঠ, বেত, বৃটিছে আৱিস্কাৰ কৰা চাহ আৰু উনবিংশ শতিকাৰ শেষৰ ফালে উদ্‌ঘাটন হোৱা খনিজ তেল, প্ৰাকৃতিক গেছ, কয়লা ইত্যাদিয়ে অসমৰ অৰ্থনৈতিক ক্ষেত্ৰখনলৈ যথেষ্ট পৰিৱৰ্তন আনিলে। বৃটিছ সকলে এই সম্পদ সমূহ ব্যৱহাৰৰ পূৰ্ণ সুযোগ ল'লে। ব্যৱসায়িক সুবিধাৰ বাবে ব্ৰহ্মপুত্ৰত সুচল জলপথ ব্যৱস্থা কৰিলে, অসমৰ ইমূৰৰ পৰা সিমূৰলৈ ৰেলপথৰ নিৰ্মাণৰ জৰিয়তে সহজ যোগাযোগৰ ব্যৱস্থা কৰিলে বিভিন্ন অঞ্চলৰ লগত যোগাযোগৰ বাবে স্থলপথৰ উন্নয়ন সাধন কৰিলে। এনে বিলাক কাৰ্যৰ বাবে অসম উদ্যোগীকৰণৰ দিশত আগবাঢ়ি যায়। কাঠক কেন্দ্ৰ কৰি কাঠ ফলা কল, প্লাইউদ ফেক্টৰী, বৃহৎ অঞ্চল ব্যাপীচাহ বাগান খোলা হ'ল। চাহ প্ৰস্তুতৰ বাবে বাগান বিলাকত চাহৰ ফেক্টৰী খোলা হ'ল। খনিজ তেলৰ উৎপাদনৰ বাবে উজনি অসমৰ বিভিন্ন স্থানত তেল খাদ বহুওৱা হ'ল আৰু খাদ সমূহৰ পৰা উৎপাদন হোৱা তেল পৰিশোধনৰ বাবে ডিগবৈত ভাৰতৰ প্ৰথম শোধানাগাৰটো স্থাপন কৰা হ'ল। উদ্যোগীকৰণৰ ফলত জনগাঁথনি পৰিৱৰ্তন হ'ল, নতুন নতুন নগৰ সৃষ্টি হ'ল, ক্ৰমশ বজাৰ অৰ্থনীতিয়ে গা কৰি উঠিল।


সুদীৰ্ঘকালৰ আন্দোলনৰ অন্তত ১৯৪৭চনৰ ১৫ আগষ্টত অৱশেষত ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰে। স্বাধীন ভাৰতবৰ্ষত চৰকাৰ গঠন হ'ল। বৃটিছ ৰাজৰ উপনিবেশিক শোষণে জুৰুলা কৰি যোৱা অৰ্থনীতিক পুনৰ স্থাপনৰ বাবে শাষণভাৰ লৈয়েই বিভিন্ন ধৰণৰ উন্নয়নমূলক কাৰ্যসূচী গ্ৰহণ কৰিব লগা হৈছিল। ১৯৫০চনত পৰিকল্পনা আয়োগ গঠন কৰি পৰিকল্পিত অৰ্থনৈতিক কাৰ্যসূচী গ্ৰহণ কৰি ১৯৫১চনৰ ১ এপ্ৰিলৰ পৰা প্ৰথম পঞ্চবাৰ্ষিক পৰিকল্পনাৰ শুভাৰম্ভ কৰা হৈছিল। ভাৰতৰ দ্বিতীয় পঞ্চবাৰ্ষিক পৰিকল্পনাত উদ্যোগীকৰনক বিশেষ গুৰুত্ব দিয়া হৈছিল। সেইমৰ্মে অসমতো ইয়াৰ কাৰ্য্যকলাপ আৰম্ভ হৈছিল। ৰাজহুৱা খণ্ডৰ কেইবাটাও উদ্যোগ প্ৰতিষ্ঠাৰ বাবে অসমত পদক্ষেপ গ্ৰহণ কৰা হৈছিল।

অসমত ইতিমধ্যে থকা চাহ, তেল, প্লাইউদ উদ্যোগসমূহ নতুন অৱস্থাৰ পৰিপেক্ষিতত নতুনত্ব অনাৰ প্ৰয়াস লোৱা হৈছিল। দেৰগাঁৱৰ বৰুৱা বামুন গাঁৱত চেনী উদ্যোগ স্থাপনৰ ব্যৱস্থা কৰা হৈচিল। উজনি



অসমৰ বিভিন্ন স্থানত খনিজ তেলৰ সন্ধান পোৱা তেল উদ্‌ঘাটনৰ বাবে তেল আৰু প্ৰাকৃতিক গেছ আয়োগে পঞ্চাশৰ দশকৰ মধ্যভাগত কাৰ্য আৰম্ভ কৰিছিল। জাগীৰোডত চিল্ক মিল ৰাজহুৱা খণ্ডত প্ৰতিষ্ঠা হৈছিল। ইয়াৰোপৰি নামৰূপৰ সাৰ কাৰখানা, পেট্ৰকেমিকেল উদ্যোগ, জাগীৰোড, যোগীঘোপা, পঞ্চগ্ৰামত কাগজ উদ্যোগ, দুলিয়াজানত Oil & Natural Gas Commission ৰ কাৰ্য্যালয় নুনমাটি, বঙাইগাঁও, নুমলিগড়ত তেল শোধানাগাৰ, বিদ্যুৎ উৎপাদনৰ বাবে লাকুৱা, চন্দ্ৰপুৰ, বঙাইগাঁও ইত্যাদিত বিদ্যুৎ উৎপাদনৰ কেন্দ্ৰ স্থাপন হ'ল। বৃটিছ শাসন কালতে নাজিৰাত চাহ কোম্পানীৰ মূখ্য কাৰ্যালয় ইতিমধ্যে প্ৰতিষ্ঠা হৈছিল, চাহ গৱেষণাৰ বাবে টোকলাইত চাহ গৱেষণা কেন্দ্ৰ স্থাপন হৈছিল। চাহ, তেলৰ কেন্দ্ৰ কৰি বিভিন্ন আনুসংগিক উদ্যোগ প্ৰতিষ্ঠা হ'ল। ব্ৰহ্মপুত্ৰৰ ওপৰত শৰাইঘাট, নৰনাৰায়ন সেতু, ভূপেন হাজৰিকা সেতু, বগীবিলৰ দলং সম্পূৰ্ণ হ'ল। স্বাধীনতাৰ পৰৱৰ্তী সময়ছোৱাত স্বাস্থ্যখণ্ড আৰু অন্যান্য সেৱা খণ্ডৰো যথেষ্ট সম্প্ৰসাৰন হৈছে। অসমৰ উদ্যোগীকৰণ আৰু অন্যান্য দিশ সমূহৰ সম্প্ৰসাৰনৰ ফলত বহুকেইখন সৰু বৰ নগৰৰ সৃষ্টি হ'ল। স্বাধীনতাৰ ঠিক পিছতে অসমৰ মাত্ৰ কেইখনমান নগৰ আছিল প্ৰশাসনিক সদৰ স্থান সমূহত নগৰ বিলাকক কেন্দ্ৰ কৰি বৃহৎ বজাৰ গা কৰি উঠিল, বেংক, বীমা আৰু অন্যান্য বিত্তীয় প্ৰতিষ্ঠান স্থাপন হ'ল। শিক্ষা, স্বাস্থ্য কেন্দ্ৰ প্ৰতিষ্ঠা হ'ল। পৰিবহণ আৰু যোগাযোগ সেৱাৰ যথেষ্ট উন্নতি হ'ল। স্বাধীনতাৰ পৰৱৰ্তী কালছোৱাত অসমৰ অৰ্থনীতি, শিক্ষা, স্বাস্থ্য, পৰিবহন, যোগাযোগ ব্যৱস্থাৰ সম্প্ৰসাৰণে জনসাধাৰনৰ জীৱন-ধাৰণৰ মানদণ্ডৰো যথেষ্ট পৰিৱৰ্তন কৰিলে। এই সময়ছোৱাত কৃষিখণ্ডৰ পৰা সেৱাখণ্ডলৈ হোৱা প্ৰবজনে আৰু কৃষিৰ প্ৰতি হোৱা অনিহাই অসমৰ অৰ্থনীতিত যথেষ্ট চাপ পেলাইছে। বিশেষতঃ নিবনুৱা সমস্যাই জটিল ৰূপ লৈছে।

ভাৰত চৰকাৰে গ্ৰহণ কৰা - "Look East Policy" এ প্ৰগতি আনিব বুলি আশা কৰা হৈছে। অসমৰ মাজেদি ম্যানমাৰ, থাইলেণ্ড, চীন ইত্যাদি দক্ষিণ-পূৱ এছিয়াৰ ৰাষ্ট্ৰসমূহৰ লগত ভাৰতৰ প্ৰত্যক্ষ যোগাযোগ স্থাপন হ'লে অসম যথেষ্ট গুৰুত্বপূৰ্ণ অঞ্চলৰূপে স্বীকৃত হ'ব। অসমত ইতিমধ্যে 4lane High way ৰ কাম চলি আছে আৰু অসমৰ মাজেদি ম্যানমাৰ, থাইলেণ্ড, চীনৰ লগত সংযোগ পথৰ নিৰ্মাণ কাৰ্য্য অতি সোনকালেই সম্পূৰ্ণ হ'ব বুলি ভাৰত চৰকাৰে ঘোষণা কৰিছে। ইতিমধ্যে ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে দুটা পথ নিৰ্মাণ, দুয়োপাৰৰ সংযোগ স্থাপন তথা উত্তৰ পূৱৰ ৰাজ্যসমূহৰ মাজত যাতায়তৰ সুচল যোগাযোগৰ বাবে ব্ৰহ্মপুত্ৰৰ ওপৰত কেইবাখনো দলং নিৰ্মাণৰ সিদ্ধান্ত হৈছে। 4lane High way সম্পূৰ্ণ হলে ব্ৰহ্মপুত্ৰৰ ওপৰত প্ৰস্তাৱিত দলং কেইখন নিৰ্মাণ হলে অসমৰ অৰ্থনীতিয়ে নতুন গতি লাভ কৰিব বুলি আশা কৰিব পাৰি।









# প্ৰাচীন ভাৰতৰ গণিত চৰ্চা আৰু গণিতজ্ঞৰ অৱদান

**টঙ্কেশ্বৰ বৰুৱা**

সহযোগী অধ্যাপক, গণিত বিভাগ, সোণাৰি মহাবিদ্যালয়

আৰ্য্য সকলেই ভাৰতত সভ্যতা, সংস্কৃতি আৰু ভাৰতৰ ইতিহাসত সাঁচ বহুৱাবলৈ সক্ষম হৈছিল। তেওঁলোক বিশেষভাৱে আগবঢ়া আৰু সংস্কৃতিবান আছিল। দৈনন্দিন জীৱনত তেওঁলোকে গণিতৰ মূল্য আৰু তাৰ ব্যৱহাৰ কৰিছিল। বৰ্ত্তমান গণিতৰ ধাৰণা আ ৰু আবিস্কাৰৰ বাবে বিশ্বই আৰ্যসকলক মৰ্য্যদাৰে স্বীকৃতি দি আহিছে। গণিত চৰ্চা প্ৰাচীনভাৰতত এটা বিশেষ বিষয় হিচাপে বিবেচিত হৈছিল। ভালেকেইজন প্ৰখ্যাত গণিতজ্ঞই অংকশাস্ত্ৰৰ ভালেকেইটা শাখালৈ নতুন নতুন সূত্ৰ সৃষ্টিৰে অৱদান আগবঢ়াই আহিছে। বিশ্ববাসীয়েও স্বীকাৰ কৰে যে ভাৰততেই পোন প্ৰথমে শূণ্যকে ধৰি দশমিক পদ্ধতিৰ আৱিস্কাৰ হৈছিল। যি কেইজন গণিতজ্ঞই অংকশাস্ত্ৰত অৱদান আগবঢ়াইছে তেওঁলোকৰ ভিতৰত আৰ্য্যভট্ট, বৰাহমিহিৰ, ব্ৰহ্মগুপ্ত, মহাবীৰ, শ্ৰীধৰ আচাৰ্য্য আৰু ভাস্কৰাচাৰ্যই উল্লেখযোগ্য। তেওঁলোকৰ অৱদান সংক্ষেপতে আলো চনা কৰা হ'ল -

**আৰ্য্যভট্ট (476 AD-550AD)ঃ** জন্ম ৪৭৬ চনত পাটলিপুত্ৰৰ (বৰ্তমান বিহাৰ) কুসুমপুৰত। তেওঁ প্ৰথম হিন্দু গণিতজ্ঞ সকলৰ ভিতৰত এজন শ্ৰেষ্ঠ আছিল। তেওঁৰ উল্লেখযোগ্য কিতাপ হ'ল আৰ্য্যভটিয়া। আৰ্য্যভটিয়া কেইবাটাও শাখাত বিভক্ত। তাত জ্যোতিবিদ্যা (Astronomy), সময় জোখাৰ নিয়ম, গোলকৰ সম্বন্ধে আলোচনা পোৱা যায়।

**অৱদান ঃ**

* আৰ্য্যভটিয়াত স্থানীয়মান পদ্ধতি বিষয়ে পোৱা যায়।
* তেওঁৱেই ভাৰতত প্ৰথম সূত কছা (interest) অংকৰ সূত্ৰ নিদ্ধাৰণ কৰিছিল
* তেওঁ প্ৰথম $by = ax + c$ আৰু $by = ax-c$ সমীকৰণ সমাধানৰ বাবেkuttuka পদ্ধতি ব্যৱহাৰ কৰিছিল।
* সমান্তৰ শ্ৰেণীৰ যোগফলৰ সূত্ৰ নিদ্ধাৰণ কৰিছিল।
* আৰ্য্যভটিয়াত তেওঁ

$$1^2+2^2 ......... +n^2 \frac{n(n+1)(2n+1)}{6}$$

$$1^3+2^3 ......... +n^3 (1+2+3^6+ ....... +n)^2 = \left\{\frac{n(n+1)}{2}\right\}^2$$

সূত্ৰ উল্লেখ কৰিছিল।

$\pi$ ৰ শুদ্ধমান নিৰ্ণয় কৰিছিল আৰু $\pi$ ক অপৰিমেয় সংখ্যা হিচাপে বিবেচনা কৰিছিল।

* ত্ৰিভূজ আৰু বৃত্তৰ কালিৰ শুদ্ধ সূত্ৰ দিছিল।
* তেওঁ গ্ৰহবোৰৰ কক্ষপথ উপবৃত্তীয় (elliptic) বুলি বিবেচনা কৰিছিল আৰু গ্ৰহণৰ কাৰণ সূৰ্য্য আৰু চন্দ্ৰৰ বাবে হোৱা বুলি ব্যাখা কৰিছিল। এইজনা গণিতজ্ঞ আৰু জ্যোতি বিজ্ঞানীৰ প্ৰতি সন্মানজনাই ভাৰত চৰকাৰে ভাৰতৰ প্ৰথম কৃত্ৰিম উপগ্ৰহটোৰ নাম ৰাখিছিল আৰ্য্যাভট্ট (১৯৭৫)।

**বৰাহমিহিৰ (505AD-587AD)ঃ**

তেওঁ ৫০৫ চনত গুপ্তযুগৰ উজ্জয়িনীত জন্ম গ্ৰহণ কৰিছিল। তেওঁৰ উল্লেখনীয় কিতাপ হ'ল ঃ পঞ্চসিদ্ধান্তিকা, বিৰাট সংহীতা, আৰু বিৰাট জাতক। পঞ্চসিদ্ধান্তিকাত তেওঁ গণিতীয় আৰু তৃত্বীয় জ্যোতিবিদ্যাৰ চৰ্চা কৰিছে। তেওঁ তাত নক্ষত্ৰৰ অৱস্থান নিৰ্ণয় আৰু তাৰ গণনা বিশ্লেষণ কৰিছে।

তেওঁ $\text{Sin } 30^0 = \frac{1}{2}$, $\text{Sin } 60^0 = \sqrt{1-\frac{1}{4}}$, সূত্ৰ নিৰ্ভুল ভাৱে প্ৰমাণ কৰিছে।

**ব্ৰহ্মগুপ্ত (598AD-668AD)ঃ**

জন্ম ৫৯৮ চনত ৰাজস্থানৰ ভিনমালত। তেওঁ আছিল গণিতজ্ঞ আৰু জ্যোতিবিদ। উজ্জয়িনীত তেওঁ শিক্ষা লাভ কৰে। তাত থাকোতেই তেওঁ চাৰিখন বিখ্যাত কিতাপ লিখে। তাৰ ভিতৰত ব্ৰহ্মাস্ফুট সিদ্ধান্ত অন্যতম। উজ্জয়িনীত থকা প্ৰাচীন ভাৰতৰ জ্যোতিবিজ্ঞান কেন্দ্ৰৰ তেওঁ আছিল সঞ্চালক।

**অৱদান ঃ**

* সংখ্যাপদ্ধতিত তেওঁ প্ৰথমে শূণ্য সংখ্যা

ব্যৱহাৰ কৰি তাৰ ধৰ্ম ব্যাখা কৰিছিল। যিটো গণিত জগতলৈ উল্লেখযোগ্য অৱদান।

* দ্বিঘাত সমীকৰণৰ এটা মানৰ সমাধান দিয়া সূত্ৰ আৱিস্কাৰ কৰা প্ৰথম জন ব্যক্তি আছিল।
* তেওঁ $\pi$ (পাই) সংখ্যাক বৃত্তৰ পৰিধি আৰু ব্যাসৰ অনুপাত আৰু তাৰ মান ১০ ৰ বৰ্গমূল (অথাৎ ৩.১৬২) বুলি ব্যৱহাৰ কৰিছিল।
* তেওঁৰ মতে এবছৰত ৩৬৫ দিন, ৬ ঘন্টা, ১২ মিনিট, ৯ ছেকেণ্ড।
* তেওঁ ধনাত্মক আৰু ঋণাত্মক সংখ্যাৰ যোগ, বিয়োগ, পূৰণ আৰু হৰণৰ নিয়ম নিদ্ধাৰণ কৰিছিল।

**মহাবীৰ (817AD-875AD)ঃ**

তেওঁৰ জন্ম দক্ষিণ ভাৰতৰ মহীসুৰত। ৯ম শতিকাৰ এজন জৈন গণিতজ্ঞ আৰু জ্যোতিবিজ্ঞানী। তেওঁ ব্ৰহ্মগুপ্তৰ ব্ৰহ্মস্ফুট (Brahmasphut ) সিদ্ধান্তৰ নিয়ম আৰু পদ্ধতি উন্নতিসাধন কৰি 'গণিত সংগ্ৰহ' নামে কিতাপ ৰচনা কৰে। যিখন প্ৰাচীন ভাৰতৰ গণিতৰ পাঠ্য পুথি হিচাপে ব্যৱহাৰ হৈছিল।

**অৱদানঃ**

* তেওঁ জ্যোতিষ শাস্ত্ৰ (Astrology) ক গণিতৰ পৰা পৃথক কৰিছিল।
* তেওঁ $^{n}c_{r}$ ৰ সূত্ৰ নিৰ্দ্ধাৰণ কৰিঠিল।
* উপবৃত্তৰ কালি আৰু পৰিসীমা নিদ্দাৰণ।
* সংখ্যাৰ বৰ্গমূল আৰু ধনমূল নিৰ্ণয়ৰ পদ্দতি উদ্ভাৱন।
* লঃ সাঃ গু নিৰ্ণয় আৰু বৰ্ত্তমানৰ সৰল কৰা অংকৰ নিয়ম তেওঁৰেই উলিয়ায়।
* তেওঁ $\sqrt{-a}$ ৰ অস্বিত্ব বিশ্বাস নকৰিছিল।
* তেওঁ সমবাহু ত্ৰিভূজ, সমদ্বিবাহু ত্ৰিভূজ, ৰম্বাচ, বৃত্ত আৰু অৰ্ধবৃত্তৰ ধাৰণা আৰু নাম নিৰ্ধাৰণ কৰিছিল।

**শ্ৰী ধৰ আচাৰ্য্য (870AD-930AD)ঃ**

জন্ম ৯ম শতিকাত ভুৰিন্দ্ৰীস্তি গাৱত (বুৰ্ত্তমান হুগলী)। এজন গণিতজ্ঞ আৰু দাৰ্শনিক। তেওঁ লিখা দুখন কিতাপ হ'ল ঃ ত্ৰিশতিকা বা পাটীগণিত সাৰ আৰু পাটীগণিত। তাত তেওঁ পাটীগণিত, বীজগণিত, জ্যামিতি, পৰিমিতি আৰু ত্ৰিকোণমিতিৰ ওপৰত আলোচনা কৰিছে।

**অৱদানঃ**

* তেওঁ প্ৰথম দ্বিঘাত সমীকৰণৰ সম্পূৰ্ণ সমাধান সূত্ৰ পূৰ্ণবৰ্গ পদ্ধতিৰে নিৰূপন কৰিছে।
* পাটীগণিত (Arithmetic)ৰ পৰা বীজগণিত (Algebra)ক পৃথক কৰিছিল
* শূন্যৰ প্ৰয়োগ পদ্ধতি a+o=a, a-o=a, axo=o বুলি নিৰূপন কৰে।
* বীজগণিতৰ ব্যৱহাৰিক প্ৰয়োগৰ ওপৰত লিখনী আগবঢ়ায়।

**ভাস্কৰাচাৰ্য্য (1114AD-1185AD)ঃ**

তেওঁৰ জন্ম ১১১৪চনত কৰ্ণাটকৰ বিজাপুৰত। ১২ শতিকাৰ এজন শ্ৰেষ্ঠ গণিতজ্ঞ আৰু জ্যোতিবিদ। তেওঁ উজ্জয়িনীত থকা জ্যোতি পয্যবেক্ষণ কেন্দ্ৰৰ মুৰব্বী আছিল। বৰাহমিহিৰ আৰু ব্ৰহ্মগুপ্তৰ দৰেই মহান কৰ্মৰাজিৰ দ্বাৰা গণিত ক্ষেত্ৰখনত অৱদান আগবঢ়াবলৈ সক্ষম হৈছিল।

**অৱদানঃ**

**তেওঁ ৰচনাকৰা ছখন গ্ৰন্থ হ'ল ঃ**

(ক) লীলাৱতী, গণিত ওপৰত ১৩ টা উপশাখাত লিখা।
(খ) বীজগণিত, বীজগণিত বিষয়ৰ ওপৰত
(গ) সিদ্ধান্ত শিৰোমণি, জ্যোতিবিজ্ঞান আৰু গোলকৰ বিষয়ক।
(ঘ) বচনভাষ্য, সিদ্ধান্ত শিৰোমণিৰ ওপৰত নিজৰ ভাষ্য।
(ঙ) কৰ্ণফুটুহালা, জ্যোতিবিজ্ঞানৰ ৰহস্য বিষয়ক
(চ) বিবৰ্ণ, শিক্ষাবিবিধ সিদ্ধান্তৰ ওপৰত ভাষ্য।

প্ৰথম তিনিখন গণিতৰ দিশত বিশেষভাৱে গুৰুত্বপূৰ্ণ। তেওঁৰ লীলাৱতীত শ্ৰীধৰৰ ত্ৰিশতিকাৰ ওপৰত নিৰ্ভৰ কৰি লিখা যদিও লিখাৰ ধৰণ নতুন। তেওঁ লীলাৱতী নামৰ এজনী ছোৱালীৰ লগত কথোপকথনৰ যোগেদি পাটীগণিতীয় অংক চৰ্চা কৰিছে। বীজ গণিতত শূণ্যৰ লগত যোগ, বিয়োগ, পূৰণ, হৰণ কৰাৰ নিয়ম দিছে।

* ভাস্কৰাচাৰ্য্যই প্ৰথমে বৰ্ণনা কৰিছিল যে যি কোনো সংখ্যাক শূণ্যৰ দ্বাৰা হৰণ কৰিলে অসীম (infinity) হয়।
* তেওঁ ঋণাত্মক সংখ্যা বুজাবলৈ সংখ্যাৰ ওপৰত দত (dot) চিন ব্যৱহাৰ কৰিছিল কিন্তু $\sqrt{-a}$ ক সংখ্যা বুলি গ্ৰহণ নকৰিচিল। তেওঁ গোলকৰ পিষ্ঠ কালি আৰু ঘনফলৰ সূত্ৰ দিছিল এনে ধৰণে

Surface Area = 4xArea of a circle volume of a sphere $\times \frac{1}{6}$ of its diameter

যিটো নিখুত হিচাপে বিবেচিত হৈছে। ত্ৰিকোণমিতিৰ sin(A+B) আৰু cos(A-B) সূত্ৰ নিৰূপন। সিদ্ধান্ত শিৰোমণিত গোলকীয় ত্ৰিকোণমিতি (Spherical trigonmity) ৰ বিষয়ে আলোচনা কৰিছে।

ভাস্কৰাচাৰ্য্যৰ লগে লগেই প্ৰাচীন ভাৰতৰ গণিত চৰ্চা অন্ত পৰে। ভাৰত এখন দেশ হিচাপে ডাঙৰ যদিও গণিত চৰ্চা কৰা লোকৰ সংখ্যা তাৰ তুলনাত কম, সেয়ে হলেও ভাৰতীয় গণিতজ্ঞৰ অৱদান চিৰযুগমীয়া।





মদ পান কৰিলে সুস্থ মগজুৰ স্নায়ুতন্ত্ৰত বিশৃংখল ঘটে আৰু ইয়াৰ মাত্ৰা অধিক হ'লে বিবেক আৰু হিতাহিত জ্ঞানশূণ্য হয়। এইবিধ দ্ৰব্য দীৰ্ঘদিন সেৱনৰ ফলত স্মৃতিশক্তি, দৃষ্টিশক্তি, ধাৰণাশক্তি ক্ষীণ হোৱাৰ উপৰি হাওঁফাওঁ, হৃদযন্ত্ৰ, স্নায়ুদুৰ্বলতা আৰু ৰক্তচাপ বৃদ্ধি ৰোগৰ সৃষ্টি কৰে। ইয়াৰ বাহিৰেও পাকস্থলী, প্লিহা, যকৃত, অন্ত্ৰ আদিত হোৱা কৰ্কট ৰোগ আৰু যকৃতত হোৱা 'লিভাৰ ছিৰ'ছিছ' নামৰ কঠিন ৰোগ মদ পানৰ পৰা সৃষ্টি হোৱা দেখা যায়।



# নিচাযুক্ত দ্ৰব্য আৰু বৰ্তমান যুৱ প্ৰজন্ম


শিশিৰ কুমাৰ গগৈ
ৰাজনীতি বিজ্ঞান বিভাগ

বৰ্তমান আধুনিক সমাজত নিচাযুক্ত দ্ৰব্যই আমাৰ সমাজক এফালৰ পৰা কলুষিত কৰি তুলিছে। বিশেষকৈ উঠি অহা নৱ প্ৰজন্মক মৃত্যুৰ মুখলৈ ঠেলি দিছে, নৱ প্ৰজন্মই নিজে নিজৰ বিপদ ইমানে দ্ৰুত গতিত মাতি আনিছে যে তাৰ কোনো হিচাপ নাই। তাৰোপৰি নিচাযুক্ত দ্ৰব্য সেৱন কৰাৰ বাবে ব্যক্তি বিশেষে নৱপ্ৰজন্মৰ লগতে সমাজৰ লগতে একো একোটা পৰিয়ালৰ সামগ্ৰিক উন্নয়ন বাধাগ্ৰস্ত কৰাৰ উপৰিও নিজৰ প্ৰাণ আশংকাক নিমন্ত্ৰণ দিছে।

এই যুৱ প্ৰজন্মৰ ভিতৰত আছে বিশেষকৈ স্কুল কলেজৰ ছাত্ৰ-ছাত্ৰী। এই নিচাযুক্ত দ্ৰব্যৰ কৱলৰ পৰা কলেজীয়া ছাত্ৰী সকলো পিছ পৰি থকা নাই। ঈশ্বৰৰ দৃষ্টিত "সুৰা, দ্বন্দ কৰোঁতা, যিয়ে তাৰ মতলীয়া হয় তেওঁ জ্ঞানৱান নহয়, মূৰ্খইহে সুৰা পান কৰে।"

আমি জ্ঞানৰ আৰাধনা কৰিবলৈ যাঁও স্কুল কলেজলৈ। কিন্তু বৰ্তমান জ্ঞান নহয় যেন জীৱনক বিপথে পৰিচালিত কৰাৰ হে জ্ঞান লৈছো, নিচাযুক্ত দ্ৰব্য নহলে যেন এই পৃথিৱীত একোৱেই নাই। স্কুল-কলেজৰ সন্মুখত,অথচ ক্লাচ ৰূমত, প্ৰস্ৰাৱগাৰত ভিতৰ সুমাই, নিজৰ নিজৰ কায়দাৰে ছাত্ৰসকলৰ গুটখা খোৱা সকলোৱে দেখিবলৈ পোৱা যায় আৰু এই আধুনিকতাৰ যুগত ছোৱালী সকল যে এনে কাৰ্যত পিচপৰি আছে তেনে নহয়, লগতে এটা যোগ দিব লাগিব বৰ্তমান নতুন বছৰক আদৰিবলৈও যুৱ প্ৰজন্মই এই নিচাযুক্ত দ্ৰব্যৰ সহায় লোৱা দেখা যায়।

নিচাযুক্ত দ্ৰব্য আৰু যুৱ মানসিকতাৰ বিষয়ে প্ৰায় আমি বা তৰিকাকতৰ পৃষ্ঠা আৰু টিভিৰ পৰ্দা নিৰীক্ষণ কৰিলে দেখিবলৈ পোৱা যায়-চহৰে-নগৰে, গাঁৱে-ভূএেও যেন নানা অশান্তি। চুৰি-ডকাইতি, হত্যা-লুণ্ঠন,



বলাৎকাৰ, অপহৰণ, উগ্ৰবাদ, প্ৰৱঞ্চনা, দূৰ্ঘটনা আদিৰ বাহিৰেও নানা ৰোগ-ব্যাধিয়ে সৰ্বসাধৰণক জুৰুলা কৰি আহিছে। বিয়া-সবাহ, ধৰ্মীয় অনুষ্ঠান-প্ৰতিষ্ঠান, বনভোজস্থলী আদিত সঘনে ঘটি থকা ঘটনাবোৰ সকলোৱে দেখি বা শুনি আহিছে। আনকি গাড়ী, মটৰ, ৰে'ল আদিৰ ভ্ৰমণো ভয় আৰু শংকাৰ পৰা সম্পূৰ্ণ মুক্ত নহয়। আমি সকলোৱে জানো যে বিশ্বব্ৰহ্মাণ্ডৰ সকলো জীৱৰ মাজত মানুহেই শ্ৰেষ্ঠ। জ্ঞান, বুদ্ধিৰ বলত মানুহে আজি যি অসাধ্য সাধন কৰিবলৈ সক্ষম হৈছে, ই কল্পনাৰো অতীত। এইখন সমাজতে মহামানৱৰ জন্ম হৈছে, কবি, সাহিত্যিক, দাৰ্শনিক, বিজ্ঞানীৰ আৰ্বিভাৱ ঘটিছে। সমগ্ৰ মানৱ জাতিৰ পক্ষে এইটো গৌৰৱ। কিন্তু এইখন সমাজতে আকৌ বিভিন্ন লোমহৰ্ষক ঘটনা আৰু বিভিন্ন অসামাজিক কাৰ্য সংঘটিত হোৱাটো আমাৰ বাবে অগৌৰৱ নহয়নে? এই বিষয়ত প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে দৃঢ়তাৰে ক'ব পাৰি- সমাজত নিচাযুক্ত বা ৰাগিয়াল দ্ৰব্যসমূহ অবাধ প্ৰচলন ঘটা নাইবা এইবোৰৰ নিয়ন্ত্ৰণ নোহোৱাটোৱেই ইয়াৰ একমাত্ৰ কাৰণ।

নিচাযুক্ত বা ৰাগিয়াল দ্ৰব্য বুলিলে মদ, ভাং, বিড়ি, চিগাৰেট, ধঁপাত, পানমছলা, গুটখা আৰু হেৰ'ইন আদি দ্ৰব্যসমূহক বুজায়। আমি সকলোৱে দেখি উপলব্ধি কৰিব পাৰোঁ- এই দ্ৰব্যবোৰ সেৱনৰ ফলত ব্যক্তিগত জীৱনৰ শাৰীৰিক, মানসিক ক্ষতি আৰু সামাজিক জীৱনত ঘটা বিশৃংখলতাই কি ইংগিত বহন কৰে। কিন্তু এই নিচাযুক্ত দ্ৰব্যসমূহ শাৰীৰিক আৰু মানসিক স্বাস্থ্যৰ পক্ষে কিমান ক্ষতিকাৰ মধ্য বয়সত ই কিমান ধৰণৰ কঠিন ৰোগৰ সৃষ্টি কৰিব পাৰে, সেৱনকাৰীসকলে প্ৰথমতে এইটো উপলব্ধি কৰিব নোৱাৰে। অথবা কোনো কোনোৰ ক্ষেত্ৰত ই উপলব্ধি হ'লেও ইয়াক নোৱাৰে।

আমাৰ শৰীৰটো এটা পবিত্ৰ আত্মাৰ মন্দিৰ, গতিকে আমি আমাৰ শৰীৰটোক সুৰাৰ দৰে বিষাক্ত দ্ৰব্যৰে অপবিত্ৰ কৰাটো উচিত নহয়। প্ৰথমে আমি নিজকে এই বিষয়ে সচেতন কৰিব লাগিব, যাতে আমাৰ ভাই-ভনী, উঠি অহা প্ৰজন্ম সকলক আমি এক উচিত শিক্ষা দি এক সুন্দৰ জীৱন-যাপন কৰিবলৈ এটা উচিত পথ দেখুওৱাৰ দায়িত্ব আমাৰ নিশ্চয় আছে। সামাজিক দায়বদ্ধতাৰ বাবেই হওঁক বা সীমাবদ্ধতাৰ ভিতৰত থাকি নিচাযুক্ত দ্ৰব্য সেৱন কৰাই হওঁক, কোনো কাৰণতেই যাতে আমি মাদক দ্ৰব্যৰ কবলত পৰিব নালাগে, ঈশ্বৰে আমাক সৃষ্টি কৰিছে যেতিয়া তাৰ পৰা হাত সাৰি থকাৰ উপায়ো দিছে। সমাজত কেৱল জনপ্ৰিয় হবলৈ নাইবা সমাজৰ লগত মিলিবলৈ যদি আমি সুৰা পান কৰাটো বৰ্তমান প্ৰয়োজনীয় বুলি ধৰা হয়, তেন্তে আমি নিজে বুজা উচিত যে আমি এখন উশৃংখল সমাজৰ সৃষ্টি কৰিবলৈ গৈ আছো, আমি জানো বেয়া বুলি তথাপিও আমি বেয়া বোৰ লৈ আগুৱাই যাব বিচাৰিছো, যাৰ বাবেই আজি ৰাজপথৰ মাজত আমিয়েই অন্য লোকৰ নিৰাপত্তাহীনতাৰ কাৰণ হৈ পৰিছো, আমি নিজকে জ্ঞানী বুলি কৈ নিজেই আজি মুৰ্খ হৈ আমাৰ সমাজলৈ, উঠা অহা প্ৰজন্মলৈ বিপদ নমাই আনিছো, বৰ্তমান সমাজৰ উশৃংখল অৱস্থা আৰু দৰিদ্ৰতা অন্যতম এক কাৰণ। নিচাযুক্ত দ্ৰব্য প্ৰধানকৈ সুৰা পান, ড্ৰাগছ সেৱন ইত্যাদি বোৰেই উশৃংখল সমাজৰ আৰু দ্ৰৰিদ্ৰতাৰ ইন্ধন স্বৰূপ।

বৰ্তমান যুৱ সমাজত নিচাযুক্ত দ্ৰব্য সেৱনৰ আসক্তি দ্ৰুতগতিত বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। ই সমাজৰ বাবে এক ভয়াবহ সংকট বুলিব পাৰি। কিয়নো, যুৱশক্তি হৈছে সমাজ তথা দেশ গঢ়াৰ মূল ভেটিস্বৰূপ। এই ভেটি সুদৃঢ় নহ'লে সমাজত শান্তি সম্ভৱ নহয়। প্ৰচলিত নিচাযুক্ত দ্ৰব্যৰ ভিতৰত মদ এবিধ স্বাস্থ্যৰ পক্ষে ক্ষতিকাৰক দ্ৰব্য। অকল শাৰীৰিকেই নহয়, মানসিক স্বাস্থ্যৰ বাবেও ই পৰিপন্থী। মদ পান কৰিলে সুস্থ মগজুৰ স্নায়ুতন্ত্ৰত বিশৃংখল ঘটে আৰু ইয়াৰ মাত্ৰা অধিক হ'লে বিবেক আৰু হিতাহিত জ্ঞানশূণ্য হয়। এইবিধ দ্ৰব্য দীৰ্ঘদিন সেৱনৰ ফলত স্মৃতিশক্তি, দৃষ্টিশক্তি, ধাৰণাশক্তি ক্ষীণ হোৱাৰ উপৰি হাওঁফাওঁ, হৃদযন্ত্ৰ, স্নায়ুদুৰ্বলতা আৰু ৰক্তচাপ বৃদ্ধি ৰোগৰ সৃষ্টি কৰে। ইয়াৰ বাহিৰেও পাকস্থলী, প্লিহা, যকৃত, অন্ত্ৰ আদিত হোৱা কৰ্কট ৰোগ আৰু যকৃতত হোৱা 'লিভাৰ ছিৰ'ছিছ' নামৰ কঠিন ৰোগ মদ পানৰ পৰা সৃষ্টি হোৱা দেখা যায়। সমগ্ৰ দেশৰ ভিতৰতে আমাৰ ৰাজ্যত কৰ্কট আৰু আন কঠিন ৰোগৰ প্ৰকোপ সৰ্বাধিক। মদ্যপানৰ লগত মাত্ৰাধিক মাংস ভোজন আৰু অন্যান্য নিচাযুক্ত বা ৰাগিয়ালদ্ৰব্য সেৱন ইয়াৰ একমাত্ৰ কাৰণ। অকল ৰোগ সৃষ্টিয়েই নহয়, আগতে উল্লেখ কৰি অহা ঘটনা, দুৰ্ঘটনা, অসামাজিক কাৰ্যৰ অধিকাংশই ইয়াৰ পৰিণতি। ইয়াক প্ৰতিৰোধ কৰি সমাজত শান্তি প্ৰতিষ্ঠা কৰিবলৈ হ'লে সকলো ধৰণৰ নিচাযুক্ত বা ৰাগিয়াল দ্ৰব্যবোৰ নিয়ন্ত্ৰণ হোৱাটো বাঞ্চনীয়। অন্যথা সমাজৰ শান্তি অবান্তৰ।





# গ্ৰাম্য অৰ্থনীতিৰ পটভূমিত মহিলা সবলীকৰণ


ঋতু পৰ্ণা দত্ত
অৰ্থনীতি বিভাগ

> নগৰ অঞ্চলত বাস কৰা চাকৰিয়াল বা ব্যৱসায় বাণিজ্যত জড়িত মহিলাসকলৰ বিপৰীতে তুলনামূলকভাৱে কম শিক্ষাগত অৰ্হতা সম্পন্ন গাঁও অঞ্চলৰ মহিলাসকল যেন ঘৰৰ চাৰিবেৰৰ মাজতে আৱদ্ধ। ইয়াৰ মূলতে হৈছে নিজৰ মাজত লুকাই থকা সম্ভাৱনীয়তাখিনি বিচাৰি উলিওৱাৰ অক্ষমতা।



বিংশ শতিকাৰপৰা বৰ্তমানলৈকে চৰ্চিত বিষয়সমূহৰ ভিতৰত এটা প্ৰধান বিষয় হৈছে মহিলা সৱলীকৰণ। আমাৰ দেশৰ সংবিধানে পুৰুষ মহিলা উভয়কে সমান স্বাধীনতা তথা অধিকাৰ প্ৰদান কৰা, বিভিন্ন আদৰ্শমূলক নীতি-নিয়মৰ প্ৰৱৰ্তন আদিৰ পৰিপ্ৰেক্ষিতত মহিলা সবলীকৰণ বিষয়টো আলোচনাৰ মাজলৈ অহা দেখা যায়। ভাৰতবৰ্ষত মহিলাৰ ক্ষেত্ৰত 'সবলীকৰণ' শব্দটো ১৯৮৬ চনৰ শৈক্ষিক নীতিত ব্যৱহাৰ কৰা হৈছিল বুলি জনা যায়। মহিলা সবলীকৰণে সাধাৰণতে মহিলাসকল আত্মনিৰ্ভৰশীল হোৱা, সিদ্ধান্ত গ্ৰহণ তথা সম্পদৰ ওপৰত তেওঁলোকৰ স্বাধীনতাদাবী কৰা, পৰাধীনতাক প্ৰত্যাহ্বান জনাব পৰাকৈ তেওঁলোক সংগঠিত হোৱাকে বুজায়। সিদ্ধান্ত গ্ৰহণৰ সুযোগ বৃদ্ধি, নিজ আয়ৰ ওপৰত নিয়ন্ত্ৰণ, ব্যক্তিগত অধিকাৰ আৰু স্বাধীনতা সম্পৰ্কে সজাগতা, পৰিয়ালত নিজৰ স্থান সুদৃঢ় কৰা, নিজৰ যোগ্যতাক লৈ আত্মবিশ্বাসী হোৱা - এই সকলোবোৰ দিশ মহিলা সবলীকৰণ বিষয়টোৱেসামৰি লয়।

২০১১ চনৰ হিচাপ অনুসৰি ভাৰতবৰ্ষৰ ৩৯.১৬ শতাংশ লোক নগৰ অঞ্চলৰ বাসিন্দা।ঠিক সেইদৰে অসমৰ ৮৫.৯২শতাংশ লোক গ্ৰাম্য অঞ্চলত বাস কৰাৰ বিপৰীতে নগৰ অঞ্চলৰ বাসিন্দাৰ সংখ্যা মাত্ৰ ১৪.০৮শতাংশ ।গৰিষ্ঠসংখ্যক লোক গ্ৰাম্যঞ্চলৰ বাসিন্দা হোৱাৰ বিপৰীতে ৬৮.৮৪ শতাংশ লোক গ্ৰাম্যঞ্চলৰ বাসিন্দা হোৱাৰ হেতুকে গ্ৰাম্য অৰ্থনীতিৰ উন্নয়নে আমাৰ জনসাধাৰণৰ আৰ্থ-সামাজিক উন্নয়ণত সহায় কৰাৰ লগতে মহিলাৰ সবলীকৰণতো নিশ্বয় সহায় কৰিব। জাতিৰ পিতা মাহাত্মা



গান্ধীয়েও এই দিশটোৰ প্ৰতি বিশেষ গুৰুত্ব দিছিল। গান্ধীজী কেৱল এজন স্বাধীনতা সংগ্ৰামীয়েই নাছিল, বিংশ শতিকাৰ এগৰাকী প্ৰধান চিন্তকো আছিল। দেশৰ গৰিষ্ঠসংখক লোক গ্ৰামাঞ্চলৰ বাসিন্দা হোৱাৰ দিশটোৰ প্ৰতি লক্ষ্য ৰাখি গ্ৰাম্য অৰ্থনীতিৰ পুনৰ গঠনৰ ওপৰত তেওঁ গুৰুত্ব আৰোপ কৰিছিল। আত্ম-নিৰ্ভৰশীল গ্ৰাম্য অৰ্থনীতিৰ বাবে তেওঁ থলুৱা সম্পদৰ আৰু মেচিনৰ ঠাইত মানৱ সম্পদৰ উপযুক্ত ব্যৱহাৰত গুৰুত্ব দিছিল। তেওঁ মতপোষণ কৰিছিল যে দেশ নিৰ্মাণ গ্ৰাম্য উন্নয়নৰ সৈতে আৰু গ্ৰাম্য উন্নয়ন মহিলা সবলীকৰণৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত। মহিলাসকল আত্মনিৰ্ভৰশীল হোৱাত শিক্ষাৰ ভূমিকাৰ প্ৰতি গুৰুত্ব আৰোপ কৰি তেওঁ কৈছিল যে যেতিয়ালৈকে মহিলাসকলে শিক্ষা আৰু জ্ঞান আহৰণৰ জৰিয়তে সামাজিক আৰু অৰ্থনৈতিক ক্ষেত্ৰখনত নিজৰ স্থান সুদৃঢ় কৰিব নোৱাৰে তেতিয়ালৈকে তেওঁলোক আত্মনিৰ্ভৰশীল হৈ উঠিবও নোৱাৰে।

মহিলা সবলীকৰণৰ দিশৰ পৰা আমি যদি গ্ৰামাঞ্চল আৰু নগৰ অঞ্চলৰ তুলনা কৰো, গ্ৰামাঞ্চলৰ এক পিছপৰা ছবি আমাৰ মনলৈ আহে। বিভিন্ন সময়ত প্ৰকাশিত তথ্য সমূহেও ইয়াৰে সত্যতা প্ৰতিপন্ন কৰে। নগৰ অঞ্চলত বাস কৰা চাকৰিয়াল বা ব্যৱসায় বাণিজ্যও জড়িত মহিলাসকলৰ বিপৰীতে তুলনামূলকভাৱে কম শিক্ষাগত অৰ্হতা সম্পন্ন গাঁও অঞ্চলৰ মহিলাসকল যেন ঘৰৰ চাৰিবেৰৰ মাজতে আৱদ্ধ। ইয়াৰ মূলতে হৈছে নিজৰ মাজত লুকাই থকা সম্ভাৱনীয়তাখিনি বিচাৰি উলিওৱাৰ অক্ষমতা। গ্ৰামাঞ্চলৰ মহিলাসকল আত্মনিৰ্ভৰশীল হোৱাৰ এক উত্তম পথ হৈছে স্ব- নিযুক্তি বা আত্মনিযুক্তি। অৰ্থাৎ নিজৰ বৃত্তি বা ব্যৱসায়েৰে নিযুক্তি লাভ কৰা। বৰ্তমান গ্ৰাম্য অঞ্চলসমূহত দেখা দিয়া নিৱনুৱা সমস্যাৰো ই নিশ্চয় এক সুন্দৰ সমাধান। গ্ৰাম্য অঞ্চলসমূহতো স্ব-নিৰ্ভৰশীল হোৱাৰ অনেক সুবিধা মহিলাসকলৰ বাবে আছে, মাত্ৰ মহিলাসকলে নিজে আগ্ৰহ প্ৰকাশ কৰি আগবাঢ়িলেই হ'ল। গ্ৰাম্য অঞ্চলৰ প্ৰায় প্ৰতি ঘৰতে একোখন ডাঙৰ বাৰী, একোটা পুখুৰী, তাঁত শাল, ঢেঁকীশাল আমি দেখিবলৈ পাঁও। ধান খেতিত পুৰুষৰ সৈতে মহিলাৰ যোগদান নিশ্চয়কৈ প্ৰশংসনীয়। কিন্তু কেৱল মাত্ৰ বছৰৰ ৬ মাহ পথাৰত ব্যস্ত থকাৰ উপৰিও ঘৰৰ আহল-বহল বাৰীখনত ব্যৱসায় ভিত্তিত শাক-পাচলিৰ খেতি কৰা, ঘৰতে উপলব্ধ আম, মাটিকঠাল, মধূৰী আদিৰ জাম জেলি তৈয়াৰ কৰা, বজাৰত মাছ-মাংস, কণীৰ চাহিদাৰ প্ৰতি লক্ষ্য ৰাখি হাঁহ-কুকুৰা, ছাগলী পোহা, মীন পালন, ঘৰতে ঘিউ, মৌজোল উৎপাদন, উৎসৱ পাৰ্বনৰ সময়ত লাডু, পিঠাপনা, জলপান আদি তৈয়াৰ কৰাত নিশ্চয় মনোযোগ দিব পাৰে। মহিলাসকলৰ অৰ্থনৈতিক স্বাৱলম্বিতাত বস্ত্ৰ শিল্পই এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। আমাৰ শিপিনীৰ দ্বাৰা তৈয়াৰী পাট-মুগাৰ কাপোৰে বিদেশতো সমাদৰ লাভ কৰিছে। আমাৰ মহিলাসকলে কিছু ধন বিনিয়োগ কৰি বহল পৰিসৰত কাম কৰাৰ বাবে চেষ্টা কৰা উচিত।

আত্মসহায়ক গোট গঠনৰ জৰিয়তে কিছুসংখ্যক মহিলা এই দিশত আগবাঢ়ি আহিছে যদিও ই যথেষ্ট নহয়। ভাৰতৰ আন কিছুসংখ্যক ৰাজ্যও চানা, পাপৰ, ভূজীয়া, আচাৰ আদি তৈয়াৰ কৰা ক্ষুদ্ৰ উদ্যোগ গঠনত মহিলাসকল অসমৰ তুলনাত আগৰণুৱা। গ্ৰাম্য অঞ্চলৰ মহিলাসকলে নূন্যতম প্ৰয়োজনীয় শিক্ষা আহৰণ কৰিয়েই এনে কাৰ্যত নিজক নিয়োজিত কৰি অৰ্থনৈতিক অৱস্থা স্বচ্ছল কৰি তুলিব পাৰে। তাৰোপৰি আন চৰকাৰী বা বেচৰকাৰী বিভাগৰ চাকৰিয়ালৰ দৰে মহিলাসকলৰ বাবে এইবোৰ কামৰ কোনো নিৰ্দিষ্ট সময় নাথাকে। নিজৰ ইচ্ছামতেই তেওঁলোকে কামৰ সময় স্থিৰ কৰি ল'ব পাৰে।


গ্ৰাম্য অৰ্থনীতিৰ উন্নয়নৰ সৈতে গ্ৰাম্য অঞ্চলৰ মহিলা সৱলীকৰণ ওতঃপ্ৰোতভাৱে জড়িত। চৰকাৰ তথা জনসাধাৰণে গ্ৰাম্য অৰ্থনীতিৰ উন্নয়নৰ বাবে উপযুক্ত ব্যৱস্থা হাতত লোৱাৰ লগতে মহিলাসকল যাতে স্ব-নিৰ্ভৰশীল হ'ব পাৰে, ঘৰৰ চাৰিবেৰ পাৰহৈ আহি নানান গঠনমূলক কামত নিয়োজিত হব পাৰে তাৰবাবে পৰিয়ালৰ আন সদস্যসকলে মহিলাসকলক সহযোগিতা আগবঢ়োৱাটো অতি প্ৰয়োজন।





# POPULAR CULTURE : ITS ASPECTS

**RITUPORNA GOGOI**
5th semester, Department of English




As a term "popular culture"refers to the variety of culture forms in circulation in a society which are characterised by their being available for common consumption.Popular culture idea is not new and this culture developed many ancient culture of the world and a different kinds of culture forms based on the classes that were involved in their consumption . In victorian society , the division between high and popularculture was starkly manifested in many agencies sought to perpetrati ing through ideological structures.

In other words the idea of culture , places the researcher in a position of equiality with subject belong to a culture . Popular culture was seen in its graded terms in the dominant critical discourse till the early part of twentieth century. Constitute popular culture are disseminated by a variety of agencies such as films, television, the internet and best-seller novels.

Popular culture have various sources, the publishing industry which is related to Book and other items are easily available. Provides a lot of items from valentine's Day cards to best seller novels. The Harry Potter series one very popular method used by the music companies is the circulation of music videos, which make visible the audio and glamour to the non,visible product. Television coutribute and film preview created by publicity in the news media. The folk ilems constitute important aspects like the lifestyles of the majority of the population.

Aspect of popular culture studies is related to the process of de-canonisation of the settled and dominant versions in literary studies. Popular culture study is also associated with postmodern development . The study of films, T.V and popular music in England began with scholres like Raymond Williams and Sturat Hall, who sought engage the conditions and processes involved in the popular cultural forms.

In conclusion, it can be said that popular culture has an important role in a society and can contribute to an unlimited impression on a society.




ত্ৰিদ্বীপ বৰুৱা
চতুৰ্থ ষণ্মাসিক, অৰ্থনীতি বিভাগ

**GST কাৰ্যকৰী হোৱাৰ পাছত দ্ৰব্যৰ দৰ বৃদ্ধি পাব নে হ্ৰাস হ'ব সেইটো নিৰ্ধাৰণ কৰে পূৰ্বৰ ৰাজ্য চৰকাৰৰ দ্ৰব্যটোৰ ওপৰত আৰোপ কৰা পূৰ্বৰ কৰৰ ওপৰত।**

২০১৭ চনৰ ১জুলাই ভাৰতীয় অৰ্থনীতিৰ বাবে ত্ৰক গুৰুত্বপূৰ্ণ দিন। কাৰণ ২০১৭ চনৰ ১জুলাইৰ পৰা ভাৰতবৰ্ষত GST ক কাৰ্যকৰী কৰা হয়। যাৰ ফলত ভাৰতীয় অৰ্থনীতি 'এক দেশ এক কৰ' অৰ্থনীতি হৈ পৰিল। GST ৰ সম্পূৰ্ণ নাম হ'ল 'Goods and Service Tax' এই GST কাৰ্যকৰী হোৱাৰ আগতে ভাৰতবৰ্ষ দ্ৰব্যত কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে বেলেগ বেলেগ কৰ লগাইছিল। এই হিচাপত কৰ 30% ৰ পৰা 35% হৈছিল। যিবোৰ জনসাধাৰণে পৰোক্ষ কৰ হিচাপে প্ৰদান কৰিব লগা হৈছিল আগতে গ্ৰাহকে ১৭ প্ৰকাৰৰ কৰ প্ৰদান কৰিব লগা হৈছিল।যেনে Excise Duty, Service Tax, Entry আৰু Luxury Tax ইত্যাদি। গতিকে GST কাৰ্যকৰী হোৱাৰ পাছত এই সকলো কৰ আতৰি গ'ল আৰু এক প্ৰকাৰৰ হে কৰ থাকিল সেয়া হৈছে GST।

GST লগাৰ পৰা দ্ৰব্যত কৰ সেই ঠাইত লাগে যত বস্তুটো বিক্ৰি হয় ,কিন্তু আগতে দ্ৰব্যত কৰ সেই ঠাইত লাগিছিল য'ত বস্তুটোৰ নিৰ্মাণ হয় আৰু তাৰ পৰাই আৰম্ভ হয় বিভিন্ন ঠাইৰ সেই দ্ৰব্যটোত কৰ লাগি গৈ থাকে।

এটা উদাহৰণ ৰ দ্বাৰা ইয়াৰ বিষয়ে জানিব পাৰি। যদি অন্ধপ্ৰদেশৰ কোনো ফেক্টৰীত এটা TV তো নিৰ্মাণ কৰা হ'ল। সেই TV ত নিৰ্মাণ কাৰ্য সম্পূৰ্ণ হোৱাৰ পিছত টিভিত Excise Duty হিচাপে কৰ লাগি যায় তাৰ পাচত TV তো ওলাই আহি যদি অন্য এখন ৰাজ্যত প্ৰৱেশ কৰে তেতয়া ৰাজ্যখনত প্ৰৱেশ কৰা ৰ লগে লগে তাত State Sale Tax লাগি যায় আৰু TV তো যত বিক্ৰি হব তাত TV টোত VAT লগাই দিয়া হয়। অৰ্থাৎ এটা দ্ৰব্যত তিনি প্ৰকাৰৰ কৰ লাগি যায় আৰু এটা কথা যে যদি দ্ৰব্যটো চাৰিখন ৰাজ্যৰ মাজেৰে পাৰ হৈ গলে তাত চাৰিখন ৰাজ্য চৰকাৰে চাৰিবাৰ State Sale Tax লগাব কিন্তু GST ৰ বাবে সকলো পৰোক্ষ কৰ নাইকিয়া হৈ যাব আৰু এক প্ৰকাৰৰ হে কৰ লাগিব।

GST কাউনচিলে চাৰিপ্ৰকাৰৰ Tax Slab নিৰ্ধাৰণ কৰিছে অৰ্থাৎ সমগ্ৰ দেশত এই চাৰিপ্ৰকাৰৰ Tax Slab ৰ অনুযায়ী কৰ সংগ্ৰহ কৰা হব। সেই চাৰি প্ৰকাৰৰ Tax Slab হৈছে 5%, 12%, 18% আৰু 28% কিন্তু কিছুমান সামগ্ৰীক GST ৰ পৰা পৃথক কৰা হৈছে। তলত সেইবোৰ বিষয়ে দিয়া হ'ল

No Tax : গাখীৰ, ফল, চাউল, নিমখ, বিনা বেণ্ডৰ আটা, মৈদা আৰু বেচন ইত্যাদি।

5% Tax : চেনি, চাহপাত , কফি, লোহাৰ, ষ্টিলৰ বস্তু আৰু তামৰ বস্তু ই ত্যাদি।

12% Tax : মাখন, ঘিউ, বাদাম, ফ্ৰুট জুচ, LED লাইট আৰু মবাইল ফোন ইত্যাদি।

18% Tax : দন্ত মঞ্জন, চাবোন, আইচক্ৰিম, কম্পিউটাৰ ইত্যাদি।

28% Tax : ফ্ৰিজ, এয়াৰ কণ্ডিচনাৰ, চেম্পু, মাৰ্বল, চিমেন্ট, এলুমিনিয়াম, মটৰ চাইকেল, মটৰ গাড়ী ইত্যাদি।

গতিকে এই চাৰি প্ৰকাৰৰ কৰৰ দ্বাৰা সকলো বস্তুৰ পৰা কৰ সংগ্ৰহ কৰা হব। গতিকে কব পাৰি যে GST ৰ দ্বাৰা ভাৰতৰ অৰ্থনীতিত সুস্থিৰতা আহিব আৰু ইয়াৰ দ্বাৰা দেশৰ অৰ্থনীতি দ্ৰুত গতিত বৃদ্ধি পাইছে আৰু কিছু পৰিমাণে দ্ৰব্যৰ দৰ কমিছে বা হ্ৰাস পাব আৰু কিছুমান দ্ৰব্যৰ দৰ বৃদ্ধি পাইছে।

GST ৰ বাবে দ্ৰব্যৰ দৰ বৃদ্ধি পাব নে হ্ৰাস হব এইটো নিৰ্ণয় কৰিব কোনো এখন ৰাজ্যৰ পূৰ্বৰ কৰ সংগ্ৰহ কৰা স্তৰৰ ওপৰত, অৰ্থাৎ দেশৰ প্ৰতিখন ৰাজ্যৰ ৰাজ্য চৰকাৰে GST ৰ পূৰ্বতে State Sale Tax ৰ সহায়ত কৰ সংগ্ৰহ কৰিছিল। প্ৰতিখন ৰাজ্যই প্ৰতিটো দ্ৰব্যত নিজ নিজ ইচ্ছা অনুযায়ী ভিন ভিন কৰৰ স্তৰ নিৰ্ধাৰণ কৰিছিল আৰু এই ভিন ভিন কৰৰ স্তৰৰ বাবে কোনো দ্ৰব্যৰ দৰ বৃদ্ধি পাইছে আৰু হ্ৰাস পাইছে। উদাহৰণ স্বৰূপে এটা মবাইলৰ ওপৰত তিনিখন ৰাজ্য অসম, মেঘালয়, আৰু অৰুণাচলে বিভিন্ন কৰ আৰোপ কৰে। ধৰা হ'ল মবাইলফোনৰ ওপৰত অসমে 18% মেঘালয়ে 5% আৰু অৰুণাচলে 12% কৰ আৰোপ কৰে। GST ৰ Tax Slab ত মবাইল ফোনৰ কৰ স্তৰ হৈছে 12% গতিকে GST কাৰ্যকৰী হোৱাৰ পৰা অসমত মবাইলফোনৰ কৰ 18% ৰ পৰা 12% লৈ হ্ৰাস পালে যাৰ ফলত মবাই ল ফোনৰ দৰ হ্ৰাস পালে আকৌ মেঘালয়ত কৰ 5% ৰ পৰা 12% লৈ বৃদ্ধি পোৱাত দৰ বৃদ্ধি পালে আৰু অৰুণাচলত 12% ৰ পৰা 12% থাকিল যাৰ ফলত মবাইলফোনৰ দৰ একে থাকিল। গতিকে দেখা গ'ল যে GST কাৰ্যকৰী হোৱা পাছত দ্ৰব্যৰ দৰ বৃদ্ধি পাব নে হ্ৰাস হ'ব সেইটো নিৰ্ধাৰণ কৰে পূৰ্বৰ ৰাজ্য চৰকাৰৰ দ্ৰব্যটোৰ ওপৰত আৰোপ কৰা পূৰ্বৰ কৰৰ ওপৰত।

ইয়াতে মন কৰিব লগীয়া কথা যে কিছুমান দ্ৰব্যৰ ওপৰত চৰকাৰে কোনো কৰ নিৰ্ধাৰণ কৰা নাই। অৰ্থাৎ এই দ্ৰব্য সমূহক No Tax Slab ত ৰখা হৈছে যাৰ ওপৰত কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে কৰ নিৰ্ধাৰণ কৰিব নোৱাৰে।

অন্যহাতে পেট্ৰল আৰু ডিজেলৰ ওপৰত কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে কৰ নিৰ্ধাৰণ কৰিব পাৰিব কাৰণ এই দুবিধ দ্ৰব্যৰ সহায়ত ৰাজ্য চৰকাৰে বৃহৎ পৰিমাণে কৰ সংগ্ৰহ কৰে আৰু ৰাজ্য চৰকাৰ এই কৰৰ সহায়ত ৰাজহ সংগ্ৰহ কৰে গতিকে ৰাজ্য চৰকাৰৰ অনুৰোধ ৰক্ষা কৰি প্ৰেট্ৰল আৰু ডিজেলৰ GST ৰ পৰা পৃথক কৰি ৰখা হৈছে। গতিকে ৰাজ্য চৰকাৰে নিজ ইচ্ছা অনুযায়ী পেট্ৰল আৰু ডিজেলৰ ওপৰত কৰ আৰোপ কৰিব পাৰে।


এই সময়ত বিশ্বৰ ১৬৫ খন দেশত GST ৰ প্ৰচলন হৈ আছে। বিশ্বত প্ৰথম বাৰ ১৯৫৪চনত ফ্ৰান্সত GST প্ৰচলন হৈছিল, জাপানত ১৯৮৯ চনত, নিউজিলেণ্ডত ১৯৮৬ চনত, কানাডাত ১৯৯১ চনত কিন্তু GST কাৰ্যকৰী হোৱাৰ পাছত কানাডাত দ্ৰব্যৰ দৰ বৃদ্ধি পায় যাৰ উদাহৰণ ভাৰতবৰ্ষত দিয়া যায় কিন্তু এইটো সত্য যে বৰ্তমান কানাডাৰ অৰ্থনীতি বৃদ্ধি পাইছে। সিংগাপুৰত ১৯৯৪ চনত, GST কাৰ্যকৰী কৰা হৈছিল, অষ্ট্ৰেলিয়াত ২০০০ চনত আৰু পাকিস্তান GST 2013 চনত, কিন্তু GST ক পাকিস্তানত General Slab Tax বুলি কোৱা হয় আৰু মালেচিয়াত GST 2015 চনত কাৰ্যকৰী কৰা হয়।

গতিকে GST 1954 চনত আৰম্ভ হয় আৰু ভাৰতবৰ্ষত 2017 চনতহে কাৰ্যকৰী কৰা হয়। GST ৰ পৰা দ্ৰব্যৰ দৰ কম বেছি হৈছে যদিও দেশৰ অৰ্থনীতি বৃদ্ধিত ই অৰিহণা যোগাইছে কাৰণ বৰ্তমান ভাৰতৰ অৰ্থনীতি বিশ্বৰ ভিতৰত সবাতোতকৈ দ্ৰুত গতিত বৃদ্ধি পোৱা অৰ্থনীতি। গতিকে ক'ব পাৰি যে দেশৰ অৰ্থনীতিৰ বাবে GST এক গুৰুত্বপূৰ্ণ পদক্ষেপ।



# নাগৰিকত্ব সংশোধনী বিধেয়ক আৰু কিছু কথা

শ্যামল জ্যোতি গগৈ
অৰ্থনীতি বিভাগ




'আমি অসমীয়া নহওঁ দুখীয়া /বুলি সান্ত্বনা লভিলে নহ'ব / আজিৰ অসমীয়াই নিজক নিচিনিলে অসম ৰসাতলে যাব।' ভূপেনদাৰ এই চিৰসেউজ গীতটি বৰ্তমান সত্যত প্ৰমাণিত হৈছে। যিটো সময়ত অসম উন্নতি জখলাত বগাব লাগিছিল, সেই সময়ত অসমীয়াই জাতিৰ অস্তিত্ব ৰক্ষাত দৌৰি ফুৰিব লগা হৈছে। অসমত এতিয়া চুকে কোণে জ্বলি থকা একোৱা জুই হৈছে নাগৰিকত্ব সংশোধনী বিধেয়ক। এইটো এতিয়া সকলোৱে বুজি উঠিছে যে এই বিধেয়কখন আইনত পৰিণত কৰি হিন্দু বাংলাদেশীক অসমত সংস্থাপন কৰাৰ ই এক জাতিধ্বংসী প্ৰচেষ্টা।

মাতৃভূমিৰ প্ৰতি দায়িত্বশীল আৰু কৰ্তব্যপৰায়ণ প্ৰতিজন সচেতন ব্যক্তিয়েই এই বিধেয়কৰ বিৰোধীতা কৰে। এইটো সত্য যে এই বিধেয়কৰ বাবে যি সংগ্ৰামৰ সৃষ্টি হৈছে সেইয়া কোনো বিশেষ জাতি,ধৰ্মৰলোকৰ বিৰুদ্ধে নহ'য় মাত্ৰ অসমত বাস কৰি অহা অবৈধ অনুপ্ৰৱেশকাৰীসকলৰ বিৰুদ্ধেহে। Citizenship Act 1955 ৰ মতে যিবোৰ বিদেশী ব্যক্তি সঠিক অনুজ্ঞা পত্ৰ অবিহনে ভাৰতত প্ৰৱেশ কৰে অথবা ভিছা () ৰ ম্যাদ শেষ হোৱাৰ পাছতো ভাৰতত বসবাস কৰে তেওঁলোকক অবৈধ অনুপ্ৰৱেশকাৰী বুলি কোৱা হয় কিন্তু শেহতীয়াভাৱে এই নিয়মৰ সাল-সলনি ঘটাই ৩১ ডিচেম্বৰ ২০১৪ চনৰ আগতে বাংলাদেশ, আফগানিস্তান আৰু পাকিস্তানৰ পৰা ভাৰতলৈ অহা সকলক ভাৰতত থাকিবলৈ অনুমতি প্ৰদান কৰা হ'ব।

এই বিধেয়কখন আইনত পৰিণত হ'লে ভাৰতৰ সীমান্তৱৰ্তী বহুতো ৰাজ্যত বিশেষকৈ অসমত ভয়ানক অৰ্থনৈতিক, ৰাজনৈতিক আৰু সামাজিক সমস্যাৰ সৃষ্টি হ'ব। অসমখন বৰ্তমানেও বিবিধ সমস্যাৰে জৰ্জৰিত কিন্তু এই জাতিধ্বংসী বিধেয়কখনে উপৰুৱা সমস্যা কেইটামান জাপি দি বিষবাষ্প বিয়পাইছে। অসমৰ বৰ্তমান জনসংখ্যা ৩.০৯ কোটি আৰু তাৰে অৰ্ধেক সংখ্যক লোক নিৰনুৱা। ইয়াৰ পাছতো যদি অবৈধ অনুপ্ৰৱেশকাৰীক অসমত সংস্থাপন দিয়ে, তেতিয়াহলে অসম অৰ্থনৈতিকভাৱে আৰু জুৰুলা হৈ পৰিব। বৰ্তমান এচাম লোকৰ বাবে বাসস্থানৰ সমস্যাও সৃষ্টি হৈছে। নৈৰ গৰাখহনীয়াত বহুতো লোকে নিজৰ ভেটি হেৰুৱাই গৃহহাৰা হৈ পৰিছে। কিন্তু সেই একেখন অসমতে কাজিৰঙা আৰু অন্যাদি ঠাইত অবৈধ অনুপ্ৰৱেশকাৰীৰ বেদখল। সেই অবৈধ লোকক উৎখাত নকৰি কিছুমান খাতিখোৱা ভূমিপুত্ৰক উৎখাত কৰিছে। ইয়াতকৈ আৰু দুখলগা বিষয় কি হ'ব পাৰে।

এইটো সকলোৱে জানে যে এই বিধেয়কখন উত্তৰ-পূব ভাৰতৰ বাবে অনিষ্টকাৰী। এইটো জানিয়েই মেঘালয় চৰকাৰে ইয়াৰ বিৰুদ্ধে মাত এবাৰ মাতিব পৰা নাই। যি কি নহওক কেন্দ্ৰীয় চৰকাৰৰ এই ষড়যন্ত্ৰৰ বলি অসম হ'বলৈ দিব নোৱাৰি। যদি কোৱা হয় যে হিন্দু বাংলাদেশীৰ বোজা কেৱল অসমতে জাপি নিদি ভাৰতৰ অন্যান্য ৰাজ্যত ভগাই দিয়া হওক তেতিয়াও একেই হ'ব। এই সুযোগত সংসদীয় যুটীয়া কমিটিয়ে বিধেয়কখন আইনত পৰিণত কৰিব আৰু সেই হিন্দু বাংলাদেশীক ভাৰতত সংস্থাপন দিব। তাৰ পিছত পলমকৈ তেওঁলোকক আকৌ অসমতে সংস্থাপিত কৰিব। গতিকে চেতনাশীল ব্যক্তি হিচাপে এই বিধেয়কখনৰ চিকাৰ অসম আৰু অসমীয়াক হ'বলৈ দিব নোৱাৰি। ইয়াৰ বাবে প্ৰতিজন অসমীয়া একগোট হ'ব লাগিব।





# বিশ্বাস

মৃদুল পহুচুঙী
উচ্চতৰ মাধ্যমিক (প্ৰথম বাৰ্ষিক)

আত্মবিশ্বাসেৰে কাম কৰিব নোৱৰালৈকে কোনো মানুহেই জীৱনত সাফল্যৰ মুখ দেখিবলৈ সক্ষম নহয়।

এইচ.এল. হান্ট

যাৰ মনত বিশ্বাস আছে, তাৰ দ্বাৰা সকলো কথাই সম্ভৱ। তেনে মানুহে অসম্ভৱ কথাকো সম্ভৱ কৰিব পাৰে।

বাইবেল



বিশ্বাস আমাৰ জীৱনৰ সবল ভেটি। বিশ্বাসৰ ভেটি সবল নহ'লে আমাৰ জীৱন থৰক বৰক হৈ পৰিব। বিশ্বাসে আমাৰ কৰ্ম-উদ্দীপনা আৰু জীৱনী শক্তি বৃদ্ধি কৰে। বিশ্বাস অবিহনে আপুনি জীৱনত সাফল্যৰ স্বৰ্গযাত্ৰাৰ পৰ্বতীয়া বাটৰ পৰা পিছলি পৰিব। গন্তব্যস্থলত উপনীত হ'ব নোৱাৰিব।

দৰাচলতে সফল মানুহ সাফল্যৰ প্ৰতি যিমান আস্থাশীল হয়, তেওঁলোক অসাফল্যক সাফল্যলৈ ৰূপান্তৰ কৰাৰ ক্ষেত্ৰতো সিমানেই আস্থাশীল হয়। তেওঁলোকে গভীৰভাৱে বিশ্বাস কৰে যে, এদিন তেওঁলোক সফল হ'বই। কোনো বাধাই তেওঁলোকক ধৰি ৰাখিব নোৱাৰে। তেওঁলোকৰ মাজত বিশ্বাসৰ আগ্নেয়গিৰি লাভা সকলো সময়তে উতলি থাকে। তেনে মানুহে জানে প্ৰতিটো চেষ্টাতে মানুহ সফল নহয়। মাজে মাজে সকলো মানুহেই বিফল হয়। পুনঃ পুনঃ চেষ্টাৰ পিছতহে কোনো কোনো কামত সাফল্য আহে। সেয়ে তেওঁলোকে নিজৰ ওপৰত বিশ্বাস ৰাখি কাম কৰি থাকে। অৱশেষত তেওঁলোক সফলো হয়।

নিজৰ মাজত বিশ্বাসৰভেটি সবল কৰিবলৈ আপুনি ব্যৰ্থতাক হাঁহিমুখে গ্ৰহণ কৰিব পাৰিব লাগিব, বাধাক জখলাত পৰিণত কৰাৰ কৌশল অৱলম্বন কৰিব লাগিব, ঠাট্টা বিদ্ৰূপক প্ৰশংসাৰ মালা হিচাপে বৰণ কৰাৰ মানসিকতা গঢ়ি তুলিব লাগিব। সেয়ে জীৱনত সফল হ'ব বিচাৰিলে সাফল্যৰ প্ৰতি মনত বিশ্বাস ৰাখক আৰু ব্যৰ্থতাৰ সময়তো সেই বিশ্বাস অটুট ৰাখক।

জীৱনত সফল হ'বলৈ বিশ্বাসৰ লগতে বিশ্বাসযোগ্য মানুহৰো প্ৰয়োজন হয়। জীৱনত সাফল্যৰ ধ্বজা উৰাবলৈ সক্ষম হোৱা মানুহহে বিশ্বাসৰ যোগ্য। যিসকলৰ মনত সাফল্যৰ বিশ্বাসৰ বন্তি গছি উজ্জ্বলকৈ জ্বলি থাকে, তেওঁলোককো আপুনি বিশ্বাসত ল'ব পাৰো। এই শ্ৰেণীৰ মানুহ কোনো পৰিস্থিতিতে থমকি নৰয়। নিৰৱচ্ছিন্নভাৱে আগুৱাই যায়। হতাশাৰ বৰফে তেওঁলোকক স্পৰ্শ কৰিব নোৱাৰে। এই শ্ৰেণীৰ মানুহৰ নজৰ লক্ষ্য আৰু উদ্দেশ্য প্ৰতি সদা সচেতন। নিজৰ বাবে নিৰ্দিষ্ট কৰি লোৱা বাটেৰে তেওঁলোকে একনিষ্ঠ ভাবে আগুৱাই যায়। কোনো অৱস্থাতে থমকি নৰয়।

(নেপোলিয়ন হিলৰ "আত্মবিশ্লেষণ" পুঠিৰ পৰা অনা হৈছে।)



# THE IMPOTANCE OF MUSIC IN OUR LIFE

Saurov Deb
B.Sc. 6th Semester, Mathematics Department

Did you ever think about what would life be without music? Well, I did and I think that the world would be a very quiet place. In my opinion music is something extra ordinary , it is what makes humans human , Music is in a number of ways the fabric to our lives and the definition of society.

In can be described as one of the most treasured human Experiences, everyone enjoy music and this becomes more apparent in every. significant event, from wedding and funerals to graduation ceremonies, formal inaugurations and birthdays. No matter what it is used for, music is the perfect art and our lives would be incomplete without it. The ambience in any room can be set just by adding some music. There are many different styles, something and relaxing which can make our bad days better .

Every culture makes music and every post culture has created music too. Studies show how music affects many parts of our brain very deeply. Music creates strong feelings and a lot of memories. The more we learn about music the more we will be able to say. What we want in music and also understand better what it means to be human. Listening to music has proved to be like therapy for our souls.

Music plays a great role in our lives, it has a lot of benefits. Read on to learn more about the benefit of listening to music.

**Music is important for creativity:**

Music is considered to be one of the best ways to enter a 'mind-wandering model which was discovered by neurologist Marcus Rachel in 2001. This is the state the brain enters into most easily and music is one of the most effective ways of allowing you to enter this mode. Music fuels the mind and thus it fuels our creativity. A creative mind allows to make great discoveries and innovations.

*** Music makes learning more fun and memorable:**

Music can make learning more fun and engaging which is a great tool. For memorization. Music can help kids keep focus and remember things they learn for a long time. For from being a distraction it helps people remember better. Evidence that music helps with memory has led to researchers to study more about the impact of music on people who suffer memory loss.

*** Music is a universal language:** Musicians claim that with music you can communicate across culture and linguistic boundaries in ways that you cannot do with ordinary languages. It has the ability to evole deep feding at the care of the shared human experience.

**Music bring people together:**

Although Music can certainly be played and listened to alone is a powerful social magnet. There is something to Music or playing it with other people that makes you full connected with those around you. The more we use Music to bring us together the more potential for incread empathy, social connection and cooperation.

**Music reduces stress and anxiety:**

Research has shown that listening to Music at least Music with slow tempo and low pitch can calm people down even. during highly stressful and painful event. It also has the ability to help with pain management for example during child birth.





"অসম আমাৰ ৰূপহী গুণৰো নাই শেষ,
ভাৰতৰে পূৰ্ব দিশৰ সূৰ্য উঠা দেশ।"

ড০ ভূপেন হাজৰিকা

# অসমৰ পৰ্যটন ক্ষেত্ৰৰ সম্ভাৱনীয়তা

বিৰাজ বৰগোহাঁই
চতুৰ্থ যাণ্মাসিক, উদ্ভিদ বিজ্ঞান বিভাগ

চৰাইদেউৰ মৈদাম সহিতে আহোম ৰাজত্বৰ বহু কীৰ্তিচিহ্ন আজি জহি-খহি যোৱা দেখা গৈছে। অথচ তেনেবোৰ ঠাইৰ প্ৰতি পৰ্যটকসকল অধিক আগ্ৰহী আৰু উৎসুক। গতিকে এই স্থানসমূহ যথোচিতভাৱে পৰিস্কাৰ-পৰিচ্ছন্ন কৰাৰ উপৰি অধিক আৰ্কষণীয় কৰি তোলাৰ বাবে পাৰ্ক, পুখুৰীত নৌকা ভ্ৰমন আদিৰ ব্যৱস্থা কৰিব পৰা যায়।



পূৰ্বোত্তৰত সূৰ্য উদয় হোৱা প্ৰথম দেশখনেই হৈছে আমাৰ 'অসম', যাৰ মনোমুগ্ধকাৰী সৌন্দৰ্য্যই সপ্তম শতিকাৰ চীনা পৰিব্ৰাজক হিউৱেন চাঙৰ দিনৰ পৰাই অগনিত দেশী- বিদেশী পৰ্যটকক আৰ্কষণ কৰি আহিছে। অসমক 'মিনি ভাৰত' বুলিও অভিহিত কৰা হয়। প্ৰকৃতিৰ বৰদানৰে ধন্য এই অসমভূমি কেৱল নদ-নদী, পৰ্বত-পাহাৰ, জৈৱ বৈচিত্ৰ আদি প্ৰাকৃতিক উপাদানেৰেই পৰিপুষ্ট নহয়, বৰঞ্চ গৌৰৱময় ঐতিহ্য, বৰ্নিল সংস্কৃতি তথা শিল্প সৌন্দৰ্য্যৰ অপূৰ্ব সমাহাৰেৰে বহুমাত্ৰিক আকৰ্ষনৰ কেন্দ্ৰবিন্দু আমাৰ এই অসম দেশ।

পৰ্যটন বুলিলে সাধাৰণতে কোনো লোকৰ কোনো ঠাইলৈ অস্থায়ীভাৱে গমন কৰাকে বুজায়। ইয়াৰ দ্বাৰা তেওঁলোকে মানসিক আনন্দ লভাৰ উপৰি জ্ঞান অৰ্জন কৰিব পাৰে। যিসকলে পৰিভ্ৰমণ কৰে তেওঁলোকক পৰ্যটক বুলি কোৱা হয়। পৰ্যটক সাধাৰণতে দুই প্ৰকাৰৰ হয়- ঘৰুৱা পৰ্যটক আৰু বিদেশী পৰ্যটক। চৰিত্ৰ বা প্ৰকৃতিৰ ওপৰত ভিত্তি কৰি পৰ্যটনৰ বিভিন্ন ভাগত ভাগ কৰিব পাৰি। বিভিন্ন ধৰ্মীয় স্থানৰ ওপৰত ভিত্তি কৰি যি পৰ্যটন গঢ়ি উঠিছে তাক ধৰ্মীয় পৰ্যটন,প্ৰকৃতিৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠা পৰ্যটক পৰিৱেশ পৰ্যটন আদি নামেৰে নামাকৰণ কৰা হয় ।পৰ্যটনৰ ক্ষেত্ৰত অসমৰ অসীম সম্ভাৱনা আছে। প্ৰকৃতিয়ে অকৃপন হাতেৰে পৰ্যটনৰ বাবে আৱশ্যকীয় সকলো বিলাক সমল অসমক প্ৰদান কৰিছে, ভিন্ন জাতি- জনগোষ্ঠীৰ বাৰেবৰনীয়া কৃষ্টি সংস্কৃতিসমূহ অসমৰ বুকুত জিলিকি আছে আৰু অসমৰ গৌৰৱময় ইতিহাস আৰু কীৰ্তি-চিহ্ন সমূহে অসমক উজ্জ্বলময় কৰি তুলিছে। গতিকে পৰ্যটকক আকৃষ্ট আৰু আমন্ত্ৰণ কৰিব পৰা সমল সম্পদৰ অভাৱ নিশ্চিতভাৱে অসমত নাই। অৰ্থাৎ অসমৰ পৰ্যটন উদ্যোগৰ সম্প্ৰসাৰণৰ বাবে পৰ্যটন স্থলীসমূহত থকা আন্তঃগাঁথনিৰ সমস্যাসমূহ দূৰ কৰি এক সবল আৰু ন-ৰূপত অসমৰ পৰ্যটন উদ্যোগক গঢ় দিব পাৰি।

এখন দেশ অথবা ৰাজ্যৰ বৃদ্ধি আৰু বিকাশৰ দিশটো অৰ্থনৈতিক উন্নয়নৰ সৈতে ওতঃ প্ৰোত ভাৱে জড়িত হৈ থাকে। গতিকে পৰ্যটনৰ দৰে এক সম্ভাৱনাময় বিষয়ক অৰ্থনৈতিক লাভালাভৰ দিশৰ পৰা বিশ্লেষন কৰিবই লাগিব। কিয়নো বৰ্তমান সময়ত পৰ্যটনক কেৱল পৰ্যটকৰ বিনোদন বা ভ্ৰমণ বিলাস বুলি সংজ্ঞাবদ্ধ কৰা উচিত নহব। বৰ্তমান সময়ত বহু ৰাজ্য বা ৰাষ্ট্ৰই পৰ্যটনক ৰাজহ সংগ্ৰহৰ এক প্ৰধান উৎস হিচাপে লৈছে। গোৱা, ৰাজস্থান আদি ৰাজ্যই পৰ্যটনক কেন্দ্ৰ কৰি কম সময়ৰ ভিতৰতে আৰ্থিক দিশত দ্ৰুত গতিত আগবাঢ়ি গৈছে। গতিকে পৰ্যটনক্ষেত্ৰৰ

উন্নয়নে এখন ৰাজ্যৰ অৰ্থনীতি কম সময়ৰ ভিতৰতে কিদৰে সলনি কৰি দিব পাৰে সেই কথা অনুধাৱনৰে অসমৰ পৰ্যটন ক্ষেত্ৰকো ত্বৰান্বিত কৰি ৰাজ্যখনৰ আৰ্থ-সামাজিক উন্নয়নৰ বাবে পদক্ষেপ গ্ৰহণ কৰিব লাগে।ইয়াৰ বাবে প্ৰয়োজন হ'ব অসীম সম্ভাৱনাৰে পৰিপূৰ্ণ অসম পৰ্যটন ক্ষেত্ৰত থকা আন্তঃগাঁঠনি মূলক সমস্যা সমূহৰ নিবাৰণ আৰু অসমৰ পৰ্যটনক গতিশীল কৰি তুলিবৰ বাবে সময় উপযোগী ব্যৱস্থাসমূহ অন্তৰ্ভুক্ত কৰা। অসমত পৰ্যটন ক্ষেত্ৰ অগণিত। কিন্তু পৰ্যটন ক্ষেত্ৰসমূহত থকা সমস্যাসমূহ দূৰ কৰাৰ উদ্দেশ্য আৰু আৱশ্যকীয় সা-সুবিধা সমূহ উপলব্ধ কৰিবৰ বাবে প্ৰয়োজনীয় পুঁজিৰ অভাৱ। সেইবাবে অসমৰ পৰ্যটন দিশটোৰ বাণিজ্যিক সম্প্ৰসাৰণৰ উদ্দেশ্যে সুপৰিকল্পিত আঁচনি আৰু পদক্ষেপ গ্ৰহণ কৰিব লাগিব। এনে পদক্ষেপৰ অংশ হিচাপে পৰ্যাপ্ত বিনিয়োগৰ ব্যৱস্থা কৰাটো হ'ব এক উৎকৃষ্ট পন্থা। অৱশ্যে বিনিয়োগ কৰিবৰ বাবে দেশী-বিদেশী বিনিয়োগকাৰীক আকৃষ্ট আৰু আশ্বস্ত কৰিব পৰাকৈ ৰাজ্যখনত সৃষ্টি কৰিব লাগিব এক অনুকূল বাতাবৰণ। তাৰ বাবে প্ৰথমতে বৰ্তমান জনপ্ৰিয় তথা স্বীকৃত পৰ্যটনস্থলী সমূহৰ উপৰি এতিয়ালৈ অনাৱিস্কৃত অৱহেলিত অথচ পৰ্যটনৰ বাবে উপযুক্ত আৰু সম্ভাৱনাপূৰ্ণ স্থান সমূহৰ নিৰ্বাচন কৰি সংৰক্ষণ কৰিব লাগিব। এনে পৰ্যটনস্থলী সমূহৰ সংযোজনে অসমৰ পৰ্যটনক আৰু সমৃদ্ধিশালীকৰি তুলিব। তদুপৰি এই স্থানসমূহৰ সামগ্ৰিক উন্নয়ন, আধুনিকীকৰণ, পৰিবহনৰ সুব্যৱস্থাৰ লগতে প্ৰচাৰ বিজ্ঞাপন আদিৰ দৰে আনুষংগিক কেতবোৰ প্ৰাথমিক কাৰ্যও পোনতে সামাধা কৰিব লাগিব। তেনে অৱস্থাতহে বাহিৰা বিনিয়োগ কাৰীসকল ইয়াত বিনিয়োগ কৰিবলৈ নিঃসংকোচে আগবাঢ়ি আহিব। অসমৰ পৰ্যটন ক্ষেত্ৰৰ বিনিয়োগৰ দ্বাৰা অসমৰ পৰ্যটন ক্ষেত্ৰৰ প্ৰসাৰৰ লগতে অসমৰ জাতীয় অৰ্থনীতিও সবল হ'ব লাগিব। অসমৰ দুষ্প্ৰাপ্য এশিঙীয়া গড়ৰ বাবে কাজিৰঙা অভয়াৰণ্য, মানাহ অভয়াৰণ্যৰ পৰা আৰম্ভ কৰি কপৌফুল, চাহপাত, কামাখ্যামন্দিৰ, উমানন্দ, আজানপীৰ দৰগাহ, মাজুলী, ব্ৰহ্মপুত্ৰ ,বৰাক, জাতিংগা, ঢলা-শদিয়া সেতু, ছশবছৰীয়া আহোম ৰাজত্বৰ স্বাক্ষৰ বহন কৰি সগৰ্বে জিলিকি থকা অসমৰ স্থাপত্য -ভাস্কৰ্য্যৰ শিল্পক অৰ্থনৈতিক দিশত পিছ পৰা অসমৰ পৰ্যটন বিভাগটো প্ৰাণোচ্ছল আৰু সুসংগঠিত কৰি পৰ্যটন ক্ষেত্ৰ হিচাপে অসমক এক নতুন ৰূপ দিব পৰা যাব। পৰ্যটন ক্ষেত্ৰসমূহক এক ন-ৰূপত আৰু আধুনিকতাৰ ৰূপত গঢ়ি তুলিব লাগিব। উদাহৰণস্বৰূপে, চৰাইদেউৰ মৈদাম সহিতে আহোম ৰাজত্বৰ বহু কীৰ্তিচিহ্ন আজি জহি-খহি যোৱা দেখা গৈছে। অথচ তেনেবোৰ ঠাইৰ প্ৰতি পৰ্যটকসকল অধিক আগ্ৰহী আৰু উৎসুক। গতিকে এই স্থানসমূহ যথোচিতভাৱে পৰিস্কাৰ-পৰিচ্ছন্ন কৰাৰ উপৰি অধিক আৰ্কষণীয় কৰি তোলাৰ বাবে পাৰ্ক, পুখুৰীত নৌকা ভ্ৰমন আদিৰ ব্যৱস্থা কৰিব পৰা যায়। অসমৰ আন আন পৰ্যটনযোগ্য গুৰুত্বপূৰ্ণ স্থানসমূহত উন্নতমানৰ ৰেষ্টুৰেন্ট, থকাৰ বাবে হোটেল, পাহাৰ নদী পৰিদৃশ্যমান হোৱা স্থানত ৰিজৰ্ট আদিৰ অভাৱ বাৰুকৈ পৰিলক্ষিত হয়। এইসমূহ উপলব্ধ কৰিবৰ বাবে কাৰ্যপন্থা চৰকাৰে হাতত ল'ব লাগে। পৰ্বত-পাহাৰ, অটব্য অৰণ্যৰে ভৰপূৰ অসমত পৰ্বতাৰোহন, শৈলাৰোহন, আদিৰ দৰে দুঃসাহসিক পৰ্যটনৰো অনেক সুবিধা আছে। কিন্তু বৰ্তমানেও এই পৰ্যন্ত অসমত এই দিশটো সক্ৰিয় হৈ উঠা নাই। এই ক্ষেত্ৰত চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিলে এইবিধ পৰ্যটনে অসমৰ পৰ্যটন দিশক এক নতুন মাত্ৰা প্ৰদান কৰিব। একেদৰে ব্ৰহ্মপুত্ৰ বৰাকক কেন্দ্ৰ কৰি প্ৰকৃতিৰ লীলাভূমি অসমৰ মাজেৰে বৈ যোৱা উপনৈ সমূহক কেন্দ্ৰ কৰিও গঢ়ি তুলিব পাৰি মনোৰম 'নদী পৰ্যটন'। এইক্ষেত্ৰত উদ্ভাৱনীমূলক চিন্তা আৰু আঁচনিৰে ব্যতিক্ৰমী ৰূপত পানীৰ তলত হোটেল, ক্লাব, ওপঙা হোটেল, নৌকা খেল আদিৰ ব্যৱস্থা কৰি পৰ্যটকৰ আনন্দৰ বাবে সাংস্কৃতিক অনুষ্ঠান, প্ৰতিযোগিতা আদিৰ ব্যৱস্থাও কৰিব পাৰে। এনেধৰণৰ চৰকাৰৰ পদক্ষেপে অসমৰ পৰ্যটনত নতুন দিগন্তৰ সূচনা কৰিব। বাৰেৰহনীয়া কৃষ্টি-সংস্কৃতিক বাদ দি অসমৰ পৰ্যটন দিশটোক সম্পূৰ্ণ হোৱা বুলি ক'ব নোৱাৰি।

অসমৰ বিভিন্ন জাতি - জনগোষ্ঠীৰ পৰম্পৰাগত স্বকীয় বৈশিষ্ট্য সাজপাৰ, লোককৃষ্টি, খাদ্য-সম্ভাৰ, আদিয়ে পৰ্যটন বিকাশত এক বলিষ্ঠ ভূমিকা গ্ৰহণ কৰিব পাৰে। অসমৰ প্ৰায় ৭০ শতাংশ লোক গাঁৱত বসবাস কৰে। সেয়ে স্বাভাৱিকতে অসমৰ অৰ্থনীতি মূলতঃ গ্ৰাম্যভিত্তিক অৰ্থনীতি । গতিকে অসমৰ পৰ্যটনৰ বিকাশত গ্ৰাম্য পৰ্যটনে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। গ্ৰাম্য পৰ্যটন বুলিলে সাধাৰণতে গাঁৱলীয়া জীৱনধাৰা, আচাৰ আচৰণ, সেই ঠাইৰ ঐতিহ্যক কেন্দ্ৰীভূত কৰি গঢ়ি উঠা পৰ্যটনকে বুজোৱা হয়। অসমৰ মূল প্ৰতিচ্ছবিখন গাঁও অঞ্চলতে প্ৰতিফলিত হয়। গ্ৰাম্য অঞ্চলৰ প্ৰাকৃতিক পৰিৱেশ তেওঁলোকৰ পৰম্পৰাগত খাদ্য, ৰীতি-নীতি প্ৰতিফলিত উৎসৱ আদিৰ ওপৰত প্ৰাধান্য প্ৰদান কৰি গাম্য অৰ্থনীতিৰ ভেটি তৈয়াৰ কৰিব পাৰি। অসমৰ গাঁও সমূহত থকা লোকগীত মাত, আচাৰ- অনুষ্ঠান, খাদ্য আদিৰ সুপৰিকল্পিত উপস্থানৰ দ্বাৰা গ্ৰাম্য পৰ্যটনক সমৃদ্ধি কৰি বিদেশী পৰ্যটকক অসমৰ গাঁৱৰ প্ৰতি আকৃষ্ট কৰিব পৰা যাব। গ্ৰাম্য পৰ্যটনে অসমৰ পৰ্যটন ক্ষেত্ৰক এক ন-ৰূপত গঢ় দিব পাৰিব।

চৰকাৰে উপৰোক্ত দিশসমূহত সুপৰিকল্পিত আঁচনি গ্ৰহণ কৰি কাৰ্যক্ষম কৰি তুলিব পাৰিলে অসমৰ পৰ্যটনে অসমৰ অৰ্থনৈতিক উন্নয়নত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি আশা কৰিব পাৰি। চৰকাৰে গ্ৰহণ কৰা 'পৰ্যটন নীতি ২০১৭' য়ে অসমৰ পৰ্যটনক এক নতুন মাত্ৰা প্ৰদান কৰিব বুলি আশা কৰা হৈছে।





# ঐশ্বৰ্যময় আহোম যুগৰ কৰ্মময় নাৰী

**দিপু গগৈ**
ষষ্ঠ ষাণ্মাসিক, বুৰঞ্জী বিভাগ

১২২৮ খ্ৰীষ্টাব্দত পাটকাই পাহাৰ পাৰ হৈ ব্ৰহ্মদেশৰ পৰা ব্ৰহ্মপুত্ৰ উপত্যকাৰ চৰাইদেউত চুকাফাই আহোম ৰাজ্যৰ প্ৰতিষ্ঠা কৰে। ১২২৮ খ্ৰীষ্টাব্দৰ পৰা ১৮২৬ খ্ৰীষ্টাব্দ পৰ্যন্ত সুদীৰ্ঘ ৬০০ বছৰ কাল আহোম সকলে অসমত ৰাজত্ব কৰিছিল। বিশ্ব ইতিহাসত সম্ভৱতঃ আহোমসকলৰ ৰাজবংশটোৱেই একমাত্ৰ আছিল যিটো ৰাজবংশই সুদীৰ্ঘ ছশ বছৰ কাল একেৰাহে ৰাজত্ব কৰিছিল।

মধ্যযুগ অৰ্থাৎ আহোম যুগত আহোম স্বৰ্গদেউসকলৰ উদাৰনৈতিক দৃষ্টিভংগীৰ বাবেই নাৰীয়ে বহু পৰিমাণে সামাজিক মৰ্যদা লাভ কৰিছিল। আহোম যুগত নাৰীক যথেষ্ট স্বাধীনতা প্ৰদান কৰাৰ বাবেই নাৰীৰ মাজত লুকাই থকা অথবা সমাজে অৱদমন কৰি ৰখা নাৰীৰ বহুবোৰ গুণ আৰু যোগ্যতা আহোম যুগৰ নাৰীৰ প্ৰকাশ কৰিবলৈ সুযোগ পাইছিল। আহোম যুগৰ নাৰীয়ে খেতি পথাৰ, বোৱা-কটাৰ পৰা আৰম্ভ কৰি নৃত্য গীতত পাৰদৰ্শিতা দেখুওৱাৰ উপৰিও ৰাজনীতিত সক্ৰিয় অংশগ্ৰহণ কৰছিল আৰু প্ৰয়োজন সাপেক্ষে যুদ্ধ বিগ্ৰহতো বীৰত্ব প্ৰদৰ্শন কৰিছিল। আহোম যুগত নাৰীয়ে নিজৰ বহুমুখী গুণ আৰু যোগ্যতা প্ৰতিপন্ন কৰাৰ সুযোগ পাছিল বাবে আহোম ৰাজত্ব দীঘলীয়া হৈছিল। আনহাতে আহোম যুগত অসমৰ সভ্যতা আৰু সংস্কৃতিৰ বিকাশ দ্ৰুততৰ হোৱাত নাৰীৰ ভূমিকায়ো গুৰুত্বপূৰ্ণ অৰিহণা যোগাইছিল বুলি ক'ব লাগিব। এতিয়া আহোম যুগৰ সভ্যতা আৰু সংস্কৃতিত নাৰীৰ ভূমিকা কেনেধৰণৰ আছিল তাৰ বিচাৰ কৰা যাওক।আহোম যুগত ৰজা, ডা-ডাঙৰীয়া আৰু বিষয়াবৰ্গৰ লগতে নাৰীয়েও যে ৰাজনীতিত সক্ৰিয় অংশগ্ৰহণ কৰিছিল, ইয়াৰ উদাহৰণ বুৰঞ্জীত যথেষ্ট পোৱা যায়। আনকি কোনোবা ৰজা যদি ৰাজনৈতিক দিশত দুৰ্বল হয়, তেতিয়া ৰাজমাতৃয়ে ৰজাৰ ৰাজনৈতিক মন্ত্ৰণাদাত্ৰীৰূপে কাৰ্যনিৰ্বাহ কৰা দেখা যায়।এনে নাৰীৰ ভিতৰত চন্দ্ৰকান্ত সিংহৰ মাতৃলৈ আঙুলিয়াব পাৰি। চন্দ্ৰকান্ত সিংহ কম বয়সতে ৰজা হৈছিল বাবে ৰাজকাৰ্য চলোৱাত দক্ষতা প্ৰদৰ্শন কৰিব পৰা নাছিল আৰু এনে কাৰণতে পূৰ্ণানন্দ বুঢ়াগোঁহাঞেও ৰাজ্য শাসনত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব লগা হৈছিল। আনহাতে পূৰ্ণানন্দ বুঢ়াগোঁহাঞেও ৰাজ্যশাসনত ৰাজমাতৃৰ সৈতে আলোচনা কৰিহে কোনো এটা সিদ্ধান্ত ল'ব লগা হৈছিল। গতিকে দেখা যায় যে, যেতিয়াই প্ৰয়োজন হয়, তেতিয়াই আহোম ৰমনীয়ে ৰাজনৈতিক অৰ্থাৎ প্ৰশাসনিক কাৰ্যতো পুৰুষৰ দৰেই ভাগ লৈ দক্ষতা প্ৰদৰ্শন কৰিব পাৰিছিল।

ৰাজনীতিত অভাৱনীয় বিচক্ষণতাৰ পৰিচয় দাঙি ধৰা নাৰী হিচাপে চুৱেংমুং গড়গঞা ৰজাৰ ৰাণী চাও চিং কুঁৱৰী অন্যতম। এই গৰাকী ৰাণীৰ পৰামৰ্শ মতে গড়গাঁৱৰ চাৰিওফালে গড় খাৰৈ খান্দি তাৰ মাজত ৰাজকাৰেং সজোৱা হ'ল আৰু আহোমৰ ৰাজধানী স্থানান্তৰ কৰি গড়গাঁৱত পাতিলে। তদুপৰি দিনকদিনে আহোম ৰাজ্যৰ সীমা বাঢ়ি যোৱাত বুঢ়াগোহাঞি আৰু বৰগোহাঞি এই দুয়োজনেই যথেষ্ট নহয় বুলি যুক্তিৰে ৰজাক বুজাই বৰপাত্ৰগোহাঞি নামৰ তৃতীয়টো ঘাই মন্ত্ৰীপদৰ সৃষ্টি কৰিলে। মুঠতে মধ্যযুগৰ সামন্ত সমাজত নাৰীৰ এনে ৰাজনৈতিক বিচক্ষনতা সঁচাকৈ বিৰল বুলি নিঃসন্দেহে ক'ব লাগিব।

গদাধৰ সিংহৰ পত্নী জয়মতীয়ে যি ত্যাগৰ মহত্ব প্ৰদৰ্শন কৰিলে, এই ত্যাগ ভাৰতীয় আদৰ্শ নাৰীৰ স্বামী ভক্তিজনিত ত্যাগ বুলি ভৱাতকৈ দেশ আৰু জাতিৰ কল্যাণৰ হকে আত্মত্যাগ বুলি কোৱাৰ হে যুক্তিযুক্ততা বেছি। কাৰণ জয়মতীয়ে ল'ৰাৰজাৰ অপৰিপক্ক প্ৰশাসনিক জ্ঞান আৰু অসাধু বিষয়া কেইজনমানৰ চাৰিত্ৰিক অসাধুতাৰ বাবেই আহোম ৰাজ্যৰ বেলি ডুব যাব বুলি বুজি পাইছিল আৰু এনে সংকট কালত দেশ আৰু জাতিক ৰক্ষা কৰিব পৰা পুৰুষ একমাত্ৰ তেওঁৰ স্বামী বুলি জানিব পাৰিয়েই স্বামীৰ প্ৰাণ ৰক্ষা কৰিবৰ বাবে মুখ নুখুলি মৃত্যুবৰণ কৰিছিল।

ফ্ৰাচেংমুং বৰগোহাঞিৰ পত্নী মূলা গাভৰুৱে প্ৰদৰ্শন কৰা বিৰত্ব বিৰল। কচোৱাত মোগল আৰু আহোমৰ মাজত হোৱা যুদ্ধত আহোম সৈন্যৰ অৱস্থা শোচনীয় হয় আৰু মূলা গাভৰুৰ স্বামী ফ্ৰাচেংমুং বুঢ়াগোহাঞিৰ যুদ্ধত মৃত্যু হয়। তেতিয়া পুৰুষ আৰু নাৰী উভয়েৰে গঠিত এটা বাহিনীৰ নেতৃত্ব দি হাতত তৰোৱাল লৈ মূলা গাভৰুৱে মোগল সেনাপতি তুৰ্বকৰ সৈতে ৰনত প্ৰবৃত্ত হয়। যুদ্ধত মূলাগাভৰুৰ মৃত্যু হ'ল সঁচা, কিন্তু এগৰাকী অনন্য সাধাৰণ বীৰাঙ্গনাৰূপে মূলা গাভৰু অসম বুৰঞ্জীত সৰ্বকালৰ পৰম ঐশ্বৰ্য হৈ ৰ'ল।সুকুমাৰ কলাৰ দিশত ফুলেশ্বৰ কুঁৱৰীৰ অৱদান উল্লেখনীয়। ফুলেশ্বৰী কুঁৱৰী আছিল এফালে অত্যন্ত বিদ্যোৎসাহী আৰু আনফালে সাহিত্যানুৰাগী। বিদ্যা শিক্ষাৰ প্ৰতি থকা আগ্ৰহৰ বাবেই ৰাজহাউলিৰ ভিতৰত শিক্ষানুষ্ঠান পাতি স্ত্ৰী-পুৰুষ উভয়কে শিক্ষিত কৰি তুলিবলৈ প্ৰয়াস কৰিছিল। ঠিক একেদৰে ফুলেশ্বৰী কুঁৱৰী সাহিত্যানুৰাগী আছিল বাবে কবিৰাজ চক্ৰৱৰ্তীৰ দৰে পণ্ডিতক ৰাজ পৃষ্ঠপোষকতা দি সাহিত্য চৰ্চা কৰোৱাইছিল। এইগৰাকী ৰাণী ৰ আদেশ আৰু অনুপ্ৰেৰণাতে কবিৰাজ চক্ৰৱৰ্তীয়ে 'শকুন্তলা কাব্য'ৰ দৰে উন্নত স্তৰৰ কাব্য ৰচনা কৰিব পাৰিছিল।

# অন্য এক মহামাৰী

কংকনা গগৈ
ষষ্ঠ ষাণ্মাসিক, জীৱ বিজ্ঞান বিভাগ




প্ৰযুক্তি বিদ্যাৰ দ্ৰুত বিকাশে পৃথিৱীক এখন গোলকীয় গাঁৱলৈ ৰূপান্তৰিত কৰিছে। পৃথিৱীৰ যিকোনো কোণৰ বতৰা মূহুৰ্তৰ ভিতৰত পোৱাৰ সময় আহিল। বৰ্তমান প্ৰজন্মৰ কাৰণে এইয়া এক চিনাকী মাধ্যম হৈ পৰিছে, জ্যেষ্ঠ সকলেও এই মাধ্যমবিলাকৰ লগত চিনাকী হোৱাৰ চেষ্টা কৰিছে। অতিজৰে পৰা বাতৰি কাকত দূৰদৰ্শন ইত্যাদিৰ বাৰ্তাকি বিশ্বাসৰ ভেটি হিচাপে গ্ৰহণ কৰা ভাৰত তথা অসমৰ জনগণে Social Media যেনে Facebook, Whatsapp আদিৰ বাৰ্তাকো একেধৰণৰ বুলি গ্ৰহণ কৰে। কেৱল নিজৰ স্বাক্ষৰ কৰিব জনাকো শিক্ষিত বুলি বিবেচনা কৰি সাক্ষৰতা তালিকা প্ৰস্তুত কৰা ভাৰতৰ লোকসকলৰ প্ৰযুক্তি বিজ্ঞান জ্ঞান আৰু নতুন দ্ৰুততৰ মাধ্যমসমূহৰ ব্যৱহাৰৰ ক্ষেত্ৰত থাকিব লগা জ্ঞান সীমিত। এনে মাধ্যমসমূহত কেতিয়াবা এনেধৰণৰ শ্ৰাব্য দৃশ্য প্ৰকাশ কৰে যে তাক বিশ্বাস নকৰাৰ অৱকাশ নাথাকে। উচ্চ স্তৰীয় সংবাদ মাধ্যম BBC (British Broadcating Corporation) যে Digital epidemic of India নামেৰে এটা বাতৰি প্ৰকাশ কৰিছিল। ইয়াত কোৱা হৈছে যে Social Media ত প্ৰকাশিত যিকোনো বাতৰি মানুহে ইমান বিশ্বাস কৰি লয় যাৰ বাবে ভাৰত এক নতুন মহামাৰীত আক্ৰান্ত হৈছে। তাৰ ভিতৰত ভুল বাৰ্তা (fake news) ভুল তথ্য (misinformation) ইত্যাদিয়ে ভাৰতৰ অৰ্থনৈতিক, ৰাজনৈতিক, সামাজিক ক্ষেত্ৰত বাৰুকৈয়ে প্ৰভাৱ পেলাইছে। অসমৰ প্ৰেক্ষাপটত চাবলৈ গ'লে মন কৰিব লাগিব যে কাৰ্বি আংলংত হোৱা ঘটনাৰ মূল কাৰণ আছিল উৰা বাতৰিসমূহ। BBC য়ে এই সম্পৰ্কত এখন তথ্য চিত্ৰ প্ৰস্তুত কৰি উলিয়াইছে। ধলা শদিয়াৰ ঘটনাতো Social Networking Site ত বিভিন্ন ধৰণে প্ৰচাৰ হোৱাৰ বাবে অসমৰ পৰিস্থিতি স্পৰ্শকাতৰ হৈ পৰিছিল। এটা ফেচবুক পষ্টৰ কাৰণে অসম বন্ধ দিব লগা পৰিস্থিতি এইখন অসমতে সৃষ্টি হৈছে। এনে বহুতো উদাহৰণ আছে যিবোৰ নতুন মহামাৰীত আক্ৰান্ত্ৰ হৈ সৃষ্টি হৈছে। এনেধৰণৰ সমস্যাসমূহ নিয়ন্ত্ৰণ কৰিবলৈ আৰক্ষী বিভাগক দিয়া হৈছে। কিন্তু অসমৰ ইমানবোৰ সমাধানত ব্যস্ত থকা প্ৰশাসনে ক্ৰমাগতভাৱে বাঢ়ি অহা এনে সমস্যা সমাধান কৰাত অসুবিধাৰ সন্মূখীন হয়। সেয়ে ইয়াৰ বাবে নতুন প্ৰশাসন বিভাগ গঢ়ি তোলাতো জৰুৰী হৈ পৰিছে। তদুপৰি এইমাধ্যম সমূহতো চোকা নজৰ ৰখা ব্যৱস্থা কৰা প্ৰয়োজনীয়। এই সমস্যাসমূহ সমাধান কৰাৰ প্ৰধান উপায় হ'ল নতুন প্ৰজন্মই ইয়াৰ ব্যৱহাৰ ক্ষেত্ৰত সচেতন হোৱা আৰু উৰা বাতৰি প্ৰচাৰ হোৱাত বাধা প্ৰদান কৰা। এনে কিছুমান ব্যৱস্থা যিবোৰ আমি নিজাভাৱে ল'ব পাৰো সেইবোৰৰ জৰিয়তে এই সমস্যা সমাধান কৰাৰ চেষ্টা কৰিব লাগে। অন্যথা ভাৰত তথা অসমত সৃষ্টি হোৱা উগ্ৰ জাতীয়তাবাদ, সন্ত্ৰাসবাদ আদিয়ে দেশক কোঙা কৰি পেলাব।







# অসমৰ চাহ জনগোষ্ঠী

জ্যোতিৰ্ময় ৰয়চৌধুৰী
ষষ্ঠ ষাণ্মাসিক, অৰ্থনীতি বিভাগ

**বৰ্তমানৰ সময়ত বস্তুৰ দাম আকাশলংঘী হোৱাৰ পিছতো চাহ -শ্ৰমিকে মজুৰি লাভ কৰে মাত্ৰ ১৬৭ টকা। সম্প্ৰতি কেন্দ্ৰীয় চৰকাৰে বাগিচা কৃৰ্ত পক্ষই প্ৰদান কৰা ৰেচনো বন্ধ কৰাৰ কথা ঘোষণা কৰিছে। গতিকে এই অৱস্থাটো চাহ জনগোষ্ঠীয় লোকসকল জনজাতিকৰণৰ পৰা বঞ্চিত হোৱাটো অযুক্তিকৰ আৰু সঁচাই দুৰ্বোধ্য।**

ব্ৰিটিছ চাহাব ৰবাৰ্ট ব্ৰুচে অসমত চাহ গছৰ সন্ধান পোৱাৰ পিছত আৰু অসমৰ মাটি চাহ গছৰ বাবে উপযুক্ত বুলি জনাৰ পিছত অসমত চাহ খেতি কৰিবলৈ মন মেলে। কিন্তু অসম তথা ইয়াৰ ওচৰ চুবুৰীয়া ৰাজ্যত সস্তীয়া বনুৱা বিচাৰি নোপোৱাত ভাৰতৰ বিভিন্ন প্ৰান্তৰ পৰা সস্তীয়া বনুৱা অনাৰ প্ৰক্ৰিয়া আৰম্ভ কৰে। এনেদৰে অসমৰ চাহ বাগিছাত শ্ৰমিক হিচাপে কাম কৰিবলৈ ভাৰতৰ বিভিন্ন প্ৰান্তৰ পৰা অনা লোকসকলকে চাহ শ্ৰমিক নামেৰে জনা যায় আৰু পৰৱৰ্তী সময়ত এইলোক সকলকে চাহ জনগোষ্ঠী নামৰে জনা যায়। চাহ জনগোষ্ঠী বুলি ক'লে মুলতঃ অসমৰ চাহ উদ্যোগৰ লগত জড়িত শ্ৰমিক আৰু তেওঁলোকৰ সতি- সন্ততিৰ কথাকে বুজা যায়। বৰ্তমান ৮০-৮৫ লাখ জনসংখ্যাৰ এক বিশাল জনসমষ্টিৰ আধিপত্য হৈছে এই চাহ জনগোষ্ঠীৰ লোকসকল। শতাধিক গোষ্ঠী সম্প্ৰদায়েৰে গঠিত লোকসকলৰ উমৈহতীয়া পৰিচয় হৈছে 'চাহ জনগোষ্ঠী'। বৃহৎ অসমীয়া জাতিৰ অন্যতম অংশীদাৰ চাহ জনগোষ্ঠীসকলৰ জনগাঁথনিও বৰ বৈচিত্ৰ্যপূৰ্ণ। চাহ জনগোষ্ঠী লোকসকলৰ সম্প্ৰদায় আৰু উপজাতিবিলাক হৈছে - কৰ্মকাৰ, কিষাণ, কুৰ্মী, কৰুৱা, উৰাং, তাঁতী, তেলী, তাছা, গোৱালা, ক্ষেত্ৰপাল, পাটোৱাৰী, নায়ক, ঠাকুৰ, পাগত, চৰাগ, কৈৰী, ঘাটোৱাৰ, চাঁওৰা ইত্যাদি।


ব্ৰিটিছৰ দিনৰ পৰাই নানান শোষণ যন্ত্ৰণাৰ ভূক্তভোগী হৈ অহা আৰু অতি নিম্ন মজুৰিৰে মূৰৰ ঘাম মাটিত পেলাই কঠোৰ পৰিশ্ৰমৰ মাজেৰে জীৱন-নিৰ্বাহ কৰা অসমৰ চাহ জনগোষ্ঠী লোকসকলৰ জীৱন শৈলীৰ অৱস্থা ব্ৰিটিছসকলে অসম এৰি যোৱাৰ পিছতো একো পৰিৱৰ্তন নহ'ল। বৰঞ্চ ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক আদি সকলোবোৰ সমস্যাই চাৰিওফালৰ পৰা গা কৰি উঠিবলৈ ধৰিলে। সেয়েহে আজি অসমৰ চাহ জনগোষ্ঠীসকল আন জাতি-জনগোষ্ঠীৰ

তুলনাত অনগ্ৰসৰ হৈ ৰ'ল। অসমৰ আদিবাসী চাহ জনগোষ্ঠীসকলে দীৰ্ঘদিন ধৰি সমাধান বিচাৰি দাবী তুলি অহা এক প্ৰধান সমস্যা হ'ল - জনজাতিকৰণৰ সমস্যা। একেখন দেশৰে অসমৰ বাহিৰৰ ৰাজ্যসমূহত চাহ জনগোষ্ঠীৰ আত্মীয় স্বজনে জনজাতিকৰণৰ মৰ্যদা লাভ কৰি সকলোবোৰ সুবিধা উপভোগ কৰি আহিছে। কিন্তু অসমৰ বাসিন্দাসকলে অনুসূচিত জাতি-জনজাতিৰ স্বীকৃতি লাভৰ পৰা বঞ্চিত হোৱাটো এক দুভাৰ্গ্যজনক কথা।

অসমৰ অৰ্থনীতিক চাহ উৎপাদনৰ ক্ষেত্ৰত বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰাৰ হকে দিন-ৰাতি শ্ৰম কৰা চাহ-শ্ৰমিকসকলৰ ভূমিকা গুৰুত্বপূৰ্ণ। তথাপিও বৰ্তমানৰ সময়ত বস্তুৰ দাম আকাশলংঘী হোৱাৰ পিছতো চাহ শ্ৰমিকে মজুৰি লাভ কৰে মাত্ৰ ১৬৭ টকা। সম্প্ৰতি কেন্দ্ৰীয় চৰকাৰে বাগিচা কৃৰ্তপক্ষই প্ৰদান কৰা ৰেচনো বন্ধ কৰাৰ কথা ঘোযণা কৰিছে। গতিকে এই অৱস্থাটোত চাহ জনগোষ্ঠীয় লোকসকল জনজাতিকৰণৰ পৰা বঞ্চিত হোৱাটো অযুক্তিকৰ আৰু সঁচাই দুৰ্বোধ্য।

ভাৰতীয় সংবিধানত জনজাতিকৰণৰ ব্যৱস্থাটো প্ৰৱৰ্তন কৰিছিল দৰিদ্ৰ শ্ৰেণীৰ লোকসকলৰ সামাজিক স্থিতিৰ মান উচ্চমানৰ কৰিবৰ বাবে আৰু সেই মৰ্মে দেশৰ বহু পিছপৰা শ্ৰেণীয়ে এই অধিকাৰ উপভোগ কৰি নিজৰ সুবিধা আদায় কৰিছে। কিন্তু ইমান দিনৰ পৰা অসমতে থাকি বিট্ৰিছৰ অন্যায় অবিচাৰ সহ্য কৰি চাহ শিল্প গঢ়ি অসমৰ অৰ্থনীতি তথা বিশ্ব দৰবাৰত ভাৰতীয় অৰ্থনীতিৰ ভেঁটি সুদৃঢ় কৰা চাহ জনগোষ্ঠীৰ জনজাতিকৰণৰ সন্দৰ্ভত ভাৰত চৰকাৰৰ মহাপঞ্জীয়কে মন্তব্য কৰিছিল যে চাহ জনগোষ্ঠীয়ে জনজাতিৰ মৰ্যাদা পাবলৈ হ'লে নিজৰ পূৰ্বৰ পিতৃভূমি অৰ্থাৎ যি ঠাইৰ পৰা তেওঁলোকৰ পূৰ্বপুৰুষসকল আহিছিল তালৈ যাব লাগিব, আন ৰাজ্য অসমত এনে মৰ্যাদা পাব নোৱাৰে। কিন্তু একে সংবিধানৰ ৩৬৬ নং অনুচ্ছেদ অনুসৰি অসমৰ বহিঃৰাজ্যৰ সেই একেই বংশৰ লোকসকলে সেই মৰ্য্যদা ভোগ কৰিছে। এনেস্থলত একে জনগোষ্ঠীৰ মাজত কৃত্ৰিম পাৰ্থক্য সৃষ্টি কৰি সাংবিধানিক অধিকাৰৰ পৰা বঞ্চিত হোৱাৰ কোনো যুক্তি যুক্ততা থাকিব নোৱাৰে। চাহ উদ্যোগ হৈছে অসম তথা ভাৰতৰ বৃহত্তম উদ্যোগ। দেশৰ অৰ্থনীতিৰ বিকাশ আৰু সুস্থিৰতা বজাই ৰখাত এই উদ্যোগে যথেষ্ট বৰঙনি যোগাই আহিছে। অসমৰ চাহে অসম তথা ভাৰতৰ এক নম্বৰ কৃযিজাত দ্ৰব্য হিচাপে স্বীকৃত হোৱাৰ লগতে উদ্যোগ হিচাপেও এক নম্বৰ স্থান দখল কৰি নিজৰ খ্যাতি বৰ্তাই ৰাখিবলৈ সক্ষম হৈছে। পৃথিৱীৰ প্ৰায় আধা অংশই ভাৰতবৰ্যই উৎপন্ন কৰে আৰু ভাৰতৰ মুঠ চাহৰ প্ৰায় ৫৩ ভাগ উৎপন্ন কৰে অকল অসমে। বছৰি কোটি কোটি টকাৰ ৰাজহ উৰ্পাজনেৰে দেশৰ বহুবোৰ উন্নয়নমূলক কাম সাধিত কৰিছে যদিও যিসকল লোকৰ তেজৰ ঘামৰ বিনিময়ত এই কোটি কোটি টকা খটুৱাই দেশৰ উন্নয়ন ঘটাইছে সেইসকল শ্ৰমিকৰ অৱস্থাৰ উন্নতিৰ বাবে কিন্তু কামেই কৰা নহ'ল। যাৰ বাবে শিক্ষা-দীক্ষাৰ লগতে সামাজিক উন্নয়নৰ ক্ষেত্ৰতো এইসকল লোক বহু পিছপৰি ৰ'ল। শ্ৰমিক অবিহনে চাহ উদ্যোগ যেনেকৈ বৰ্তি থাকিব নোৱাৰে, ঠিক তেনেদৰে চাহ উদ্যোগ অবিহনে চাহ বাগিছাৰ শ্ৰমিকসকলো জীয়াই থাকিব নোৱাৰে। এই ক্ষেত্ৰত দুয়ো দুয়োৰে পৰিপূৰক। এটাক বাদ দি আনটোৰ অস্তিত্ব কল্পনা কৰিব নোৱাৰি। একেদৰে মালিক পক্ষই যিহেতু বাগিচা পৰিচালনা কৰে গতিকে, তেওঁলোকো এই দুয়োৰে মাজত অঙ্গাঙ্গীভাৱে সোমাই পৰে। এতিয়া দেখা গ'ল চাহ উদ্যোগ, মালিক আৰু শ্ৰমিক এই তিনি একেডাল সূতাৰে গঁথা এডাল মালাৰ দৰে। চাহ উদ্যোগক কেন্দ্ৰ কৰি মালিক আৰু শ্ৰমিক উভয়ে উভয়ৰ প্ৰতি দায়িত্বশীল আৰু সহানুভূতিশীল হ'বই লাগিব। মিলা-প্ৰীতি, বুজা পৰাৰে অগ্ৰসৰ হ'লে পূৰ্বৰে পৰা ঘটি অহা বহুবোৰ অনাকাংক্ষিত দুৰ্ঘটনা নিশ্চিতভাৱে ৰোধ কৰিব পৰা যায়। ক্ষুদ্ৰ চাহ উদ্যোগৰ মালিকসকলে আজি নহ'লেও কাইলৈ এই সুবিধা সমূহ দিয়াৰ উদ্যোগ লওক।

চাহ জনগোষ্ঠীসকলৰ সমস্যাৰ অন্ত নাই। চাহ জনগোষ্ঠীসকলৰ জন্মৰ পৰা মৃত্যু পৰ্যন্ত কেৱল সমস্যাই আগুৰি ধৰি আছে। ভাৰতীয় সংবিধানে প্ৰদান কৰা মৌলিক অধিকাৰ খাদ্য, শিক্ষা, স্বাস্থ্য, বাসস্থানৰ পৰাও তেওঁলোক বঞ্চিত। কোনোবা কালতে কোম্পানীয়ে সাজি দিয়া ঘৰ বিলাক ভাগি ছিগি উৰলি গৈছে, মেৰামতিৰ ব্যৱস্থা কৰা হোৱা নাই। বাগানৰ পৰা লাভ কৰা ৰেচনও বৰ্তমান চৰকাৰ বন্ধ কৰাৰ ঘোষণা কৰিছে। শিক্ষাৰ ক্ষেত্ৰতো চাহ জনগোষ্ঠীৰ লোকসকল বহু সমস্যাৰ সন্মুখীন হৈছে। বাগিছাৰ বিদ্যালয় বিলাকত শিক্ষা মান উন্নত নহয়। তদুপৰি কলেজ, ইউনিভাৰ্চিটি আদিৰ মাচুল অধিক হোৱাৰ বাবে চাহ জনগোষ্ঠীৰ লোকসকলে উচ্চ শিক্ষা লাভত অসুবিধা হয়। চাহ শ্ৰমিকৰ মাচুল নিম্ন মানৰ বাবে চাহ জনগোষ্ঠীৰ লোকসকল এক সুন্দৰ, সুখী জীৱন-যাপনৰ পৰা বঞ্চিত হয়। অৱশেষত ভৱিষ্যতে এই সমস্যাসমূহৰ অন্ত পৰিব আৰু আন জাতি-জনগোষ্ঠীৰ দৰে অসমৰ চাহ জনগোষ্ঠীয়েও এক সুন্দৰ, আনন্দময় জীৱন-যাপন কৰিব বুলি আশা কৰা হৈছে।










দিব্যজ্যোতি দত্ত
পঞ্চম যাণ্মাসিক, শিক্ষা বিভাগ

নাৰী এটা সুন্দৰ শব্দ, এটা সুন্দৰ অনুভূতি প্ৰৱন শব্দ যাৰ অৰ্থ হৈছে ললনা, তিৰোতা, বনিতা মহিলা ইত্যাদি। কাব্যিক উপমাৰে কবলৈ গলে "নাৰী তুমি অৰ্ধ আকাশ, নাৰী তুমি অনন্যা।" সৃষ্টিকাৰী, মমতাময়ী, ৰহস্যময়ী, প্ৰাণদায়িনী আদি বিভিন্ন অভিধাৰে অলংকৃত কৰা হয় নাৰীক। নাৰীৰ অবিহনে সৃষ্টিৰ কল্পনাই কৰিব নোৱাৰি। নাৰীৰ অভিধা যথেষ্ট বিশাল, যাক কেৱল সীমাহীন আকাশৰ লগতহে তুলনা কৰিব পাৰি। সেয়ে হয়তো নাৰীক 'অৰ্দ্ধ আকাশ' বুলিহে অভিহিত কৰা হয়। চীনৰ প্ৰতিবাদী লেখক মাও-চে-তুঙেও কৈছিল 'অৰ্ধ আকাশ, নাৰীৰ আকাশ।

এই সুজলা সফলা পৃথিৱীখনত নাৰী ইমান গুণৰ অধিকাৰী হৈয়ো প্ৰতি খোজতে কেৱল অপমান আৰু লাঞ্জনাৰ বলি হব লগা হৈছে। আমি যদি ভাৰতবৰ্ষৰ ইতিহাস মেলি চাওঁ তেতিয়া দেখিম যে বৈদিক যুগত নাৰী সকলক অৱহেলিত কৰা হৈছিল যদিও পৰৱৰ্তী সময়ত পুৰুষৰ সমানেই নাৰীসকলক শিক্ষাৰ তথা আন অধিকাৰ সমূহ ভোগ কৰিবলৈ দিছিল। ভাৰতীয় ইতিহাসত মুছলমান সকলৰ ৰাজত্ব কালত নাৰীসকলৰ অৱস্থা বৰ শোচনীয় হৈছিল। বিশেষকৈ শিক্ষাৰ ক্ষেত্ৰত। সেই সময়ত নাৰী সকলক পৰ্দাৰ আঁৰত ৰখাৰ ব্যৱস্থা কৰা হৈছিল পুৰুষসকলে নাৰীসকলক শিক্ষিত হোৱাটো বিচৰা নাছিল। যাৰ ফলত নাৰী সকল পিছপৰি থাকিব লগীয়া হৈছিল।

যি কি নহওঁক আজি আমি একবিংশ শতিকাৰ দুৱাৰদলিত ভৰি দিলোহি। এই একবিংশ শতিকাতো শতকৰা ৭০ শতাংশ নাৰীয়ে অৱহেলিত। পুৰুষ প্ৰধান ভাৰতীয় সমাজত প্ৰত্যেক ক্ষেত্ৰতেই নাৰী পিছপৰি থাকিব লগীয়া হয়। এখন সুস্থ সবল সমাজ গঢ়াত নাৰীগৰাকীৰ ভূমিকা লেখত লব লগা। এখন সমাজত পুৰুষতকৈ নাৰীৰ ভূমিকা অধিক বুলি কলে অত্যুক্তি কৰা নহব। কাৰণ নাৰীয়ে সন্তান গৰ্ভধাৰণ কৰাৰ পৰা সন্তান জন্ম দি সুন্দৰভাৱে লালন-পালন কৰি এজন সুস্থ সবল নাগৰিক হিচাপে গঢ় দিয়াত গুৰুত্বপূৰ্ণ ভূমিকা লয়। যি ঠাইত আদ্য শক্তিৰূপে দুৰ্গা, কালী, লক্ষ্মী, সৰস্বতী আদিক উপাসনা কৰা হয়। আনফালে আকৌ পণ্য সামগ্ৰী ৰূপে নাৰীক ক্ৰয় বিক্ৰয়ো কৰা হয়। ৰজা হৰিশ্চন্দ্ৰয়ো নিজ পত্নীক ব্ৰাহ্মণৰ ওচৰত বিক্ৰী কৰিছিল, লাগিলে কাৰণ যিয়েই নহওঁক। আন নালাগে যি নাৰীৰ পৰা সন্তানৰ জন্ম হৈছে সেই নাৰীকে কিছুমান সমাজত ভ্ৰণ অৱস্থাতে হত্যা কৰা হয়। যি মানৱজাতিৰ কাৰণে অতিশয় দুখ তথা লজ্জাজনক কথা। এখন সুখৰ সংসাৰ গঢ়াত নাৰীগৰাকীৰ প্ৰভাৱ অপৰিসীম। কিন্তু সেই নাৰী গৰাকী বহু ক্ষেত্ৰতেই পিঞ্জৰাবদ্ধ বস্তুৰ দৰে। আমাৰ ৰাজ্যৰ এটা সৰু উদাহৰণ বৰপেটাৰ সেই ঐতিহ্যমণ্ডিত "কীৰ্ত্তন ঘৰ" যি কীৰ্ত্তন ঘৰত মহিলাই প্ৰৱেশ কৰিব নোৱাৰে। কিন্তু কিয় নোৱাৰে সেয়া কোনেও সঠিককৈ কব নোৱাৰে। ঠিক সেইদৰে আজিলৈকে মছজিদত মহিলাৰ প্ৰৱেশ নিষিদ্ধ। এয়ামাত্ৰ দুটা উদাহৰণ।এই খিনিতে এটা কথা মনত পৰিছে, ২০১৬ ৰ মাজ ভাগত বৰপেটাৰ কীৰ্ত্তনঘৰত মহিলাৰ প্ৰৱেশৰ লৈ এক তুমুল বিৰ্তকই দেখা দিছিল। তেতিয়া কিন্তু বহু মহিলাই কান্দি কান্দি কৈছিল কীৰ্ত্তন ঘৰত মহিলা প্ৰৱেশ কৰিলে কীৰ্ত্তন ঘৰৰ মান লাঘৱ হব। অতিজৰে পৰা কোনো মহিলাই প্ৰৱেশ নকৰাৰ কাৰণে আমিও প্ৰৱেশ নকৰো। এই ক্ষেত্ৰৰ পৰা চাবলৈ গ'লে আকৌ নাৰীকো নাৰীৰ শত্ৰু যেন লাগে। তদুপৰি যৌতুকৰ কাৰণেও যেতিয়া শাহুৰ, ননদে বোৱাৰীয়েকৰ ওপৰত অত্যাচাৰ চলায় তেতিয়া সেই একে প্ৰতিবিম্বই প্ৰতিফলিত হয়, নাৰীয়ে নাৰীৰ শত্ৰু নেকি?

বৰ্তমান সময়ৰ সমাজ ব্যৱস্থাত নাৰী নিৰাপত্তাহীনতাত ভোগা অন্য এক বিষয় হ'ল ধৰ্যণৰ দৰে কেতবোৰ ঘটনা। বৰ্তমান সময়ত নাৰীয়ে নিজঘৰৰ চাৰিওবেৰৰ মাজতেই আংশকাৰ দিন কটাব লগা হৈছে। বহু ক্ষেত্ৰতেই নাৰী পুৰুষৰ কামনাৰ বলি হ'ব লগা হৈছে। কিন্তু ইয়াৰ কোনো সুদত্তৰ নাই। নাৰীৰ ওপৰত হোৱা বিভিন্ন অত্যাচাৰ, অন্যায়, আদি বিভিন্ন কাৰণত ১৯৭৫ চনৰ ৮ মাৰ্চ তাৰিখৰ পৰা আন্তজাৰ্তিক নাৰী দিৱস পালন কৰা হয়। যদিও এই আন্তজাৰ্তিক নাৰী দিৱস উদ্‌যাপন কৰা হয় তথাপিও কিন্তু নাৰীৰ ওপৰত হোৱা নিৰ্যাতন বন্ধ হোৱা নাই।


সদৌ শেষত কব বিচাৰিছো যে নাৰীৰ ওপৰত ইমান অত্যাচাৰ কৰাৰ পাছতো নাৰীয়ে নিজৰ যোগ্যতা, অৰ্হতাৰে ভাৰতীয় সমাজ ৰাজনীতিত সন্মানীয় স্থান অধিকাৰ কৰিবলৈ সক্ষম হৈছে। বৈদিক যুগৰ সাম্প্ৰতিক সময়লৈকে কীৰ্তিৰে নাম উজ্বলাই ৰখা গাৰ্গী, মৈত্ৰেয়ী, মীৰাবাই, জয়মতী, ইন্দিয়া গান্ধী, সৰোজিনী নাইডু, বিজয়লক্ষ্মী পণ্ডিত, শান্তিৰ নোৱেল বঁটা বিজয়ী মাডাৰ টেৰেছা, ভাৰতৰ প্ৰথম মহিলা মহাকাশচাৰী কল্পনা চাওলা আদি বৰেণ্যা বিদুষী নাৰীৰ নাম প্ৰাতঃস্মৰণীয়।

# কবিতা

## আখৰা

শিশিৰ কুমাৰ গগৈ
পঞ্চম ষাণ্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ

এনেকৈ আৰম্ভ কৰো বাৰম্বাৰ
ব্যৰ্থ-অব্যৰ্থৰ আখৰা...
নিজকে নিৰ্বাসিন কৰোঁ প্ৰবল ইচ্ছাত...
হেৰুৱাই হেৰুৱাই বাট বিচাৰি যাওঁ
ৰ'দে খেলা আবেলিৰ শূণ্যতাত...
আখৰা কৰোঁতে কৰোঁতে
কেতিয়াবা হেৰাই যাওঁ
আখৰাৰ বুকুতে...
কেতিয়াবা উৱলি নোযোৱাকৈ
ওলমি ৰওঁ আখৰাৰ বাউসীত...
তথাপিও আখৰা সদায় চলাওঁ
শব্দৰ কোলাহলত
বেলিমাৰ যোৱা পৰত...



## লিমাৰিক

সূৰ্য্য গগৈ
পঞ্চম ষাণ্মাসিক, অৰ্থনীতি বিভাগ

প্ৰাক্তন অধ্যক্ষ ৰাজেন তামূলী
কৰি থৈ গ'ল কলেজ সলনি।
কলেজত তেওঁৰ গুণ গৰিমা,
তুলনাৰ নাই কোনো উপমা।

নতুনকৈ আহিল অধ্যক্ষ বিমলচন্দ্ৰ গগৈ।
মিটিঙত চিনাকী দিলে ঠিয় হৈ।
দেখাত ছাৰ যথেষ্ট গহীন,
ছাৰৰ ওচৰত আমাৰ আশা অসীম।
ছাত্ৰ-ছাত্ৰীৰ বাবে ছাৰ সদায় সন্মানীয়,
কলেজৰ বাবে তেওঁৰ আছে বহু কৰনীয়।
২০১৬ ত অৱসৰ ল'লে ছাৰ বৰুৱা অৰ্পণ।
ভাষনত তেওঁৰ কথা হয় কম্পন
ছাৰৰ ক্লাছ কৰাৰ থাকিলে আশা।
যি এটা পালো...
তাতো ক'লে মহৎ তালুকদাৰৰ কথা।

শিক্ষাতত্ত্বৰ বাইদেউ ৰানু মহন।
মানুহ গৰাকী সঁচাই বৰ মহান।
ছাত্ৰ-ছাত্ৰীয়ে নিদিয়ে পঢ়াত মন,
সেয়ে বাইদেউৰ মনত খং।
টেবুলত মাৰিলে ঢকা,
ষ্টুডেণ্টতে দেখে চকা-মকা।

অৰ্থনীতিৰ ছাৰ দিলীপ ৰঞ্জন।
তেওঁৰ বিষয়ে কবলৈ,
পোৱা নাই ভাষাৰ ব্যঞ্জন।
মানুহজন ধীৰ আৰু শান্ত,
জড়িত আছে কৃষ্ণ কান্তত।
ইংৰাজী বিভাগৰ ছাৰ সুনীল দত্ত।
ছাৰ দেখাত অলপ উচ্চ।
অসমীয়া ভাষণৰ মাজত,
নকয় ইংৰাজী শব্দ।
সেয়াই ছাৰৰ প্ৰধান বিশেষত্ব।

অসমীয়া বিভাগৰ বাইদেউ দত্ত ৰীতা
গাড়ী চলাই আহে নেন' টাটা।
কথাত একেবাৰে ঘৰুৱা।
বাইদেউ বৰ আলসুৱা।

তামোল নাখালে বোলে,
ভালেই নালাগে গগৈ ছাৰৰ।
নামটো তেওঁৰ মিন্টু।
কথাষাৰ সঁচা কিন্তু,
বাইক চলাই আহে গ্লেমাৰ।
ছাৰৰ মাজে মাজে হয় ফিভাৰ।

ইংৰাজী বিভাগৰ মেম্ অঞ্জুমা বেগম।
সকলো ষ্টুডেন্টকে কৰে মৰম।
ছাত্ৰই গায় বাইদেউৰ জয় গান।
মেম্এ পঢ়ালে নালাগে আন।
বাইদেউৰ আছে এজনী কন্যা
বোৱাব খোজে বিজ্ঞানৰ বন্যা।

অসমীয়া বিভাগৰ মেম্ ৰেখামণি
শুনিছো বাইদেউ নাচনী,
অনুপম দা'ৰ আগত,





নাটিলে কঁকাল ভাঙি।
বাইদেউ এতিয়াও ৰাংঢালী।

ৰাজনীতি বিভাগৰ ৰঘুনাথ কাগয়ুং ছাৰ।
কামৰ বোলে বহুত পেচাৰ।
কলেজৰ লয় প্ৰায়বোৰ দায়িত্ব।
তেওঁ প্ৰায় তাতেই বিমল আনন্দ।
মুখত ফুটাব নোৱাৰি ছাৰৰ উপাধি।
ছাৰে প্ৰবন্ধ লিখে...
মিটিং সংস্কৃতিক কৰি প্ৰতিনিধি।

অৰ্থনীতিৰ ছাৰ কোঁৱৰ পৰাণন।
সকলোৰে প্ৰিয় ব্যক্তিজন।
ছাৰক বুজাবলৈ বৰ কঠোৰ,
কিয়নো কোঁৱৰ ছাৰ বৰ্ গহীন।
চ", ছাপজেৰে কৰে ক্লাছ আৰম্ভ,
ক্লাছ কৰি লাগে বৰ আনন্দ।

আমাৰ বাইদেউ ঋতুপৰ্ণা দত্ত।
কলেজত পঢ়াই অৰ্থনীতি তত্ত্ব।
ওঁঠত এটি শুৱনি হাঁহি।
বাইদেউৱে পঢ়ালে নালাগে আমনি।
ঘৰত আছে মেম্ৰ মহিন্দ্ৰা ডু'ৰ
(DURO)
কলেজত ভাৱে খোজকাঢ়িয়ে ফুৰো।
বিভাগ ইংৰাজী, নাম মধুপলী।
কণ্ঠত যেন বহাগৰ কুলি
বাইদেউ হয় কিছু ৰাংঢালী।
চলাই আহে হিৰো প্লেজাৰ।
কলেজত আছে কিছু গ্লোমাৰ।


বিষয় অৰ্থনীতি, নাম নিৰমালী।
সহায়ত নাই কোনো কৃপনালি।
প্ৰায়ে দিয়ে মেম্ এ ভাল উপদেশ।
কৰো যেন পঢ়া ভালকৈ শেষ।
বাইদেউৰ বুজনিত সদায় আনে নতুনত্ব।
ক্লাছত বুজাই ৰিকাৰ্ড'ৰ তত্ত্ব।

বাইদেউ কলিতা, নাম প্ৰণিতা।
বাইদেউৰ বুজনিৰ আছে স্পষ্টতা।
কলেজত পঢ়াই শিক্ষাতত্ত্ব।
নাজানো মেম্ ৰ বিশেষত্ব।
তেখেতৰ আছে এটা সৰু বাছা,
তাৰ নাম বাৰু কি ৰাখিছা...?

ইংৰাজী বিভাগৰ মেম কোঁৱৰ অনিতা ।
বাইদেউৰ পেছা শিক্ষকতা।
কলেজৰ বাহিৰত পিন্ধা দেখো,
ৰং বিৰঙৰ চুৰিদাৰ কুৰ্তা,
তাতো ফুটি উঠে এক সুন্দৰতা।

লাইব্ৰেৰীয়ান মেম্ সংগীতা ৰয়।
বাইদেউৰ আগত চেন্টাৰ ফ্ৰুট,
চোবাবলৈকে ভয়...।
দেখোত মেম্ খঙাল।
একেদমে কৰে লাইব্ৰেৰী নিতাল।
যদিও বাইদেউৱে দিয়ে দম।
হলেও ৰাখে আছুতীয়াকৈ মৰম।

ব্যংগাত্মক সুৰত কলো বহু কথা।
যদিও নহয় কথাবোৰ মিছা।
নাপায় যেন কোনেও মনত দুখ।
এয়ে মোৰ বিনম্ৰ অনুৰোধ।
জয় সোণাৰি মহাবিদ্যালয়ৰ জয়
জ্ঞানৰ আলোকৰে হওঁক জয়- ময়।



## সোঁৱৰণি

মিনাক্ষী সৎনামী
পঞ্চম ষাণ্মসিক, শিক্ষাতত্ত্ব বিভাগ

আগৰ দিনবোৰ এতিয়া সোঁৱৰণী হ'ল
নিজানত বহিলে বহুকথা ভাহে
মনৰ দিকচৌ বনত
এখিলা সৰা পাত সৰে
উভতি চাঁও শৈশৱলৈ
কিজানিবা ঘূৰাই পাওঁ
আগৰ সোণালী দিনবোৰ....
স্মৃতিয়ে বাৰে বাৰে কৰে আমনি
হাঁহি, কান্দোন ভালপোৱা হতাশা
আৰু এখোজ অগুৱাই যোৱাৰ প্ৰৱল হেপাঁহ।
সোঁৱৰণি মাথো নহয় সোঁৱৰনি
হৃদয়ৰ ভিতৰত বাজি থকা
এক অচিন কঁপনি।

# আবেলি


শেৱালি চাৰিঙীয়া
পঞ্চম ষাণ্মাসিক, ৰাজনীতি বিভাগ

পশ্চিম আকাশত হেঙুলীয়া ৰহণ
বেলি মাৰ যোৱাৰ সময়
বেলিটো ৰঙা হ'ব ধৰিছে,
হথাৎ ফোনটো বাজি উঠিল,
ক'লে
"অলপ ওলাই আহিবা নেকি?
বাগানীয়া বাটেৰে খোজকাঢ়ো ব'লা।"
সেউজীয়া চাহগছৰ মাজেৰে সেই আলিবাট
ধীৰগতিত গৈ আছো,
ক'ৰ পৰা নো আহিল হঠাতে এছাটি মলয়া
বতাহ
কাষ চপাই নিলে তাৰ আৰু ওচৰলৈ
হাতত হাত ধৰি ল'লো
ক্ৰমান্বয়ে আৰু
অন্তৰংগ আলাপ, প্ৰেমৰ প্ৰৱাহিত শব্দৰংগ
শীতলীয়া বতাহে আমাক মেৰিয়াই
পেলালে।

আবেলি চাৰি বজাৰ সময়
বাগানীয়া কৰ্মীৰ তৎপৰ
টুকুৰীৰ পাত মোনাৰ চৰাই
শাৰী শাৰী লাইন
চাহপাত নিয়া গাড়ী আহি লৈ যায়
গন্তব্যস্থান।

বাগানৰ দাঁতিতেই বৈ আছে টিমন নৈ
বাহৰ দলঙত ঢলং-ঢপং মাত
নৈ কাষৰীয়া বাগানৰ মাজে মাজে আমি,

ধেনুভিৰীয়া আকাৰত ওপৰেদি উৰি গৈছে
ভাটৌ চৰাইৰ জাক
লক্ষ ভেদ নিজা বাটলৈ
এই মোহনীয়া ছৱিৰ জাপত বিভোৰ হ'লো
বহু পল পাৰ হৈ গ'ল



ৰঙা বেলিও ডুব গ'ল
আমাৰো উভতিবৰ সময় হ'ল
বাটৰ ধূলি উৰুৱাই
এই আবেলি ৰহণ
উলাহতে পাৰ হ'ল
আমাৰো মন ৰিঙা ৰিঙা হ'ল।

# ৰংপুৰৰ বিননি

ড০ ৰীতা দত্ত
মুৰব্বী অধ্যাপিকা, অসমীয়া বিভাগ

টোপনি অহা নাই অ' আই,
কালি তোক উলিয়াই দিয়াৰ পাছৰ পৰা।
পুৱা শুই উঠি কি দেখিলি আই,
আছেনে গছ তাত,
আছেনে চৰাই?
ইয়াৰ দৰে হোঁ-হোঁৱাই ওৰে ৰাতি
চলেনে তাত ৰাতিৰ বাছ?
যাতায়তেই বা কেনেকুৱা,
শুনিছো ওখোৰা-মোখোৰা বাট ঠায়ে ঠায়ে?

বিজুলী থাকেনে ৰাতি?
বাটৰ দুয়োকাষে যদি দেখা ভিক্ষাৰী
নিদিয়াকৈ নেথাকিবি একো।
ভাল কাপোৰ পিন্ধা সকলো মানুহকে
ভাল বুলি ভুল কৰি
বৰঘাৰত বহুৱাইছ নেকি আক' ?


দুদিনমান ৰৈ দে,
অফিচ কাছাৰিবোৰ হলে
চাকৰি এটা বিচাৰি থবি।
সকলোকে মৰম কৰিবি নতুন ঘৰৰ
লাগা বুলিলেই সকলো পোৱা নাযায় অ' আই
তই মৰম দিলে তোকো নিজৰ কৰি ল'ব।
বৰ বিচাৰিছিল অ' ঘৰখনে তোক,
সেয়েহে বিয়া দিলোঁ।
অসন্তোষ নকৰিবি পঢ়া আধৰুৱা হ'ল বুলি
ডক্টৰেটটো কাৰি পেলাবি।

এতিয়া এৰোঁ দেই,
টোপনি নাহে আৰু আজি।
ঘৰখনে বোলে তোক চে-ৰাই-দেউ নুবুলি
'চৰাইজনী' বুলি মাতিছে?
হে হে হে হেহ হেহেহে হে হে.....
শো ,শুই থাক ।
মাৰা শুলেই।

*(১৪ ফেব্ৰুৱাৰীৰ দিনা অৰ্থাৎ চৰাইদেউক শিৱসাগৰ জিলাৰ পৰা আঁতৰাই সুকীয়া জিলা কৰাৰ দিনা লিখা.....)*







# হেঁপাহৰ বুলনি

ঝৰ্ণা বৰুৱা
ষষ্ঠ ষাণ্মাসিক, শিক্ষা বিভাগ


এটি নিশা পাৰ কৰিব খোজো
এটি গীত,
য'ত মোৰ সংগী হ'ব
জোন, তৰা আৰু জোনাক...
হৃদয়ৰ শব্দবোৰে ছন্দ সাজি
লিখিব খোজো এটি কবিতা
পুৱাৰ সূৰুযৰ কিৰণেৰে।

পোহৰাব বিছাৰো
ভালপোৱাৰ অমানিশা
জীয়াই ৰাখিব খোজো
জীৱনৰ নষ্টালজিয়া।

# স্বাগতম সতীৰ্থ

মৃদুস্মিতা গগৈ
ষষ্ঠ ষাণ্মাসিক, শিক্ষা বিভাগ

হৃদয়ৰ আলহী ঘৰত
হেঁপাহৰ আঁচুফুল বাছি...
পাৰি ৰাখিছো ফুলামেৰে আন্তৰিকতা
ভাৱ সম্পদৰ মধুৰ গানেৰে
জুনুকা পিন্ধাই সজাই ৰাখিছো
অনুপমা শব্দৰ ভাণ্ডাৰ।
হে আমাৰ প্ৰিয় সতীৰ্থগণ
আপোনাসৱৰ আগমনত
দোবোল খাই মমতাৰে
উপচি পৰিছে হৃদয়।



# এক অজান অনুভৱ

হেমা চেতিয়া
ষষ্ঠ ষণ্মাসিক, শিক্ষা বিভাগ

এজাক বতাহ বলিছে
গছ-গছনিৰ ভাল পাত
লৰাই......
সেই বতাহজাক যেন জীৱন্ত
সেয়ে মোক কাণে কাণে কৈ যায়
তোমাৰ সুখ-দুখৰ বতৰা
আৰু দি যায় মোক
তোমাৰ প্ৰেমৰ অনুভূতি
মোক অনুভৱ কৰাই যায়
তোমাৰ উপস্থিতি...।।



## অসমী

**কাব্যশ্ৰী মহন**
ষষ্ঠ ষাণ্মাসিক, শিক্ষা বিভাগ

মোৰ
গাৰ চাদৰখন
ছিন্ন ভিন্ন কৰি
নুতুলিবা
মোৰ।

হিয়াৰ আমঠুৰে
ধৰি ৰাখা
যৌৱনাদীপ্ত
শৰীৰটো
তোমালোক....


টনা আজোৰা নকৰিবা
মোৰ দেহত
ৰঙা ৰঙৰ
খেল নেখেলিবা
মোক জীয়াই থাকিবলৈ দিয়া
শান্তিৰ কপৌজনী হৈ।

## তুমি বন্তিৰ দৰে জ্বলিবা

**নাজলিন বেগম**
ষষ্ঠ ষাণ্মাসিক, শিক্ষা বিভাগ

এগছি অক্ষয় বন্তিৰ দৰে
জ্বলিব লাগিব
পোহৰাব লাগিব ঘৰ
শিৰাই শিৰাই ব্যাপ্ত
কৰিব লাগিব!!

পোহৰৰ নদী উপচাব লাগিব
মনৰ বিশ্বাস,
বুকুত হাত থৈ অনুভৱ কৰিব লাগিব,
হৃদয়ৰ উত্তাপ।
এগছি অক্ষয় বন্তিৰ দৰে
জ্বলিব লাগিব।







## সপোন

**বিদ্যুৎ শইকীয়া**
তৃতীয় ষাণ্মাসিক

সপোনবোৰ
সদায়ে সোঁৱৰণি হয়
বুকুৰ গহ্বৰত
ভাজ ভাজকৈ ৰৈ যায়
স্মৃতিৰ দাপোনত
তুমিও এটি সপোন
ৰং বুটলিবলৈ নাযাও
সপোনৰ নালা চাদৰ পৰি
অভিনয় কৰিব নোৱাৰো
সেউজীয়া অনুভৱবোৰ
জীপাল কৰি ৰাখিব
সাচতীয়া সপোনবোৰ
মোৰ বাবে এইবোৰ
সুকীয়া সৌন্দৰ্য্য
স্মৃতিৰ ওৰণি গুচাই
কেতিয়াবা চায়
গজালি নেমেলা সপোনবোৰ।





## নিয়ৰ

**বিতুপন ভূই**
পঞ্চম ষাণ্মাসিক, প্ৰাণী বিভাগ

গছৰ পাতত পৰি থকা
নিয়ৰৰ টোপালবোৰ স্থায়ী
গছৰ পাতত পৰা দুৱৰিত পৰা
নিয়ৰৰ টোপালবোৰ দৌৰ মই দুঃখিত
কিয়নো জীৱনো ক্ষনস্থায়ী নিয়ৰৰ দৰে
ৰ'দৰ আশাত নিয়ৰৰ মৃত্যুৰ দৰেই
ঘাত-প্ৰতিঘাত দুখ বেদনাই
আমাৰ আশাবাদী জীৱনটোৰ অৱসান ঘটায়।

সময়ৰ কোৱাল সোঁতত পৰি
আধৰুৱা হৈ কয় যৌৱনৰ সোণালী সপোন
আমিটো বৰ আশাবাদী
মৃত্যুৰ অনিমেসক আমি আশা কৰো সুখৰ অনুভূতিৰ।
আমি নিবিচাৰো দুখ
বলিয়া হৈ পৰো সুখ বিচাৰি
কিন্তু, পাম ক'ত সুখ?
পাওঁ কেৱল দুখ,
নিয়ৰেও চিঞৰি চিঞৰি কয়,
আমাক নেপেলাবা তোমাৰ গাৰ পৰা
সৰি পৰিলে আমি হম তেনেই নিঠৰুৱা
কিন্তু যাৰ পৰা নিয়ৰৰ বিননি এনে কোনে?
আমিওতো নাজানো
জনা হ'লে, হয়তো আমি ক'ব পাৰিলোহেঁতেন
নিয়ৰক পেলাই নকৰিবা সিঁহতক নিঠৰুৱা
পৰি যোৱা নিয়ৰ বুটলিবলৈ কাৰণো মন নাযায়।
কিন্তু বুটলিবলৈ কাৰোবাৰ আহৰিয়েই ক'ত।।






## ডায়েৰী

**ইন্দুৰাণী বৰুৱা**
ষষ্ঠ ষাণ্মাসিক, অসমীয়া বিভাগ

এখন ডায়েৰীক মই হত্যা কৰিলো।
প্ৰতিটো পৃষ্ঠা সজাইছিলো ৰঙেৰে...
আলোকেৰে ....
হত্যা কৰিলো তাত ৰচা সপোনবোৰ
খিলা খিলাকৈ ফালি পেলোৱা সপোনৰঙী
পৃষ্ঠা।
তপত জপইৰ বহ্নিমান শিখাই গিলি পেলালে
সকলো সপোন।
সেউজ সপোন ক'লা হৈ গ'ল
এখন ডায়েৰীৰ হত্যা হ'ল।

## সমাপ্তি

**মানৱ জ্যোতি বসুমতাৰী**
পঞ্চম ষাণ্মাসিক, ৰাজনীতি
বিজ্ঞান।

শুকুলা পক্ষীজাক
উৰি গ'ল
সেউজীয়া দিগন্তৰ
সিপাৰলে
ৰঙা বেলি
ক্ৰমে সেন্দুৰীয়া হৈ
গতি কৰিলে
পশ্চিমৰ দিশে।

আবেলি হ'বৰে হ'ল
আলিৰ কেঁকুৰি পালেহি
গৰু জাক,
পাচে পাচে গৰখিয়া হ'ত।

ডবা বাজিবৰে হ'ল,
বৰ নামঘৰত
আৰু বাজিব শংখ।

সৌৱা পশ্চিম আকাশত
সেন্দুৰে ৰহন চৰাইজাকে
বিলাই দিছে
ৰঙৰ ফাকুগুৰি।
ধৰিত্ৰীক পিন্ধাইছে
সেন্দুৰৰ পোচাক।

ক্ৰমশঃ
এটি দিন
সমাপ্তিৰ দিশে।







## ফাগুন

**পাপৰি গগৈ**
স্নাতক পঞ্চম ষাণ্মাসিক
শিক্ষা বিভাগ

দোকমোকালিতে বতাহ জাকে বাটৰ ধূলি উৰুৱালে
সৰিবলৈ ল'লে গছৰ হালধীয়া পাতবোৰো
লয়লাসে।
বতাহেনো কি মায়া জানে
ফাগুনে মন ভৰাই তোলে
নৈৰ পৰীয়া বাটৰ পলাশ, শিমলু, মদাৰৰ শোভিত ফুলেৰে।
ৰঙেৰে উপচি পৰে মুখবোৰো
খেলী গানৰ (ফাগুনৰ মূৰ্চ্ছনাত..............)

অতি সংগোপনে ৰংবোৰো বুকুলৈ উজাই আহে.....
ফাগুন ৰঙীন পাপৰিৰ বুকুত তোৰ এবুকু ৰঙীন অভিনন্দন।
তই বৰ উন্মাদ অ' ফাগুন
তোৰ অভিমানৰ আঁচল থেকাৰি মোক বাউলী কৰিছহি
কিয়?!!!

ৰচনা কাল
(১১ ফাগুন ২০১৩)

## সন্ত্রাস

**জেনিফাৰ বেগম**
পঞ্চম ষাণ্মাসিক, অসমীয়া বিভাগ

সন্ধিয়াৰ ৰঙা বেলি ধীৰে ধীৰে
পশ্চিম আকাশত ডুব গ'ল
মানৱৰ মৰম লাহে লাহে কৰি
অসীমত যাহ গ'ল।
সন্ত্রাস বাদেই তুলিছে আজি
গোটেই অসম ৰজন জনাই
ধূলি বালিৰ দৰে খলিছে
আজি ৰক্তক লৈ মানৱতাই।
সেউজী অসম প্ৰজ্বলিছে আজি
বন্দুক, বাৰুদৰ ধোৱাঁ একাকাৰ
সভ্যতাৰ চূৰান্ত সীমাৰ চাপে চাপে
মানৱৰ সহৃদয়ৰ আজি
ডাস্তাৱনৰ জাৱৰ,
কাকতৰপ্ৰচাৰ হয়,
মানুহে মানুহক কামুৰাৰ খবৰ
সন্ত্রাসে কৰিছে পিতৃহাৰা নতুবা
মাতৃহাৰা
কাবোবাৰ শিৰৰ জোনাক গুচাই
পিন্ধাইছে শুক্লবেশ ধাৰা।

সাম্প্ৰদায়িকতাৰ ৰূপলৈ
ভাঙিছে মন্দিৰ, মছজিদৰ দেৱাল
গীৰ্জাত, ক্ৰুছবদ্ধ কৰিছে যীশুৱাক
বৌদ্ধ বিহাৰত বিয়পাইছে হিংসা
কিয়? বাৰু মানৱতা সমাধিস্ত
হৈছে সন্ত্রাস
কিয়? বাৰু নমাইছে আজি
দুৰ্বিক্ষ মানৱতা
একাধিস্থ মনত?

## অনুভৱ

বাবুল তেলী
পঞ্চম ষাণ্মাসিক, ৰসায়ন বিজ্ঞান বিভাগ


হৃদয়ৰ নিৰ্জন উপত্যকাত
অনুভৱবোৰ গম নোপোৱাকৈয়ে
গঢ় দিয়ে নৱৰূপৰ,
প্ৰতিবাদ নকৰোঁ মই,
নিস্তব্ধতাৰে, মৌনতাৰে পাৰ কৰোঁ সময়বে

এমুঠি জোনাক বিচাৰি আহি
শৰতৰ আকাশৰ সান্নিধ্যত
উতলা কৰিলেহি মোক,
তোমাৰ স্বৰ্গীয় প্ৰেমৰ বতৰা পায়।

কি বুলিলে সুখী হ'বা তুমি?
সপোন ৰচিবও নোৱাৰো
কাৰণ......
সফলতাৰ বাট যে অস্পষ্ট,
মাথোঁ, দুহাতেৰে সাবটিছো সকলো...
প্ৰতিটো দিনৰ প্ৰতিটো পৃষ্ঠা।।

কিমান দিন আৰু...
ভাবি স্তৰ পোৱা নাই....
কেতিয়াবা ব্যৰ্থতাৰ বৰ্ণহীন চকুলোবোৰ মচি
বহুপৰ উজাগৰে থাকো,
আৰু কেতিয়াবা...
মাজনিশা বাহিৰলৈ ওলাই
জোনৰ সৈতে মিতিৰালি কৰোঁ।।

সৌ সিদিনা স্মৃতিবোৰ
মনত আছে মোৰ...
জোনাকী নিশাৰ উজ্জ্বল তৰাবোৰ মিচিকিয়াইছিল
য'ত হৃদয়ৰ যন্ত্ৰণা বোৰো
আশাৰ প্ৰদীপ হৈ ধৰা দিছিল
আৰু ...
জীৱনৰ লোকা-ভাকুবোৰ...?
তোমাৰ আঁচলৰ প্ৰতিটো ভাঁজত
সমাধিস্ত হ'ব ধৰিছিল।



## আধুনিকতা

এনিশা শৰ্মা
ষষ্ঠ ষাণ্মাসিক, শিক্ষা বিভাগ

তুমি কঢ়িয়াই ফুৰা অসুখীয়া সময়বোৰৰ
ৰোগাক্ৰান্ত শৰীৰ মই...
আধুনিকতাৰ সাঁজ পিন্ধি অতীতৰ ধূলিয়ৰি
বাটত
খোজ পেলোৱা পথিক মই....
বিষন্ন ঘন্টাবোৰত
ক্ৰমশ ঃ বাঢ়ি অহা ব্যস্ততাবোৰত
নিৰবে ওলমি থকা প্ৰতিচ্ছবিখন মই...
তোমাৰ উদাস দৃষ্টিত
জিলিকে ঘোলা পৃথিৱীৰ ৰঙ...
আই, পিতাইৰ কান্ধত ভৰ দি সৰি পৰে
একাজলি বিষাদ...
আলস্যতাৰ দোৱাৰ খুলি মোকলাই দিয়া
সময়বোৰে কয়...
আধুনিকতাৰ সাঁজ পিন্ধি সোলকাই থোৱা
পুৰণি সাজযোৰৰ মূল্য কিমান?






## জীৱন

অমল হাতীমূৰীয়া
ষষ্ঠ ষাণ্মাসিক, গণিত বিভাগ

জীৱন?
এটা সমাধানহীন প্ৰশ্ন
উত্তৰ?
ই এটা জটিল প্ৰশ্ন
জীৱনৰ পৰা শিকিবলগীয়া
আছে বহুতো
হাঁহি-কান্দোন, ভাল-বেয়া
সুখ-দুখৰ ভৰা
এই জীৱন
জীৱন জীৱন বৰ অনুপম।



## দিখৌ

অম্লান পাংগিং
ষষ্ঠ ষাণ্মাসিক, অসমীয়া বিভাগ

দিখৌ তুমি ডুবালা বাঢ়নী পানীৰে
হালি জালি ফুলি থকা ফুলৰ বাগিছাখনি
বোৱাই নিলা একতাৰ বান্ধোনেৰে
এটি সহপৰিয়ালৰ পঞ্চমনৰ জীৱনৰ কাহিনী।

কৰিলা দিখৌ তুমি নিঃশেষ
দলিয়াই দিয়া আলিবাটৰ মাটি চপৰা
ডুবাই দিলা ক্ষণতে নদীত মাটিৰ চপৰা
খহি পৰিল শিলৰ খুন্দাত
চপৰা চপৰকৈ পঞ্চজনৰ
পঞ্চমন ধ্বংসমুখী।

দিখৌ তুমি কৰিলা ৰঙা ৰঙা ৰক্তৰে ৰাঙলী
কৰিলা দিখৌ তুমি সুখী পৰিয়ালৰ জীৱন মৰণশীল।
কৰিলা দিখৌ তুমি ক্ষনতে
সেউজী মনক বৰণহীন ৰং

বাঢ়ি নিলা দিখৌ তুমি ফুলি থকা ফুলৰ মধুৰী সুবাস
ৰাখি থৈ গ'লা কিন্তু দিখৌ তুমি
মাথোঁ এপাহি শুভ পাৰিজাত ফুল।

## মুক্ত জীৱন

দুলুমণি চেতিয়া
চতুৰ্থ ষাণ্মাসিক, শিক্ষাতত্ত্ব বিভাগ

মুক্ত আকাশৰ তলত
এজাক মৃদু বতাহৰ পৰশ
আহঃ কিয়ে এক হৃদয়ৰ
অবুজ শিহৰণ।
এজাক আশ্ৰয়হীন শিশগৰ
কিৰিলি আৰু ক'ত যে ৰং ধেমালী,
নাই কাৰো দুখ-ভাগৰ আৰু আমনি।
ৰদ-বতাহ আৰু বৰষুণ
সকলোতেই একে জীৱন-ধাৰণৰ প্ৰতিচ্ছবি
মুক্ত জীৱনৰ যান্ত্ৰনা ময় দৃশ্যতি
এই ব্যস্ত পৃথিৱীত বুজিবলৈ
নাই কাৰো আঁহৰি।



## ৰাষ্ট্ৰ গঢ়াৰ সুখ

**বিতোপন বৰুৱা**
ষষ্ঠ যাণ্মাসিক
পদাৰ্থ বিজ্ঞান বিভাগ

সুৰৰ মমতাত ভাষাবোৰ গান হৈ
বেঙুনবুলীয়া চৰাইজাকৰ বুকুত
সেউজী ৰাষ্ট্ৰ গঢ়াৰ
সোণালী সপোন।
নিষ্পাপ ফুলবোৰে মৰহা ডালটোত
জয়গান জুৰি জুৰি জীৱন জেউতিৰ
নীলিম চুমি পাহাৰ শোভাব,
দিগন্ত কঁপাই কল্লোল তোলা
কন্যা ভ্ৰূণটোৰেও পাব তেতিয়া
পৃথিৱী দেখাৰ সুখ...।

হৰিণীজনীৰ পাদুকাৰে অহা
ভৈৰৱী নতুবা ভুপালী ৰাগত
অহিংসাৰ ধ্বজাখনে
বৰকৈ হাঁহিব।
কোনে জানে?
সেইদিনাই জানোচা শেষ হ'ব
যন্ত্ৰণাত কাতৰ হোৱা
পৃথিৱী জনতাৰ দুখ।
পিয়াতু প্ৰকৃতিৰ 'ভোক'।

## হেঁপাহৰ বৰষুণৰ যাত্ৰা

**প্ৰতীক্ষা বকল**
স্নাতক ষষ্ঠ যাণ্মাসিক, অসমীয়া বিভাগ

নীলা আকাশখনৰ পৰীহ বৰষিছে
মনপৰষা ৰং বোৰ
দীঘল বাটটোৰেদি আহিছে চিপ্ চিপ্ বৰষুণৰ টোপালবোৰলৈ,
ৰঙা, হালধীয়া গুলপীয়া আঁচলৰ সংমিশ্ৰণে
জীপাল কৰিছিল নুনী দুজোপাৰ মাজৰ বাটটোত
নাহৰৰ তলৰ শিলৰে নিৰ্মিত
বহা ঠাই কেইডোখৰে নিস্তদ্ধতা অৱলম্বন কৰিছিল
কিয়নো তই যে তিয়াই পেলাইছিলি
আশাৰ এচাতি পানী মাৰি

চিটিপ্ চিটিপ্ চেগুলৰ শব্দ, এই কিজানি পৰিলে নি?
বোকা এচাতি শুকুলা বৰণৰ কাপোৰযোৰত
ফুল বাছিলে নি?
নিৰৱে গৈছিলো চিত্ৰকৰ নহলেও আঁকি পেলাইছিলো
ৰঙা কৃষ্ণচূড়াই তোৰ ভালপোৱা, সোণাৰু পাহে
তোৰ মনৰ গভীৰতা, গুলপীয়া ৰাধা চূড়াই তোৰ উঠৰ মৌনতা
তই নজনাকৈয়ে...
উহ দুকাষে ৰঙা হৈ উঠা বুকুৰ কাঁছলি পৰা
পাছফালৰ আমলখি কুঁহি কোমল পাতকিখিলাই
চটিয়াই দিলে বুকুত সেউজৰ ওৰণিখন।
দৌৰি আহিলো ঠেক এটি যখলাৰে, থৰ হৈ ৰলো
খিৰিকি বাহিৰৰ ছবিখনি দেখি
তই জানানে? ৰূপালী টিন কেইখনৰ তিনি ৰং
অবুজ পাৰ হালৰ মাজত কৈ উঠিছিল
মনৰ সকলোখিনি হেঁপাহৰ টোপোলাবেৰে সাক্ষী কৰি,
প্ৰকৃতিৰ সেউজী ৰূপত।
(উক্ত কবিতাটি মহাবিদ্যালয়ৰ অসমীয়া বিভাগলৈ যোৱা বাটৰ কিছু
মনৰ আশা আৰু অনুভূতি প্ৰকাশ কৰা হৈছে।)






## অনুভৱে গৰকা মোৰ সোণাৰি মহাবিদ্যালয়

অশ্বিনী গগৈ
ষষ্ঠ যাণ্মাসিক, শিক্ষাতত্ত্ব বিভাগ

(১)
সপোন দেখাৰ বাসনা
নাহৰৰ দেশৰ
বাস্তৱ কৰাৰ দিশে
শিক্ষা আখৰাৰ কৱচ...
কলেজীয়া জীৱনৰ নষ্টালজিক যৌৱন।
(২)
লানি লানি নাহৰ সোণাৰু
শাৰি শাৰি ফুলনিৰ মাজে মাজে
যৌৱন সাৰ পাই উঠে...
এজোম ডেকা গাভৰুৰ
উফআৰি পৰা জাকৈয়া হাঁহিৰ আঁৰত...
(৩)
হোষ্টেলৰ খিৰীকিৰ ফাকে ফাকে
দুই চাব খোজা শাৰদী সন্ধ্যা...
আপোনালোকক এৰি অহা বেদনাক
ইকাতী কৰি দেখা এটা ৰঙীণ সপোন
হোষ্টেলৰ আড্ডাবোৰ জমি উঠে
উফৰাই পেলায় দুখৰ চাকনৈয়া
তাতো লুকাভাকু কৰে
কলেজীয়া জীৱনৰ প্ৰেম প্ৰেম লগা যৌৱন...।
(৪)
মেজৰ ক্লাচ, চেমিনাৰ, লাইব্ৰেৰীত
বোবা যৌৱন...
বুকুৰ জলঙাৰে চাব খোজা
পাৰ্চেণ্টেজৰ পিছত লগা ভাগি নপৰা দৌৰ...
তথাপি ৰঙীণ হয় , কেন্টিন, কমনৰুমৰ
ক্ষণিক আড্ডা...
বুকুৰ কেনভাচত নিৰ্বাপিত হৈ থকা
কলেজীয়া জীৱনৰ আলফুলীয়া যৌৱনে
খোদিত কৰা হেঁপাহৰ সোণোৱালী
জানো কাহানিবা হেৰাই যাব
আচলতে তাৰ ব্যতিক্ৰম মইও নহয়।



## ।। বৈ যা সময়।।

**বনশ্ৰী গগৈ**
ষষ্ঠ যাণ্মাসিক, অসমীয়া বিভাগ

বৈ যোৱা সময়ৰ সৈতে একাকাৰ,
ব্যস্ততাৰ কোলাহলত জনসমুদ্ৰৰ বাসিন্দা
আহৰি নাই সুখ দুখৰ পাঠ আওৰাবলৈ,
অনুভূতিৰ কোঠালী শূণ্যতা
মাথো শূণ্যতা...।
নীৰৱ আবেলিৰ স'তে আবদাৰ সমস্ত অধ্যায়,
নীলাভ আকাশৰ সীমনাত আউজাই থোৱা
হেঁপাহবোৰ গণি গণি
তাতেই হেৰাই যাঁও
এটি জোনাকী হৈ..।

গল্প



# আন্ধাৰৰ শেষত

ইন্দুৰাণী বৰুৱা
তৃতীয় ষণ্মাসিক, অসমীয়া বিভাগ

এটি গভীৰ অশান্তিয়ে মোক জুমুৰি দি ধৰিছে। ছোৱালীজনীয়ে বাৰু কষ্ট পাইছে নেকি মোৰ অবিহনে? তাই মোৰ কলিজাৰ টুকুৰা। মোৰ প্ৰথম সন্তান। তাইক বাৰু মই মোমায়েকৰ ঘৰত থৈ ভুল কৰিলো নেকি? মামীয়েকহতে বাৰু মৰম কৰে বা নকৰে? তাইক বাৰু নিজৰ সন্তানৰ দৰে মৰম কৰেনে? তাইৰ দুবছৰ বয়স হওঁতেই পঠিয়াই দিলো মোমায়েকৰ ঘৰলে। কাৰণ মোৰ অসুখীয়া দেহাৰে তাইৰ আদৰ যত্ন ল'ব নোৱাৰিলো। মৃত্যুৰ সতে যুঁজিছিলো। ভয় হৈছিল মই এৰি থৈ গ'লে কণমানি দুজনীৰ যাতে আলৈ-আথানি নহয়। তাইৰ জীৱনটো মোৰ দৰে অন্ধকাৰময় নহ'বৰ বাবেই এনে এটা সিদ্ধান্ত ল'লো। দেউতাকে বাধা দিছিল। মোকেই অত্যাচাৰ কৰিছিল। মদৰ নিচাত নিজকে চম্ভালিব নোৱাৰা মানুহজনে আমাক কি চম্ভালিব ; আমাক কি নিৰাপত্তা দিব।

চাওঁতে চাওঁতে সময়বোৰ পাৰ হ'ল। দুবছৰীয়া মোৰ কণমানি সোণমানুজনী স্কুললৈ যাব পৰা হ'ল। মৃত্যুৰ দুৱাৰদলিৰ পৰা উভতি আহিছো মই। ছোৱালী দুজনীৰ মুখলৈ চাই জী উঠিলো। সোণমানুৱে মোক বহুদিনৰ মূৰত দেখিছিল। তাই হয়তো মোক পাহৰিছিল। মোৰ ওচৰলৈ আহিবলে ভয় কৰিছিল। শোকে খুন্দা মাৰি ধৰিছিল অথচ মই কান্দিব পৰা নাছিলো। তাইক কাবৌ কৰি মাতিলো, " আহা সোণ মোৰ কোলাত বহিবা। মই তোমাৰ মা........... হয়।" কথাবোৰ থুকা-থুকি হৈ পৰিছিল। তাই কণমানি ভৰি দুটাই লাহে লাহে খোজকাঢ়ি মোৰ কাষলৈ আহিল। লাহেকৈ কোলাত বহি "মা" বুলি মাতিলে। চকুলো দুধাৰি বৈ আহিল মোৰ। তাইক সাৱটি হুক্হুকাই কান্দি পেলালো।

তাইক মই বৰকৈ দেখা নাপাওঁ। কণমানি ফ্ৰক এটা পিন্ধি থকা ফটোখনকে চাঁও মনত পৰিলে। মাহঁতেও তাইক বৰকৈ ঘৰলৈ আহিবলে নিদিয়ে। তাই নাথাকিলে হেনো ঘৰখন নিমাওমাও লাগে। তাইৰ অনুপস্থিতিয়ে মোৰ বুকুখন শূন্য যেন লাগে।

জীৱনত মই বহুতো পালো বহুতো হেৰুৱালো। আন দহজনীৰ দৰে ময়ো প্ৰেমত পৰিছিলো। পৃথিৱীখন আগতকৈও ভাল লাগিবলৈ ধৰিছিল। ধুনীয়া হৈ পৰিছিল মোৰ বাবে। সাতোৰঙী সপোন দেখিছিলো যৌৱনত হেনো ধুমুহা নামে। মোৰ ক্ষেত্ৰতো তেনেকুৱা হৈছিল। তেওঁক প্ৰথম দেখিয়ে ভাল লাগিছিল। ভাল লগা ভালপোৱালৈ পৰিণত হৈছিল। একো নুবুজাকৈয়ে এদিন ঘৰৰ অমতত মোৰ জীৱনৰ মাৰাত্মক ভুলটো কৰি পেলাইছিলা। পলাই গৈছিলো তেওঁৰ সতে। প্ৰথমতে সকলো ঠিকেই আছিল। কেইবছৰমানৰ পাছতেই তেওঁৰ আছল ৰূপটো ওলাই পৰিছিল। ৰাতি মদৰ নিচাত মাতাল হৈ ঘৰ সোমায়হি। মুখৰ আগত ভাত লাগিব। ঘৰখন চলিবলৈ

> জীৱনত মই বহুতো পালো বহুতো হেৰুৱালো। আন দহজনীৰ দৰে ময়ো প্ৰেমত পৰিছিলো। পৃথিৱীখন আগতকৈও ভাল লাগিবলৈ ধৰিছিল। ধুনীয়া হৈ পৰিছিল মোৰ বাবে। সাতোৰঙী সপোন দেখিছিলো যৌৱনত হেনো ধুমুহা নামে। মোৰ ক্ষেত্ৰতো তেনেকুৱা হৈছিল। তেওঁক প্ৰথম দেখিয়ে ভাল লাগিছিল।

হ'লেতো কাম কৰিব লাগিব। নহ'লে জানো ভাতমুঠি উলাব। ভাতকেইটা বাঢ়োতে কিছু পলম হ'লেও ভাতৰ কাঁহি দলিয়াব। মাৰ-পিট কৰিব। মই সকলোবোৰ নিমাতে সহ্য কৰি যাওঁ। সহিলেহে সম্পদ বুলি কয় দেখোন। কিন্তু ক'তা ................ ইমান দিনে দেখোন সহ্যই কৰি আহিছো। কেতিয়াবা মৰি থাকো যেন লাগে। কিন্তু মৰিবটো নোৱাৰো............মই নহ'লে বা ছোৱালী দুজনীৰ কি হ'ব। মোমায়েকৰ ঘৰখনত জানো তাই সদায় থাকিব পাৰিব? যি হ'লেওতো সেইখন লোকৰহে ঘৰ। বিয়া-বাৰু পটাৰ পাছত বা মোমায়েকহঁতেও কিজানি তাইৰ ফালে পিঠি দিয়ে।

সোণমানুজনী ডাঙৰ হ'ল। আজি আজি কালি কালিকে মেট্ৰিকৰ ডেওনা পাৰ হ'বহি। সৰুজনী ও এম.ই স্কুল পালেগৈ। মই দুৰ্ভগীয়া মাকজনীয়ে টিউচন এটাও দিয়াব পৰা নাই। পঢ়াত সিমান বেয়া নহয় তাহাঁত। অলপ সা- সুবিধা দিব পৰা হ'লে আৰু ভাল হ'লহেতেন। কিন্তু কি কৰিম। উপাইতো নাই। হাতত নাই কণটো বৰ সভা মনটো। তাহাঁত বুজন হৈছে। অইন ল'ৰা-ছোৱালীৰ দৰে উজৰ আপত্তি নাই । ইটো লাগে সিটো লাগে বুলি দাবি নকৰে। তাহাঁতে জানে ঘৰখনৰ কথা। মাটি-সম্পত্তি নথকাও নহয়। কিন্তু মদাহী মানুহটোৱে মদৰ বাহিৰে একোৱে চিনি নেপায়। মদ খাই কোনোবাই আৰু যাতনা ভোগ কৰিব লাগে আমি। এৰা ঙ্গ কেনেবাকৈ যদি কিবা এটা সৰু -সুৰা কামকে কৰিব পৰা হ'লে।

আজি ২৮ মে। মেট্ৰিকৰ ৰিজাল্ট দিব। কেইদিনমান ধৰি মোৰ শুৱন-খাৱন নাই। আজি আকৌ বুকুখন ধান বনাদি বানিছে। ক্ৰিং ক্ৰিং কৈ মবাইলটো বাজি উঠিল। সোণমানুৱে ফোন কৰিছে দেখোন; মই ৰিচিভ কৰিলো। "হেল্লৌ" সিফালৰ পৰা ভাঁহি আহিল,"মা.......... অ' মা......... মই ফাষ্ট' ডিভিজন পালো; দুখনত লেটাৰ।" বুকুখন গৌৰৱত ওফন্দি উঠিল। সৰুজনীক খৰ্ধৰকৈ ওলাবলৈ কলো। দুয়োজনী বাছত উঠি মাহঁতৰ ঘৰ পালোহি। আগফালে-পাছফালে গোটেইখনতে মানুহ।

দেউতাকতো ঢুকোৱা দুবছৰে হ'লহি। মদ খাই খাই ফোপোলা হৈ পৰা মানুহটো বেমাৰত পৰিল। চিকিৎসা কৰিও বচাব নোৱাৰিলো। এতিয়া মই বাগানৰ পাত টুকিবলে যাও; ৰুবলৈ যাওঁ। দুই-এটকা সাঁচিবও পাৰো, ছোৱালী দুজনীকো বয়-বস্তু আনি দিব পাৰো। কাৰো আগত হাত নপতাকৈ টুক্-টাক্কৈ চলি যাব পাৰিম।

ভাবনাৰ যতি পৰিল। সোণমানু আৰু সৰুজনীয়ে গাতে গা লগাই বহিলহি। এতিয়াহে সম্বিত ঘূৰি আহিল। অতপৰে কথাবোৰ ভাবি থাকোতে বেলি ডুবিবৰে হ'লহি। এৰা....... ! জীয়াই থাকিবলৈ, এমুঠি উদৰ পূৰাই খাবলৈয়ো যে ক'ত সংগ্ৰাম কৰিব লাগে।



সোণাৰি মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী, ২০১৬-২০১৭

গল্প



# আত্মগোপন

নৱজিৎ গগৈ
ষষ্ঠ ষাণ্মাসিক

(১)

উজনিমুৱা ইণ্টাৰচিটি এক্সপ্ৰেছখন এইমাত্ৰ ষ্টেচনত ৰলহি। খৰখেদাকৈ ৰেলৰ পৰা নামি মেলেংপুৰলৈ যোৱা অট'ৰিক্সাত উঠিলো । ৰিস্কাত বহি যোৱা সময়খিনিত পুনৰ এবাৰ জীৱনৰ পাতবোৰ লুটিয়াই চালো। মন মগজুৰে পাৰ হৈ গ'ল এজাক কোবাল ধুমুহা ।চালকজনৰ মাতত নিজকে টোপনিৰ পৰা সাৰ পাই উঠা যেন লাগিল। "আপুনি ক'ত নামিব ?"

"যে- মেলেংপুৰ তিনিআলিতে নমাই দিব। "

(২)

তিনিআলিটোৰ মূৰতে দেউকণ দাইৰ ঘূমটিখনলৈ এবাৰ চালো। "দাই ভালনে?" "অ বোপা আহিলি, তই এইচোৱা কেনেকৈ যাবি মোৰ চাইকেলখনকে লৈ যা নহলে।" হব দাই মই পাৰিম।" উত্তৰটো দি কান্ধত বেগটো লৈ আগবাঢ়িলো। আজি দুবছৰৰ অন্তত ঘৰলৈ আহিছো। নিজৰ গাওঁখনকে অচিনাকি যেন লাগিছে। পৰহিলে মোৰ একমাত্ৰ ভণ্টিৰ বিয়া। মাহীয়ে ঠিক কৰি দিয়া লৰাটোৰ লগতে বিয়াখন ঠিক হ'ল ।তাই এৱাৰো না নকৰিলে কাৰণ তাইও বুজি পাইছে ঘৰখনৰ কথা। ৰুগীয়া দেউতাকৰ আশা যাতে ভংগ নহয় তাৰ প্ৰতি তাইৰ কিমান যে চিন্তা।

(৩)

পদূলিমূখত ভৰি দিয়েই বুজিলো এটা উখল মাখল পৰিৱেশ। দেউতা বাৰাণ্ডাৰ কাঠৰ চকীখনতে বহি আছে।

"অ মাইনুৰ মাক , হেৰা । আমাৰ চন্দন আহি পালেহি। " দেউতাৰ ভৰিত সেৱা এটা কৰি মইও বেঞ্চখনতে বহিলো। "দেউতা ভাল পাইছানে দেহাটো ?"

" পাইছো চন্দন তই পঠিওৱা টকাৰে চিকিৎসা কৰি আগতকৈ বহু খিনি আৰাম পাইছো।"

কিবা এটা ভাল লাগি গ'ল। দেউতাৰ চকুত এটা সন্তোষৰ ছবি ফুটি উঠিছিল। ভিতৰৰ পৰা ভণ্টি দৌৰি আহি কেতিয়া সাৱটি ধৰিলে গমেই নাপালো। পিছে পিছে মা উলাই আহিল। মোক দেখিয়েই চকুপানী উলাই আহিল মাৰ মোৰ সৰু ল'ৰাৰ দৰে হুক হুকাই কান্দি দিবলৈ মন গৈছিল।

(৪)

গা-পা ধুই আহি মায়ে দিয়া ভাতমুঠি হেপাঁহেৰে খালো। চোতালত টিং দিয়া ৰভাটোত চকী এখন লৈ বহিলো। বিয়াৰ কামত অহা গাঁৱৰ মানুহবোৰৰ সতে দুই এষাৰ কথা পাতিলো। সকলোৱে মোৰ খবৰ লৈছে। পৰিয়ালৰ মানুহ বুলিবলৈ মাহী আজি তিনি দিনৰ আগতেই আহিল বুলি । মাহী আহি মোৰ কাষতে বহিলহি । "চন্দন তই দেখুন ক্ষীণাই গৈছে। বেছি কষ্টকৰ কাম নেকি ? শৰীৰৰ প্ৰতি যত্ন লবি। সকলো দেখুন তোৰ ওপৰত ভৰষা। মাহীৰ কথাবোৰে মোক আবেগিক কৰি তুলিলে। ধেমালিতে ক'লো, "চেন্নাইত বৰ গৰম অ মাহী, সেই কাৰণে ক্ষীণাইছো ছাগে।"

(৫)

"চন্দন দা তামোল লওঁক।" বহাৰ পৰা মুখখন ঘুৰাই দেখিলো এইয়া দেখুন নয়না। "তুমি কেতিয়া আহিলা নয়ণা ,ভালেনে তোমাৰ?" "হব দিয়া নালাগে সুধিব ।" তাই উচাত মাৰি গুচি গ'ল। অভিমানেৰে ভৰি থকা মৰমবোৰ সচাঁকৈ বৰ মধুৰ। সৰুৰে পৰা একেলগে ডাঙৰ হোৱা নয়ণাৰ প্ৰতি মোৰ এক দুৰ্বলতা আছে। দুয়োখন ঘৰে অৱশ্যে কথাবোৰ জানেই কিন্তু...............ঙ্গ মোৰ মনটো আকৌ এবাৰ বিষাদেৰে ভৰি গ'ল হঠাতে।

(৬)

বিয়াৰ দিনাখন ভণ্টিক বিদায় দিয়া সময়ত মোৰ অন্তৰত একোৱা জুই জ্বলি আছিল। সেই জুইত দহি খহি গৈছিল মোৰ অন্তৰখন। "যা ভণ্টি ভালদৰে থাকিবি। সমাজৰ নীতি নিয়মবোৰ মানি চলিবি।" ভণ্টিৰ উচুপনিত ঘৰখন যেন কঁপি উঠিছিল।

বিয়াৰ পিছত মায়ে মোক নয়ণাৰ কথা সুধিছিল। দেউতাই মাক কৈছিল, "চন্দনৰ বিয়াখন হলে মই শান্তিৰে মৰিব পাৰিম বুজিছ।" জীয়াই থকাৰ হেপাহবোৰ চকুৰ আগতে শেষ হৈ গৈছিল মোৰ। বুকুত সাৱটি ৰখা যন্ত্ৰনাবোৰ কাক কম, কোনে বুজিব। ঘৰখনলৈ ঘূৰি অহা হাঁহিবোৰ এনেকৈ সদায় থাকিবনে? মই বাৰু ভূল কৰিলো নেকি? মই লোৱা সিদ্ধান্তই সকলো থান-বান কৰিব নেকি? হাজাৰটা প্ৰশ্নই মোৰ মনক খুন্দিয়াই আছিল। মা, দেউতা, নয়না .....নাই মই ক'ব নোৱাৰিম। শেষত চেন্নাইলৈকে পুনৰ যোৱাৰ কথা ভাবিলো। কেনেকৈ কম মই চন্দন চিত্ৰকৰে একমাত্ৰ ভণ্টিৰ বিয়া, দেউতাৰ চিকিৎসাৰ বাবে টকা গোটাব নোৱাৰি নিজৰ কিড়নি বিক্ৰি কৰিলো বুলি। পদূলি মুখৰ বকুলজোপাৰ ফুলবোৰ বৰ ধুনীয়া গোন্ধাইছে। যাওঁ এবাৰ নয়নাহঁতৰ ঘৰৰ পৰা আহোঁ নহলে কালিলৈ পূৱাতে চেন্নাইলৈ যাবলৈ লাগিব। কথাবোৰ ভাবি থাকোতেই তাই আহি ঘৰ পালেহি।

"চন্দন দা আপুনি কেতিয়া যাব চেন্নাইলৈ। "

"মই কালিলৈ যাম নয়ণা ।"

"তোমাক বৌটিয়ে মাতিছিল।"

"মই যাম বাৰু। তুমি এতিয়া যোৱা। মই আবেলিকে যাম।"

তাইৰ চকুত জিলিকি উঠিছিল সাতোৰঙী ৰামধেনু আশা। মই যে এতিয়াও নিজৰ মাজতে আত্মগোপন কৰি আছো।







অনুভৱৰ একাঁজলি

# হেৰোৱা জীৱনৰ ৰং

এনিশা শৰ্মা
ষষ্ঠ ষাণ্মাসিক, শিক্ষা বিভাগ

"ব্যৰ্থতাৰ আন নাম কি মই নাজানো, হয়তো এখন অনুজ্জ্বল আকাশ।" -হীৰুদাৰ কবিতাৰ শাৰীকেইটাত ভগ্ন হৃদয়ে উচুপে। খলাবমা জীৱনৰ ছাকনৈয়াত ওপঙে আৱেগৰ পালতৰা নাওখনি। অনুজ্বল আকাশৰ সামনাত ব্যৰ্থতাৰ কলীয়া ডাৱৰ। এয়াই জীৱন। জীৱনৰ মঞ্চত অভিনয় বহুজনৰ কেতিয়াবা হাঁহি আৰু কেতিয়াবা কান্দোনৰ খেল। বেহিচাপী জীৱনৰ হিচাপবোৰত প্ৰাপ্তি অপ্ৰাপ্তিৰ ধুমুহা। তথাপি জানো শেষ হৈ যাব পাৰে আশা, আকাংক্ষা, প্ৰত্যাশাৰ ছবিখনি। নোৱাৰে..... আৰু নোৱাৰে বাবেই বতি থাকে শেষ উশাহ পৰ্যন্ত জীৱন ।

কণমানি দুহাতত জেতুকা বোলোৱা সময়বোৰ, দৌৰি দৌৰি পখিলা খেদা সময়বোৰ, পুতলাৰে কইনা-দৰা খেলা দিনবোৰ, ধুলি বালিৰে উমলা দিনবোৰ আজি সোৱঁৰণি। এতিয়া তেজৰঙা বেলিৰ আভাৰে আৰম্ভণি হোৱা দিনবোৰ শেষ হয় নিশাৰ নিসংগতাৰ পদূলিত।

নিজান ৰাজপথত ব্যস্ত পথিকৰ আভুষণেৰে নিজকে সজাও। নিসংগ হ'লেও ভীষণ ব্যস্ততাৰ মাজত জী উঠো

**জীৱনৰ সাৰ্থঁৰবোৰত কুৰুকি কুৰুকি ঘৰ বান্ধে শেষ হৈ যায় গৰাখহনীয়া। তাতেই আকৌ জী উঠে বাসনাৰ জীয়াঢল। কেতিয়াবা গোপনে বিকিছো হাঁহিবোৰ আৰু কেতিয়াবা ক্ষুধাৰ তাড়নাত তাকেই পি খাওঁ। সুখবোৰৰ সন্ধানত আঙুলিত লেখিছো দুখৰ ৰাতি নিৰ্জনতা ভালপাওঁ। ভালপাওঁ সেউজীয়া বুকুৰ পযাৰে আটিয়াই বান্ধো নিৰৱতা।**

প্ৰতিদিন। কাৰণ মোৰ দৰেই প্ৰত্যেকৰে ব্যস্ততা। সেইবাবেই মই নিসংগ। দোভাগ ৰাতিৰ জোনাকৰ স্নিগ্ধতাও যেন ব্যস্ত। ব্যস্ত আকাশৰ ৰূপালী তৰাবোৰে সোঁৱৰাই এৰি অহা পৰীৰ দেশৰ সাধুবোৰ। জোনাকীবাটেৰে যে কিমান বাৰ আহ যাহ সোণালী ল'ৰালিৰ। কেতিয়াবা স্মৃতিবোৰৰ খলকনিত হেৰাই যাব খোজা পুৰণি দিনবোৰৰ মাজত।


এতিয়া জীৱনৰ ৰঙবোৰ বেনামী সপোন। আলফুলীয়া হেপাঁহবোৰ মুঠিতে হেৰায়। প্ৰত্যাহ্বানে গৰকা চিনাকী পদূলিত যাতনাৰ নিশা। আই তোৰ আঁচলতে অসুখী হৃদয়ে উচুপে। পিতাই তোৰ কান্ধত দৰিদ্ৰতাৰ বোজা ওলমে। মই কোন সতে খোজ দিও নতুন বাটত। তহঁতৰ দুখময় দিনবোৰত মই অসহায়। কলিজাৰ কেঁচা তেজত উকমুকনি নিৰুপায় জীৱনৰ। উশাহবোৰত সময়ে সানি দিলে এসোপা বিষ। মৰীচিকা জীৱনৰ, তাতেই তৃষ্ণাতুৰ পথিকৰ জিৰণি। সলাও বুলিয়ে জানো সলাব পাৰি দুখী পোছাকযোৰ নোৱাৰি বাবেও হয়তো কৰো সুখী হোৱাৰ মিছা অভিনয়। তহঁতৰ দুচকুত যে দেখো উজাগৰী নিশাৰ তাড়নাৰ জ্বলা জুই। তাতেই ছাৰখাৰ হোৱা সপোনবোৰ বুটলি আকৌ আৰম্ভ কৰো দীঠকহীণ যাত্ৰা। স্বপ্নাতুৰ হৃদয়ৰ বাস্তৱহীন সময়বোৰত মুক্তমনে উৰুৱাই দিওঁ অযুত আশা। লাহিওৱা বেলিত আজি কৃত্ৰিম আভা। ব্যস্ততাৰ চক্ৰবেহুত অস্ত বেলিৰ বিষাদ পৰিশ্ৰমী, ভাগৰুৱা মনযোৰ মলিন হ'ল। জীৱনৰ সাৰ্থঁৰবোৰত কুৰুকি কুৰুকি ঘৰ বান্ধে শেষ হৈ যায় গৰাখহনীয়া। তাতেই আকৌ জী উঠে বাসনাৰ জীয়াঢল। কেতিয়াবা গোপনে বিকিছো হাঁহিবোৰ আৰু কেতিয়াবা ক্ষুধাৰ তাড়নাত তাকেই পি খাওঁ। সুখবোৰৰ সন্ধানত আঙুলিত লেখিছো দুখৰ ৰাতি নিৰ্জনতা ভালপাওঁ। ভালপাওঁ সেউজীয়া বুকুৰ পযাৰে আটিয়াই বান্ধো নিৰৱতা।

দুখবোৰ বাৰু কিমান দামী? তোমাৰ মোৰ পৃথিৱীখনৰ জোখাৰে কিমান সুলভ দুখৰ ছায়া? দূৰ্লভ হাঁহিবোৰ হেৰাই যাব নিদিবা। তোমাৰ ওঁঠৰ গোলপীয়াৰে সতেজ কৰা। তোমাৰ দুচকুৰ পাহিৰে ঢাকি ধৰা সমস্ত আৱেগ। ভালপোৱাবোৰক সংগী কৰি এবাৰ জুমি চোৱা সন্মুখৰ পৃথিৱী। য'ত মই শূণ্য তাতেই আৰম্ভণি নতুন দিগন্তৰ। আকাশ চোৱাৰ হেঁপাহত ডাৱৰৰ ফাঁকে ফাঁকে খেলো প্ৰত্যাহ্বানৰ খেল। মানৱতাৰ শিকলিৰে মেৰিয়াই বান্ধো চৌদিশ। আপোনতাৰ সুবাসেৰে ছটিয়াও বিৰ্বণ পথৰ ৰঙ। তুমি তেজেৰে লিখা শব্দবোৰ মই মাটিৰে মচিম। তুমি ধোঁৱাৰে অঁকা ছবি মই পানীৰে মচিম। বিদিৰ্ণ কাগজৰ বুকুত দেদাউৰি শত শব্দৰ। তুমি গল্পৰ মাজেৰে লিখি যাবা জীৱনৰ [কাহিনী আৰু মই কবিতাৰ ছন্দত বিচাৰি যাম তাৰ অৰ্থ এয়াই জীৱন। দুখ ভাগৰৰ সিপাৰৰ সৰু পৃথিৱী। আই তই নাকান্দিবি।তোৰ দুচকুৰ পানীৰে মোৰ কাজলি ভৰিম। পিতাই তোৰ ভাগৰৰ টোপনিৰে মই সপোন ৰচিম। লুইতৰ উদং বুকুত চলাথ কৰিম হেৰোৱা মাটি। পাৰিবিনে দিবলৈ একাঁজলী সাহস? মোৰ অগ্নিৰ ফিৰিঙতিৰে লিখিম জীৱনৰ উপন্যাস। কৰুণ সময়বোৰ গুপুতে সাঁচি বিচাৰি যাম ৰামধেনু। নিলিখা ভাষাবোৰেৰে ভৰাম অসম্পূৰ্ণ জীৱনৰ পৃষ্ঠা তহতেঁ যে পঠাইছিলি সেউজীয়া চোতাললৈ তাতেই বৈ জীৱন সজাম। প্ৰতিশ্ৰুতিৰ দোৱাৰেৰে উজাই যাব দুভৰি।সেই সেউজীয়া পদূলিটো এৰি অহা আজি এবছৰেই হ'ল। জানোচা আকৌ উভতি আহে অতীতৰ ধেমালি। জানোচা আকৌ জীপাল হয় সোঁৱৰণি। তহঁতৰ হাবিয়াসবোৰ বুকুত বান্ধি যে কটালো বহু দিন বহু ৰাতি। আজি তাৰেই নিচুকণি। ক'ত বন্দুৰ আৱেশত উদ্যাপন কৰা সময়বোৰ সুখী হোৱাৰ স্মৃতি। সঁচাই মই ডাঙৰ হ'লো অ' আজি। ডাঙৰ হোৱা সপোনবোৰক লৈ কৰো ধেমালি। এতিয়া দুষ্ট ফাগুনে নকৰে আমনি। এতিয়া সোণালী আঘোণে নামাতে হাত বাউলি। ব্যস্ততাত মই দিশভ্ৰষ্ট পতিক। শীতৰ কুঁৱলিত নকঁপে দুহাত। ৰৌদ্ৰোজ্বল পুৱাত নসৰে শেৱালী। সলনি হোৱা সময়ৰ বাটত নিৰুদিষ্ট হ'ল মোৰ চোতালৰ জোনাক। এয়াই আছিল নে ঠিকনা জীৱনৰ। পখিলা খেদা দুহাতে আজি শব্দ খেদে। চিলা উৰুওৱা আঙুলিবোৰে কলম সাৱটে। তোৰ কোলাত শুই দেখা সপোনবোৰে গজালি মেলে। নিসংগ ৰাজপথত মোৰ খোজ বিয়পে। তাহানিৰ দিনবোৰে পোখা মেলে নতুনৰ দিশে। জীৱনৰ তুলাচনীত নিৰ্বিঘ্নে জুখি চাওঁ প্ৰাপ্তি অপ্ৰাপ্তিৰ ভৰ। প্ৰহাতে সাৱটো প্ৰত্যাহ্বানৰ জোৰোলা ঘাট, আনফালে সপোনৰ আঘাট। সেন্দুৰীয়াবোৰ চপাই লওঁ দুহাতেৰে... কিজানি বা বিচাৰি পাওঁ হেৰুৱা দিনৰ সুবাস...।

ভাঁহি আহে এটি সুৰ নিৰৱতাত- 'অ' সময় ... লৈ যা... অতীতক পোহৰৰ দিশে...।








# ডন ব্ৰেডমেনৰ দেশত

**ৰীণা বৰঠাকুৰ**
সহযোগী অধ্যাপিকা, পদাৰ্থ বিজ্ঞান বিভাগ

এটা সময়ত বৃটিছ সাম্ৰাজ্যৰ বেলি ডুব যোৱা নাছিল। পৰ্যটন আৰু বাণিজ্যত তেওঁলোকৰ গভীৰ আসক্তি আছিল আৰু সেই উদ্দ্যেশেৰে তেওঁলোকৰ পৃথিৱীৰ ইফালে সিফালে জলপথেদি পৰিভ্ৰমণ কৰি ফুৰিছিল। যিহেতু তেওঁলোক শিক্ষা-দিক্ষা আৰু প্ৰযুক্তিত উন্নত আছিল। সেয়েহে সুবিধা বুজি পৰ দেশৰ সম্পদ আৰু উৎপাদিত সামগ্ৰীৰ ওপৰতো নিজৰ প্ৰভূত্ব বিস্তাৰ কৰি ফুৰিছিল। অষ্ট্ৰেলিয়া , কাণাড়া আদি আজিৰ উন্নত দেশ সমূহো তেওঁলোকৰ অধীনত আছিল। কুৰি শতিকাৰ আৰম্ভণীতে (চনত) অষ্ট্ৰেলিয়া বৃটিছ শাসনৰ পৰা মুক্ত হৈছিল। আমি ভাৰতীয়ই অষ্ট্ৰেলিয়াক 'ডন ব্ৰেডমেন' বা 'ডেনিছ লিলিৰ দৰে ক্ৰিকেটাৰৰ বাবে জানো। কিন্তু তেওঁলোকৰো আছে স্বাধীনতা লাভৰ বৰ্ণময় ইতিহাস, পিমলুৰ দৰে স্বাধীনতা প্ৰেমীৰ জীৱনবলিদানৰ কাহিনী, ১০৩ বছৰীয়া পৰাধীন কালৰ নৰমেধ যজ্ঞৰ কলংকিত অধ্যায়।

অষ্ট্ৰেলিয়া শব্দটো আহিছে লেটিন শব্দ 'অষ্ট্ৰেলিচ'ৰ পৰা, যাৰ অৰ্থ দক্ষিণৰ এলেকা এওঁলোকৰ আদিম জনগোষ্ঠী হ'ল 'ইণ্ডজেনাচ অষ্ট্ৰেলিচ' যিসকল 'ইণ্ডজেনাচ অষ্ট্ৰেলিচ' যিসকল ইণ্ডোনেচিয়াৰ পৰা প্ৰৱজ্ৰিত হৈছিল। জেমচ কুক নামৰ বৃটিছ নাগৰিক জনৰ নজৰলৈ অহাৰ আগলৈকে এইলোকসকল শান্তিপূৰ্ণ ভাৱে বাস কৰিছিল। কিন্তু বৃটিছে এই সাৰুৱা এলেকাটোৰ দখলদাৰ আৰম্ভ কৰাৰ পিছৰে পৰা জনগোষ্ঠীটোৰ লগত সংঘৰ্ষ লাগিছিল আৰু বহুলোকে মৃত্যু বৰণ কৰিব লগা হৈছিল।

এই বছৰৰে (২০১৮ চন) জুলাই মাহৰ শীতৰ সেমেকা ৰাতি এটাত এইখন অষ্ট্ৰেলিয়াৰে মেলবৰ্ণ চহৰত মই আৰু মোৰ স্বামীয়ে ভৰি থৈছিলো। এনেয়েও পৰিভ্ৰমী ভাল পাওঁ, তাতে আকৌ ছোৱালীজনীয়ে যোৱা ছমাহৰ পৰা ইয়াতে অধ্যয়ন কৰি আছে। আমাৰ বাহিৰৰ জলমলীয়া মেলবৰ্ণ নগৰীখন দেখিছিলো।

আমি অষ্ট্ৰেলিয়াৰ বিখ্যাত 'মনাস বিশ্ববিদ্যালয়ৰ' ওচৰতে আহিছিলো। সেয়েহে পিছৰ দিনটোতে এই বিশ্ববিদ্যালয়খন চাবলৈ ওলালো। তিনিওফালে বোটানিকেল গাৰ্ডেনৰে আবৃত্ত বিশ্ববিদ্যালয়খনত আমি গাৰ্ডেনৰ মাজত থকা এটা প্ৰৱেশপথেৰে সোমাই আহোতে ঋষিকেশৰ এখন আশ্ৰমত সোমোৱাৰ দৰেহে লাগিছিল। অথচ চৌহদৰ ভিতৰত উচ্চ প্ৰযুক্তিৰে স্পৰ্শ কৰা নিউহৰায়জনৰ দৰে আটক ধুনীয়া বিল্ডিং। ভিতৰৰ আহল-বহল পথ, মুকলিত বহিবৰ সুবিধা, প্ৰতিটো বিভাগৰ লগত কফি আদি তৈয়াৰ কৰি খোৱাৰ ব্যৱস্থা, প্ৰকৃতি আৰু প্ৰযুক্তিৰ অভূতপূৰ্ব

সংমিশ্ৰণ। ভাল লাগিল আৰু কিছুমান ব্যৱস্থাৰ কথা জানি। ইয়াত কামৰ যিমান হেঁচা, অৱসাদ দূৰ কৰিবলৈও সিমান প্ৰচেষ্টা। শুনিলো কিছুমান পৰীক্ষাৰ মাজত ছাত্ৰ-ছাত্ৰী সকলক বিনামূলীয়া চাহ কফি আদি যোগান ধৰা হয়।

গৱেষণাগাৰৰ বাহিৰৰ বেলকনীত চকীমেজ সজাই থোৱা আছে, কামৰ হেঁচাও কোনোবাই যাতে নিজৰ সৈতে বা প্ৰকৃতিৰ সৈতে একাত্ম হ'ব পাৰে তাৰ সুব্যৱস্থা। এই কথাখিনি উল্লেখ কৰাৰ উদ্দেশ্য হ'ল, যাতে গুণীজনে আমাৰ গৱেষণাগাৰ বা আই আই টি ৰ দৰে কঠিন পাঠ্যক্ৰমৰ স্থানত এনেবোৰ ব্যৱস্থাৰ কথা চিন্তা কৰে। মনাস ইউনিভাৰ্ছিটি খন অষ্ট্ৰেলিয়াৰ বিশ্ববিখ্যাত চিভিল ইঞ্জিনিয়েৰ 'চাৰ জন মনাস'ৰ নামেৰে নামাঙ্কিত হৈছে। অষ্ট্ৰেলিয়াৰ বৰ্তমান বাহিৰৰ শিক্ষাৰ্থীৰ বাবে আকৰ্ষণৰ স্থান। পৃথিৱীৰ বহু ঠাইৰ পৰা ছাত্ৰ-ছাত্ৰী ইয়ালৈ অধ্যয়নৰ বাবে আহে। চীন দেশৰ বহু ছাত্ৰ-ছাত্ৰী ইয়াত দেখিলো। অৱশ্যে এই দেশৰ বজাৰতো চীনা সকলৰ প্ৰভাৱ দেখিলো। শুনিবলৈ পালো এই বিলাক দেশৰ পৰা অহা নাগৰিক সকল নিজৰ দেশলৈ ঘূৰি যাবলৈ ইচ্ছুক নহয়। বৰঞ্চ অলপ দিন বসবাস কৰাৰ পিছতে তেওঁলোকে নাগৰিকত্ব আহৰণৰ চেষ্টাত ব্ৰতী হৈ পৰে।

মেলবৰ্ণ পথবোৰ বৰ আহল বহল। ছয়লেন বা আঠলেন যুত্ত।পথৰ দাঁতিত পথাচাৰী বা চাইকেল আৰোহীৰ বাবে সুকীয়া নিমজ পথ। তাৰ দাঁতিত সেউজীয়া গছ-বন, যিবিলাকত মানুহৰ দুহাঁতৰ কলাও যোগ হৈ আছে। পথৰ দাঁতিৰ গছৰ গুৰিবিলাকত ৰং-বিৰঙৰ পাথৰ পাতি থোৱা থাকে। দেখোতে সুন্দৰ হ'ল, ধূলি উৰাৰো অৱকাশ নাই। সেয়ে শীতৰ দিনতো ধূলি ধোৱাঁৰ উৎপাত নাই। অষ্ট্ৰেলিয়াৰ মাটি কালি ভাৰতৰ আঢ়ৈ গুণ, জনসংখ্যা মাত্ৰ ২.৭ কোটি। ভাৰতৰ প্ৰায় চল্লিশ ভাগৰ এভাগ। সেয়েহে বিশাল বিশাল সেউজ ভূমিত প্ৰাকৃতিক সম্পদৰ পূৰ্ণ হৈ আছে।

ইয়াত পথৰ দাঁতিত বহুমূলীয়া অট্টালিকাৰ পৰা, সন্মূখত ফুলনিৰে দুপ্লেক্স আৰ্হিৰ ঘৰবোৰো দেখিলো। মেলবৰ্ণ চহৰত ২৯৭.৩ মিটাৰ উচ্চতাৰ বিশাল ইউৰেকা টাৱাৰ আছে। এই টাৱাৰৰ লিফটত উঠি মাথো ৪৫ ছেকেণ্ড ৮৮ মহলালৈ যাব পাৰি। টাৱাৰটোৰ পৰা চহৰখন সকলো



দিশৰ পৰা চাব পাৰি। মেলবৰ্ণৰ 'চি লাইফ' নামৰ বিশাল একুৰিয়ামটো অতিকে দৰ্শনীয়। একুৰিয়ামটো নিমাৰ্ণৰ প্ৰযুক্তি অতি উচ্চমানৰ। ইয়াত কাচৰ ভিতৰত বিশাল বিশাল চাৰ্ক, ৰং-বিৰঙৰ মাছ আৰু নানা তৰহৰ সামুদ্ৰিক প্ৰাণীৰ দৰ্শন পাব পাৰি। মেলবৰ্ণ ক্ৰিকেট গ্ৰাউণ্ডখনো বৰ ধুনীয়া, ষ্টেডিয়ামৰ বাহিৰত অষ্ট্ৰেলিয়াৰ স্বানাম ধন্য ক্ৰিকেটাৰ সকলৰ বিৰাটাকাৰ ষ্টেচু। ষ্টেচু বিলাকৰ কোনোবাটো মাথো দুটা আঙুলিৰ ওপৰত থিয়হৈ আছে। সঁচাকৈয়ে ভাস্কৰ্য্যৰ অপূৰ্ব নিদৰ্শন।

তেনেদৰে ছিদনিৰ বিখ্যাত অপৰাহাউচ আন এক বিস্ময়। এই অপেৰা হাউচত এসপ্তাহত ৪০ টা মান শ্ব চলে। এনেয়ে দৰ্শন মূল্য দি গাইডৰ সহায়ত ইয়াৰ চলমান মঞ্চ, সুন্দৰ কাৰুকাৰ্য্য বোৰ চাব পাৰি। দুঘন্টাৰ মূৰে মূৰে ইংৰাজী আৰু চীন ভাষাত একোজন ধাৰাভাষ্যকাৰীয়ে এটা এটা গ্ৰুপক গাইড কৰে। নিজৰ চকুৰে নেদেখিলে এই সুন্দৰ ভৱনটো কলমেৰে বৰ্ণনা কৰা সম্ভৱ নহয়। অপেৰা হাউচৰ ওচৰতে 'ছিদনি হাৰবাৰ ব্ৰিজ'। সন্ধিয়াৰ বিজুলী বাতিৰে এই অঞ্চলটোত এক স্বপ্নময় পৰিবেশৰ সৃষ্টি কৰে।

অষ্ট্ৰেলিয়াৰ জীৱন যাত্ৰা বৰ উন্নত। পৰিবেশৰ প্ৰতি সকলো সদা সচেতন। প্ৰতিটো বিল্ডিঙৰ সন্মুখত ডাঙৰ ডাঙৰ দাষ্টবিন। একেটাহঁতৰ লগ ৰিচাইকল বুলি লিখা থাকে। তেনেদৰে খাদ্য সামগ্ৰীৰ কিছুমান পেকেটতো ৰিচাইকল বুলি লিখা থাকে। তেনেদৰে খাদ্য সামগ্ৰীৰ কিছুমান পেকেটতো ৰিচাইকল বুলি লিখা থাকে। সেইবোৰ সেই নিদিষ্ট ডাষ্টবিনটোত পেলাব লাগে। বজাৰত সামগ্ৰীবোৰ স্বচ্ছ পেকেটত থাকে। মাছ মাংসৰ দোকানতো মাখি নেদেখিলো। মেলবৰ্ণৰ পৰা দিনযোৰা কাৰ্য্যসূচীৰে 'গ্ৰেট অচেন ৰোড' ৰ ৰোমাঞ্চভৰা আনন্দ লব পাৰি। প্ৰাকৃতিক পৰিবেশত লালন-পালন হোৱা জাক জাক কেঙ্গেৰু, এলেহুৱা কোৱালাবোৰ লগতে যীচুখৃষ্টৰ ১২ জন শিষ্যৰ সন্মানপোৱা মহাসাগৰ আৰু পাহাৰৰ সঙ্গম স্থলীৰ ৰোমাঞ্চকৰ শিলাখণ্ডবোৰ চাব পাৰি। এই যাত্ৰাত ৰেইনফৰেষ্ট অৰণ্যখনৰ মাজেৰে এচোৱা খোজকাঢ়িব লাগে। এই মহাসাগৰ আৰু ইয়াৰ নদীৰ পাৰত গঢ়লৈ উঠা ফলৰ খেতি তথা ৱাইন উদ্যোগৰ নান্দনিক দৃশ্যৰাজিয়ে আমাক কেইটামান দিন সচাঁকৈয়ে মোহাচ্ছন্ন কৰি ৰাখিলো।





# College Excursion tour to JAIPUR A PLACE OF HISTORICAL IMPORTANCE

**Swapnali Rai Dehiniga**

Last year, the every dept of our college organized an education tour to jaipur.Which is know as pink city. It was 15 days trip. We were all curious to witness this monumental evidence of India.

We started our Journey on the last week of December, 2017. our team compused of 17 member .We went Abodh Assam'Express .

Jaipur popularly know as the "pink city" and "paris of India .Jaipur is famous for unique Architecture, Vastu,Astrology, Forts , Monuments, Palaces,Art and Craft , Culture.

Heritage of year 1727 is still alove in Jaipur which is the maina attrection of Jaipur town.Jaipur is renowned on international tourism map as one vertex of Golden Triangle of India tourism. Many scripts and poems have been written on the beauty of Jaipur city by domestic tourists as well as foreign tourists.

Main attraction of Jaipur toun are Amber fort, Nahagarh fort , Taj mahal, Hawa mahat , city palace , Birla Temple and at best Hall muscum for sight seeing .Firstly we visited the Birla Temple.

Birla Mandir ,Jaipur is a Hindu temple located in Jaipur ,India and a part of one of the reveral Birla mondirs lacated all around the country .The grand temple is lacated on an elevated ground at the base of mati Dungari Hill in Rajastan.

After this we visited Albert Hall Murum.It is the oldest museum of the state and functions as the state museum of Rajasthan the building is situated in Ram Niwas garden out side the city wall opposite new gate and is a five example of indo- suraunic architecture.

## History of Jaipur

Jaipur was founded on 18th November ,1727 by Maharaja Sawai jai singh II,a kachawaha Rajput, who ruled from 1699-1744 .Initially his capital was Amber(now pronounced as Amer), lies at a elistance of 11 km from Jaipur .Maharaj a sawai jai singh II felt the need of shifting his capital city because of safety reasons as it was likly to be attacped by a Mughat king Bahadur shah after the death of Aurangzeb.

Ever-increasing population and growing pcurcity of water also pushed him to set up a well planned city.

## Jaipur Architecture:


Architecture of Jaipuris famous world wide because of its technical detals and beauty Jaipur Architecture is based on India Vastu concepts. Maharaja Sawai jai singh II,the founder of Jaipur was a great architect and astrondmer .He also had a good knowledge of India vastu.This is the reason that the archit ceture of Jaipur is a wonder care study for the modern architects of the whole world.

## Jaipur Heritage:

Jaipur is known as Heritage city because of its rich heritage culture, curtoms,traditions, fairs and festivals, civilization and hundreds years old forts and monuments.The glorious architecture of Jaipur pink city is renownid acrass the world. Wonderful forts and monuments gurland the entire city in a planned manner we also visiteel to sheesh Mahal , one of the palace of historical importance.

It is lacated on the Delhi-Jaipur highway in Amber Fort, around II pilomaters from Jaipur and built with marble and red sandstone,soheesh Mahal,also known as palace of mirrars is one of the most popular tourist att rations in Jaipur.

After seeing all this historical movements we return on 6th January 2018.The whole trip was a very memorable one.





## নাটক

# এজাক ধুমুহাৰ শেষত

ৰচনা ঃ বিতুমনি বুঢ়াগোহাঁই

### চৰিত্ৰসমূহ ঃ

| | | |
|---|---|---|
| শৰ্মনী | ঃ | (এগৰাকী ৪০ বছৰীয়া মহিলা,বেবীৰ মাতৃ) |
| বৰুৱানী | ঃ | (শৰ্মনীৰ সমবয়সীয়া , বান্ধৱী) |
| আইতাক | ঃ | (শৰ্মনীৰ শাহুৰেক) |
| জুৰি | ঃ | (শৰ্মনীৰ ঘৰৰ বনকৰা ছোৱালী) |
| বেবী | ঃ | (শৰ্মনীৰ জীয়ৰী,বয়স ১৮ বছৰ) |
| নিশা | ঃ | (বেবীৰ বৰদেউতাকৰ ছোৱালী ,১৯ বছৰ) |

(এটা সুদৃশ্য ড্ৰয়িং ৰূম।শমাৰ্নী ফোনত কথা পতাত ব্যস্ত হৈ থাকিব। ৰূমটোৰ চাৰিওফালে গৃহস্থৰ চৌখিনতাৰ পৰিচয়)

শৰ্মনী ঃ-হেল্ল, কি কৰিছা ? অ ঘৰতে আছো ।আচ্ছা, তুমি কালিলৈ আহিবা নহয় ? কি? কিন্তু কিয় ? অ ছুটী নাপালা ? মই জানিছিলোৱেই অৱশেষত তুমি এনেকুৱা কৰিবা বুলি। আছলতে তুমি কোনো কামৰ মানুহ নোহোৱা ।ওহ হব , ফোন থোৱা।

(জুৰি সোমাই আহে হাতত চাহৰ কাপ লৈ)

জুৰি –মেডাম চাহ.

শৰ্মনী ঃ থচোন তাতেই আৰু শুন বেবীয়ে কি কৰিছে বাৰু?

জুৰী ঃ বেবী মাজনী শুইয়ে আচে মেডাম।

শৰ্মনী ঃ কি? তাই ইমান দেৰিলৈকে শুই আছে যে ।তাই আজি কলেজলৈ নায়ায নেকি?

জুৰি ঃ মই সুধিছিলো মেডাম। কলে বোলে কিবা কেলাচ বিলাংক মাৰিলে। লগৰ ছোৱালীৰ লভ এনিভাৰচেৰী আছে হেনো। পাৰ্টি কৰিবগৈ বোলে।

শৰ্মনী ঃ হব তই সেইবোৰ আতি গুৰি মাৰি ফুৰিব নালাগে বুজিছ ।যা বাথৰূমত থোৱা কাপোৰবোৰ ধুগৈ।

(বৰুৱানী সোমাই আহে । জুৰি গুচি যায় ভিতৰলৈ)

বৰুৱানী ঃ শৰ্মনী আছেনে?

শমাৰ্নী ঃ আৰে বৰুৱানী দেখোন । আহা আহা ।বহাহি।

বৰুৱানী ঃ (বহি লৈ) কি হে ? তোমাৰ যে একো খবৰেই নোহোৱা হল। ফোন কৰিলেও নাপাও । কি কৰি আছানো।

শমানী ঃ ইচ নকবা আৰু ।আচলতে মই এইকেইদিন বৰব্যস্ত হৈ আছো বুজিছানে?

বৰুৱানী ঃ বাৰু সেইবোৰ বাদ দিয়া। পিছে আমাৰ যোৱাৰ প্লেন টো কি হল।২৫ তাৰিখে যোৱাটো ফাইনেল কৰো ভাবিছো।আটাইৰে সুবিধা মিলাকৈ।

শমাৰ্নী ঃ ৰবাহে । তুমি ফাইনেল কৰাৰ কথা কৈছা, ইফালে আমাৰ এওঁ ছুটীয়ে নাপালে জানা।

বৰুৱানী ঃ আৰে এনেকৈ কেনেকৈ হব। এতিয়া যোৱাৰ সময়ত কেনচেল কৰিলে নহব নহয়।

শমাৰ্নী ঃ মই বিপাঙত পৰিছো। কি য কৰো।

বৰুৱানী ঃ তোমাৰ স্বামীকো কিন্তু মানিছো দেই। নতুন বছৰ বুলি ঘৰ পৰিয়ালৰ বাবে অলপ সময় উলিয়াব নোৱাৰে। আমাৰ এও যে অনবৰতে অত যাও , অত যাও কৰিয়ে থাকে।এইবাৰ পূজাত মানালীলৈ যাম বুলি ভাবিছো জানা।

শমাৰ্নী ঃ এহ যাবা যাবা । তোমালোকৰে দিন আৰু মোৰ যে ভাগ্যত এইবোৰ বিলাসিতা কৰিবলৈ লিখাই নাই জানা।অকল দৰমহাৰ পই চাৰে গাঁৱৰ ঘৰখন পূজোতেই দিন গৈছে। আজি বোলে মাকৰে অসুখ । কাইলৈ ককায়েৰে লৰা-ছোৱালীৰ কিবা ।শান্তিনাই আৰু মুঠতে । কত আৰু এইবোৰ স্ফুৰ্তি কৰিবলৈ সময় থাকে।

বৰুৱানী ঃ হলেও তো তুমি ৰাজৰাণীৰ দৰে আছা এতিয়াও।

শমাৰ্নী ঃ বাদ দিয়াহে ৰাজৰাণী । ঘৰত মাহঁতে পচন্দ কৰিদিয়া লৰাজনলৈ বিয়া হোৱা হলে ভৰিৰ ওপৰত ভৰি তুলি খাবলৈ পালোহেঁতেন।

বৰুৱানী ঃ এতিযাও তোমাৰ মিষ্টাৰে তোমাক বহুত সুখতেই ৰাখিছেই ।(বেবী সোমাই আহে)

বেবী ঃ মা পাপাক কোৱানা মোৰ একাউণ্টত টকা দহহাজাৰ ভৰাই দিবলৈ ।

বৰুৱানী ঃ ইমান পইচা তোমাক কিয় বেবী?

বেবী ঃ আৰে আণ্টি নিউ ইয়েৰত লগৰবোৰৰ লগত পিকনিক যাব লাগিব ন? ড্ৰেছ , গাড়ীভাৰা এইবোৰ লাগিব নহয় । সেইকাৰণে।

শমাৰ্নী ঃ দেউতাৰৰ কথা মোক নকবিয়েই বুজিছ। আৰু ইমান পইচা মই খুজি দিব নোৱাৰো। নিজে খুজি লবি।

বৰুৱানী ঃ কিয় বেবী তুমি আমাৰ লগত নাযাবা নেকি?

বেবী ঃ উহ আণ্টিয়ে যে কি কয়? বয়সীয়াল মানুহবোৰৰ লগত মই টিন এজাৰ জনী যাম নেকি বাৰু । ভাবকচোন কিমান বৰিং লাগিব ।উহ গড।

বৰুৱানী ঃ অ সেইটো কথা।

(এনেতে বাহিৰত শমাৰ্নীৰ শাহুৰেকৰ মাত শুনা যাব) বোৱাৰী , মাজনী আছনে তইঁত?

শমাৰ্নী ঃ উহ আকৌ আহিল মুৰৰ কামোৰণি। তোৰ আইতাৰে আহিছে বেবী । যা যা আগবঢ়াই আন।

(শাহুৰেক আৰু বেবীৰ খুৰাকৰ জীয়েক নিশা সোমাই আহে)

শাহুৰেক ঃ উহ যেনে তেনে পালোহি আৰু ।তহঁত ভালে আছনে আইতাহঁতৰ।

শমাৰ্নী ঃ আছো আৰু । বহক। জুৰি আইতাহতৰ কাৰণে পানী লৈ আহ।

বেবী ঃ আইতা ভালে আছা ? আৰু নিশা তোৰ খবৰ ক চোন? অলপ মডাৰ্ণ হলি নে, আগৰ দৰে অকঁৰাই হৈ আছ?

নিশা ঃ মোৰ ভালেই । তোৰ পিছে? তোৰ পঢ়া শুনা কেনে হৈছে বেবী?

বেবী ঃ উহ ৰাম। খালী পঢ়া পঢ়া .ইয়াৰ বাহিৰে আৰু একো নাই নেকি তঁহতৰ? হব মই ৰেডী হওগৈ ।পাৰ্টীলৈ যাব আছে। আইতা তুমি ফ্ৰেচ হৈ লোৱা।

(জুৰি পানী লৈ সোমাই আহে)

জুৰি ঃ আইতা পানী । নিশা ভাল ন তোমাৰ।

আইতা ঃ দে দে আই ।গাড়ীত যিহে ভিৰ । বৰ গৰম অ। বৰুৱানীলৈ চাই অ এঁও কোন বোৱাৰী?

বৰুৱানী ঃ নমস্কাৰ মা । মই শমাৰ্নীৰ বান্ধৱী হয়।পিছে শমাৰ্নীমই যাও এতিয়া । তুমি কিন্তু

যোৱাটো খাটাং কৰিবা দেই। মা-আপোনালোক বহক। আকৌ লগ পাম।
(বৰুৱানী প্ৰস্থান)

আইতা : কৰবাত যাবা নেকি বোৱাৰী?

বৰুৱানী : অ ভাবিছিলো কিন্তু কি হব? আপোনাৰ লৰাৰ সময় থাকিলে হে মোৰ বাবে। মোৰ যোৱাটো নহবই আৰু।

আইতা : অ সি কিবা এৰাব নোৱাৰা কামত পৰিল ছাগে সেই কাৰণে নোৱাৰিম বুলিছে। তুমি দুখ নকৰিবা বোৱাৰী বান্ধৱীবোৰৰ লগত তুমিয়ে যাবাগৈ। নতুন বছৰত অলপ আনন্দ কৰিব লাগে বুজিছা। আমিও আগতে বছৰৰ প্ৰথমটো দিনত সকলোৱে মিলি নামঘৰত এসাজ খাইছিলো। বুজিছা। এতিয়া সেই বোৰ পৰম্পৰা নাইকীয়াই হল।

শমাৰ্নী : হব হব।আপুনি মোক সান্তনা দিব নালাগে এতিয়া তেওলোক স্বামী-স্ত্ৰীসকল মিলি যাব, মই অকলে অকলে যাম নেকি?

নিশা : খুৰীদেউ এইখিনি লাৰু আৰু পিঠা বেবীৰ কাৰণে বনাই আনিছিলো।

শমাৰ্নী : জুৰি এইবোৰ লৈ যা।আমাৰ বেবীয়েনো কত এইবোৰ খাব। তইয়ে হৰিহঁতৰ লগত মিলি খাবি বুজিছ আৰু আইতাহতক আলহীঘৰলৈ লৈ যা। মই আহিছো। আপোনালোকে কিবা খাই লব। বেচ কিছুদিন থকাকৈ আহিছে ছাগে।
(শমাৰ্নী যায়গৈ ভিতৰলৈ)

নিশা : আইতা আমি ইমান হেপাহেৰে অনা লাৰুবোৰ দেখোন খুলিকে নাচালে খুৰীয়ে। ছেহ ইমান ৰাতি টোপনি খতি কৰি এনেই বনালো।

আইতা : বোৱাৰীহঁতৰ টাউনীয়া জিভাই এইবোৰ বস্তুৰ সোৱাদ নাপাই অ আই।

জুৰি : হবচোন আইতা। দুখ নকৰিব। মই খাম নহয়। কিমানদিন যে এইবোৰ বস্তুৰ সোৱাদ পোৱা নাই। আজি হেঁপাহ পলুৱাই খাম। অ নিশা আহা তোমাক মুখ হাত ধুবলৈ দিওগৈ.।
(নিশা, জুৰি ভিতৰলৈ সোমাই যায়। আইতাকো যাবলৈ লওতেই বেবী অন্য এখন দুৱাৰেদি সোমাই আহে)

বেবী : আইতা মই যাও হা। আহি লগ পাম।

আইতা : ৰচোন ৰ। এই সন্ধিয়াখন কত যাব। আৰু কি কাপোৰ পিন্ধিছ এইবোৰ।এই ঠাণ্ডাখনত ঠেং কেইটা উলিয়াই যাবিনে?

বেবী : উহ আইতা তুমি এতিয়া এইবোৰ কৈ মোৰ মূৰটো গৰম নকৰিবা অকে।
(শমনী সোমাই আহে)

শমাৰ্নী : কি হল বেবী ? তই যোৱাই নাই নেকি?

বেবী : মা চোৱাচোন। আইতাই এইবোৰ কি কৈ আছে।

আইতা : বোৱাৰী তুমি মাজনীক এই সন্ধিয়াখনত এনেকুৱা কাপোৰ পিন্ধি ওলাই যাবলৈ দিছা কিয়?

শমাৰ্নী : মা আপুনি গাঁৱলীয়া মানুহ। এইবোৰ নুবুজিব। গতিকে মনে মনে থাকক। মাজনী তই যা।

আইতা : ৰ বেবী।এনেকুৱা বজৰুৱা কাপোৰ পিন্ধি তই যাব নোৱাৰ কতো।

বেবী : আইতা প্লিজ। তোমাৰ লেকচাৰ বন্ধ কৰা। তেন্তে কি মই এতিয়া পাটিলৈ মেখেলা চাদৰ পিন্ধি যাব লাগে নেকি? তোমালোকৰ জামানাৰ ছোৱালী নহয় মই অকে। বাই মা। (যায়গৈ)

আইতা : বেবী...............

শমাৰ্নী : মা আপোনাক এটা কথা কওঁ। বেবী এতিয়া ডাঙৰ হৈছে। গতিকে তাইক সকলো কথাতে শাসন নকৰিব। তাই বেয়া পায়। আৰু ইয়ালৈ যিহেতু আলহী হৈ আহিছে। আলহি হৈ থাকক। মালিকনী হবলৈ চেষ্টা নকৰিব।

আইতা : বোৱাৰী তুমি এইবোৰ কি কৈছা? নিজৰ লৰাৰ ঘৰত মোক আলহী বুলি কৈছা তুমি?

শমাৰ্নীঃ-হব হব বৰ নিজৰ লৰা লৰা বুলি দেখুৱাব নালাগে। ঘৰৰ মাটিবাৰীৰ ভাগ সকলো দেখোন ককায়েককে দি দিলা। তেতিয়া নিজৰ লৰা কত গৈছিল ? আৰু ঘৰত পইচাৰ দৰকাৰ হলেইটো ইয়ালৈ দৌৰি আহে তেজ শোহাৰ দৰে পইচাবোৰ শুহি নিবলৈ।

আইতা : বোৱাৰী চুপ থাকা তুমি। ইমান নীচ নে তোমাৰ মন? কেনেকৈ ইমান হীনভাৱে ভাবিব পাৰা তুমি?

শমাৰ্নী : বাহ। মোৰ ঘৰত মোকেই দম দিছে যে?।জানেনে মই কোন? মই এজন পুলিচ অফিচাৰৰ জীয়ৰী আৰু এটা কোম্পানীৰ উচ্চপদস্থ বিষয়া অৰ্ণৱ শৰ্মাৰ পত্নী। মোৰ ঘৰত এনেকৈ কবলৈ বা মোৰ স্বামীৰ ওপৰত কোনো অধিকাৰ আপোনাৰ নাই।

আইতা : শুনা বোৱাৰী তুমি এইমাত্ৰ কোৱা অফিচাৰ অৰ্ণৱ শৰ্মা মোৰেই সন্তান যাৰ ধনৰ দম্ভৰে দম্ভিত তুমি আৰু যে তুমি কলা অধিকাৰৰ কথা, শুনা বোৱাৰী তাক ন মাহ ন দিন গৰ্ভত লৈ জন্ম দিয়াৰ পৰা তুলি তালি ডাঙৰ কৰাৰলৈকে, সু মানুহ কৰি তোলালৈকে মই যিখিনি কৰিলো তাৰ প্ৰতিদান মই একো নিবিচাৰো। আৰু তাৰ ওপৰত মোৰ কি অধিকাৰ আছে তাক তুমি মোক শিকোৱাৰ দৰকাৰ নাই।

শমাৰ্নী : আপোনাৰ লেকচাৰ শুনাৰ ধৈৰ্য্য আৰু মন এটাও মোৰ নাই।

আইতা : মই জানো বোৱাৰী। তোমাৰ এইবোৰ শুনাত মন নাই।তথাপি মই মোৰ নাতিনীজনীৰ ভালৰ বাবেই কব লাগিব। শুনা বোৱাৰী মই অশিক্ষিতা হলেও মই মোৰ সন্তানক ভাল সংস্কাৰ দিছিলো। মানুহক ব্যৱহাৰ সম্পৰ্কে জ্ঞান দিছিলো। মানুহ হবলৈ শিকাইছিলো। আৰু তুমি? তুমি শিক্ষিতা নাৰী হৈও নিজৰ সন্তানক কি শিক্ষা দিছা? কেৱল টকা পইচাই মানুহৰ সকলো নহয় বোৱাৰী। তুমি অন্তত এইটো ভালকৈ জানা। এতিয়াও সময় আছে। তুমি তাইক ঘূৰাই আনা।নহলে এদিন সাংঘাটিক কিবা অঘটন ঘটিব পাৰে।

শমাৰ্নী : বাচ মা।আৰু একো নকব। যিমান পইচাৰ কাৰণে ইয়ালৈ আহিছে কব , মই এওক কৈ দিয়াৰ ব্যৱস্থা কৰিম। আৰু ইয়াত থাকিবৰ একো দৰকাৰ নাই। কাইলৈয়ে যাবগৈ।(খঙেৰে ভিতৰলৈ সোমাই যায়)

আইতা (কান্দি) : ভগৱান মই এনে কি ভুল কলো যে আজি মোৰ নিজৰ সন্তানৰ পত্নীৰ মুখত এনেকুৱা কথা শুনিব লগা হল। মোক এনে দিন দেখুৱাবলৈকে জীয়াই ৰাখিছিলা ভগৱান।
(জুৰি, নিশা সোমাই আহে)

নিশা : আইতা কিয় কান্দিছ?

নিশা : আইতা কিয় কান্দিছ?

আইতা : আমি কাইলৈ যামগৈ দেই আই। ইমান হেপাঁহেৰে লৰাটোৰ ঘৰলৈ আহিছিলো ঘৰৰ মানুহখিনিক দেখা পাম, দুটা দিন আনন্দৰে খাম, থাকিম বুলি। কিন্তু বোৱাৰীহঁতৰ মনবোৰ ইমান মলিনতাৰে ভৰা যে আমাৰ পুত্ৰ বোৱাৰী নাতিনীলৈ থকা হেপাঁহবোৰ কেৱল স্বাৰ্থৰ কাৰণে বুলি ভাৱে। মানুহৰ মন ইমান ঠেক হব পাৰেনে?

জুৰি : দুখ নকৰিব আইতা। মেডামে এদিন নিজৰ ভুল বুজি পাব। (হঠাতে বেবী সোমাই আহে। গা এখন শ্বলেৰে ঢকা পিছে পিছে বৰুৱানী)

বেবী : (আইতাকক ধৰি কান্দে) আইতা ...............
(জুৰি, নিশা আইতাক আটায়ে উদগ্ৰীৱ হৈ পৰে)

আইতা : মাজনী কি হল? কান্দিছ কিয়?

বেবী : (কান্দি) মোক ........মোক মাফ কৰি দিয়া আইতা।

নিশা-জুৰি : কিন্তু হল কি? বেবী?(শমাৰ্নী সোমাই আহে উধাতু খাই)

শমাৰ্নী : কি হল মাজনী? নকৱ কিয়?

বেবী : (কান্দি) মা.........আজি যদি মই আইতাৰ কথা শুনিলোহেতেন পাৰ্টিত এনেকৈ মোৰ গাত তাহাতি বেয়াভাবেৰে হাত দিব নোৱাৰিলেহেতেন।

শমাৰ্নী : মাজনী এইবোৰ কি কৈছ তই?

বেবী : অ মা মই সচাঁ কৈছো। আইতা মোক ক্ষমা কৰি দিয়া।

আইতা : মাজনী.................

বৰুৱানী : তেনেকুৱা বিশেষ একো হোৱা নাই। ভগৱানক ধন্যবাদ দিয়া যে মোৰ ভাইটিয়ে সময়তে পালেগৈ। তাহাতি মাজনীৰ একো ক্ষতি কৰিবলৈ নাপালে।

শমাৰ্নী : উহ মই তাক কেনেকৈ যে ধন্যবাদ জনাম।

বৰুৱানী ঃ এটা কথা কও তোমাক বান্ধৱী হিচাপে । তুমি বেয়া নাপাবা । তোমালোকৰ ভালৰ বাবেই কৈছো। চোৱাচোন আজি যদি তাই আইতাকৰ কথা মানি যদি মাৰ্জিত সাজ- পোছাক পিন্ধি যোৱা হলে এইটো অঘটন নহলহেতেন। মানুহৰ সাজ পোছাকে ব্যক্তিত্ব পৰিচয় নিদিয়ে তুমি জানানে? এতিয়াও সময় আছে , তুমি তোমাৰ সন্তানক সু- সংস্কাৰ দিয়া। তাইক মৰম কৰি কৰি তাই কৰা ভুলখিনি দেখিও নেদেখাৰ ভাও নুজুৰিবা।

শৰ্মাৰ্নী ঃ (অনুতপ্ত হৈ) মই ইমান বেয়ানে বৰুৱানী?

বৰুৱানী ঃ মই তোমাক বেয়া বুলি নকও। কিন্তু তোমাৰো কিছুমান কথা-কাম, ব্যৱহাৰ মই কেতিয়াও ভাল বুলি নকওঁ। আৰু এনে এগৰাকী দেৱীতুল্য শাহু পাইছা তুমি কিমান ভাগ্যৱতী ।আৰু মোকেই চোৱা সৰুতেই মাক হেৰুৱালো। শাহুৰ মৰমৰ পৰাও বঞ্চিত হলো কাৰণ মোৰ স্বামীও মাতৃহাৰা। সেই ফালৰ পৰা তুমি মোতকৈ বহুত ভাগ্যৱতী। সচাঁ মৰম চেনেহ সকলোৰে ভাগ্যত নাথাকে। টকা পইচাই সকলো নহয় জানানে? তুমি এবাৰ অন্তত কৰি অহা ভুলবোৰ উপলব্ধি কৰাছোন।

শৰ্মাৰ্নী ঃ (কান্দি) (শাহুৱেকৰ ভৰিত ধৰে) মা.............। মই জানো। মই আপোনাক বহুতো নকৰিব লগা ব্যৱহাৰ কৰিলো। কিমান যে বেয়াকৈ কলো। মই জানো মই ক্ষমাৰ অযোগ্য। তথাপিও পাৰিলে অন্তত মোক নহলেও মোৰ ছোৱালীজনীকে ক্ষমা কৰি দিব।

আইতা ঃ উঠ আই। ঘৰৰ ছোৱালীয়ে জানো এনেকৈ কান্দে । নাপায় নহয় কান্দিব। তহতি মোৰ বুকুৰ আপোন। তহতক জানো মই বেয়া পাব পাৰো। মই তহতি সদায় সুখত থকাটো বিচাৰোঁ। আৰু বেবী মাজনী, যি হল হল আৰু এইবোৰ পাহৰি যা । খালী অলপ সাৱধান নিজক বচাই চলিবি। যাতে পাছলৈ নিজৰ সন্মান হেৰুৱাব লগা নহয়। কিবা ভুল কাম কৰাৰ আগত মা- দেউতাৰ কথা মনলৈ আনিবি।

বেবী ঃ মই আৰু এনে ভুল নকৰো আইতা তুমি মোক বেয়া নাপাবা।

আইতা ঃ তেনে কথা নকবি অ মোৰ আই । তই জানো মোৰ আপোন নহয়? তহঁতক বেয়া পালে মই ভাল পাম কাক?

বৰুৱানী ঃ যা হওক তোমালোকে যে নিজৰ ভুল উপলব্ধি কৰিলা।

শৰ্মাৰ্নী ঃ বৰুৱানী তুমি আজি মোৰ চকু মুকলি কৰি দিলা। অতদিনে মই ইমান ডাঙৰ ভুল কৰি আছিলো। আজিহে মনটো অলপ মুকলি লাগিছে। এখন ঘৰ কি,সম্বন্ধ কি দায়িত্ববোধ কি আজি বুজি পালো মই।

বৰুৱানী ঃ হয় দিয়া । তুমিটো মোৰ এগৰাকী ভাল বান্ধৱী।

শৰ্মাৰ্নী ঃ আজি আটায়ে আনন্দৰে এসাজঁ খাম। আৰু মা আপোনালোক মাঘৰ বিহুলৈকে থাকিব দেই । বিহুত আমি আটায়ে মিলি গাৱঁৰ ঘৰখনলৈ যাম। বৰুৱানী তুমিও ৰাতিৰ সাজ ইয়াতে খাই যাবা আজি।

বৰুৱানী ঃ হব খাম দিয়া । আৰু তোমালোকৰ গাৱলৈ মোকো লৈ যাবা দেই।

আইতা ঃ নিশ্চয় আই । তুমিওটো মোৰ বোৱাৰিয়েই হয়।

বেবী ঃ (নিশাক গাত সাবটি ) নিশা মোক তই পিঠা আৰু লাৰু বনাবলৈ শিকাই দিবি দেই।


নিশা ঃ কিয় নিদিব মোৰ ভণ্টীজনী । সব শিকাম তোক কাম কাজ। (আটায়ে হাহেঁ)

জুৰি ঃ উহ এতিয়াহে ভাল লাগিছে।

আইতা ঃ এতিয়াহে । এনেদৰে সকলোৱে সদায় হাঁহি স্ফৰ্তিৰে থাকিব লাগে মোৰ আইহত। বাৰু এতিয়া সকলো ভিতৰলৈ বল। খোৱাৰ দিহা কৰিব লাগে। (আটাইয়ে হাঁহিমুখে প্ৰস্থান কৰে) (পট পৰে)








ৰচনা ঃ নৱজ্যোতি খাণ্ডাধৰা

প্ৰাক্তন ছাত্ৰ

## চৰিত্ৰ সমুহ

১) মলয়
২) বিনয়
৩) বিমান
৪) পল্লৱী
৫) চিমি
৬) অবিনাশ
৭) মনোজ
৮) খুড়া

(আৰঁ কাপোৰ উঠাৰ লগে লগে মঞ্চত দেখা যাব এটি দৰিদ্ৰ পৰিয়ালৰ ড্ৰয়িং ৰূমৰ দৃশ্য। এই ড্ৰয়িং ৰূমটোত সজ্জিত হৈ থাকিব এখন পুৰণি টেবুল, কেইখনমান চকী (সুবিধা অনুসৰি) ,দুটা ঢোল,মানপত্ৰ,এটা পেপাঁ আৰু এযোৰ তাল। দুই বিহুৱা ভাতৃৰ মাজত কথোপকথন চলি থাকিব।)

বিনয় ঃ বাৰু দাদা, এনেকুৱা হলে দেখোন আমাৰ অসমীয়া কৃষ্টি-সংস্কৃতি বেছিদিন জীয়াই নাথাকিব।

মলয় ঃ তই ঠিকেই কৈছ। মইও কথাটো নভবা নহয়। কিন্তু বৰ্তমানৰ এই দূনীৰ্তিগ্ৰস্থ অসমখনত জানো এই সমস্যাবোৰৰ সমাধান হব?

বিনয় ঃ নহয় , নহয়, আমি এনেদৰে ভাবিলে ভুল হব। আমি উঠি অহা প্ৰজন্মই যদি অসমীয়া চহা বিহুনামবোৰ সমাজত জীয়াই নাৰাখো। তেন্তে ভৱিষ্যতে কি হ'ব তই বাৰু এবাৰ ভাবি চাইছনে?

মলয় ঃ ভাইটি ,তই কি কব বিচাৰিছ খুলাখুলীকৈ কচোন।

বিনয় ঃ আচলতে মই তোক কব বিচাৰিছো যে - আমাৰ এই পুৰণি বিহুনামবোৰৰ কৰবাত হেৰাই গৈছে আৰু কেছেটৰ নতুন বিহুগীত বোৰহে বতৰ্মান প্ৰাধান্য লাভ কৰিছে। সেয়েহে....................।

মলয় ঃ তই একেবাৰে মোৰ মনৰ কথাটোৱেই কৈছ। মই ও বহুদিনৰ পৰা এই বিযয়ে কিবা ব্যৱস্থা লোৱাৰ কথাই ভাবি আছো।

বিনয় ঃ তেনেহলে আমি পলম কৰি লাভ নাই । অতি সোনাকালে ইয়াৰ ব্যৱস্থা লোৱাহে কথা ।

মলয় ঃ পিছে ভাইটি, তই ইয়াৰ বাবে কেনেধৰণৰ ব্যৱস্থা হাতত ললে ভাল হব বুলি ভাব?

বিনয় ঃ মই ইতিমধ্যেই ইয়াৰ বাবে এটা পন্থা হাতত লৈ পেলাইছো। কাৰণ আমি যিমানেই পলম কৰো, সিমানেই আমাৰ লগতে ভৱিষ্যত প্ৰজন্মৰ বাবেও বিপদজনক।

মলয় ঃ তোক কিন্তু মানিছো দেই ,তই মানুহটো বৰ কুইক। কিন্তু আমি ইয়াৰ বাবে কি কৰিব লাগিব?

বিনয় ঃ দাদা, আমি আজিৰপৰাই

সচেতন হোৱাৰ কথা ভাবিছো আৰু আমাৰ এই প্ৰতিভাক ঘৰতে সীমাবদ্ধ কৰি নথৈ সকলোৱে মিলি-জুলি এটা হুচৰি দলৰ জৰিয়তে আমাৰ এই সমাজখনক এই বিষয়ে জাগ্ৰত কৰি তোলাৰ কথা ভাবি পেলাইছো।

মলয় ঃ পিছে তই আমাৰ দলটোত কাক লোৱাৰ কথা ভাবিছ?

বিনয় ঃ মই আমাৰ গাঁৱৰে বিমান , পল্লৱী বা ,চিমি আৰু গজেনহতক খবৰ দিছো। সিহঁত আহি পাবহিয়েই।

মলয় ঃ কিন্তু ভাইটি ,সৰুৰে পৰা আমাৰ আই আৰু পিতাইৰ অভাৱ কৰিবলৈ নিদি ডাঙৰ দীঘল কৰা খুড়াক জানো আমাৰ এই ব্যৱস্থাৰ বিষয়ে জনোৱা হল?

বিনয় ঃ নাই খুড়াক এই সম্পৰ্কে কোনো কথাই জনোৱা হোৱা নাই আৰু যদি তেওঁ আমাৰ এই পন্থাৰ বিষয়ে জানেও তথাপিও তেওঁ আমাক একো নকৰে, বৰঞ্চ ভালেহে পাব।

মলয় ঃ কিন্তু ,কথাবোৰ যদি তই ভবাৰ দৰে নহয় তেতিয়া কি কৰিব? আমাৰ লগতে চিমি , পল্লৱী আৰু বিমানহতো অপমানিত হ'ব।

বিনয় ঃ (বাহিৰলৈ চাই) ঐ চাচোন চা । সৌৱা বিমান দা আৰু পল্লৱী বা আহি পালেহিয়েই ।

মলয় ঃ ঐ ভাইটি ,তই বাৰু মোক এটা সহায় কৰিব পাৰিবিনে?

বিনয় ঃ তোক জানো মই কেতিয়াবা সহায় নকৰাকৈ আছো। বাৰু, মই তোক কি সহায় কৰিব লাগিব কচোন?

মলয় ঃ পল্লৱী আৰু বিমানে যদি তোৰ কথা সোধে, তেন্তে মই ঘৰত নাই বুলি কব। আজি মই কিবা এটা প্ৰমান চাব বিচাৰিছো। নাপাহৰিবা কিন্তু (ভিতৰলৈ যায়)

বিনয় ঃ দাদাই বা আজি কি প্ৰমান চাব বিচাৰিছ ? বাৰু দেখা যাওকচোন।(বাহিৰৰ পৰা পল্লৱীয়ে মাত)

মলয় ঃ (নেপথ্যত) মলয় দা , অ মলয় দা ঘৰত আছানে?

বিনয় ঃ কোন? পল্লবী বা নেকি? আহা ভিতৰলৈ সোমাই আহা । (পল্লৱী আৰু বিমান ভিতৰলৈ সোমাই আহে)

বিমান ঃ (প্ৰৱেশ) অ' বিনয় ,ভালনে তোৰ?

বিনয় ঃ আছো আৰু যেনে তেনে । পিছে তোমাৰ?

বিমান ঃ মোৰ ভালেই।

বিনয় ঃ বাঃ পল্লৱী বৌ , বহুদিন তোমাৰ খা - খবৰেই নাই দেখোন?

পল্লৱী ঃ (আচৰিত হৈ ) কি?? কি বুলি কলা আকৌ এবাৰ কোৱাচোন।

বিনয় ঃ (থেৰোগেৰো কৰি) নহয় মানে , পল্লবী বা কি খবৰ তোমাৰ?

পল্লবী ঃ মোৰ গাটো বৰ ভাল নহয়। সেইবাবে এইকেইদিন এইফালে আহিবই পৰা নাই অ'।

বিমান ঃ তাই তো প্ৰথমে নাহো বুলিয়েই কৈছিল। কিন্তু মই মলয়হতৰ ঘৰলৈ যাম বুলি কোৱাত একেজাপেই বিছনাৰ পৰা নামিল।

পল্লবী ঃ আচৰিত মই বিহুৰ কথা বাবেহে বেমাৰী দেহাৰেই গুচি আহিলো । মলয়াহতৰ ঘৰলৈ অহাৰ কথা শুনি নহয় যা।

বিনয় ঃ বাৰু বাৰু সেইবোৰ বাদ দিয়া। পিছে আমাৰ চিমি কত?

পল্লৱী ঃ আমি আহোতে ঘৰত মাত দিছিলো।তাই বোলে আহোতে অলপ দেৰি হব।

বিমান ঃ গতিকে তাইক গজেনৰ লগতে আহিবলৈ কলো।

বিনয় ঃ কি?? চিমি গজেনৰ লগত আহিব।

বিমান ঃ তাই গজেনৰ লগত অহাত তোমাৰ কিবা আপত্তি আছে নেকি?

বিনয় ঃ নহয় মানে । তেনেকুৱা কোনো আপত্তি নাই । তথাপিও তাই গজেনৰ লগত ..........।

পল্লবী ঃ বাৰু বিনয় , মলয় দা ঘৰত নাই নেকি?

বিনয় ঃ অ দাদা ,সি ঘৰত নাই নহয়। তোমালোকেই বিচাৰি যাওঁ বুলি অলপ ওলাই গৈছে।

বিমান ঃ কতা আমি দেখোন আহোতে বাটত লগ নাপালো।

বিনয় ঃ অ হয়নেকি ? তেন্তে সি কলৈ যাব পাৰে? (অলপ ভাবে)

মলয় ঃ (কান্ধত ঢোল এটি লৈ ভিতৰৰ পৰা ওলাই আহে)

বিহুনাম ঃ ভৰ বিহুৰ দিনাখন জেৰেঙাত আছিলো।
ঐ মতা মইৰ ৰখীয়া ঐ হৈ ফুলপানী ছিগাতে ঢোলৰ মাত শুনিলোঁ
ঐ আৰু নাথাকিলো উৰ।

পল্লৱী ঃ বাঃ মলয় দা, তোমাৰ বিহুনাম শুনিলে শুনিয়েই থাকিবলৈ মন যায় অ।

বিমান ঃ পল্লবীযে ঠিক কথাই কৈছে মলয়। তহঁত দুই ভাতৃৰ এই প্ৰচেষ্টা এদিন সাৰ্থক হবই।

পল্লবী ঃ বিনয় , তুমি আমাক ইমান মিছা কথা কলা । তোমাক কিন্তু মই এনেকুৱা লৰা বুলি ভবা নাছিলো দেই।

বিনয় ঃ আচলতে পল্লবী বা , মোৰ কোনো ভুল নাই দাদাৰ কাৰণেহে । (মলয়ক উদ্দেশ্যি) ঐ দাদা তই নকৰ কিয়?

মলয় ঃ মানে পল্লবী , মই মানে মোলৈ তোমাৰ............।

পল্লৱী ঃ অ' বুজিলো তাৰমানে তোমাৰ মোৰ ওপৰত সেইকণো বিশ্বাস নাই।

বিমান ঃ ঐ বিনয় , তই আমাক ইয়ালৈ প্ৰেমলীলা চাবলৈ মাতি আনিছিল নে বিহুৰ আখৰা কৰিবলৈ।

বিনয় ঃ আহা দাদা,তঁহতৰ এই প্ৰেম-চেম পাছত কৰিবি এতিয়া মূল বিষয়বস্তুলৈ আহোঁ । কাৰণ এটা কথা মনত ৰাখিব যে খুড়া বজাৰৰ পৰা আহি পোৱাৰ আগতেই আমাৰ আখৰা সামৰিব লাগিব।

মলয় ঃ তই ঠিকেই কৈছ।নহলে সৰুতে খুড়াৰ হাতেৰে মাৰ খোৱা মনত আছে নহয়।

পল্লবী ঃ কিন্তু মলয়দা , ঘৰৰ মূৰব্বীজনক নজনোৱাকৈ এনেকুৱা এটা কাম হাতত লোৱাটো ভাল হৈছে জানো?

বিমান ঃ তহঁতে কোনেও চিন্তা কৰিব নালাগে ।কাৰণ মই ভালকৈয়ে জানো যে খুড়াই আমাৰ এই কৰ্মক কেতিয়াও নাকচ নকৰে। বৰঞ্চ খুড়াই ভালহে পাব।

পল্লবী ঃ তেনেহলে এই গুৰু দায়িত্বটো তোমাৰ হাততেই অৰ্পণ কৰিলো দেই।

বিমান ঃ ঠিক আছে বাৰু হব দে । বাৰু মলয়, তহঁতে বাৰু আমাৰ এই হুচৰিৰ আৰম্ভণি কেনেদৰে কৰিম বুলি ভাবিছ?

বিনয় ঃ বাৰু বিমান দা, আমাৰ এই হুঁচৰি দলটোৰ নাম ৰাংঢালী হুঁচৰি দল দিলে কেনে হব?

মলয় ঃ (আবেগিক হৈ) বিনয় তোৰ এই কথাটোৱে মোক হঠাতে আমাৰ গাৱঁৰ সেই ৰাংঢালী পেহীদেউলৈ মনত পেলাই দিলে।

বিমান ঃ সঁচাকৈয়ে অ' আজি এই পেহীদেউ জীয়াই থকা হ'লে আমাৰ গাওঁৰ ৰূপেই সলনি হৈ গলহেতেন। বাৰু বাদ দে সেই বোৰ এতিয়া। আমি প্ৰথমেতে কেনেদৰে আৰম্ভ কৰিলে ভাল বাৰু ।

মলয় ঃ যিহেতু আমি পুৰণি বিহুনামবোৰ সমগ্ৰ অসমীয়া সমাজত সিঁচৰিত কৰিবৰ বাবে এই আচনি হাতত লৈছো গতিকে আমাৰ ককাদেউতাহঁতৰ দিনৰ নামেৰে আৰম্ভ কৰিলে সকলোৱেই আদৰি লব।

পল্লৱী ঃ মইও সেই কথাকেই কম বুলি ভাবি আছিলো।

বিনয় ঃ হেৰি নহয় বৌ ।

পল্লৱী ঃ কি কি বুলি কলা ??

বিনয় ঃ ধেৎ তেৰি। নহয় মানে পল্লবী বা; আমি অলপ আখৰা কৰো। মানে তুমি একাপ চাহ বনাই লৈ আনা যোৱা।

পল্লৱী ঃ হ'ব বাৰু দিয়া (ভিতৰলৈ প্ৰস্থান)।

মলয় ঃ তেনেহলে মই আৰু ভাইটীয়ে ঢোলকে বজাওঁ আৰু বিমান তালযোৰকে ল।

বিনয় ঃ ঠিক আছে বাৰু।

মলয় ঃ তেন্তে মই নাম এযাৰ লগাই দিছো। তঁহতে ধৰি যাবি দেই।
বসন্তৰ ঐ জাননী, কুলি চৰাইৰ বিননি/গছৰ আগত কুঁহিপাত তাতে আছে ঢোলৰ মাত- (বিহু বিহু লাগিছে গাত।

নেপথ্যত ঃ (ঐ কোন কত আছ মোক বচা ঐ বচা; নহলে ইহঁতে মোক শেষ কৰিব এতিয়া। ঐ বলিন, ঐ মনেশ্বৰ দাইটি মোক বচাহি ; নহলে আজি সৰ্বনাশ হ'ব) -চিমি।

মলয় ঃ (বাহিৰৰ পৰা ভাঁহি অহা মাতটো শুনে আৰু ঢোল বজোৱা বন্ধ কৰে) ঐ বিমান তই বাৰু বাহিৰত কোনোবাই বচা বচা বুলি চিঞৰি থকা শুনিছনে?

বিমান ঃ ঐ তই পাগল হৈছ নেকি? এই ভৰ দুপৰীয়াখন তই কিনো আবোল তাবোল বকি আছ।

মলয় ঃ তই বিশ্বাস কৰ। মই নিজ কাণেৰেই শুনা পাইছো তই এই তালযোৰ বন্ধ কৰি ভালদৰে এবাৰ শুনি চা'চোন।

বিমান ঃ (ভালদৰে কাণ পাতি শুনে ) হয়তো; তই ঠিকেই কৈছ। (বিনয়ক উদ্দেশ্যি উচ্চস্বৰে)বিনয় ঐ বিনয়, বিনয়।

বিনয় ঃ বাপৰে তুমি কিন্তু একেবাৰে মানুহ ভয় খুৱাই মাৰিবা দেই । কি হ'ল কৰ'বাত জুই লাগিছে নেকি?

বিমান ঃ ঐ মুৰ্খ, কতো জুই লগা নাই। বাহিৰত কোনোবা বিপদত পৰিছে। তই বাৰু বাহিৰত কোনোবাই বচা বচা বুলি কৈ থকা শুনিছানে?

বিমান ঃ (ভালদৰে শুনে) আৰে, এইটো দেখোন আমাৰ চিমিৰ মাত; তাই নিশ্চয় কিবা বিপদত পৰিছে। মই যিকানো উপায়েৰে তাইক বচাবই লাগিব। আহা বিমান দা সোনকালে আহা(বিনয়ৰ প্ৰস্থান)

বিমান+মলয়ঃ ঐ ব'ল ব'ল (যাবলৈ লওতেই ভিতৰৰ পাৰ হাতত চাহ কাপ লৈ পল্লৱীৰ প্ৰৱেশ)

পল্লৱী ঃ ৰ'বা ৰ'বা; তোমালোক আকৌ কলৈ যোৱা ? গৰম চাহ নোখোৱা নেকি? আৰু ই বিনয় ক'ত?

মলয় ঃ পল্লৱী , আমাৰ এতিয়া চাহ খাবলৈ অলপো সময় নাই; বাহিৰত সাংঘাটিক কাণ্ড ঘটি

আছে। গতিকে আমি আহিছো, চাহ পিছত খাম। ব'ল বিমান।

বিমান ঃ ব'ল ব'ল দেৰিয়েই হৈছে। (বিমান আৰু মলয়ৰ প্ৰস্থান)

পল্লৱী ঃ ইহঁতৰ কি হৈছে ; মোক চাহ আনিবলৈ কৈ চাহো নাখালো. এহ মই হ'লে একোডাল বুজি পোৱা নাই দেই । সিহঁতে নাখালে যেতিয়া মোৰ চাহকাপকেই খাই লওঁ। (পল্লৱীয়ে চাহ কাপ খাব লওঁতেই ভিতৰৰ পৰা খুড়াই মাতে)

নেপথ্যত ঃ ডাঙৰ বোপা, অ 'ডাঙৰ বোপা মোলৈ পানী এগিলাছ আনছোন; বৰ পিয়াহ লাগিছে ঐ।

পল্লৱী ঃ (আচৰিত হৈ) অ' এয়া দেখোন মলয়দাৰ খুড়াকৰ মাত; কিন্তু মাতটো ভিতৰৰ পৰা আহিছে। অ' তাৰমানে খুড়াই পাছফালেৰ বাৰীয়েদি আহি একেবাৰে ভিতৰ সোমালেহি।

খুড়া ঃ (নেপথ্যত) আও ঐ ডাঙৰ বোপা , আজি তোৰ পানী এগিলাছ দিওতে ইমান সময় লাগেনে? ঐ সৰু বোপা ই ডাঙৰ বোপা ঘৰত নাই নেকি অ'?

পল্লৱী ঃ (ভয়ৰ সুৰেৰে) এতিয়া কি কৰো মই ?হে ভগৱান এই অভাগিনীক ৰক্ষা কৰা । বিনয়ৰ খুড়াকে যদি আমি বিহুৰ আখৰা কৰিবলৈ আহিছো বুলি কেনেবাকৈ জানে? তেনেহলে আজি ইয়াত ঢোলৰ মাৰিৰ সলনি লাঠীৰ কোবহে পৰিব। তাৰ আগতেই ইয়াৰ পৰা পলোৱাই ভাল হ'ব।(পল্লৱী বাহিৰলৈ যাবলৈ লয়)

খুড়া ঃ (প্ৰৱেশ) ঐ ছোৱালী , কোন তই ? ব্ৰেক মাৰ বুলিছে নহয় ব্ৰেক মাৰ। (খুড়াকৰ মাত শুনি পল্লৱী ঘুৰে) এয়াহে গুণী ছোৱালীৰ লক্ষণ ।

পল্লৱী ঃ (থেৰোগেৰো কৰি মিচিকিয়া হাঁহি মাৰে) মইহে খুড়া । মই ধনীৰামৰ একমাত্ৰ জীয়ৰী পল্লৱী।

খুড়া ঃ অ' তইহে ; মই আকৌ ভাবিছিলো এই তিনিটাকৈ এই তিনিটাকৈ দমৰা থকা ঘৰখনত চেউৰী এজনী কৰপৰা ওলালহি। পিছে আই তই এই ভৰ দুপৰীয়াখন আমাৰ ঘৰলৈ কি বা সকামত আহিলি?

পল্লৱী ঃ নহয় মানে খুড়া ; মই মানে আচলতে .................।

বিনয় ঃ চাল্লা নিলাজৰ জাত । আজি দাদা আৰু বিমান দা নোযোৱা হ'লে মই সিহতঁক শেষ কৰি দিলোহেতেন।

চিমি ঃ আহহা বিনয়া ; তুমি ইমান অধৈৰ্য নহবাচোন।(দুয়োৰে হঠাতে খুড়াক দেখি থমকি ৰয়)

পল্লৱী ঃ চিমি , তুমি বাৰু ঠিকেই আছা নহয়। বাৰু বিনয় ,বিমান দা আৰু মলয় দা নাহিলে নেকি?

বিনয় ঃ তুমি একো চিন্তা নকৰিবা ; কাৰো একো হোৱা নাই আৰু সিহত দুয়োটাই সেই লম্পট দুটাক ইয়ালৈ লৈ আহি আছে।

খুড়া ঃ সৰু বোপা, তই কোন দুটা লম্পটৰ কথা কব বিচাৰিছ ? কেনেবাকৈ আমাৰ গাৱঁৰ অবিনাশ আৰু মনোজ নহয়তো।

বিনয় ঃ হয় খুড়া, সিঁহত দুয়োটাই আজি চিমিৰ সত্বীত্ত হানী কৰিবলৈ লৈছিল। চিমি সৌভাগ্য যে ঘটনাটো আমাৰ ঘৰৰ ওচৰত পথাৰৰ দাঁতিত ঘটিবলৈ লোৱাৰ বাবেই আমি কথমপি তাইৰ প্ৰাণ ৰক্ষা কৰিছো।

চিমি ঃ হয় খুড়া, আজি মলয় দা, বিনয় বা বিমান দা'ই মোৰ প্ৰাণ ৰক্ষা নকৰা হ'লে আজি মোক সিঁহতে শেষ কৰি দিলেহেঁতেন।

খুড়া ঃ অ' তাৰ মানে কথা সেইটোহে। ৰ' আহক আজি সেই লম্পট দুটা, আজি গাঁৱৰ সকলো ৰাইজক মাতি আনি সকলোৱে কিবা এটা বিচাৰ বিবেচনা কৰি সিঁহতক উচিত শাস্তি দিয়াব লাগিব। তেতিয়াহে যদি দুয়োটাৰ স্বভাৱ-চৰিত্ৰ সলনি হয়।

পল্লৱী ঃ ৰ'বাচোন খুড়া, আগতে সিঁহতক আহি লবলৈ দিয়ক।(বাহিৰলৈ চায়) অ' সৌৱা সিঁহত আহি পালোহিয়েই। (খুড়া অলপ আগবাঢ়ি যায়)

খুড়া ঃ ইমান ভাল ল'ৰাকেইটা কাৰ প্ৰভাৱত বাৰু ইমান বেয়া হ'ল। (মলয় আৰু বিমানৰ প্ৰৱেশ)।

মলয় ঃ (প্ৰৱেশ) ঐ বিমান, চাবি সিঁহত পলাই যাব পাৰে (বিমানে ঠেলা মাৰি দুয়োটাকে পেলাই দিয়ে)

বিমান ঃ ইহঁত দুয়োটাইতো ইতিমধ্যেই আধা বোনাচ পাই গৈছে আৰু আধাকে বাকী।

বিনয় ঃ অতি সোনকালেই ইয়াতেই সেই আধা শতাংশ বোনাচ ইহঁতক দিয়া হ'ব আৰু সেই আধা অংশ দিম মই।

অবিনাশ + মনোজ ঃ- (চিমিক উদ্দেশ্যি) আমাক ক্ষমা কৰি দিয়ক বাইদেউ, আমাৰ ভূল হৈ গ'ল।

খুড়া ঃ ভুল হৈ গ'ল। নৰপিশাচসব, তঁহতৰ দৰে কিছুমান ভতুৱা কুকুৰৰ বাবেই আজি আমাৰ অসমীয়া কৃষ্টি-সংস্কৃতি





ৰসাতলে গৈছে। তঁহতে বাৰু কি অভাৱৰ তাড়নাত ভুগি আজি এনেধৰণৰ দুস্কাৰ্য্যত লিপ্ত হ'বলগীয়া হ'ল মোক ক'চোন।

বিনয় ঃ ইমান মৰমেৰে সুধিলে ন'হ্‌ব। ইহঁতে ভালদৰে দুকোবমান পালেই সকলো কথা খুলি কৈ দিব।

পল্লৱী ঃ তুমি ঠিক কথাই কৈছা বিনয়।

খুড়া ঃ আচ্ছা পল্লৱী, মই বাৰু তোমাক কিবা এটা সুধি আছিলো নেকি?

মলয় ঃ আচলতে খুড়া, আমি মানে বৰ্তমানৰ অসমীয়া সমাজখনক আমাৰ ককা-আইতাঁহতৰ দিনৰ পুৰণি বিহুনাম সৰ্ম্পকে জনাই সচেতন কৰি তুলিব বিচাৰিছো আৰু আমি ভাবিছো যে..........

খুড়া ঃ হ'ব হ'ব মোক আৰু বুজাব নালাগে, মই সকলো বুজিছো আৰু এই সমগ্ৰ বিষয় বস্তুটো সম্বন্ধে ৰাতিপূৱা বজাৰলৈ যাওঁতে বাটতে চিমিৰ দেউ তাকে লগ পাই জনাইছে।

বিনয় ঃ ওহ, এতিয়াহে অন্তৰখনে অলপ শান্তিৰ নিশ্বাস লৈছে।

বিমান ঃ মইতো আজি মোৰ পিঠিত লাঠীৰ কোব পৰাটো খাটাং বুলি ভাবিয়েই লৈছিলো।

অবিনাশ ঃ আপোনালোকে কি লাঠীৰ কো ব দিয়া ৰ কথা কৈছে আমাক ক'বনেকি?

মনোজ ঃ ঐ অবি, আমাৰ দুইটাকে দিয়াৰ কথা ভবা নাইতো।

বিনয় ঃ তই ঠিক কথাই ভাবিছ মনোজ।

চিমি ঃ ইহঁত দুয়োটাৰে হাত-ভৰি ভাঙি পেলাব লাগে।

বিমান ঃ আজি তঁহতৰ পিঠিত যে কিমান লাঠীৰ কোব পৰিব।

পল্লৱী ঃ এই লম্পট কেইটাক পাব্লিক ধুলাই দিওৱাটোহে ভাল হ'ব যেন পাঁও।

মলয় ঃ মই কিন্তু তাতকৈও অলপ কঠোৰ শাস্তি দিয়াৰ কথাহে ভাবিছো।

মনোজ ঃ মলয়দা, আপোনাৰ ভৰিত ধৰি কৈছো দয়া কৰি আমাক এনে শাস্তি নিদিব। আমি আপোনালোকক সকলো কথা ক'ম।

অবিনাশঃ আমি আপোনালোকক সকলো কথা খুলি কম মলয় দা।

বিনয় ঃ তেতিয়াহ'লে ক' তঁহত ইমান গুণী-জ্ঞানী ল'ৰা দুটাই কাৰ প্ৰৰোচনাত পৰি দুস্কাৰ্যত লিপ্ত হ'বলগীয়া হৈছে।

মলয় ঃ আৰু যদি নকৰ............।

মনোজ ঃ কৈছো মলয় দা কৈছো। ঐ মুৰ্খ নকৰ কেলেই, নহলে পিঠিত ডবা বাজিব এতিয়া।

অবিনাশঃ আচলতে আমি দুয়োটা যোৱা তিনিবছৰ আগতে গাঁৱৰ সকলো ৰাইজে মিলিজুলি গোৱা হুঁচৰিযোৱাত থাকোতে ঠিকেই আছিলো। কিন্তু.....

বিমান ঃ কিন্তু বুলি কৈ ৰৈ গ'লি যে।

খুড়া ঃ সিঁহতক আগতে কবলৈ দেচোন।

অবিনাশঃ কিন্তু, যেতিয়াৰে পৰা আমি গাৱঁৰে সম্ভ্ৰান্ট ব্যক্তি ৰবিশংকৰ চলিহাৰ জীয়েক কৃষ্ণাংগীক বৰবিহুৱতী নচুৱাবলৈ আৰম্ভ কৰিলো, তেতিয়াৰ পৰাই আমি.....

বিনয় ঃ চলিহাদেৱৰ ধন সম্পতিৰ লোভত পৰিলি আৰু এই ধনৰ মোহ সামৰিব নোৱাৰি তঁহতে শৈশৱৰ পৰা ধূলি-বালি খেলি ডাঙৰ হোৱা এই বিনয় ৰু মলয়কো পাহৰি যাব পাৰিলি।

মনোজ ঃ চিমি বাইদেউ, আচলতে আজি যদি আমি আপোনাক এটা কথা নকঁও, তেন্তে আমি চিৰদিন দোষী হিচাপে সমাজত প্ৰতিস্থিত হ'ম।

চিমি ঃ কি ক'ব বিচাৰিছ? সোনকালে ক' আমাৰ আখৰা আৰম্ভ কৰিব লাগে

মনোজ ঃ অ' তাৰমানে সি চহৰৰ ছোৱালীবোৰতে ক্ষান্ত নাথাকি আমাৰ এই সোণসেৰীয়া পদুমণি গাঁৱতো হাত দিবলৈ ধৰিলে।

অবিনাশঃ তাৰ উদ্দেশ্য এটাই যে যিকোনো উপায়েৰে এইবাৰ সদৌ অসম বৰ বিহুৱতী আৰু হুঁচৰি প্ৰতিযোগিতাক জেকিৰ হাতৰ মুঠিলৈ অনাৰ।

মলয় ঃ জেকি জেকি জেকি। এই জেকি নামটোৱে আজি মোক পাগল কৰি পেলাইছে। ইয়াক আজি সন্মুখতে পোৱা হ'লে মুছৰি পেলালোহেঁতেন।

পল্লৱী ঃ জেকি। তাক কৈ দিবি যে কেৱল ধন সম্পতি থাকিলেই মানুহ প্ৰভাৱশীল নোৱাৰে। প্ৰকৃততে এজন মানুহ হ'বলৈ হ'লে এটা নিকা মন আৰু এখন সুবিশাল আৰু মুক্ত হৃদয়ৰ অধিকাৰী হব লাগিব।

খুড়া ঃ তঁহতৰ যদি আৰু কিবা ক'বলগীয়া আছে, তেন্তে আজি ইয়াতেই ক'ব লাগিব।

মনোজ ঃ কম খুড়া, আজি সকলো মনৰ কথা খুলি কম, কাৰণ আজি আমি এখন সপোনৰ পৃথিৱীৰ পৰা বাস্তৱ জগতখনত ভৰি দিবলৈ সুযোগ পাইছো।

অবিনাশঃ হয় খুড়া, আচলতে যোৱা

দুবছৰে সদৌ অসম ভিত্তিত অনুষ্ঠিত হোৱা বৰবিহুৱতীৰ খিতাপ পাবলৈ কৃষ্ণাংগীৰ ককায়েক তিনিওজন বিচাৰককে নগদ তিনিলাখ টকা দিয়া আমি নিজ চকুৰেই দেখিছো।

বিমান ঃ দুৰ্নীতি। মই আগতেই জানিছিলো যে আমাৰ চিমিয়ে ইমান Perfect কৈ নচাৰ স্বত্বেও কিয় বৰ বিহুৱতী নহ'ল।

খুড়া ঃ আ চলতে কি জান' বৰ্তমানৰ এই পৃথিৱীখনেই সম্পূৰ্ণৰূপে সলনি হৈ গ'ল। আমাৰ দিনৰ সেই 'অহিংসা পৰম ধৰ্ম'নীতিৰ যুগ আৰু এতিয়া নাই। আদি ককাইদেউ আৰু বৌদেউ দুজন সৎ আৰু নিষ্ঠাবান সমাজকৰ্মী এই পৃথিৱীত থকাহেঁতেন ইয়াৰ বিৰুদ্ধে প্ৰতিবাদ জনালেহেঁতেন।

মলয় ঃ খুড়া, মা আৰু দেউতাৰ কথা ক'লেই কোৰ আজিও শিশু অৱস্থাতেই দেখা সেই নৃশংস দৃশ্যটো চকুৰ আগত জলজল-পটপটকৈ ভাঁহি আহে।

বিনয় ঃ খুড়া, আমি বাৰু এই নৰপিশাচবোৰক আমাৰ এই সেউজ পৃথিৱীৰ পৰা একেবাৰে আতঁৰাই পেলাব নোৱাৰোনে?

খুড়া ঃ একে লাভ নাই, কাৰণ তেওঁলোকে বৃহৎ বৃহৎ বিলাসী অট্টালিকাত বাস কৰে আৰু আমি থাকো এটি সৰু পঁজাত।

বিমান ঃ (হাতযোৰ কৰি) হে ভগৱান, আমাৰ এই সেউজীয়া ধৰণীখন বাৰু কেতিয়াবা হত্যা, হিংসা, লুণ্ঠন আৰু দুৰ্নীতিৰ পৰা মুক্ত হ'বনে? আজিৰ এই ম্ৰিয়মান পৃথিৱীখনৰ পৰা ধনী আৰু দুখীয়া শ্ৰেণীৰ ভেদাভেদ নোহোৱা হ'ব কেতিয়া?

অবিনাশঃ মলয় দা, চিমি বাইদেউ আপোনালোকে বাৰু এইবাৰৰ বাবে আমাক ক্ষমা কৰি দিবনে?

বিনয় ঃ বন্ধুৱে বন্ধুক জানো কেতিয়াবা ক্ষমা ভিক্ষা কৰে?

মনোজ ঃ আমি বাৰু আপোনালোকৰ সৈতে অসমীয়া সমাজৰ জাতীয় চেতনাক জাগ্ৰত কৰাৰ হকে কাম কৰিব পাৰিমনে?

মলয় ঃ তোমালোকৰ বাবে আমাৰ দুৱাৰ সদায়েই খোলা আছে আৰু ভৱিষ্যতেও খোলা থাকিব।

খুড়া ঃ আহা মোৰ ল'ৰাহঁত আজি আমি সকলোৱে অসমীয়া জাতি আৰু কৃষ্টি সংস্কৃতিক এক নতুন ৰূপত সজাই তুলিবৰ বাবে সংকল্পবদ্ধ হঁও আৰু এখন নতুন, নিকা পৃথিৱী গঢ়ি তোলো।

পল্লৱী ঃ আমি সকলোৱেই অসমৰ জাতীয় চেতনাক জাগ্ৰত কৰি তুলিম বুলি প্ৰতিশ্ৰুতিবদ্ধ হৈছো খুড়া।

বিমান ঃ বাৰু খুড়া, আমাৰ বাংঢালী হুঁচৰি দলটো গঠন হ'ল। কিন্তু আমি হাত লোৱা এই কৰ্ম সফলভাৱে ৰূপায়ন কৰিব পাৰিমনে?

খুড়া ঃ তঁহতে যদি সকলোবোৰ কাম নিষ্ঠাৰে আৰু নিয়াৰিকৈ কৰি যাৰ, তেন্তে তঁহত এদিন সফল হবিয়েই আৰু দেখিবি অবিনাশ, মনোজ, ৰবিশংকৰ চলিহাৰ দৰে আৱৰ্জনাৰে পৰিপূৰ্ণ লোকসকলেও এদিন এখন নিকা পৃথিৱী গঢ়ি তুলিবলৈ আগবাঢ়ি আহিব।

বিমান ঃ আশীৰ্বাদ কৰিব খুড়া, আমি যেন এই ধুলি মাকতিৰে পোত খাই থকা অসমীয়া সমাজখনৰ সকলোবোৰ মলিয়ন আৰ্তঁৰাব পাৰো।

অবিনাশঃ আমিও আপোনাক কথা দিছো খুড়া, বীৰ লাচিতৰ এই সোণত সুৰগা অসমখনি পুনৰ সোণালী ৰূপেৰে জিলিকাই তুলিম।

খুড়া ঃ তেন্তে আমি আজি সকলোৱে ঢোল, পেঁপা, গগনা লৈ আমাৰ বাপতি সাহোন বিহুটিক এক নতুন সাজেৰে আদৰো।

মনোজ ঃ ঐ মলয়, গতিকে আজি আমি সকলোৱেই এখন নতুন আৰু দুৰ্নীতিমুক্ত পৃথিৱী গঢ়াৰ আনন্দতে এপাক নাচো।

খুড়া ঃ ঐ পৰহিলৈ জানো বিহুৰ উৰুকা নহয়, গতিকে সোনকালে যদি আখৰা আৰম্ভ নকৰ, তেন্তে তঁহতে আধুনিকতাই গ্ৰাস কৰি তোলা সমাজখনত অসমীয়াৰ জাতীয় চেতনাবোধ কেনেকৈ জগাই তুলিবি? ঐ ল' ঢোল ল' মোৰো বিহু গাবৰ খুব মন গৈছে অ' (সকলোৱে ঢোল, তাল, পেঁপা লয়)

বিনয় ঃ আইজৈ.................

(ঢোল, পেপাৰ লহৰ)

(সকলোৱেই ফ্ৰিজ হৈ যায়)





# হ'লিডে (Holiday)

**ৰচনা ঃ বিতোপন বৰুৱা**

**চৰিত্ৰসমূহঃ**
মৃণাল (সোণ), ১৯ বছৰ।
জয়ন্ত (২১ বছৰ)
দিগন্ত (২১ বছৰ)
বিপ্লৱ (২১ বছৰ)
প্ৰজ্ঞান (১৯ বছৰ)
ৰুবী (বন কৰা মহিলা, ৩৫ বছৰ)
কুশল (মৃণালৰ দেউতাক)

(মহাবিদ্যালয়ৰ Boys hastal ৰ এটা তিনিখন বিচনাযুক্ত কোঠা। বিশৃংখল পৰিবেশ। বিচানাৰ কাষত একোখনকৈ টেবুল। টেবুলত কিতাপ আৰু বিচনাত কাপোৰৰ দ'ম দেখা যাব।)

( আঁৰ কাপোৰ উঠাৰ লগে লগে দেখা যাব তিনিজন লৰা- মৃণাল, জয়ন্ত আৰু প্ৰজ্ঞান। মৃণালে কিতাপ পত্ৰ ঠিক কৰিব আৰু জয়ন্ত আৰু প্ৰজ্ঞানে চিএৰ-বাখৰ কৰি মবাইলত কিবা পৰ্যবেশন কৰা দেখা যাব। ৰুবীয়ে ঝাড়ু আৰু বাস্কেট এটা লৈ সোমাই আহে।)

**ৰুবী** ঃ (খং আৰু উত্তেজনাৰে) আই ঐ....তঁহতি বাৰু মানুহ হয়নে নহয় অ? কালি চাফা কৰি নিয়া ৰুমটো কি কৰি পেলালি অ? এইহেন কেইটা মস্ত মস্ত জ্ঞানী গুণী লৰা ৰুমটোও পৰিষ্কাৰকে থব নেজাননে?

**মৃণাল** ঃ খুৰী মই...মই চাফা কৰিম বুলি ভাবিয়েই আছিলো ভাবিলো টেবুলখনকে প্ৰথম ঠিক কৰি লও।

**ৰুবী** ঃ ই ফালে পেকেট, সিফালে পেকেট , গাৰুৰ তলতো পেকেট, বিচনাৰ তলতো পেকেট , তুচকৰ তলতো পেকেট, কিতাপৰ মাজতো পেকেট। মৰিবলৈ আৰু বেছি দিন নাই। হেৰৌ ভয় বাৰু নালাগেনে অলপো। (নাক কোচাই) ভেকেটা ভেকেট গোন্ধোৱাবোৰ পাগুলি থাক যে অনবৰতে, নিজৰ দেহটোৰ কথাকে ভাবিবি অলপ। নহলে মাৰ বাপেৰৰ কথাকে ভাবিবি অলপ। (প্ৰজ্ঞান আৰু জয়ন্তই বিকট হাঁহি এটা মাৰে। মচগুল হৈ থকাৰ ইহতে খুৰীৰ উপস্থিতি উমানেই পোৱা নাই।)

**ৰুবী** ঃ (জয়ন্ত আৰু প্ৰজ্ঞানৰ ওচৰলৈ গৈ) দেখিছনে ইহঁতক কোনো ৰূণ সাৰ নাই, আৰু এই মবাইলকেইটা , এইকেইটাই সকলো ধ্বংস কৰি দিছে। ল (ডাঙৰকৈ) শুনিছনে?

(প্ৰজ্ঞান চক খাই উঠে)

**প্ৰজ্ঞান** ঃ ইমান ডাঙৰকৈ নিচিঞৰিবলেও হয় দেখোন। আই ঐ কাণখন ফাটিয়েই গ'ল একেবাৰে।

**মৃণাল** ঃ খুৰীয়ে কৈছে ইমান গুটখাৰ পেকেট কিয় আহিছে? মইতো এইবোৰ নাখাও এ। তোমালোকক কলেও নুশুনা।

**জয়ন্ত** ঃ (খঙ আৰু ঠাট্টাৰে )বাদ দে এইবোৰ। ইমান দিনে খাই মৰিছো জানো। (খুৰীক উদ্দেশ্যি) ঐ চাকৰনী , তই কাম কৰিবলৈ আহিছ কাম কৰ। Level চা তাইৰ। এনেয়ে timeবোৰ আৰু মুৰটো খাই নেপেলাবি।

**মৃণাল** ঃ খুৰীয়ে ঠিক কথাই কৈছে।

**ৰুবী** ঃ মোৰো সন্তান আছে। তহঁতকো মই নিজৰ সন্তান বুলিহে কওঁ। হ'ব পাৰো চাকৰ কিন্তু মোৰো নিজস্বতা আছে। তহঁতৰ দৰে পঢ়া-শুনা কৰিবলৈ অলপ হলেও সুবিধাকণ পোৱা হলে............(কান্দে) জয়ন্ত বেয়া নাপাবি। মই আজিৰ পৰা একো নকওঁ বাৰু দে।

**মৃণাল** ঃ খুৰী...............।

**ৰুবী** ঃ বহু কথা নাজানিব পাৰোঁ বা তঁহতৰ দৰে শিক্ষিত নহব পাৰো, সেইবুলি মই চকুৰ আগতে কাৰোবাক বেয়া হৈ যোৱাটো বা ধ্বংস হৈ যোৱাটো সহ্য কৰিব নোৱাৰো।

(প্ৰস্থান)

**মৃণাল** ঃ তোমালোকে খুৰীক এনেকে কব নেলাগিছিল। তেওঁ বৰ অমায়িক। তেওঁ বেয়া কথা কোৱা নাছিল নহয়।

**জয়ন্ত** ঃ কি তেনেকে ক'ব নালাগিছিল। ভদ্ৰ হ'ব আহিছে চা। ঐ junior, junior হৈ থাক। ভদ্ৰতা কাক বোলে থই মোক শিকাব নালাগে।

**প্ৰজ্ঞান** ঃ (মৃণালৰ ওচৰলৈ আহি) যা তই (ঠাট্টাৰে), যা যা মাৰক সান্ত্বনা দেগৈ।

**জয়ন্ত** ঃ (উচ্চ স্বৰেৰে) আমাৰো ভাল লগা বেয়া লগা কথা আছে। মা- পাপাৰ পৰাই একো কথা শুনা নাই আৰু এই চাকৰণীৰ মুখৰ পৰা শুনিম?( তাচ্ছিল্য হাঁহি মাৰি) হহ......................।

**মৃণাল** ঃ এজন শিক্ষিত হিচাপে আপুনি জানো উচিত কথা কৈছে?

**জয়ন্ত** ঃ (খঙেৰে) Hostal ৰ নিয়ম অমান্য কৰিলে কি হ'ব পাৰে তোকটো আৰো নতুনকৈ শিকোৱাৰ প্ৰয়োজন নাই। আমাৰ লগত থাকিলে বাল্মিকী হবলৈ চেষ্টা নকৰাই শ্ৰেয়। প্ৰজ্ঞান তই বুজাই দে ইয়াক মদৰ গোন্ধ আৰু কিতাপৰ গোন্ধৰ মাজৰ পাৰ্থক্য ক'ত........(প্ৰস্থান)।

**প্ৰজ্ঞান** ঃ চা মৃণাল , জয়ন্ত দা হঁত আমাৰ Senior সন্মান কৰিবি , বুইছ সন্মান।

**মৃণাল** ঃ Senior হ'ল বুলিয়েই ধ্বংস হ'বলৈ কলেই মই শেষ হৈ যাম নেকি? আচলতে তোক দেখিও আচৰিত লাগে জাননে? দুটা মাহতে কেনেকৈ সলনি হৈ গ'লি। কাক দোষ দিম এতিয়া সময়ক নে সংগক নে আন কিবাক। সময়ে সলনি কৰিলেনে তোক, নে তই সময়ক সলনি কৰি নতুন সভ্যতাৰ লেতেৰা পৃথিৱীখনৰ ,তে খোজ মিলাইছ?

**প্ৰজ্ঞান** ঃ হে বাদ দে এইবোৰ কথা । হোষ্টেলত আছো যেতিয়া মিলিবটো লাগিবই ন?

# শ্লোগান ঃ বিমুদ্ৰাকৰণ

## পুৰস্কাৰ শিতান

**প্ৰথম স্থানপ্ৰাপ্ত**

"প্ৰগতি যদি লাগে, নকৰিবা ক্ষোভ
বিমুদ্ৰাকৰণেহে আনিব দেশৰ সুখ।"

*বিতোপন বৰুৱা*
*ষষ্ঠ যান্মাসিক, পদাৰ্থ বিজ্ঞান বিভাগ*



**দ্বিতীয় স্থানপ্ৰাপ্ত**

"বিমুদ্ৰাকৰণে দেশ কঁপালে
সাঁচতীয়া ধন বাহিৰলৈ আনিলে।"

"ক'লাধনৰ গৰাকী সজাগ হোৱা
মোদীৰ আহ্বান মানি লোৱা।"

*এনিশা শৰ্মা*
*স্নাতক ষষ্ঠ যান্মাসিক, শিক্ষা বিভাগ*

**তৃতীয় স্থানপ্ৰাপ্ত**

" আনৰ সমস্যা সমাধান কৰক
দেশৰ সংকট দূৰ কৰক।"

"জনগণৰ সমস্যাত চকু দিয়ক
অৰ্থনীতিক সুস্বচ্ছল কৰক
বিমুদ্ৰাকৰণ বন্ধ কৰক
বন্ধ কৰক।"

**নিকিতা চেতিয়া**
স্নাতক ষষ্ঠ ষান্মাসিক





# আবেলিৰ দুটা অধ্যায়

**ৰূপ্পী গগৈ**
ষষ্ঠ ষাণ্মাসিক, জীৱ বিজ্ঞান বিভাগ

(১)

মোৰ বুকুত বান্ধি থোৱা
তেজাল বেলিটো,
লুকুৱাই থ'বলৈ,
সোণ (পুত্ৰ) আছে......
প্ৰতাৰণা কৰিবলৈ ঘড়ীটোক
লুকুৱাই ৰাখিছিলো হাতৰ মুঠিত...
তথাপি উঠি যায়.....
আজি আকৌ মন গৈছে
লেচেৰী বুটলি,
দুটকা লবলৈ,
আইৰ হাতৰ পিঠা খাবলৈ....
নিয়ৰৰ তিতা বকুল বুটলি
চেংগুটি, ঢোপৰ আমেজ খুচৰি
কিন্তু.........
এতিয়া যে আবেলি
পকা নৰাৰ গোন্ধ পাইছো
বেলিটো লহিয়াই যাওঁতে।

(২)

সোণটোক বৰশী বাবলৈ নিশিকালো
কেতিয়ানো.........
পাৰ হৈ গ'ল ঘড়ীৰ দণ্ড
তাৰ অকণমানি আঙুলি কিটাৰ ফাকেৰে
জাপ দিয়া গামোচাৰ অভজা গোন্ধ সি কেতিয়াও নাপালে..
চিঞৰি মাতি সকলো দি যাম
কিন্তু............
এতিয়া যে আবেলি..
কুৱঁলীৰ ধূলিত ধূসৰ মোৰ
উদ্দীপনাৰ সৰাপাত....।।
আবেলিবোৰত প্ৰভাতী নাহে
মোৰ সাজ লগা বেলিত
আবেলি বৰ খৰকৈ নামিছে।



# আবেলি

**এনিশা শৰ্মা**
ষষ্ঠ যাণ্মাসিক, শিক্ষা বিভাগ

লুইতৰ বালিচৰত বহি সেইদিনা চাইছিলো
আবেলিৰ হেঙুলীয়া সূৰুয।
বিদায় লগ্নৰ এমুঠি সেন্দুৰীয়া আভাই
মোৰ দুগালত সানিছিলো আবেলিৰ ৰঙ।
ৰূপালীৰ ডাৱৰৰ আঁৰে আঁৰে
জিলিকি উঠিছিল হাইতালৰঙী কিৰণ
নিসংগতাৰ সময়বোৰ আঁতৰি গৈছিল
আৰু সূৰ্যৰ পোহৰে উদাসহীনভাৱে কৈছিল

বিদায় বেলাৰ এটি গল্প.......।
হেৰাই যোৱা প্ৰভাতী সূৰুয
পশ্চিমাকাশত জিলিকি উঠিছিল
এটি ৰৌদ্ৰুজ্জল শিখা হৈ
আৰু আবেলিৰ নিস্তব্ধতাই জগাই তুলিছিল মোৰ
হেৰুৱা সোঁৱৰণীৰ সুৰ............ ।

নীলিম আকাশত উৰি গৈছিল
ঘৰমুৱা পখীৰ জাক
আৰু উদং পথাৰৰ বুকুত
কণমানিহঁতৰ কোলাহলত
সাৰ পায় উঠিছিল..........
নিথৰ দুবৰি.......... ।

ৰঙা-নীলা চিলাই ৰঙীন কৰিছিল
সেন্দুৰীয়া বাকৰি
আকৌ এবাৰ নৱদিনৰ পদুলিত
লগ পোৱাৰ প্ৰতিশ্ৰুতিৰে
মেলানি মাগিছিল এটি মনোৰম আবেলিয়ে..।
অস্তমিত সূৰুযে বিদায় মাগিছিল
মোৰ মন দাপোনত এৰি থৈ এটি নিভাঁজ আবেলি।

## আবেলি

**পল্লৱী ফুকন**
দ্বিতীয় ষাণ্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ

সেইদিনা তুমি আহিছিলা
কেতিয়া ......... ??
পূব আকাশৰ ৰঙাবেলিটিয়ে
যেতিয়া
মেলানি মাগিছিল............
আৰু এটি সুন্দৰ আবেলিৰ
সৃষ্টি কৰিছিল।
আবেলিৰ মধুৰতম সময়ত
দুয়ো লগ পাইছিলো।
কথা হৈছিল যুগ-যুগান্তৰৰ।
বিশ্বায়নৰ পৃথিৱীৰ পৰা নিলগৰ
এটা আবেলি।
য'ত দুখন হিয়াৰ মিলন হৈছিল।
আকাশৰ পৰিসীমা ভেদি মহাকাশ
পাইছিল।
মনৰ কল্পনাবোৰ পাখি মেলি
উৰি গৈছিল।
কেতিয়া...??
আকাশত বেলি মাৰ গৈ সৃষ্টি কৰা
এটা মধুৰতম আবেলিত।

## আবেলি

**সুজিতা ওৰাং**
ষষ্ঠ ষাণ্মাসিক, শিক্ষা বিভাগ

তোমাৰ হাতৰ আঙুলি ধৰি
এখুজি দুখজি কৈ খোজ
কাঢ়িব শিকিলো..
তোমাৰ পৰাই জীৱনৰ
আদি পাঠৰ জ্ঞান পালো,
দেউতা ...
তুমি সূৰুযৰ ৰাঙলি আভা..
পূবত উদয় হোৱা ৰদালিয়ে
গোটেই পৃথিৱীখন উদ্ভাষিত কৰাৰ
দৰে তুমিয়ো মোৰ জীৱনত সুখৰ
এজাক সপোনৰ, ৰং সানিছিলা,
দেখুৱাইছিলা ন ন সপোন ৰচিব,
প্ৰেৰণা দিছিলা শত্ৰুৰ হৃদয় জিনিব,
শিকাইছিলা পৃথিৱীত জীয়াই থাকিব,
তুমিযে দিছিলা অসীম সাহস,
তুমিযে দিছিলা জীয়াৰ থকাৰ নতুন উদ্যম,

কিন্তু,
আজি যে মই অকলশৰীয়া
নোৱাৰো দেউতা, মই আৰু নোৱাৰো,
পৃথিৱীখন যে ইমান নিষ্ঠুৰ , নিৰ্দয়শীল।
জীৱনৰ খোজে খোজে
সহিব লাগিছে বহুতো ধমুহা।

মই সৰুতে ভবাৰ দৰে ইমান
ৰঙীন নহয় জীৱন....
এতিয়া মোৰ জীৱনত সেই
পুৱাৰ ন সূৰুযৰ ৰদালি নাই
আছে মাথো এটা সেমেকা আবেলি।





## আবেলি

**চন্দ্ৰিকা কোঁৱৰ**
স্নাতক ষষ্ঠ যান্মাষিক,
অসমীয়া বিভাগ

সৰা শেৱালীৰ পুষ্পিত সুবাসে
আদৰি আনে প্ৰকৃতিক
ডুব যোৱা বেলিটিয়ে যেন
উদাস কৰে পৃথিৱীৰ কোলাহলক
সৰাপাতে উৰুৱাই আনিব বিছাৰে ফাগুনী
বতাহৰ লহৰক.........

আবেলিৰ ফাগুনে মৃদু মলয়া ধ্বনি
বিয়পাই তুলে মনৰ এক সুলভিত অংশত
নাজানে ফাগুনে আবেলিৰ এচেৰেঙা ৰদৰ উত্তাপক
অনুভৱ কৰিব পাৰো জানো
হৃদয়ৰ নিভাজ কোণত

বৰণীয়া আবেলিয়ে দি থৈ যায় নে
- অতীতৰ পৰিচয়
সময়ৰ বালিত কিয় হেৰুৱায়
অস্তিত্বৰ এনাজৰী
হয়তো আবেলিয়ে বিয়পাব খোজ
নিস্তব্ধতাৰ অপূৰ্ব এক
সুৰুজময় পৃথিৱীৰ সত্যতাক

পদূলি মুৰত আবেলিৰ পৃথিৱীয়ে
লৈ আনে শুভ্ৰ জোনাকৰ
ৰজনজনীয় শোভাশিত লহৰ
ক্ৰমাগতভাৱে.........

# অসম সাহিত্য সভাৰ সাম্প্ৰতিক বিতৰ্ক ঃ

# সংকট আৰু সমাধান

বিতোপন বৰুৱা
ষষ্ঠ ষাণ্মাসিক, পদাৰ্থ বিজ্ঞান বিভাগ

অসমীয়া জাতিৰ সাহিত্য ক্ষেত্ৰখন বিস্তাৰিত আৰু উচ্চ চূড়া চোৱাৰ লক্ষ্যৰে ১৯১৭ চনত এদল চিন্তাবিদ, সাহিত্যিকে জন্ম দিয়াৰ অসম সাহিত্য সভাই আজি ১০০ টা বছৰ গৰকাৰ প্ৰাক্ক্ষণত তীব্ৰ অৰাজকতাই গোটাই অনুষ্ঠানটো গ্ৰাস কৰা বিষয়টোৱে সকলো চিন্তাশীল আৰু সচেতন নাগৰিকৰ চকু কপালত তুলিছে। সাহিত্য সভাৰ কাৰ্যালয়ত এজন কৰ্মচাৰীয়ে আত্মহত্যা কৰা ঘটনাৰ লগতে টকা পইচাৰ লেন দেন ইত্যাদি বিষয়সমূহে অসম সাহিত্য সভাৰ মৰ্য্যাদা একেবাৰে নিম্নখাপৰ কৰি তুলিলে। অসমীয়া সাহিত্য, অসমীয়া সাহিত্যৰ চৰ্চা সাহিত্যই সামৰা সামগ্ৰিক দিশবোৰৰ সাধনা আৰু কৰ্ষণ কৰা দূৰৈৰ কথা, অনুষ্ঠানটোৱে কি স্থিতি ল'ব তাৰহে এতিয়া চিন্তনীয় বিষয়।

শতবৰ্ষ আয়োজন কৰিবলৈ লোৱাৰ আগমুহূৰ্তত পৰমানন্দ ৰাজবংশীৰ নাটকীয় ৰূপে সকলো অসমীয়াৰ হৃদয়ত বিদ্ৰোহৰ ভাব এটা জগাই তুলিছে। ইফালে সভাপতি ধ্ৰুৱজ্যোতি বৰাৰ পদত্যাগে অসম সাহিত্য সভাৰ সভাপতিৰ আসন, পৰিচালনা ইত্যাদি দিশবোৰত নতুন সমস্যাই পোখা মেলি ধৰিলে। পৰমানন্দ ৰাজবংশীৰ বাবেই আত্মহত্যাৰ পথ বাছি লোৱা বুলি প্ৰমাণ হোৱা সেইজন কৰ্মচাৰীৰৰ চুইছাইদ নোটৰ পৰা আৰম্ভ কৰি, পদত্যাগ কৰা বুলি কৈও পুনৰ অব্যাহতি লোৱা বুলি দিয়া নাটকীয় মন্তব্যত অসমৰ জাতীয় সংগঠনৰ লগতে সাধাৰণ জনতাই পৰমান্দ ৰাজবংশীৰ পুনৰ আগমন ঘটাৰ প্ৰয়োজন অনুভৱ কৰা নাই।


এনে এক বিভ্ৰান্তিৰ মূহুৰ্তত অসম সাহিত্য সভাৰ স্থিতি অটল থাকিব নে চিৰদিনৰ কাৰণে ডুব যাব? এনে অৰাজকতাৰ মাজেদি অসম সাহিত্য সভাৰ মৰ্যদা বিশ্ব দৰবাৰত অটল থাকিবনে? অসমৰ সাহিত্যৰ ভৱিষ্যতত গুৰুত্বপূৰ্ণ অৰিহণা আগবঢ়োৱাৰ ক্ষেত্ৰত সফল হ'ব পাৰিবনে?

যদিহে এনে অৰাজকতা অটল থাকে এদিন হয়তো অসম সাহিত্য সভাৰ অস্তিত্ব শূণ্যত বিলিন হৈ যাব। ফেব্ৰুৱাৰী মাহলৈ শতবৰ্ষৰ আয়োজন পিছুৱাই দিয়া ঘটনাইও ইয়াকে প্ৰমাণ কৰিছে যে বিফল এই অনুষ্ঠানৰ কথা।

সুস্থিৰ চিন্তাধাৰাৰে, উপযুক্ত নাগৰিকেহে এনে এক অনুষ্ঠান পৰিচলনা কৰিব পাৰে, গতিকে জাতীয় স্বাৰ্থত সুস্থিৰ বাতাবৰণ এটা থিয় দিবলৈ সকলো জনতাই মাৰ বান্ধি থিয় দিব লাগিব।







# অসম সাহিত্য সভাৰ সাম্প্ৰতিক বিতৰ্ক ঃ


# সংকট আৰু সমাধান

অশ্বিনী গগৈ
স্নাতক ষষ্ঠ ষাণ্মাসিক

অসমীয়া সাহিত্যৰ গৌৰৱধ্বজা বহন কৰি অহা অসম সাহিত্য সভাই গৌৰৱেৰে এশটা বৰ্ষ অতিক্ৰম কৰিলে, অসমীয়া জাতিৰ একত্ৰিত কৰাত অসম সাহিত্য সভাৰ সেই বৰণ্য ব্যক্তিসকলৰ অতুলনীয় প্ৰচেষ্টাত অসম সাহিত্য সভাই মূৰ দাঙি উঠিছে। সাহিত্য জাতিৰ দাপোন, এটা জাতিৰ আত্মা।

কিন্তু শতবৰ্ষ অতিক্ৰম কৰা অসম সাহিত্য সভাই বিভিন্ন বিৰ্তকত সোমাই পৰিছে, প্ৰথমতে অসমীয়া ভাষা আৰু এতিয়া ভাষাক গুৰি ধৰা অসম সাহিত্য সভা বিৰ্তকত সোমাই পৰিছে তাৰ প্ৰধান কাৰণেই হৈছে ক্ষমতাপিপাসু কেইজন মান ব্যক্তি। যি সকল অসম সাহিত্য সভাৰ লগত নিবিড়ভাৱে জড়িত হৈ থকা ব্যক্তি, যাৰবাবে ফেব্ৰুৱাৰী মাহৰ প্ৰথম সপ্তাহতে শিৱসাগৰত অনুষ্ঠিত হ'বলগীয়া শতবৰ্ষ অনুষ্ঠান পিছুৱাই দিয়া হৈছে, অসম সাহিত্য সভাই প্ৰায় কেতবোৰ বিভিন্ন কাৰণত বিৰ্তকক (আওতাত) সোমাই পৰিছে। কিন্তু বৰ্তমান যিটো বিৰ্তকত সোমাই পৰিল স্বয়ং সাহিত্য সভাৰ সম্পাদক পৰমানন্দ ৰাজবংশী আৰু সভাপতি ড০ ধ্ৰুৱজ্যোতি বৰা, সাহিত্য সভাৰ টকাৰ বিভিন্ন কেলেংকাৰীৰ লগতে সাহিত্য সভাৰ লগত জড়িত এজন ব্যক্তিৰ আত্মহত্যাত কেন্দ্ৰ কৰি গঢ় লৈ উঠা বিৰ্তকই, বৰ্তমান সচেতন মহলত সৰৱ চৰ্চাৰ লগতে সাহিত্য সভাৰ লগত জড়িত ব্যক্তি সকলোকে চিন্তিত হ'ব লাগিব, বৰ্তমান বিৰ্তকিত সভাপতি ড০ ধ্ৰুৱজ্যোতি বৰাই পদত্যাগ কৰিছে। মুঠতে অসমীয়া জাতিৰ হিয়াৰ আমঠু সাহিত্য সভাই আচলতে বিৰ্তকত সোমাই পৰা প্ৰধান কাৰণ সমূহ উলিয়াই তাৰ সমাধান কৰিব লাগিব এই ক্ষেত্ৰত সমূহ অসমীয়াই সৰৱ ভূমিকা পালন কৰিব লাগিব।

সমাধানৰ বিকল্প হিচাপে এজন নৱপ্ৰজন্ম হিচাপে মই কওঁ যে আমাৰ নৱপ্ৰজন্ম পুনৰাই সাহিত্যৰ পথাৰখনলৈ আহিব লাগিব সাহিত্য অধ্যয়ন, সাহিত্য অনুৰাগী কৰি তুলিবলৈ জনমত গঠন কৰিব লাগিব।বৰ্তমান বৈদ্যুতিক মাধ্যম, ইন্টাৰনেটে গঢ়ি তোলা এখন পৃথিৱীত অৱস্থান কৰা।প্ৰত্যেকজন অসমীয়াই নিজৰ জাতি আৰু ভাষাক জীয়াই ৰাখিবলৈ অসম সাহিত্য সভাৰ বিৰ্তকৰ কাৰণ এটা জাতিৰ প্ৰধান সমস্যা হিচাপে সমাধানৰ উপায় উলিয়াব লাগিব।



# অসম সাহিত্য সভাৰ সাম্প্ৰতিক বিতৰ্ক ঃ সংকট আৰু সমাধান

এনিশা শৰ্মা
স্নাতক ষষ্ঠ যাণ্মাসিক

অসম সাহিত্য সভা হৈছে অসমৰ এক অনবদ্য থলি। য'ত অসম আৰু অসমীয়াৰ প্ৰাণ উজ্বলে। অসমীয়া কৃষ্টি সংস্কৃতিৰ অনবদ্য স্থলী হৈছে অসম সাহিত্য সভা। অসমীয়া সাহিত্যৰ অনুপম সৌৰভ।

সাম্প্ৰতিক সময়ত অসম সাহিত্য সভাৰ ক্ষেত্ৰখন এক তুমূল বিৰ্তকৰ ক্ষেত্ৰ হিচাপে পৰিগণিত হৈছে। বৰ্তমান অসম সাহিত্য সভাৰ মূল সভাপতিৰ আসন আলংকৃত কৰি থকা ড০ পৰমানন্দ ৰাজবংশীৰ একপক্ষীয় মতামত আৰু অসম সাহিত্য সভাৰ আগন্তুক সভাক লৈ, যি বিৰ্তকৰ সূত্ৰপাত হৈছে সেই বিৰ্তকই সমগ্ৰ সাহিত্য সভাৰ বাকৰিখন শোভা বিনষ্ট কৰিছে লগতে অসম আৰু অসমীয়াক লজ্জানত কৰিছে। সাহিত্য সভাৰ কাৰ্যনিৰ্বাহিক সভাৰ বৈঠকক কেন্দ্ৰ কৰি সৃষ্ট বিৰ্তকই এতিয়া সাহিত্য সভাখনিৰ মূল সত্তাক ধ্বংস কৰিছে। সাহিত্য সভাৰ গৌৰৱক ক্ৰমাত বিলুপ্ত কৰি তুলিছে।

সাহিত্যৰ সৌৰভ সাহিত্য সভাখনি প্ৰকৃততে এনেকুৱা এক পৰিস্থিতিত অৱতীৰ্ণ হোৱাটো কোনো এজন অসমীয়াই কাম্য নকৰে। সভাপতি ড০ পৰমানন্দ ৰাজবংশীৰ কটাক্ষজনক মন্তব্য, আৰু আৰ্থিক দিশৰ ক্ষেত্ৰত হোৱা মতানৈক্যই চৰম সীমা অতিক্ৰম কৰিছে। এটা দিশৰ পৰা অসম সাহিত্য সভাৰ সমূহ বিষয়ববীয়াই সভাপতিৰ পদত্যাগৰ আহ্বান জনাইছো।

আৰু এগৰাকী প্ৰকৃতিত অসমীয়া হিচাপে অসম সাহিত্য সভাৰ এই সংকটৰ পৰা সাহিত্য সভাখনিক মূল সূঁতিলৈ উভতি অহাৰ বাবে সাহিত্য সভাৰ সকলো কলংকিত অধ্যায়ৰ যৱনিকা পৰাটো বিচাৰিছো। অনাগত দিনত সাহিত্য সভাৰ পৰা নিৰ্মূল হওক সকলো সংকট আৰু অলপতে অসমৰ মাননীয় স্বাস্থ্য তথা শিক্ষা আৰু বিত্তীয় মন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াও অসম সাহিত্য সভাৰ কাৰ্যনিবাহক পৰিষদলৈ মুকলি আহ্বান জনাইছে যে অসম সাহিত্য সভাৰ কাৰ্যনিবাহক পৰিষদলৈ মুকলি আহ্বান জনাইছে যে অসম সাহিত্য সভাৰ ভিতৰচৰাৰ এই বিৰ্তকৰ অৱসান ঘটালেহে চৰকাৰৰ হস্তক্ষেপ সম্ভৱ হ'ব। গতিকে সমূহ সংকটৰ গৰাহৰ পৰা সাহিত্য সভাক আঁতৰাই সাহিত্য সভাৰ গৌৰৱ পুনৰুজ্জীৱীত কৰি তুলাৰ ক্ষেত্ৰত কাৰ্যনিৰ্বাহিক সমিতিৰ প্ৰচেষ্টাৰ প্ৰয়োজন আৰু সকলো বিৰ্তকৰ অৱসান ঘটায় আলোচনাৰ মজিয়াৰ মাজেৰে এক সিদ্ধান্ত অটল থকাটো অত্যন্ত জৰুৰী।

তেতিয়াহে সাহিত্য সভাৰ পৰৱৰ্তী ফেব্ৰুৱাৰী মাহৰ অধিৱেশন সফল হ'ব আৰু সাহিত্য সভাৰ পূৰ্বৰ গৌৰৱ বাহাল থাকিব বুলি আশা কৰিব পাৰি।







# পূৰ্ণিমাৰ আন্ধাৰ

হিতোপন বৰুৱা
স্নাতক ষষ্ঠ যাণ্মাসিক, পদাৰ্থবিজ্ঞান বিভাগ

মুধা ফুটা ছালখনেৰে নিবিৰ জোনাকৰ উতলা তৰাবোৰ গণি গণি অধীৰ হৈ পৰিছে। কাষতে নিদ্ৰাৰত বৃদ্ধা মাকজনীৰ শুকান কাহঁটোৰ কৰ্পনিত বিশৃংখল হৈ পৰিছে গণনা। মাজতে মাকজনীক গৰম পানী এবাতি আনি খুৱাইছে, কেতিয়াবা বিচনীখনেৰে দুটাকোব মাৰি ভাগৰি পৰিছে। কিয় জানো যোৱা দুমাহমানৰ পৰা ৰাতিবেলি টোপনিটো হেৰাই গৈছে চম্পাৰ। চিলমিল টোপনিতেই পাৰ হৈ গ'ল ৰাতিটো।

বাহঁনিকেইডালেৰে চোতালখনত আচোঁৰ কেইটা দিওতেই সাউতকৰে পদুলিয়েদি মানুহ এদল পাৰ হৈ গ'ল। কোনোবা দলৰ মানুহ। ইলেকচনৰ হাৱা। সকলোৰে মুখত শুনি শুনি আমনি ল'গা একেবোৰ শ্লগান-"....এই চিনত ভোট দি জয়যুক্ত কৰক" "আপোনাৰ বহুমূলীয়া ভোটটো অথলে যাবলে নিদিব" "আমাক পৰিৰ্বতন লাগে..................."

ইলেকচন শব্দটো শুনাৰ লগে লগে চম্পাৰ মূৰেদি এজাক উতলা ধুমুহা পাৰ হৈ যায়। খং, অভিমান, বিদ্ৰোহী ভাব এটাই দপদপাই জ্বলাই দিযে বুকুখন। যেতিয়াৰে পৰা ৰজাঘৰৰ মানুহৰ মূল্যহীন গঞ্জনাই তাইৰ দৰে হেজাৰৰ নিখুদ হেপাহবোৰক থানবান কৰিলে, তেতিয়াৰে পৰা তাই সিহঁতৰ প্ৰতি বিদ্ৰোহী হ'ল।

সিহঁতে সৰু হৈ থাকোতে গাঁৱৰ নিৰ্বাচনীবোৰত দেউতাকেও যোগদান কৰিছিল। পিছে তেজৰ বুলিবলে থকা দেউতাকটোকো হেৰুৱাই নিথৰ মোৰ দুই চাকৰিয়াল ককায়েকেও টাউনতে মাটিবাৰী পাতি, মাক আৰু তাইক অকলশৰীয়া কৰি গুচি গ'ল.। তেতিয়াৰ পৰা এফুটমান ঘৰভেটিটো আৰু বাৰ মাহত তেৰটা বেমাৰে লগ নেৰা বৃদ্ধা মাকজনীৰ বাহিৰে আৰু কোনো নাই।

দিন হাজিৰাৰে ভাতমুঠি মোকলোৱা মাজে মাজে মাকৰ বাবে দুই এপালি দৰব যোগাৰ কৰা, হায়াৰছেকেণ্ডৰী পাছ চম্পাৰ বাবে কতনা কাকুতি মিনতিৰ অন্ততো চৰকাৰে চাকৰি এটা যোগাৰ কৰি নিদিলে। মাকে বাৰে বাৰে কয়"ককাইয়েৰেহতকে খাতিৰ কৰি নাচাৱ কেলৈ?"কিন্তু চম্পাই জানে সিহঁতৰ বাবে ককায়েকহঁত কোন, বৌয়েক দুজনী কোন?? কেতিয়াবা চকুলোৰে বাট নোবোলা হয় চম্পাৰ।

যোৱা বছৰ চৰকাৰৰ ঘৰত ইন্দিৰা আৱাস যোজনা আঁচনিৰ অধীনত দৰ্খাস্ত এখন কৰিছিল। জানোচা মুধা ফুটা ছালখনৰ অৱসান হয়। মাকজনীক আন একো সুখ দিব নোৱাৰিলেও পানীৰে উৱলি নোযোৱা ঘৰ এটাত ৰাখিব পাৰি। পিছে সেই সপোন সপোন হৈয়ে ৰ'ল। চৰকাৰৰ ওচৰত তাই বৰ্ণনাই কৈছিল, তাইৰ কথা, তাইৰ বৃদ্ধা মাকজনীৰ কথা। বাৰে বাৰে আশ্বাস দি দি চৰকাৰৰ মানুহৰ এদিন কামনাৰহে বলি হ'বলগীয়া হৈছিল। সেই ঘৰৰ সপোন পূৰণ কৰা দূৰৈৰ কথা নিজেই অপবিত্ৰ হৈ গ'ল, সতীত্ব হেৰাই গ'ল। ইচ্ছাৰ বিপৰীতে কলংকই পিছ নেৰা চম্পাহঁত এদিন গাঁৱৰ পৰা এঘৰীয়া হ'ব লগা হ'ল।

সেই তেতিয়াৰে পৰা চম্পা চৰকাৰখনৰ প্ৰতি ঘোৰ বিদ্ৰোহী হৈ পৰিল। যুজঁ দিব খোজে, জনতাৰ সন্মুখত চিঞৰি চিঞৰি ক'ব খোজে তাইৰ কথা, তাইৰ দৰে দৰিদ্ৰৰ কথা..........। কিন্তু কাৰ লগত, কাৰ সাহসত তাই বিদ্ৰোহ কৰিব.................।

জীৱন সংগ্ৰামত বিৰক্ত হৈ দূৰলৈ গুচি যাম বুলি ভাবিও জীয়াই আছে চম্পা। একমাত্ৰ মাকজনীৰ হাড় ও লোৱা দেহটো আৰু মৰমৰ তাড়নাতে বাৰে বাৰে ফালি পেলাই চুইচাইড নোটৰ সেই একেকেইটা কথা-"আই মোক ক্ষমা কৰিবি, তোক ভাল ঘৰ এটাত ৰখাৰ কণমাণি সুখকণো দিব নোৱাৰিলো। মই ধৰ্ষিৰ্তা হলো অ' আই। ৰাইজে ঘৃণাৰে চাইছে। ককাইদেউহঁতৰ মই বুজিব নোৱাৰিলো। সকলোতে বিফল। সিহঁতক মইতো আকাশৰ আকাশী গংগাখন বিচৰা নাছিলো। বিচাৰিছিলো একমাত্ৰ এখন টিনৰ চালি.................। মোক ক্ষমা কৰিবি আই। মই মৰিলে কাৰোবাক হতোৱাই বাৰীৰ পিছফালেই পুতি পেলাবি। তই দুখ নকৰিবি আই। তই দুখ নকৰিবি।"

# পূৰ্ণিমাৰ আন্ধাৰ

বিতুমনি বুঢ়াগোঁহাই



সদানন্দ বৰুৱাই বাতৰিকাকত খন মেলি লৈ চাহৰ কাপত চুমুক দি পত্নী সৰলাক চিঞৰি উঠিল- "হেৰা, এই বাবা যে ইমান দেৰিলৈকে শুই আছে, কিয় তাৰ আজি ক্লাছ টেষ্ট নাই জানো? তুমি মাকজনীয়েও তাক ইমান সময়লৈকে ফস্তি মাৰি যে শুই থাকিবলৈ দিছা কিয়? সি অইনদিনাও ইমান সময় শুইয়ে থাকে ছাগে ন? আজি মই ৰাতিপুৱা ডিউতী নাছিল কাৰণে হে গম পালো। বৰুৱাৰ চিঞৰত সৰলাই শুই থকা বাবাৰ ওচৰত পালেগৈ আৰু হাতেৰে তাৰ গাত হেঁচুকি অস্পষ্ট কৈ কবলৈ ধৰিলে-"বাবা, উঠ। দেউতাই দিবহি এতিয়া ৰহ। "এই বুঢ়া কি আজি ডিউটী নগল নেকি বে? শুবলৈও শান্তি নাই এইচবৰ পৰা" বুলি ভোৰভোৰাই আৰক্ষীৰ উচ্চপদস্থ বিষয়া সদানন্দ বৰুৱাৰ আলাসৰ লাৰু, একমাত্ৰ পুত্ৰধন শুৱাৰ পৰা উঠিল।

বৰুৱাৰ তিনিজনী ছোৱালী। লৰা সন্তানৰ আশাত নিমজ্বিত হোৱাৰ সময়তেই ছোৱালীকেইজনীৰ পাছত লৰাটো হোৱাৰ ঘৰখনৰ আটাইৰে হিয়া উঠলি উঠিল। বৰুৱাৰ মাকে কৈয়ে উঠিল-"বুইছ বোপাইঙ্গ এইবাৰহে তোৰ ঘৰখনলৈ পোহৰ আহিছে।" একমাত্ৰ বাছাধনক যেন মূৰত থলেও ওকণিয়ে খায়, মাটিত থলেও পৰুৱাই খায়। পুত্ৰপ্ৰাপ্তিৰ সুখত বৰুৱা বৰুৱানী ইমানেই নিমজ্বিত হ'ল যে ছোৱালীকেইজনীৰ প্ৰতি একেবাৰেই পিঠি দিলে। তাহাতি ভাযেকটোক কোলাই বোকোচাই লৈ ডাঙৰ কৰাৰ লগতে নিজৰো নিত্য- নৈমিত্তিক কামবোৰ, পঢ়া-শুনা কৰি গল। আৰু এদিন গোটেইকেইজনীয়ে একোগৰাকী সফল নাৰী, সুজীয়াৰীৰ পৰিচয় দি অন্যৰ ঘৰ শুৱনি কৰিবগৈ। কিন্তু বৰুৱাৰ ঘৰলৈ জোনাক কঢ়িয়াই অনা বুলি ভবা বাবা যেন লাহে লাহে সেই জোনাকত হৈ পৰিল জোনটোক ঢাকি ৰখা এচপৰা কলীয়া ডাৱৰ। সৰুৰে পৰাই যি বিচাৰে সেইয়াকে পোৱাৰ কাৰণে সি হৈ পৰিল জেদী, আকোৰগোজ, উদন্ত। তাৰ গুৰু-গোসাঁই নমনা স্বভাৱটোৰ বাবেই সি কাৰো প্ৰিয় হব নোৱাৰিলে। তাৰ বন্ধুৰ সংখ্যাও নিচেই কম। যি কেইটা আছে সিহঁতো তাৰ দৰেই হাতে কাণে অলংকাৰ পিন্ধা, দেউতাকৰ পইচাৰে বাইক কিনি চলাই মদ- ভাং খাই উদভণ্ডুলি কৰি ফুৰা। পুত্ৰৰ প্ৰতি অত্যধিক মৰমৰ বাবেই একো বাধা দিব নোৱাৰে বৰুৱানীয়ে। বৰুৱাকো নকয় ইয়াৰ বিষয়ে একো। এইবাৰ বাবা কলেজৰ উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষত। তিনিবাৰ দিও সি হায়াৰ ছেকেণ্ডৰী উত্তীৰ্ণ হব পৰা নাই। বৰুৱাৰ এইটোৱে বৰ ডাঙৰ দুখ। ইমান সুবিধা দিয়াৰ পাছতো লৰাটোৱে পৰীক্ষাটো পাছ কৰিব পৰা নাই। আগতে সি ইমানও বেয়া নাছিল। কিন্তু হাইস্কুলত নাইনমানৰ পৰা সি বেয়া লৰাৰ সংগ লৈ লৈ তেনেকুৱা স্বভাৱৰ হৈ পৰিল। "দেউতা মোৰ এ.টি. এমত পইচা শেষ হল। ১৫ হাজাৰ দিয়াচোন। দৰকাৰ হৈছে।" - তন্ময়তা ভাগি গল তাৰ মাতত বৰুৱাৰ। - কিয়? সেইদিনা দিছিলোহে ভৰাই ইমান সোনকালে কি কৰিলি তই পইচাখিনি? আৰু আজি পৰীক্ষাৰ দিনা তোক কিয় পইচা? নিদো মই। "খঙত ফোপাই উঠিল বৰুৱা। "ok, নালাগে। মই পইচা পাব হে লাগিছে নিজে উলিয়াই লম।" আৰু একো কথাৰ অৱতাৰণা নকৰি সি মাকৰ সোণৰ চেইনডাল আলমাৰীৰ পৰা উলিয়াই মনে মনে লৈ ফো-ফোঁৱাই ওলাই গল।

গধুলি বৰুৱাৰ ফোনটো বাজি উঠিল। চাব ইনস্পেক্টৰ কল্লোল হাজৰিকাই ফোনৰ সিটো মূৰত উত্তেজিত স্বৰত কৈ উঠিল-"চাৰ আপোনাৰ লৰা ৰকি বৰুৱা আৰু তিনিজন লৰাক ড্ৰাগছ সেৱন কৰি থকা অৱস্থাত এটা গুদামত উদ্ধাৰ কৰিছো। সি আজি ইমানদিনে ইমানবোৰ বেআইনী কাম কৰি গৈছে কিন্তু বহুতবাৰ হাতে- লোটে ধৰা পৰাৰ পিছতো একমাত্ৰ আপোনাৰ লৰা বুলি একো কৰা নাই। কিন্তু এইবাৰ তাক এৰি দিয়া নহব। সি ড্ৰাগছ আসক্তিৰ লগতে এই মাৰাত্মক বস্তুবিধৰ সৰবৰাহতো জড়িত। সি বৰ্তমান লকআপত। আপুনি ইচ্ছা কৰিলে আহিব পাৰে এবাৰ।" - ফোনটো কাটিবলৈও পাহৰি গুৰি কটা গছৰ দৰে বাগৰি পৰিল বৰুৱা। মুখেৰে ওলাল এটা অস্পষ্ট শব্দ "আহ"..........................।

হস্পিটালৰ ইমাৰজেঞ্চী কোঠাত বৰুৱাক ভৰাই সৰলাই ভাবি থাকিল যিটো লৰাই এদিন জোনাক কঢ়িয়াই আনিছিল বুলি ভাবিছিল ঘৰখনলৈ আজি সৈ পৰিল "পূণিমাৰ আন্ধাৰ" সৰলাৰ চকুত আগতো চাৰিওফালেই আন্ধাৰে ভৰি পৰিল।





# নীলা খামৰ চিঠি

মৰমৰ প্ৰাণ,

চিঠিৰ আৰম্ভণিতে 'ভগ্ন হৃদয়'ৰ পৰা তোমালৈ যাচিছোঁ শতকোটি মৰম। কেনে আছা বাৰু তুমি? ভগৱানৰ আশীষ নিৰ্মালি শিৰত লৈ তুমি ছাগে নিতৌ নতুনত্বৰ দিশত উদ্ভাসিত হৈ গৈ আছা।

আজি কাতি বিহুৰ তুলসী তাৰ উজ্জল চাকিগছিৰ পোহৰে তোমাৰ মুখখন বৰকৈ মনত পেলাই দিছে। পাহৰিব খুজিও পাহৰিব পৰা নাই অতীতৰ তিতা-মিঠা স্মৃতিবোৰ। ছিগা-ভগা স্মৃতিৰে ধূসৰিত হিয়াৰ আধালেখা দস্তাবেজ উলিয়াই চাওঁ। পুনৰ বিলীন হৈ যাও এবুকু স্বপ্নৰ সন্ধানত। তোমাৰ বাৰু মনত আছেনে স্মৃতিয়ে ঢুকি নোপোৱা অতীতৰ কথাবোৰ। কাতিৰ কুৱঁলী সনা মধুৰ পুৱাবোৰৰ কথা। মনত আছেনে আঘোণৰ পথাৰৰ মাজে মাজে দুয়ো দৌৰি ফুৰা। এই সকলোবোৰ মোৰ মনৰ দাপোনত এতিয়াও সজীৱ হৈ আছে আৰু যে তুমি মই একেলগে কাতিবিহুৰ তুলসী তলৰ ভেঁটিবোৰ বনাও। মন পছন্দৰ নোহোৱালৈকে ভেঁটিবিলাক ভাঙি ভাঙি পুনৰ বনোৱা আৰম্ভ কৰো। তোমাৰ আৰু মোৰ ভেঁটিৰ আকাৰ-প্ৰকাৰৰ কোনোদিনে সাদৃশ্য নাছিল। হয়তু সেয়াই আছিল ছাগে আমাৰ মাজৰ বিচ্ছেদৰ প্ৰথম অংকুৰিত বীজ।

বিশ্বায়নৰ ধামখুমীয়াৰ মাজত দুয়ো দুটা বিপৰীত মুখী পথ বাছি ল'লো। কোনোদিন পিছলৈ ঘূৰি নাচালো। কিন্তু............ মই এতিয়াও ৰৈ আছে তোমালৈ। মোৰ বিশ্বাস তুমি ঘূৰি আহিবা। কাতিৰ 'কঙালী' অৱস্থাটোৰ পৰিৱৰ্তন ঘটাই নিশ্চয় তুমি আহিবা। বুকুত শেৱালি ফুলাই সৌন্দৰ্য্যৰ জীপাল দলিচাত দুয়ো একেলগে খোজ দিম। সংপৃক্ত কৰিম পোৱা নোপোৱাৰ বেদনা। এটি সোণালী পুৱাৰ দৰেই ৰঙীন হ'ব আমাৰ জীৱন।

পুনৰ তোমালৈ 'কঙালী' হৃদয়ৰ পৰা কাতিবিহুৰ হিয়াভৰা শুভেচ্ছা আৰু মৰম যাচিলোঁ।

প্ৰান্তত
তোমাৰ মাইনাজনী

**পল্লৱী ফুকন**
স্নাতক দ্বিতীয় ষাণ্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ

# নীলা খামৰ চিঠি

মৰমৰ মামণি,

মৰম ল'বি। একেখন গাৱঁৰে সিটো মূৰত থাকিলেও তোক লগ নোপোৱা আজি বহু দিনেই হ'ল। খবৰ-খাতিবোৰ নোপোৱাত অজানিতে বুকুখনে বৰকৈ ঢপ ঢপ কৰাৰ বাবেই চিঠিখন লিখিলো। মৰমেৰে আদৰি ল'বি।

ফাগুনৰ কোনোবাটো আবেলিত মথাউৰিটোত বহি গধূলিবেলিকালৈকে কথা পতা দিনাৰ পাছৰে পৰা তোৰ খবৰো নোপোৱা হ'লো। নামঘৰৰ ভাওনালৈ নাহিলি নেকি বাৰু তই? মইয়ো তহঁতৰ ঘৰৰ পৰা আহিমগৈ বুলি সময়ে পোৱা নাই মামণি। বৌতিৰ গাটো বৰ ভাল নহয়। মোৰো আঘোণৰ মেটমৰা ডাঙৰিবোৰ দঙাৰ বাবে বাওসিৰ বিষটোৱে এইকেইদিন বৰকৈ ধৰিছে। টাউনৰ হস্পিতালখনত অহা বুধবাৰে বৌটিকো লৈ যাম, মইয়ো দেখাই আহিম বুলি ভাবিছো। তাৰ আগতে পাৰিলে তইয়ে এপাক আহিবি চোন। তোৰ বাৰু মোলৈ অলপো মনত পৰা নাইনে? চিঠি এখনো চোন কাৰোবাৰ হাততে দি পঠিয়াব পাৰ? আচলতে কি জান, তোৰ খবৰ খাতিবোৰ নেপালে মোৰ বৰ ভয় হয় অ'। হয়তো দূৰলৈ গুচি যোৱাৰ ........। সেইদিনা তহঁতৰ পিতাইক বজাৰত লগ পাইছিলো। তহঁতৰ ভাল বুলি ক'লে। আৰু কি জান মামণি, আইয়ে বোৱা মোগা সূতাৰ মেখেলা এখন তোলৈ ৰাখিছে। লৈ যাবিহি সোনকালে। টাউনৰ পৰা অহা পাছতেহে মই যাব পাৰিম। যোৱা ৰাতি সপোনত দেখিছিলো নহয় তোক আৰু নো কি লিখিম। চিঠিত দেখোন কবলৈ থকা কথাবোৰ লিখিবলৈ ভাষাবোৰ হেৰাই গৈছে। আৰু নিলিখো। চিঠিৰ উত্তৰ দিবি। লগ পালে বহুত কথা কবলে আছে তোক। আইয়ে বিয়াখনৰ কথাও মাজে মাজে কয়। মামণি বহুত মৰম আছে তোলৈ। আকাশৰ সমান ভাল পাঁও তোক।

প্ৰান্তত
তোৰ সোণ

বিতোপন বৰুৱা
ষষ্ঠ ষাণ্মাসিক
পদাৰ্থবিজ্ঞান বিভাগ



সোণাৰি মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী, ২০১৬-২০১৭

# নীলা খামৰ চিঠি

মোৰ
মৰমৰ
চেং

আশাকৰো তোমাৰ ভালেই। মইও ভগৱানৰ আৰ্শীবাদত কুশলেই আছোঁ। আজি বহুদিনেই হল তোমালৈ চিঠি নিলিখা। সেয়ে আজি শীতৰ এই সেমেকা নিশাত কাচিজোনটোক চাই চাই তোমালৈ মোৰ অনুভূতিবোৰ অন্তৰৰ ভাববোৰ কলমৰ নিবেৰে বোৱাই দিছো। এই যে কাচিজোনটো যি ক্ৰমাৎ কাঁহী এখনৰ ৰূপ লবলৈ গৈ আহে তাক জানো তুমিও চোৱা নাই। মোৰ গাত পৰাৰ দৰে তোমাৰ গাতো জানো পৰা নাই তাৰ ৰূপালী ফাকুগুড়ি যেন পোহৰখিনি? মই জানো তুমি এতিয়া অতিকে ব্যস্ত। কি কৰিবা? দেশৰ সীমান্তৰক্ষীৰ চাকৰি যেতিয়া দিন ৰাতি এক হবই। মই মোৰ বহুত গৌৰৱ হয় জানা তুমি যে দেশৰ নিৰাপত্তা প্ৰদানত অৰিহণা যোগাইছা।

সৈনিকৰ চাকৰি বহুত মহান জানা যি দেশমাতৃৰ সেৱাত নিজক নিয়োজিত কৰে। ঘৰলৈ আকৌ কেতিয়া আহিবা? বিহুত আহিবানে? বিহুত আহিলে আমাৰ ঘৰলৈ নিশ্চয়কৈ আহিবা দেই। মই তুমি ভালপোৱা ঘিলাপিঠা, তিলৰ লাৰু, লচকৰা আৰু এঠা দৈৰে কোমল চাউল যতনাই ৰাখিম। আৰু আবেলিৰ দিচাঙৰ পাৰে পাৰে শুকুলা বালিত খোজ পেলাই কহুৱা বনৰ মাজে মাজে খোজকাঢ়ি ফুৰিম। ঘৰমুৱা পক্ষীজাক, নদীৰ পানীত বিদায়ী সূৰুযৰ ৰাঙলী আভা চাই আত্মহাৰা হম। মই জানো তুমি বিহুত আহিবা। আজি ৩ বছৰে তুমি গাৱলৈ অহা নাই। তোমাক চাবলৈ মই বহুত আশাৰে ৰই আছো। কিমানদিন হ'ল সেই আঁহত জোপাৰ তলত বহি আমি কথা পতা নাই, গাৱঁৰ সেই পথাৰৰ মাজৰ আলিটোৱেদি খোজকঢ়া নাই, তুমি আহিলে আকৌ তাত বহিম কথা পাতিম। তোমাৰ লগৰ প্ৰায়খিনিয়ে সংসাৰ কৰিলে। এইবাৰ তুমি আহিলে মা-দেউতাই বিয়াখন ঠিক কৰি পেলাম বুলি কৈছে জানা।

আজিলৈ আৰু নিলিখো। তোমাৰ ঘৰত মা-দেউতা, ভাইটি সকলো কুশলে আছে। নিজৰ যত্ন লবা। ঘৰখনৰ দেশৰ প্ৰতি তোমাৰ বহুত দায়িত্ব আছে। সেইখিনি পালন কৰিবা।

পুনৰ মৰমেৰে,
তোমাৰ
বিতুমণি

বিতুমণি বুঢ়াগোঁহাই
দ্বিতীয় ষাণ্মাসিক
জীৱ বিজ্ঞান বিভাগ

# নীলা খামৰ চিঠি

মৰমৰ.................. ,

আশাকৰো নেদেখা জনৰ কৃপাত তুমি ভালে কুশলে আছা, তোমাক নেদেখা আজি বহুদিনেই পাৰ হৈ গ'ল, দিখৌৰ সেমেকা আবেলিয়ে ধুৱাই নিয়া অতিতৰ নিভাঁজ দিনৰ কথা ভাবিলে এতিয়াও দুচকু আনন্দত ভাঁহি আহে। কলেজীয়া দিনৰ তগবগীয়া জীৱনৰ চিৰন্তন সাক্ষী দেৱদাৰু জোপাও বৰ্তমান শীৰ্ণকায় অৱস্থা, তুমি এৰি থৈ যোৱা দিন ধৰি কতোৱেই মন নবহা হ'ল, তাতৰ পাতটো বাৰে বাৰে মাকো সৰি পৰে, গৰকাত ভৰি পিছলে, তুমি যে সেই সীমান্তত কেনেকৈ আছা................. ভাবিলে বুকুখন গধুৰ হৈ উঠে.......... জানা বহু পৰিৱৰ্তন হ'ল আমাৰ মধুপুৰ গাওঁখন নতুনকৈ কাৰেন্ট আহিল, দুই এঘৰত ৰঙীণ টি.ভি.ও হ'ল, পিতাই মোকো এটা মবাইল ফোন কিনি দিয়াৰ কথা আছে এইবাৰ তথাপি চিঠিতহে সামৰি দিব পাৰি বুকুৰ অবুজ বেদনাবোৰ ......... মই জানো সেই কথা তুমি জানা ...... বাৰুকৈয়ে বুজা.......।

অহা বহাগত পিতায়ে মোক বিয়া দিয়াৰ কথা আলচি আছে তুমি সেয়ে এইবাৰ মাঘতে আহি আমাৰ কথাযাৰ ঘৰত কাণচোৱাই থোৱাহি .... মই জানো তোমাৰ বহুত কাম ....... তথাপি তোমাৰ আকৰিজনী বুলি ভাৱিবা মোৰ কথা। বিশেষ নিলিখো, বকুলবুলীয়া সেই দিনবোৰ সচায় ৰঙীন আছিল, দূৰৈৰ পেপাৰ হিয়া ভঙা মাত আৰু নিশাচৰ চৰাইজনীয়ে তোমালৈ আৰু বেছি মনত পেলায় দিছে বাৰু ভাল কুশলে থাকিবা এইবাৰ কিন্তু চিঠিৰ উত্তৰ দিৱা দেই মই ডাকোৱাল অহালৈ বাট চাইৰম, চিঠিতে সামৰি দিছো মোৰ প্ৰেমৰ এপিয়লা মদিৰা............ পুনৰ মৰমেৰে..............................

প্ৰান্তত
তোমাৰ মৰমৰ
নীলাক্ষি

**অশ্বিনী গগৈ**
স্নাতক ষষ্ঠ ষাণ্মাসিক





# নীলা খামৰ চিঠি

মৰমৰ

অনুভৱ,

তোমাৰ হৃদয়ৰ পদূলিত আজি আকৌ যাচিছো অলপ অভিমান, অলপ মৰম.........। কুশলে আছানে? শীতৰ সন্ধ্যাবোৰ বৰ উদাসহীন ভাৱে পাৰ হৈছে জানানে। তুমি বিহীন সময়বোৰ বেদনাৰ সিক্ত অশ্ৰুৰে ঢোৱাইছে বাৰে বাৰে। কেতিয়া উভতিবা তুমি? জোনাকভৰা নিশাবোৰ মোৰ জীৱনৰআঁউসী হৈ নামিছে। তোমাৰ অনুভৱে বিষাদৰ নিয়ৰ সিঁচিছে। শেৱালীৰ পাহে পাহে যেন মৰম বাগৰিছে টুপ টুপ নিয়ৰ হৈ। কুঁৱলিৰ আঁৰে আঁৰে বাৰে বাৰে সপোনত ভাঁহিছে তোমাৰ প্ৰতিচ্ছৱি।

দুচকুৰ নিদ্ৰাই মোৰ সপোনক জগাইছে আৰু শুধিছে বাৰে বাৰে তোমাৰেই খৱৰ। তোমাৰ ব্যস্ততাৰ দিনবোৰ বেছি ঘন হৈছে নহয়। সেয়ে হয়তো এখনি পত্ৰৰ শ্ৰব্দই মোৰ হৃদদয়ক স্পৰ্শ কৰা নাই। বহুদিন হ'ল...। আকৌ পালেহি মাঘৰ বিহু...। মেজিৰ উত্তাপত দহি পুৰি যাহ নিসংগ মূহূৰ্তবোৰ ...। তুমি বাৰু আহিবা নেকি স্মৃতি বোৰ দীঠক কৰিবলৈ...। সোঁৱৰণীৰ দস্তাবেজখনি মেলি মেলি ভাগৰি গ'লো জানানে। তথাপি তোমাৰ ওঁঠৰ হাঁহিক দেখা নাই দীঠকত আজিও....।

বৰ্ণালীময় সময়বোৰ অতীত কৰি ব্যস্ততাৰ পথাৰত যে দুভৰি দিছিলা.... মনত আছেনে তোমাৰ? আজিও সেই আবেলিবোৰ সেন্দুৰীয়া ৰহন বুলাই মোৰ দুগালত আৰু দুচকুত আঁকি যায় হেঙুল হাইতালৰঙী ক'লাজ। হৃদয়ৰ প্ৰশ্নৰ কোঠৰীত গুঞ্জন তোলে হাজাৰ হাজাৰ অনুৰণকে কেৱল তোমাৰ বাবে। যদি পাৰা আকৌ এবাৰ আহিবা একেলগে সানিম হৃদয়ৰ ৰঙ, জীপাল হ'ব আমাৰ সুন্দৰ জীৱন..... আজিও ৰৈ আছো অপেক্ষাৰে ...মাথোঁ তোমাৰ বাবে...।

প্ৰান্তত
তোমাৰ মৰমৰ
নিহাৰীকা

**এনিশা শৰ্ম্মা**
স্নাতক ষষ্ঠ ষাণ্মাসিক

# যুৱবাৰ্তা



**সোণালী ঃ** নতুন প্ৰজন্মৰ এগৰাকী সচেতন প্ৰতিনিধি হিচাপে বিশ্বৰ সাম্প্ৰতিক পৰিস্থিতিৰ কোনবোৰ বিষয়ে আপোনাক উৎসাহিত কৰে?

**লাকিমণি বৰুৱা ঃ** সাম্প্ৰতিক সময়ত সচেতন হোৱাটো বহুত খিনিয়ে প্ৰয়োজন আছে। আমি সকলোৱে জানো যে প্ৰত্যেক গৰাকী ব্যক্তিয়ে সক্ৰিয় বা নিস্ক্ৰিয়ভাৱে ৰাজনীতিত জড়িত হৈ আছে। সকলোৱে ৰাজনীতিৰ মেৰপাকত আৱদ্ধ। সেয়েহে ৰাজনৈতিকভাৱে সক্ৰিয় হৈ যিটো আমাৰ গণতান্ত্ৰিক প্ৰক্ৰিয়া তাক সফল কৰিব লাগে আৰু এই ক্ষেত্ৰত প্ৰত্যক গৰাকী যুৱ প্ৰজন্মই ভূমিকা লব লাগে বুলি ভাবো। বিশ্বক্ষেত্ৰত নহলেও নিজৰ ঠাইখিনিত যদি আৰম্ভ কৰো, ধৰাহঁওক আজি আমি বিশ্ববিদ্যালয়ত আছো পৰৱৰ্তী সময়ত ইয়াৰ পৰা গৈ নিজৰ জাতিটোৰ বাবে কৰিবলগা বহুতখিনি আছে আৰু সেই কৰণীয়খিনিয়ে মোক সদায় অনুপ্ৰাণিত কৰি আহিছে, যাৰ ফলস্বৰূপে নিজৰ জাতিটোৰ বাবে, নিজৰ ছাত্ৰসমাজৰ হকে কাম কৰাৰ বহুতখিনি সুবিধা পালো বুলি ক'ব লাগিব। ইয়াৰ জৰিয়তে বহুতখিনি কথাত মাত মাতিবলৈ সুবিধা পালো।

জাতিটোৰ ক্ষেত্ৰৰ পৰা আৰম্ভ কৰি নিজৰ সমাজখন নিজৰ বিশ্ববিদ্যালয় তৰফৰ পৰাও বহুতখিনি সুবিধা পাইছো। লগতে এইবিলাক কথা লৈ সদায় সচেতন সদায় প্ৰস্তুত আছো। যিমানেই প্ৰত্যাহবান আহিলেও সেই প্ৰত্যহবান সমূহ নেওচি আগবাঢ়ি যোৱাৰ সৎসাহস মোৰ মাজত আছে। ৰাজনৈতিক ক্ষেত্ৰখনে সদায় মোক প্ৰভাৱিত কৰি আহিছে। এইটো নহয় যে মই ডাঙৰ ৰাজনীতিবিদ হ্ম কাৰণেই মোক ৰাজনীতি বিষয়সমূহে বেছি আকৰ্ষিত কৰে। ৰাজনৈতিকভাৱে মই সদা সক্ৰিয় আৰু এখন গণতান্ত্ৰিক দেশৰ সুস্থ নাগৰিক হিচাপে সকলোৰে কৰণীয় আছে বুলি ভাবো।

**সোণালী ঃ** বিশ্বৰ দ্বিতীয়খন জনবহুল দেশৰ সম্পদ আৰু সাংস্কৃতিকভাৱে সমৃদ্ধ ৰাজ্যৰ উত্তৰ পুৰুষ আপুনি, আজিৰ প্ৰজন্মটোৱে কৰিব লগা আৰু এৰিব লগা কামসমূহৰ বিষয়ে যদি আপোনাক কবলৈ কোৱা হয়।

**লাকিমণি বৰুৱা ঃ** এইটো এটা খুব ভাল প্ৰশ্ন বুলি মই ব্যক্তিগতভাৱে অনুভৱ কৰো। আচলতে কৰিব লগা আৰু এৰিব লগা -

আমি কিছুমান কাম বা বস্তু এৰিলেহে কিছুমান কৰিব পাৰিম, সেইটো এটা ডাঙৰ কথা আৰু আজিৰ যুৱ প্ৰজন্ম হিচাপে মোৰ কেৱল কৰণীয় আছে। এনে নহয় প্ৰত্যেকগৰাকী যুৱ প্ৰজন্মৰে কৰণীয় আছে। বিশেষকৈ অৰ্থনৈতিক ক্ষেত্ৰত আজিৰ যুৱ প্ৰজন্মই কেনেকৈ উন্নতি সাধন কৰিব পাৰি অসমক এটা বেলেগ স্তৰলৈ নিব পাৰি সেই বিষয়ে আমি নিজৰ মত প্ৰকাশ কৰিব লাগে আৰু তেনেকুৱা ধৰণৰ পদক্ষেপ লব লাগে। দ্বিতীয়তে, এৰিব লগাও আছে। আজিৰ যুৱ প্ৰজন্ম হিচাপে

এটা প্ৰশ্ন আমাৰ মাজত আহে যে আমি যুৱ প্ৰজন্ম উশৃংখল। কিন্তু আচলতে যুৱ প্ৰজন্ম কোনখিনিত উশৃংখল এইটো এটা ভাবিব লগা কথা। এৰিব লগা ভিতৰত যুৱ প্ৰজন্ম হিচাপে এটা কথা কও যে আজি যিটো পশ্চিমীয়া সংস্কৃতি আমাৰ মাজত আহিছে সেই বস্তুবোৰ আমি অনুকৰণ কৰিব লাগে। কিন্তু তাৰ ভিতৰত এনেকুৱাকে সুমাই যাব নালাগে যে আমাৰ যিটো নিজস্বতা আছে তাক পাহৰি যাওঁ। বহিৰাগতবোৰ অনুকৰণ কৰি সদায় নিজস্ব মতেদিহে আগবাঢ়ি যাব লাগে, কেতিয়াও আনৰ দ্বাৰাই প্ৰভাৱিত হ'ব নালাগে।

উশৃংখলতাৰ ক্ষেত্ৰত ক'বলৈ গ'লে আজিৰ যুৱ প্ৰজন্মই পিতৃ-মাতৃক অৱহেলা কৰে, অৱহেলা কৰি তেওঁলোক আগবাঢ়ি যায়। কিন্তু এটা কথা সঁচা যে নিজৰ পিতৃ-মাতৃ বা অভিভাৱকক বাদ দি নিজে কেতিয়াও সফলতাৰ আকাশ চুমিব নোৱাৰে।

**সোণালী ঃ** অসমৰ অৰ্থসামাজিক প্ৰেক্ষাপটত ছাত্ৰ সংগঠনবোৰৰ ভূমিকা সম্পৰ্কে আপোনাৰ অনুভৱ কেনেকুৱা?

**লাকিমণি বৰুৱা ঃ** মই "ছাত্ৰ ঐক্য জিন্দাবাদ" এই ধ্বনিত বিশ্বাস কৰো আৰু ছাত্ৰ সমাজৰ ভূমিকা প্ৰত্যেকটো ক্ষেত্ৰতে আছে। অৰ্থসামাজিককে ধৰি প্ৰত্যেকটো প্ৰেক্ষাপটত ছাত্ৰৰ ভূমিকা অতি গুৰুত্ব পূৰ্ণ। কিন্তু এটা প্ৰশ্ন সঁচাকৈয়ে উত্থাপন হয় - আজিৰ যিবোৰ ছাত্ৰসংগঠন আছে তেওঁলোকে কোনখিনি বিষয়ত প্ৰকৃততে মনোনিবেশ কৰিব লাগে আৰু কোনখিনি বিষয়ত বা কথাত মনোনিবেশ কৰি আছে। ক'বলৈ গ'লে প্ৰত্যেকৰে নিজা নিজা একো একোটা আদৰ্শ থাকে। ছাত্ৰ সংগঠনবোৰেও সেই আদৰ্শ ৰে আগবাঢ়ি আহিছে। মই একোটা ক্ষেত্ৰত কোনো মন্তব্য আগবঢ়াব বিচৰা নাই, সকলোৰে নিজৰ আদৰ্শত বিশ্বাস ৰাখে আৰু সেইখিনি কথাত মই নিজেও বিশ্বাস ৰাখো, সকলোৰে স্বাধীনতা আছে যিহেতু এইখন এখন গণতান্ত্ৰিক দেশ। কিন্তু ছাত্ৰ সমাজবোৰৰ ভূমিকা এইকাৰণেই চাব লাগে যাতে তেওঁলোকে এনেকুৱা ধৰণৰ উন্নতিমূলক আঁচনি লয় যিবোৰ ছাত্ৰ সমাজৰ হিতমূলক হয়। লগতে ছাত্ৰ সংগঠনবোৰৰ লগত জড়িত হৈ থকা ছাত্ৰসকল যিহেতু আজিৰ যুৱপ্ৰজন্ম সেইবাবে তেওঁলোকে সদায় সমাজত বা বিশ্বৰ প্ৰেক্ষাপটত সঁচা অৰ্থত যিবোৰ কামত মাত মাতিব লাগে তাত মাত মাতক তেতিয়াহে অসমৰ লগতে বিশ্বৰ উন্নতি সাধন হ'ব বুলি ভাবো।

চাবলৈ গ'লে এটা অতি দুখজনক কথা যে স্বাধীনতাৰ বহুখিনি সময় পাৰ হৈ যোৱাৰ পাছতে কিন্তু আমি নিজৰ অস্তিত্বৰ বাবে কাজিয়া কৰি থাকিব লগা হৈছে। নাগৰিকত্ব সংশোধনী আইনখন বাতিল কৰিব লগা হৈছে, নিজৰ অসমখনতে থাকি খিলঞ্জীয়া অসমীয়াই মূৰ তুলি থিয় হৈ থাকিব পৰা নাই। এনেকুৱা সমস্যা বহুত আছে কিন্তু ইমান বছৰৰ পাছতো আমি অৰ্থনৈতিক ক্ষেত্ৰখনত বিশেষকৈ অসমৰ প্ৰেক্ষাপটত ক'বলৈ গ'লে এতিয়াও কিন্তু অৰ্থনৈতিক উন্নতি কেনেকৈ কৰিব পাৰি সেইখিনি পদক্ষেপ আজিৰ যুৱ প্ৰজন্মই কোনো ক্ষেত্ৰতে লোৱা নাই। আমি সদায় জাতিটোৰ বাবেই মাত মাতি আহিছো, নিশ্চয় জাতিটোৰ হকে কৰিব লগা বা মাতিব লগা বহুত আছে কিন্তু জাতিটোক আগুৱাই নিবলৈ অৰ্থনৈতিকভাৱেও সফল হ'ব লাগিব। বৰ্তমান সময়ত অৰ্থনৈতিক ক্ষেত্ৰত সচেতন হোৱাটো যথেষ্ট প্ৰয়োজনীয়তা আছে।

**সোণালী ঃ** আপোনাৰ জীৱনক প্ৰভাৱিত কৰা তিনিজন ব্যক্তি।

**লাকীমণি বৰুৱা ঃ** পোনপ্ৰথমে কব বিছাৰো যে, জীৱনত তিনিটা 'মা' আমি কেতিয়াও এৰিব নালাগে। নিজৰ মাতৃভূমি, নিজৰ মাতৃভাষা আৰু মা। 'মা' ৰ ভিতৰত আকৌ সোমাই আছে মা,দেউতা আৰু শিক্ষাগুৰু আৰু এই তিনিওজনকে লৈ আমি সদায় আগবাঢ়ি যাব লাগে বুলি মই ব্যক্তিগতভাৱে অনুভৱ কৰো।

**লাকীমণি বৰুৱা**
সভাপতি
গুৱাহাটী বিশ্ববিদ্যালয়
স্নাতকত্তোৰ মহলা ছাত্ৰ একতা
সভা ২০১৮-২০১৯ বৰ্ষ



**প্ৰশ্নঃ**- নতুন প্ৰজন্মৰ এগৰাকী সচেতন হিচাপে বিশ্বৰ, সাম্প্ৰতিক পৰিস্থিতিৰ কোনবোৰ বিষয়ে আপোনাক উৎসাহিত কৰে?

**উত্তৰঃ**- নতুন প্ৰজন্মৰ এগৰাকী সচেতন প্ৰতিনিধি হিচাপে হওক বা মানৱ সমাজৰ একোজন মানুহ হিচাপে বিশ্বৰ সাম্প্ৰতিক পৰিস্থিতিৰ বহু বিষয় বা কাৰণেই সদ্যসতে কেতিয়াবা উৎসাহিত কৰে যেনে-

১) সন্ত্ৰাসবাদ নিমূৰ্লৰ কাৰণে সমগ্ৰ বিশ্বৰ ৰাষ্ট্ৰই একমাত হৈ যি ভূমিকা গ্ৰহণ কৰিছে সচাঁই ই আমাক সকলোকে উৎসাহিত কৰিছে।

২) দৰিদ্ৰ, পৰিৱেশ প্ৰদূষণ, আৱৰ্জনা নিষ্কাষণ আদিৰ সমস্যাৰ সমাধানৰ বাবে যি গুৰুত্বৰ্পূণ পদক্ষেপসমূহ হৈছে সেয়াও লগত লবলগীয়া।

৩) শিক্ষাৰ ক্ষেত্ৰত যিবোৰ ন ন উদ্দেশ্য কাৰ্যকৰী কৰিছে লগতে ১৭Goalৰ যিবোৰ উদ্দেশ্য সচাঁই লেখত লবলগীয়া।

৪) সদ্য সমাপ্ত G-২০ সভাত জাপান, আমেৰিকা আৰু ভাৰতে চুক্তি সম্পন্ন আৰু এই চুক্তিৰ মতে আমেৰিকা আৰু জাপানে ভাৰতৰ অৰ্থনৈতিক দিশটো টনকিয়াল কৰিবলৈ ভূমিকা লৈছে। এনেধৰণৰ কৰ্মই আমাক উৎসাহিত কৰে।

৫) ঘাইকৈ আন্তঃৰাষ্ট্ৰীয় সংস্থা বা সংগঠনবোৰ যি যি কাৰ্যপন্থাৰ হাতত সমগ্ৰ বিশ্বৰ শান্তি আৰু উন্নতি স্থাপনৰ কাৰণে আমাক সচাঁই উৎসাহিত কৰে।

**প্ৰশ্নঃ**- বিশ্বৰ দ্বিতীয় জনবহুল দেশখনৰ এখন সম্পদ আৰু সাংস্কৃতিকভাৱে সমৃদ্ধ ৰাজ্যৰ উত্তৰপুৰুষ আপুনি, আজিৰ প্ৰজন্মটোৱে কৰিবলগা আৰু এৰিবলগা তিনিটাকৈ বিষয় যদি আপোনাক ক'বলৈ কোৱা হয়?

**উত্তৰঃ**- বিশ্ব দৰবাৰত এখন শক্তিশালী আৰু স্বাৱলম্বী ৰাষ্ট্ৰ হিচাপে গঢ় লবলৈ হ'লে সচাঁই ইয়াৰ সম্পদৰাজিয়ে গুৰুত্ব পায় আৰু ৰাষ্ট্ৰ এখনৰ তীব্ৰ উন্নয়নত ই সহায়ক হয়। আমি ন প্ৰজন্মই নিজকে স্বাৱলম্বী কৰাৰ বহুতো সুচল পথ আমাৰ আছে। বহুতো নৱ প্ৰজন্মই এই ক্ষেত্ৰত নিজৰ দায়িত্ববোধ বুজি কৰ্মপন্থা হাতত লোৱাৰ সময়তে বহুতে এতিয়াও চাকৰিৰ আশাত কৰ্মবিমুখ হৈ থকা দেখা যায়।

**এৰিবলগা কিছুমান গুণ হৈছে-**

১) আজিৰ প্ৰজন্মই কষ্ট কৰাৰ সাৰ্থকতা হেৰুৱাই পেলাইছে আৰু আৰামী জীৱন বিচাৰে।

২) আজিৰ নৱ প্ৰজন্মই বহু গুৰুত্বপূৰ্ণ সময়বোৰৰ সঠিক ব্যৱহাৰৰ সময়ত সামাজিক যোগাযোগ(Social Net-work )ত পাৰ কৰিছে। ইয়াৰ প্ৰয়োজনীয়তা আছে কিন্তু সময়ৰ সদব্যৱহাৰৰ ওপৰত লক্ষ্য কৰিহে Social Network ত ব্যস্ত হ'ব লাগে।

৩) মদ্যপাণ বা গোটকা জাতীয় দ্ৰব্যৰ প্ৰচলন কিন্তু নৱ- প্ৰজন্মৰ মাজত অত্যাধিক দেখিবলৈ পোৱা গৈছে। মই ভাবো যুৱ শক্তি আমাৰ কাৰণে এক ডাঙৰ সম্পদ বা সম্পত্তিতকৈ কম নহয়। সেয়ে ইয়াৰ পৰা সকলোকে পৰাপক্ষত আতঁৰি আহিবলৈ মই অনুৰোধ কৰিম। পৰামৰ্শ দিয়াৰ সাহস মই নকৰো কিন্তু হ'লেও ইয়াৰ কিছু বিকল্প কেতিয়াবা অনুধাৱন কৰো-

১) বহুতো দাদা-বাইদেউ, ভাই-ভনীয়ে উচ্চ শিক্ষা গ্ৰহণ কৰি ঘৰত নিবনুৱা হৈ বহি থকা পৰিলক্ষিত হয়। তেওঁলোকলৈ অনুৰোধ অসমৰ নিবনুৱা হৈ বহি থকা পৰিলক্ষিত হয়। তেওঁলোকলৈ অনুৰোধ " অসমৰ লম্পদসমূহৰ সঠিক উপযোগিতা আৰু দুলৰ্ভ হৈ তকা সম্পদ সমূহৰ সঠিক উদ্ধাৰৰ বাবে পৰিকল্পনা কৰাৰ প্ৰয়োজনীয়তা আছে।

**ৰাহুল ছেত্ৰী**
সাধাৰণ সম্পাদক
ডিব্ৰুগড় বিশ্ববিদ্যালয় স্নাতকোত্তৰ
মহলা ছাত্ৰ একতা সভা ২০১৮-১৯







১) প্ৰশ্ন ঃ - অসমত থকা শিক্ষিত নিবনুৱা সকলক সংস্থাপন কৰাৰ তিনিটা ব্যক্তিক্ৰমি চিন্তাৰ বিষয়ে ক'বলৈ কোৱা হয়?

উত্তৰ ঃ-অসমত থকা শিক্ষিত নিবনুৱাসকলৰ সংস্থাপনৰ তিনিটা চিন্তা মোৰ ফালৰ পৰা ক'বলৈ গলে-

১) অসম ৰাজ্যখন এখন প্ৰকৃতিৰ অকৃত্ৰিম দানেৰে পৰিপূৰ্ণ ৰাজ্য ইয়াৰ প্ৰাকৃতিক সম্পদসমূহৰ পৰা আদি কৰি মাছ,সেউজীয়া ,শাক- পাছলি, সকলোৰে বাবে এখ- আন্তঃৰাষ্ট্ৰীয় বজাৰ সৃষ্টি কৰা শিক্ষিত নিৱনুৱাসকলক নিয়োগ কৰিব পৰা যায়।

২) অফিছ কাছাৰীৰ খালী হৈ থকা পদবোৰৰ পৰা আদি কৰি চৰকাৰী বিভিন্ন আচঁনীত অস্থায়ী ৰূপে হ'লেও কাম কৰিবলৈ শিক্ষিত নিবনুৱা সকলক নিয়োগ কৰিব পাৰি, অস্থায়ী হলেও নিয়মীয়া সময়ৰ আন্তৰালত বিবিন্ন স্থানত কামবোৰ পাই থাকিলে শিক্ষিত নিৱনুৱাসকলৰ উপাৰ্জনৰ পথটো সুগম হৈ থাকিব।


৩) শিক্ষিত নিবনুৱাসকল যদিও শিক্ষিত কাৰিকৰী কৌশলগত শিক্ষাৰ ক্ষেত্ৰখনত আৰু অধিক গুৰুত্ব নিবনুৱাসকলৰ মাজত স্ব-নিৰ্ভৰশীলতাৰ এক চেতনা আনিবলৈ সফল হ'ব বুলি মই ভাবো।

২) প্ৰশ্নঃ- বন্ধ সংস্কৃতি আৰু ইয়াৰ অৰ্থনৈতিক প্ৰভাৱ সম্পৰ্কে আপোনাৰ মতামত জনাব কোৱা হয়।

উত্তৰঃ- বন্ধ সংস্কৃতিয়ে ৰাজ্য এখন বা দেশ এখনৰ বাবে বিৰাট এক অৰ্থনৈতিক সমস্যাৰূপে থিয় দিব পাৰে। বৃহৎ পৰিমাণে কেচঁা সামগ্ৰী ৰাজপথত আৱদ্ধ হৈ থকা যান-বাহনতে নষ্ট হৈ যাব পাৰে, তদুপৰি ক্ষুদ্ৰ ব্যৱসায়ী, দিন হাজিৰা কৰা , ঠেলা-ৰিক্সা চলাই ঘৰ চলোৱা সকলৰ বাবে সংস্কৃতি এক মাধমাৰ।

ব্যৱহায়িক প্ৰতিষ্ঠান বা উদ্যোগসমূহ বন্ধ হৈ থকাৰ বাবেও ব্যাপক লোকচানৰ সন্মুখীন হয় স্বত্বাধিকাৰী কিম্বা চৰকাৰৰ এই লোকচান সমূহেই পিছত ৰাজ্যখন বা দেশখনৰ প্ৰগতিৰ পথত হেঙাৰ হৈ থিয় দিব পাৰে।

**অভিনৱ চেতিয়া**
সহকাৰী সাধাৰণ সম্পাদক
ডিব্ৰুগড় বিশ্ববিদ্যালয় স্নাতকোত্তৰ
মহলা ছাত্ৰ একতা সভা ২০১৮-১৯ বৰ্ষ



**প্ৰশ্ন ঃ** বৰ্তমান সময়ত মহাবিদ্যালয় বিশ্ববিদ্যালয়সমূহত থকা পৰম্পৰাগত বিষয়সমূহৰ উপৰি বৃত্তিমুখী বিষয়সমূহ অন্তৰ্গত কৰাৰ প্ৰাসংগিকতা আছেনে?

**উত্তৰ ঃ** মহাবিদ্যালয়ত পঢ়ি থকাৰ সময় পৰাই বৃত্তিমুখী শিক্ষাৰ পোষকতা কৰি আহিছো, ইয়াৰোপৰি অসমৰ শিক্ষা জগতখনত এতিয়াও ভালেমান বিভাগ অন্তৰ্ভূক্ত হ'বলৈ বাকী আছে। 'cultural studies, Forign language Study, 'Sports Academy' প্ৰত্যেকে মহাবিদ্যালয়ত থকাৰ প্ৰয়োজন।

বিহু, অসমৰ খিলঞ্জীয়া ভাষা সমূহৰ বিভাগ, শংকৰদেৱ, বিষ্ণুপ্ৰসাদ ৰাভা, ড০ ভূপেন হাজৰিকা আদিৰ ওপৰতো বিভাগ থকাৰ দৰকাৰ বুলি ভাবো।

সুৰক্ষা বিভাগৰো অত্যন্তই প্ৰয়োজনীয়, ইয়াৰ দ্বাৰাই সুৰক্ষাৰ ক্ষেত্ৰত অসমীয়া যুৱক-যুৱতীৰ সংস্থাপন হ'ব। 'চাহ উদ্যোগৰ ডিব্ৰুগড় বিশ্ববিদ্যালয়ত এটা বিভাগ আছে এনেকুৱা আৰু বিভিন্ন মহাবিদ্যালয় বিশ্ববিদ্যালয়ত হোৱাতো দৰকাৰ' এখন ক্ৰীড়া বিশ্ববিদ্যালয় থকাৰ কথাটোত পোষকতা কৰোঁ। ক্ষুদ্ৰ উদ্যোগ তথা থলুৱা লুপ্তপ্ৰায় কুটীৰ শিল্পৰ চৰ্চাৰ বাবেও এটি বিভাগ থকাৰ দৰকাৰ ' International Relationship' 'সাংবাদিকতা', ' Tourism,' ' Digital Education' ইত্যাদি কেইখনমান বিশ্ববিদ্যালয়ত আছে যদিও অধিকাংশ সৰু অঞ্চলৰ মেধাই এইবোৰৰ জ্ঞানৰ পৰা বঞ্চিত। গতিকে সৰু সৰু NGO বা বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান জৰিয়তে এইবোৰত গাঁৱে-ভূঞে নিয়াৰ প্ৰয়াস কৰিব পৰা যায়। এইক্ষেত্ৰত Skill India 'Rehabitatoonal Council of India' আদিৰ পৰা সহায় ল'ব পাৰি।

**প্ৰশ্ন ঃ** বিশ্বৰ দ্বিতীয় জনবহুল দেশ এখনৰ এখন সম্পদ বা সাংস্কৃতিকভাৱে সমৃদ্ধ ৰাজ্যৰ উত্তৰ পুৰুষ আপুনি, আজিৰ প্ৰজন্মটোৱে কৰিবলগা আৰু এৰিব লগা তিনিটাকৈ বিষয় যদি আপোনাক ক'বলৈ কোৱা হয়।

**উত্তৰ ঃ** বৰ্তমান সময়ত সমাজৰ বাবে এক গুৰুত্বপূৰ্ণ প্ৰত্যাহ্বান হ'ল যুৱচাম বা যুৱসমাজ। পোন প্ৰথমেই এৰিবলগীয়া কথা বুলি মই কওঁ বেয়া নিচাসমূহ, সেয়া ড্ৰাগছই হওঁক বা অন্যান্য মাদক দ্ৰব্য অথবা বৰ্তমান সময়ত মোৰ বোধেৰে এক ব্যাপক সামাজিক ব্যাধিৰূপে থিয় দিয়া ' PUBG' ৰ নিচা।

অসমীয়া প্ৰত্যেকজন যুৱক-যুৱতীয়েই এলেহুৱা স্বভাৱ ত্যাগ কৰিব লাগিব। তেতিয়াহে সম্ভাৱনাবোৰ বাস্তৱলৈ ৰূপান্তৰ হ'ব। কৰ্মৰ প্ৰতি থকা অনিহাৰ বাবে অৰ্থনৈতিক ক্ষমতা অসমীয়া যুৱচামৰ পৰা আঁতৰি গৈছে।

স্বাৰ্থপৰ ভাবধাৰা অসমীয়া যুৱক-যুৱতীয়ে ত্যাগ কৰিব লাগিব আৰু ভাষা, জাতিৰ, সংস্কৃতিৰ, সমাজত দায়িত্বহীন মনোভাৱ পৰিত্যাগ কৰি বৃহত্তৰ অসমীয়া জাতিৰ সংকটকালত অসমীয়া জাতিৰ এজন ৰক্ষক ৰূপে থিয় দিব লাগিব।

প্ৰথমতে বৃহত্তৰ অসমীয়া জাতিৰ সংগ্ৰাম সমিতিৰ উদ্যোগত গঢ়ি উঠা মাংস আৰু কণীৰ ব্যৱসায়ে নিত্য দত্তৰ স্বাস্থ্য সন্মত ঘৰুৱা চাহৰ বিপ্লৱখনে মোকো অসমৰ ভৱিষ্যতৰ উদ্যোগিক ক্ষেত্ৰখনত ধনাত্মক আলোকৰ সন্ধান দিছে।

দ্বিতীয়তে, যোৰহাটৰ এগৰাকী বাইদেউৰ অৰ্থনৈতিক বিপ্লৱ কথা নিলিখাকৈ নোৱাৰো, Megha's Onganic Juice ৰ দ্বাৰা তেখেতে নিজৰ লগতে চাহ বাগানৰ অধিকাংশ মানুহকে সংস্থাপন ব্যৱস্থা কৰি দিছে,।

অৱশেষত, ভোট জলকীয়া বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰা প্ৰত্যেকজন যুৱক-যুৱতী অনুসৰণ কৰা উচিত। এই বিপ্লৱক চিৰদিন সন্মান কৰি যায়।

**প্ৰশ্ন ঃ** অসমত পৰ্যটনৰ ক্ষেত্ৰত প্ৰচুৰ সম্ভাৱনা আছে। বৰ্তমানৰ চৰকাৰে গ্ৰহণ কৰা 'পৰ্যটন নীতি ২০১৭' ই অসমৰ পৰ্যটকক আন এক মাত্ৰা প্ৰদান কৰিব পাৰিব বুলি আপুনি আশাবাদী নে?

**উত্তৰ ঃ** পাহাৰ, ভৈয়াম, বৈচিত্ৰ, আৰু বিভিন্ন সংস্কৃতিৰ সংমিশ্ৰণে অসমক সঁচাকৈয়ে এক অপৰূপ সৌন্দৰ্য আৰু সম্ভাৱনাৰ অধিকাৰী ৰূপে গঢ় দিছে। অসমখন পৰ্যটনৰ ক্ষেত্ৰত সঁচাকৈয়ে এক বিশ্বৰ ভিতৰতে উল্লেখনীয় স্থানৰূপে গঢ়ি উঠাৰ বাবে সক্ষম।

'পৰ্যটন নীতি ২০১৭'ৰ মিচন তথা লক্ষ্য উদ্দেশ্যবোৰ অত্যন্তই ভাল। বিশেষকৈ ব্ৰহ্মপুত্ৰৰ প্ৰকল্প সমূহ মাজুলীকে আদি কৰি ঐতিহ্যমণ্ডিত ঠাইসমূহৰ পৰিকল্পনা, চাহ পৰ্যটন তথা জনজাতিয় পৰ্যটনৰ চিন্তাখিনি সঁচাকৈয়ে ভাল। কিন্তু পৰিতাপৰ কথা যে ২০১৭ৰ পৰা প্ৰিয়ংকা ছোপ্ৰাৰ 'Awesome Assam' ভিডিঅ'টোৰ বাহিৰে অসম চৰকাৰ তথা পৰ্যটন ক্ষেত্ৰখনত তিলমানো গুৰুত্ব দিয়া নাই বুলি ভাবো, সঁচাকৈয়ে যদি ব্ৰহ্মপুত্ৰত পৰ্যটন কেন্দ্ৰৰ গঢ় দি বহু থলুৱা লোকে জীৱিকাৰ সন্ধানৰ লগতে অসমৰ সৌন্দৰ্যতা বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰিব পাৰিব।

অসমৰ 'ডিমা হাচাও', 'কাৰ্বি আংলং' আদি পাহাৰত প্ৰকৃতিৰ যিমান সৌন্দৰ্যপূৰ্ণ আৰু বৈচিত্ৰময় ঠাই আছে, য'ত Treking Camping আদিৰ ব্যৱস্থা কৰি পৰ্যটকক আকৰ্ষণ কৰিব পৰা যায়। চৰকাৰে এইক্ষেত্ৰত গুৰুত্ব দিয়া উচিত। এনে সৌন্দৰ্য পৃথিৱীৰ ভিতৰতে বিৰল।

কৃষ্টি সংস্কৃতিৰ ক্ষেত্ৰখনক বিশ্ব দৰবাৰত আগুৱাই নিয়াত পৰ্যটনক ক্ষেত্ৰখনৰ ভূমিকা প্ৰচুৰ। পৰ্যটনৰ ক্ষেত্ৰখনক থলুৱা অৰ্থনৈতিক স্বাধীনতা তথা বিপ্লৱৰ প্ৰধান অস্ত্ৰৰূপে ব্যৱহাৰ কৰিব পাৰে বুলি অন্তৰৰ পৰা আশা তথা বিশ্বাস কৰো।

**ত্ৰিনয়ন বৰুৱা**
কটন বিশ্ববিদ্যালয়, গুৱাহাটী







**প্ৰশ্ন ঃ** উদ্যোগীকৰণ আৰু পৰিবেশৰ ভাৰসাম্য বজাই ৰখাত নৱপ্ৰজন্মৰ ভূমিকা কি?

**উত্তৰ ঃ** বৰ্তমান একৈশ শতিকা চৰম উদ্যোগীক বিপ্লৱৰ যুগ। উদ্যোগৰ অবিহনে এই শতিকাত এখন ৰাষ্ট্ৰিক উন্নয়নৰ দিশেৰে লৈ যোৱাত সমস্যাৰ সৃষ্টি হ'ব। উদ্যোগীকৰণ অৰ্ন্তধান সময়ৰ আহ্বান। উদ্যোগীকৰণে বহু সময়ত পৰিবেশৰ প্ৰতি ভাবুকি কঢ়িয়াই আনিছে, এই ভাৰসাম্যতা প্ৰকৃতিক সুৰক্ষিত কৰিবলৈ হ'লে আমি গছ-গছনি ৰোপণত গুৰুত্ব দিয়াৰ লগতে তাৰ প্ৰতিপালনত গুৰুত্ব দিব লাগিব। উদ্যোগৰ পৰা ওলোৱা পেলনীয়া দ্ৰব্যসমূহক প্ৰকৃতিৰ লগত মিহলি হোৱাকৈ নিষ্কাষণ কৰিব লাগে। যিবোৰ সামগ্ৰীয়ে পৰিবেশৰ বেছি ক্ষতি কৰে তাৰ বিকল্প সন্ধান কৰিব লাগে।

এনেবোৰ দিশে প্ৰাকৃতিক ভাৰসাম্যত বহুপৰিমাণে সহায় কৰিব।

**প্ৰশ্ন ঃ** কঠোৰ শ্ৰম আৰু স্মাৰ্ট ৱৰ্কৰ ওপৰত আপোনাৰ মতামত কি?

**উত্তৰ ঃ** বৰ্তমান সময়ত প্ৰায়ে স্মাৰ্ট ৱৰ্ক আৰু হাৰ্ড ৱৰ্ক বা কঠোৰ শ্ৰমৰ ওপৰত প্ৰশ্ন উঠা দেখা যায়। বহু সময়ত দেখা যায় বহু ডাঙৰ কাম প্লেনিং নোহোৱাকৈ কৰাৰ বাবে কামটো কৰাত সফলতা অৰ্জন কৰিব নোৱাৰি। তাৰ পৰিৱৰ্তে অধিক শ্ৰম, সম্পদ আৰু সময়ৰ অপব্যৱহাৰ হয়। গতিকে তেনে এক পেক্ষাপটত স্মাৰ্ট ৱৰ্কৰ প্ৰয়োজনীয়তা আছে। এটা সৰু উদাহৰণ দিলে কথাটো পৰিস্কাৰ হৈ পৰিব। ৰাতিপুৱা এজন খৰিকটীয়াই এখন মামৰে ধৰা পুৰণা কুঠাৰ লৈ খৰি কাটিবলৈ গৈছে আৰু অন্যহাতে আন এজনে মামৰে ধৰা কুঠাৰ তিনিখন শিলত ধাৰ কৰি লগত দুজন মানুহ লৈ হাবিলৈ গ'ল। প্ৰথম জনে কঠোৰ শ্ৰম কৰিও বেছি সময়ত কম ফল পালে। দ্বিতীয়জনে এটা উপযুক্ত পৰিকল্পনা আৰু স্মাৰ্ট ৱৰ্কৰ ওপৰত গুৰুত্ব দিয়াৰ বাবেই কম সময়ত বেছি ফল পালে।

বৰ্তমান এখন ৰাষ্ট্ৰ, ৰাজ্য বা সমাজে নিজৰ উত্তৰণৰ ক্ষেত্ৰত যিকোনো প্ৰকাৰৰ কৰ্মৰ ক্ষেত্ৰখনত স্মাৰ্ট ৱৰ্কৰ ওপৰত গুৰুত্ব দিব লাগে, অন্যথা প্ৰকৃত উন্নয়নত সম্ভৱ হ'ব নোৱাৰে।

**প্ৰশ্ন ঃ** বৰ্তমান সময়ৰ প্ৰেক্ষাপটত অসমখন প্ৰকৃত উন্নয়নৰ বাবে যুৱ প্ৰজন্মৰ ভূমিকা কি হ'ব পাৰে?

**উত্তৰ ঃ** বৰ্তমান সময়খিনি যুৱ প্ৰজন্মৰ সময়। উঠি অহা এই প্ৰজন্মই যদি মনে-প্ৰাণে যদি অসমত উন্নতি বিচাৰে, তেন্তে কোনো শক্তিয়ে এই উন্নয়নক ধৰি ৰাখিব নোৱাৰিব।

একমত আমি স্বীকাৰ কৰিবই লাগিব যে ভাৰতবৰ্ষৰ মুঠ জনসংখ্যাৰ আধাভাগেই যুৱপ্ৰজন্ম। এই যুৱ প্ৰজন্মৰ অসমৰ প্ৰতি কৰিবলগীয়া বহুতো কাম আছে। প্ৰথম কথা, যুৱ প্ৰজন্মই অধ্যয়ন কৰিব লাগিব। অসমৰ, সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক, সাংস্কৃতিক, বৌদ্ধিক, নৈতিক, শৈক্ষিক আদি প্ৰতিটো দিশৰ কথা বুজি উঠিব লাগিব। যুৱ প্ৰজন্মই নিজৰ লগতে সমাজৰ কথা দায়বদ্ধতা স্বীকাৰ কৰি নিজৰ প্ৰতিভাৰ বিকাশ কৰাৰ লগতে দক্ষতাক প্ৰয়োগ কৰিব লাগিব। যুৱ প্ৰজন্মক কামৰ প্ৰতি আকৰ্ষিত হ'বলৈ মোৰ আহ্বান। বৰ্তমান প্ৰযুক্তি বিদ্যাৰ যুগত এই বিশ্বত সু-চিন্তা আৰু কামৰ মূল্য আছে। কাম কৰা মানুহে সমাজ আৰু জাতিক সু-সংঘবদ্ধ আৰু উন্নয়নৰ দিশে আগুৱাই লৈ যাব। প্ৰসংগক্ৰমে কঁও অসমীয়া যুৱ প্ৰজন্মৰ যি জাতীয়তাবাদ ৰাজপথত আন্দোলন কৰাতেই সীমাবদ্ধ হোৱা জাতীয়তাবাদক সময় সাপেক্ষে কৰ্মৰ জাতীয়তাবাদলৈ ৰূপান্তৰ কৰিব লাগিব। বিশ্বত এনে কোনো জাতি নাই যি কাম নকৰাকৈ জীয়াই আছে। গতিকে যুৱ প্ৰজন্মই প্ৰতিটো দিশেৰে উদ্ধদ্ব হৈ কৰ্ম কৰিলে অসমৰ প্ৰকৃত উন্নয়নৰ ছবিখনৰ কথা আমি ভাৱিব পাৰো।

**প্ৰশ্ন ঃ** সাম্প্ৰতিক প্ৰেক্ষাপটত অসমৰ উচ্চ শিক্ষাৰ শিক্ষানুষ্ঠান সমূহত বৃত্তিমুখী আৰু কাৰিকৰী পাঠ্যক্ৰমসমূহ অন্তৰ্ভূক্ত কৰাৰ আৱশ্যকতা সম্পৰ্কে আপোনাৰ মতামত।

**উত্তৰ ঃ** সাম্প্ৰতিক সময়ত প্ৰত্যেকটো ক্ষেত্ৰত তীব্ৰ গতিশীলতাৰ স্তৰ, অৰ্থনৈতিক গতিশীলতাত অন্যতম। এই অৰ্থনৈতিক গতিশীলতাক বুজি উঠাটো বৰ্তমান সময়ৰ এক গুৰুত্বপূৰ্ণ কথা। তীব্ৰ প্ৰতিযোগীতামূলক এই 'যোগ্য ভোগ্য বসুন্ধৰা' কথাষাৰৰ তাৎপৰ্য বৃদ্ধি পাইছে, যিসকলে কাম কৰিব বা কৌশলগতভাৱে কাম কৰিব পাৰিছে তেওঁলোকে এখাজ ভালকৈ খাব পাৰিছে।

শিক্ষাই জীৱনৰ বাটটো স্পষ্ট কৰে, গতিকে উচ্চ স্তৰৰ শিক্ষাতেই হওঁক বা একেবাৰে প্ৰাথমিক শিক্ষাতেই হওঁক বাস্তৱ জীৱনক নিজক প্ৰতিষ্ঠিত কৰিবলৈ বৃত্তিগত বা কাৰিকৰী শিক্ষাৰ প্ৰয়োজনীয়তা আছে। প্ৰযুক্তিৰ জৰিয়তে কাম কৰাৰ বা নতুন কৌশলেৰে টকা উপাৰ্জনৰ ধাৰণাটোৱে বৰ্তমান সময়ক চুই গৈছে, কিন্তু বহু শিক্ষিত যুৱক-যুৱতীয়ে তথাপিও সংস্থাপিত হ'ব পৰা নাই কাৰণ তেওঁলোকে পৰম্পৰাগত শিক্ষাই গ্ৰহণ কৰি আছে। এই পৰম্পৰাগত শিক্ষাই বৌদ্ধিক বা মানসিকভাৱে সমৃদ্ধ কৰিছে ঠিকেই, কিন্তু বৃত্তিৰ লগত সংযোগ কৰি দিয়াত সফল হ'ব পৰা নাই। যাৰ বাবে নিবনুৱা সমস্যা ক্ৰমাৎ বৃদ্ধি পাই থকা দেখিবলৈ পোৱা গৈছে। যিহেতু উচ্চ শিক্ষাৰ পাছত ভাৰতবৰ্ষৰ প্ৰেক্ষাপটত নিযুক্তিক এক গুৰুত্ব দিবলগীয়া কথা। গতিকে শিক্ষা গ্ৰহণ কৰি দেশ, সমাজ, জাতিক অৰ্থনৈতিক বা অন্যান্য ক্ষেত্ৰত সমৃদ্ধ কৰি আগুৱাই নিবলৈ উচ্চ শিক্ষানুষ্ঠানত বৃত্তিগত শিক্ষা আৰু কাৰিকৰী শিক্ষাৰ সংযোজনৰ প্ৰয়োজনীয়তা অপৰিসীম।

**দ্বীপজ্যোতি গগৈ**
আলোচনী আৰু তৰ্ক বিভাগৰ সম্পাদক
শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়, ২০১৭-২০১৮ বৰ্ষ



**প্ৰশ্ন** ঃ নতুন প্ৰজন্মৰ এগৰাকী সচেতন প্ৰতিনিধি হিচাপে বিশ্বৰ সাম্প্ৰতিক পৰিস্থিতিৰ কোনবোৰ বিষয়ে আপোনাক উৎসাহিত কৰে?

**উত্তৰ** ঃ যদিও নতুন প্ৰজন্মৰ প্ৰতি একাংশৰ অন্তহীন অভিযোগ, তথা স্বীকাৰ কৰিবলৈ বাধ্য যে, নতুন প্ৰজন্মত সচেতন, সৃষ্টিশীল আৰু কষ্টসহিষ্ণু মানৱ সম্পদৰ অভাৱ নাই। নতুন প্ৰজন্মই আজি বিচক্ষণতাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে। সাহিত্যৰ পৰা ক্ৰীড়ালৈকে, সংস্কৃতিৰ পৰা ৰাজনীতি আৰু বাণিজ্য পৰ্য্যন্ত সকলোতে নতুন তাৰকাসকলৰ চমক দেখিবলৈ পাইছো। সাম্প্ৰতিক বিশ্বত অৰ্থনৈতিক ৰাজনৈতিক তথা সাংস্কৃতিক মেৰুদণ্ড যুৱ প্ৰজন্মৰ হাতত। এই কথাই মোক উৎসাহিত কৰে।

**প্ৰশ্ন** ঃ বিশ্বৰ দ্বিতীয় জনবহুল দেশখনৰ এখন সম্পদ আৰু সাংস্কৃতিক ভাৱে সমৃদ্ধ ৰাজ্যৰ উত্তৰপুৰুষ আপুনি, আজিৰ প্ৰজন্মটোৱে কৰিব লগা আৰু এৰিব লগা তিনিটাকৈ বিষয় যদি আপোনাক ক'বলৈ কোৱা হয়?

**উত্তৰ** ঃ এৰিব লগা বিষয় এলাহ, অৰ্থহীন বিৰ্তক আৰু সহজ বাটৰ সন্ধান। তাৰ বিপৰীতে গ্ৰহণ কৰিবলগীয়া বিষয় কৰ্মসংস্কৃতি, বিচক্ষণতা আৰু অধ্যয়নশীলতা। অৰ্থাৎ ট্ৰএলেহুৱা হৈ আমি যেতিয়ালৈকে শুই থাকিম, তৎক্ষণিকভাৱে উত্তেজিত হৈ ভিত্তিহীন বিতৰ্কত সময় নষ্ট কৰিম আৰু সহজ বাটৰ সন্ধানত অসৎ জখলা বিছাৰি ফুৰিম, তেতিয়ালৈকে আমাৰ সৰ্বাংগীন বিকাশ সম্ভৱ নহয়। শিপাৰ সন্ধানত আৰু উত্তৰণৰ স্বাৰ্থত আমি একাগ্ৰতাৰে অধ্যয়ন আৰু অভিজ্ঞতা অৰ্জন কৰি বিচক্ষণতাৰে কৰ্ম সংস্কৃতি গঢ়ি তুলিবই লাগিব।

**প্ৰশ্ন** ঃ আপোনাৰ জীৱনক প্ৰভাৱিত কৰা তিনিখন কিতাপ, তিনিখন নাটক বা চলচ্চিত্ৰ, তিনিজন ব্যক্তি?

**উত্তৰ** ঃ তিনিখন কিতাপ - 'গীতা' 'The Diary of a young girl' by Anne Frank, 'ছাংলট ফেন্‌লা

তিনিখন নাটক বা চলচ্চিত্ৰ - মা, মহাত্মা গান্ধী, জে.কে.ৰ' লিং (JK Rowling)

**প্ৰশ্ন** ঃ অসমৰ আৰ্থসামাজিক প্ৰেক্ষাপটত ছাত্ৰ সংগঠনবোৰৰ ভূমিকা সম্পৰ্কে আপোনাৰ তিনিটা অনুভৱ?

**উত্তৰ** ঃ ছাত্ৰ সংগঠনসমূহে অসমত এটা জাগৰণৰ ধ্বজা বহন কৰিছে। যদিও বৰ্তমানৰ প্ৰেক্ষাপটত ছাত্ৰ সংগঠনৰ কথা আৰু কামৰ মাজত বহু সময়ত ব্যৱধান দৃষ্টিকটু হৈ পৰিছে। ছাত্ৰ সংগঠন সমূহে আত্মনিৰ্ভৰশীল মনোভাৱ গঠন আৰু কৃষি তথা উদ্যোগৰ জৰিয়তে অৰ্থনৈতিক সবলীকৰণৰ ক্ষেত্ৰত নেতৃত্ব বহন কৰিবলৈ অসফল হৈছে। দ্বিতীয়তে, কুটিল ৰাজনীতিৰ মেৰ-পেচত ছাত্ৰ সংগঠন সমূহ বিপথে পৰিচালিত হৈছে। শেষত সংগঠন মানে বন্ধ নহয়, কিম্বা কেৱল শ্ল'গান নহয়। অসমত ছাত্ৰ সংগঠনসমূহ শৈক্ষিক উত্তৰণ, আৰ্থ-সামাজিক উন্নয়ন আৰু মানৱ সম্পদ বিকাশত অধিক সক্ৰিয় হোৱাটো কাম্য।

**প্ৰশ্ন** ঃ বিকল্প জীৱিকা সম্পৰ্কে আপোনাৰ ধাৰণা তিনিটা সিদ্ধান্ত উল্লেখ কৰক।

**উত্তৰ** ঃ 'চাকৰি নাপালে, বেপাৰত হাত দিম' - কথাবোৰ এনেকুৱা হোৱা উচিত নহয়। বিকল্প জীৱিকাৰ ধাৰণাটো বুজাবুজি আৰু হতাশাৰ লগত জড়িত নহয়, ই দক্ষতাৰ লগত জড়িত । দক্ষতা অনুসৰি ভালপোৱা বিষয় যদি জীৱিকাৰ পথ হৈ পৰে ব্যক্তি আৰু কৰ্মক্ষেত্ৰ উভয়ে লাভান্বিত হব। কোনো কৰ্মই অশুভ নহয়, কিম্বা কোনো প্ৰয়াসে অসফল নহয়। প্ৰয়োজন মাথো কল্যাণকামী ধনাত্মক মানসিকতাৰ।

**কস্তুৰী চুতীয়া**
সন্দিকৈ ছোৱালী মহাবিদ্যালয়, গুৱাহাটী







**প্ৰশ্ন** ঃ বিশ্বৰ দ্বিতীয় জনবহুল দেশখনৰ এখন সম্পদ আৰু সাংস্কৃতিকভাৱে সমৃদ্ধ ৰাজ্য উত্তৰ পুৰুষ আজিৰ প্ৰজন্মটোৱে কৰিব লগা আৰু এৰিবলগা ৩ টাকৈ বিষয় যদি আপোনাক ক'বলৈ দিয়া হয়।

**উত্তৰ** ঃ দ্বিতীয় জনবহুল দেশ হিচাপে আমাৰ দেশ ভাৰতবৰ্ষৰ জনমূৰি আয়ৰ পৰিমাণো নিচেয় কম। কিন্তু আমি প্ৰাকৃতিক সম্পদ, সংস্কৃতি, শিক্ষা সকলো ফালৰ পৰা এখন চহকী দেশ, আমাৰ দেশতে প্ৰাচীন কালৰ পৰাই মানৱ সমাজৰ বাবে বিভিন্ন উদ্ভাৱন বা আৱিস্কাৰে গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াই আহিছে। এনে এখন দেশৰ সন্তান হিচাপে মই ক'ব বিচাৰিম যে যদিহে আমি নিজৰ দেশখনক আগবঢ়াই নিবৰ বাবে কিছু এৰা ধৰা কোৱা যায় তেনেহ'লে-

১/ আমাৰ দেশৰ ৰাজ্য অনুপাতে শিক্ষিতৰ হাৰ ভিন ভিন দেশৰ সকলো ক্ষেত্ৰতে জাতি, লিংগ, ভেদভাৱ বাদ দি সকলোকে সু নাগৰিক হিচাপে গঢ়ি তুলিবৰ বাবে যৎপৰোনাস্তি চেষ্টা চলাব লাগিব। আমি উত্তৰপুৰুষে নিজৰ জ্ঞানেৰে অন্য সকলৰ মাজতো জ্ঞানৰ পোহৰ বিলাবৰ বাবে চেষ্টা কৰিব লাগিব।

২/ ৰাজ্য, জাতি-জনগোষ্ঠী ভেদে থকা ভিন ভিন সংস্কৃতিসমূহ আমি সকলোৱে জনপ্ৰিয় কৰি অন্য দেশতো ইয়াৰ জৰিয়তে সুনাম অৰ্জন কৰিব পাৰো। সুপ্ত হৈ থকা সাংস্কৃতিক প্ৰতিভাসমূহ বিকাশৰ বাবে এখন মঞ্চ দিয়াৰ ব্যৱস্থা কৰিব লাগিব।

৩/ দেশৰ উন্নতিৰ বাবে নিৰ্ভীক আৰু সত্য কণ্ঠৰ প্ৰয়োজন। প্ৰত্যেক নিজৰ ধাৰণা, বিবেচনা সমূহ সৎ সাহস ৰাখি সমাজত দাঙি ধৰিব লাগে আৰু সদায় সত্য সংবাদ প্ৰচাৰৰ ক্ষেত্ৰত গুৰুত্ব দিব লাগে।

কিছুমান কামে দেশৰ আৰ্থসামাজিক, ৰাজনৈতিক, শৈক্ষিক ক্ষেত্ৰত বিৰূপ প্ৰভাৱ পেলায়। তেনে কৰ্মৰ পৰা আমি সদায় বিৰত থাকিব লাগে।

১/ বিভিন্ন জীৱিকা সমূহক আমি ভাল বেয়া বিবেচনা কৰি থকাতকৈ সকলো মানুহেই কৰ্মমুখী হৈ কামসমূহ কৰি যাব লাগে, তেতিয়াহে আমি অৰ্থনৈতিক ক্ষেত্ৰত উন্নতি সাধন কৰিব পাৰিম।

২/ বৰ্তমান সময়ত দেখা যায় যে প্ৰায়ে আমি উত্তেজিত হৈ কিছুমান এনে সিদ্ধান্ত লৈ পেলাও যিবোৰ সমাজৰ বা অপকাৰী। সহিষ্ণুতা ৰাখি কৰ্ম কৰি যাব লাগে। সকলো সময়তে কেৱল প্ৰতিবাদ, হিংসা এইবোৰ পৰিহাৰ কৰিব লাগে।

৩/ বৰ্তমা‌' সময়ত চ'চিয়েল মিডিয়া ব্যৱহাৰকাৰীৰ ভিতৰত আমাৰ দৰে যুৱ প্ৰজন্মৰ সংখ্যাই বেছি। এই মাধ্যমসমূহৰ মাজেৰে যিসমূহ বাৰ্তা প্ৰেৰণ কৰা হয় এইবোৰ চালি জাৰি চাইহে আমি বাৰ্তাবোৰ প্ৰেৰণ কৰিব লাগে। এনে সামাজিক মাধ্যমসমূহ ব্যৱহাৰৰ ক্ষেত্ৰত আমি সাৱধান হ'ব লাগে। বৰ্তমান সময়ত যি হাৰত ইয়াৰ অপপ্ৰয়োগ হৈছে তেনে হোৱা অনুচিত।

**প্ৰশ্ন** ঃ আপোনাৰ জীৱনক প্ৰভাৱিত কৰা ৩খন কিতাপ, ৩খন নাটক বা চলচিত্ৰ, ৩জন ব্যক্তি?

**উত্তৰ** ঃ আচলতে মানৱ জীৱনত পঢ়া প্ৰত্যেকখন কিতাপেই কিছুমান সুকীয়া প্ৰভাৱ পেলায়। সৰুতে মাই বিভিন্ন বিজ্ঞানীসকলৰ শিশু উপযোগী জীৱনী আনি দিছিল। সেইসমূহে মোৰ শিশু মনত বিশেষ প্ৰভাৱ বিস্তাৰ কৰিছিল। নিৰ্মলপ্ৰভা বৰদলৈৰ আত্মজীৱনী 'জীৱন বৰ অনুপম' অন্য এখন গ্ৰন্থ। তিনিখন গ্ৰন্থৰ নাম ল'বলৈ আচলতে অলপ দিগদাৰেই হয়। ইয়াৰ উপৰিও বুৰঞ্জীমূলক উপন্যাস আৰু মামণি ৰয়ছম গোস্বামী আৰু ৰীতা চৌধুৰীৰ কিতাপ সমূহৰ বিশেষ প্ৰভাৱ আছে।

নাটক বা চলচিত্ৰ ইমান চোৱা নহয় বাবে এনে তিনিখনৰ নাম উল্লেখ কৰিব অসুবিধা তথাপিও 'থ্ৰী ইদিয়টছ' অন্যতম প্ৰিয় চলচিত্ৰ। 'হালধীয়া চৰায়ে বাওধান খায়', 'চক দে ইণ্ডিয়া', 'মেৰী কম' এইকেইখনে বিশেষ প্ৰভাৱিত বোলছবি।

তিনিজন ব্যক্তি হিচাপে সদায় মা আৰু দেউতাৰ প্ৰভাৱে মোৰ জীৱনত সকলোতকৈ বেছি। নিৰ্মল প্ৰভা বৰদলৈ, ড০ এ পি জে আব্দুল কালাম, কল্পনা চাওলা আৰু মামণি ৰয়ছম গোস্বামী মোৰ জীৱনত প্ৰভাৱিত কৰা অন্য কেইগৰাকীমান ব্যক্তি।

**জ্যোতিময়ী শইকীয়া**
সাংস্কৃতিক বিভাগৰ সম্পাদিকা
যোৰহাট বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান,২০১৭-২০১৮ বৰ্ষ



**প্ৰশ্ন** ঃ সাম্প্ৰতিক প্ৰেক্ষাপটত অসমৰ উচ্চ শিক্ষানুষ্ঠান সমূহ বৃত্তিমুখী আৰু কাৰিকৰী পাঠ্যক্ৰম সমূহ অন্তৰ্ভূক্ত কৰাৰ আৱশ্যকতা সম্পৰ্কে আপোনাৰ মতামত?

**উত্তৰ** ঃ সাম্প্ৰতিক প্ৰেক্ষাপটত অসমৰ উচ্চ শিক্ষানুষ্ঠান সমূহ বৃত্তিমুখী আৰু কাৰিকৰী পাঠ্যক্ৰম সমূহ অন্তৰ্ভূক্ত কৰাৰ আৱশ্যকতা আছে। তাৰ বাবে মই ভাবোঁ এটা উপযুক্ত পৰিবেশ গঢ়ি তুলিব লাগিব। এই পৰিবেশ গঢ়ি তুলিবলৈ প্ৰথমে অসমত বিভিন্ন কাৰিকৰী শিক্ষাৰ প্ৰতিষ্ঠান স্থাপন কৰিব লাগিব। অসমৰ তত্ত্বসৰ্বস্ব শিক্ষা ব্যৱস্থাই মানৱ সম্পদৰ বিকাশ সাধন কৰাতকৈ মানৱসম্পদৰ অপচয় সাধন কৰা পৰিলক্ষিত হৈছে। ফলত শিক্ষিত নিবনুৱাৰ নামৰ এচাম মানৱসম্পদ লাভ কৰিছে।যিটোৱে নেকি ইতিমধ্যে অসমৰ বাবে এক জলন্ত সমস্যাৰূপে দেখা দিছে। গতিকে এই নিবনুৱা সমস্যাটো দূৰ কৰিবৰ কাৰণে সাম্প্ৰতিকপ্ৰেক্ষাপটত অসমৰ শিক্ষানুষ্ঠান সমূহত বৃত্তিমুখী আৰু কাৰিকৰী পাঠ্যক্ৰম সমূহ অন্তৰ্ভূক্ত কৰাৰ আৱশ্যকতা আছে বুলি মই ভাবো।

**প্ৰশ্ন** ঃ বন্ধ সংস্কৃতি আৰু ইয়াৰ অৰ্থনৈতিক প্ৰভাৱ সম্পৰ্কে আপোনাৰ মতামত?

**উত্তৰ** ঃ সাধাৰণ লোকৰ জীৱন যাত্ৰাত এনে কাৰ্যসূচী সমূহে অৰ্থনৈতিক দিশত বিভিন্ন ধৰণে প্ৰভাৱ পেলাই অহা দেখিবলৈ পোৱা গৈছে। এখন দেশ তথা ৰাজ্যৰ প্ৰগতিৰ মূল চালিকা শক্তিয়েই হৈছে অৰ্থনৈতিক উন্নয়ন। বন্ধৰ দেশ বা ৰাজ্যখনৰ অৰ্থনীতি বাৰুকৈয়ে ক্ষতিগ্ৰস্ত হয়। ফলত বন্ধ হৈ পৰে উন্নয়নৰ প্ৰধান হেঙাৰ। বন্ধৰ নামত আন্দোলনকাৰীয়ে জনতাক দিয়াই নহয় তাৰ উপৰি বিভিন্ন যান-বাহন, দোকান-পোহাৰ আদিত আক্ৰমণ চলাই ৰাজহুৱা তথা ব্যক্তিগত সা-সম্পত্তি ধ্বংস কাৰ্যত লিপ্ত হয়। এইবিলাক উপৰিও পথ অৱৰোধ, ৰে'ল অৱৰোধ, চকা বন্ধ তথা স্থানীয় বন্ধসমূহ আছেই। উন্নয়ন আৰু প্ৰগতিৰ দিশত খোজকাঢ়ি যাব খোজা অসমৰ ৰাইজে এনে অশুভ সাংস্কৃতিক আদৰি ল'বলৈ কোনো পধ্যেই প্ৰস্তুত হ'ব নালাগে বুলি মই ভাবোঁ।

**প্ৰশ্ন** ঃ অসমত থকা শিক্ষিত নিবনুৱা সকলক সংস্থাপন কৰাৰ ৩টা ব্যতিক্ৰমী চিন্তা।

**উত্তৰ** ঃ আচল কথাটো হ'ল যে অসমৰ শিক্ষিত নিবনুৱা সকলৰ স্বনিয়োজনৰ সলনি চাকৰিৰ প্ৰতি আগ্ৰহ বেছি। এই চাকৰিমুখী স্বভাৱৰ বাবে কিন্তু অন্যান্য ক্ষেত্ৰখন যথেষ্ট সীমিত গতিকে কৃষি, উদ্যোগ, ব্যৱসায়-বাণিজ্যৰ ওপৰত ভিত্তি কৰি স্ব-নিয়োজিত হোৱাৰ বাহিৰে আন উপায় নাছিল। গতিকে বিভিন্ন সেৱাভিত্তিক উদ্যোগ যেনে বিউটি পাৰ্লাৰ, মবাইল মেৰামতিৰ দোকান, কম্পিউটাৰ দোকান, কেটৰিং, ছাৰ্ভিছ, কাৰ ছাৰ্ভিছিং, হোটেল, ৰেষ্টুৰা আদি আৰম্ভ কৰি বিভিন্ন ধৰণেৰে স্বাৱলম্বী হোৱাৰ পথ বাচি ল'ব পাৰে।

দ্বিতীয়তে এটা গুৰুত্বপূৰ্ণ কথা হ'ল যে শিক্ষিত নিবনুৱাৰ সমস্যা সমাধানৰ বাবে অতি সোনকালে অসম তথা ভাৰতবৰ্ষৰ শৈক্ষিক ব্যৱস্থাটোৰ এক সংস্কাৰ সাধনৰ প্ৰয়োজন। যাতে যি হাৰত শিক্ষা ব্যৱস্থাটোৱে মানৱ সম্পদৰ অপচয় সাধন কৰি আহিছে সেই অপচয় বিকাশলৈ পৰিৱৰ্তন হৈ দেশ তথা ৰাজ্যখনৰ সামগ্ৰিক বিকাশ সম্ভৱ হৈ উঠে।

তৃতীয়তে অসমত বিভিন্ন ধৰণেৰে শাক-পাচলি, ফল-মূল আদিৰ খেতি কৰি গ্ৰামাঞ্চলৰ পৰা আৰম্ভ কৰি নগৰীয়া অঞ্চলতো ইচ্ছানু মাটি উলিয়াই এনেধৰণৰ খেতিৰ ব্যৱস্থা হাতত ল'ব পাৰে। যিবোৰৰ দ্বাৰা মানুহে প্ৰতিমাহত চাকৰিৰ বেতনকৈ অধিক টকা লাভ কৰিব পৰা পথ প্ৰশস্ত হয়।

**প্ৰশ্ন** ঃ উদ্যোগীকৰণ আৰু পৰিবেশৰ ভাৰসাম্য বজাই ৰখাত নৱপ্ৰজন্মৰ ভূমিকা।

**উত্তৰ** ঃ উদ্যোগীকৰণ আৰু পৰিবেশৰ ভাৰসাম্য বজাই ৰখাত নৱপ্ৰজন্মৰ ভূমিকা যথেষ্ট খিনি থাকিব লাগে বুলি মই ভাবো। আমি সংঘবদ্ধ, মুক্তভাৱে চিন্তা-চৰ্চা কৰিলে আমাৰ পৰিবেশ ধৰি ৰাখিব পাৰিম। নৱপ্ৰজন্ম সচেতন হ'ব লাগিব। চৌপাশে গছ-গছনি ৰোৱা, বনাঞ্চল সংৰক্ষণ কৰা আদিৰ ক্ষেত্ৰত সজাগ হোৱা উচিত। সকলোৱে নিঃস্বাৰ্থভাৱে কাম কৰি যাব লাগিব। তাৰ উপৰিও ধৰিত্ৰী দিৱস, কিয় পৰিৱেশ দিৱস আদি উদ্‌যাপন কৰি অচেতন সমাজক জাগ্ৰত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰিলে উদ্যোগীকৰণ আৰু পৰিৱেশৰ ভাৰসাম্য বজাই ৰাখিব পাৰিব বুলি মোৰ ধাৰণা হয়।

**ৰিতুমণি চেতিয়া**
সাধাৰণ সম্পাদিকা
মনোহৰী দেৱী কানৈ মহাবিদ্যালয়
২০১৭-২০১৮ বৰ্ষ







**প্ৰশ্ন** ঃ অসমত থকা শিক্ষিত নিবনুৱা সকলক সংস্থাপন কৰাৰ তিনিটা ব্যতিক্ৰমী চিন্তাৰ বিষয়ে সুধিলে আপুনি কি ক'ব?

**উত্তৰ** ঃ

১/ নিবনুৱা সমস্যা বৰ্তমান সময়ৰ এক বৃহৎ প্ৰত্যাহ্বান। এই সমস্যাটো দূৰ কৰিবলৈ আমি পৰম্পৰাগত বৃত্তিসমূহতেই আৱদ্ধ নাথাকি কিছু নতুন চিন্তা কৰাৰ সময় সমাগত। বৰ্তমান সময়ত অনলাইন সেৱাৰ যথেষ্ট সমাদৰ বাঢ়িছে। গতিকে নিবনুৱাসকলে এই ক্ষেত্ৰত আগবাঢ়িলে ভাল হয়। সেই সিদিনা গম পালো গুৱাহাটী মহানগৰত মাঘ বিহুত মেজিৰ হোম ডেলিভাৰী কৰিছে। এয়া যুৱ প্ৰশংসনীয়। তেনেকৈ অনলাইন যোগে সকলো বুকিং কৰি ব্যৱসায় কৰাৰ ব্যৱস্থা কৰিব লাগে।

২/ আমাৰ সন্মুখতে থকা বহু বস্তুকে আমি ব্যৱসায়িক দৃষ্টিৰে নাচাও। আমি আমাৰ চৌপাশে থকা সৰু সৰু বস্তুবোৰক কেঁচামাল হিচাপে লৈ নতুন উদ্যোগ গঢ়ি তুলি নিবনুৱা সমস্যা সমাধান কৰিব পাৰোঁ।

৩/ বৰ্তমান সময়ৰ আহবান যে আমি এবাৰ ব্যৱহাৰ কৰা সামগ্ৰী সমূহৰ নৱীকৰণ কৰি পুনৰ ব্যৱহাৰ কৰিব লাগে। কিন্তু এইবোৰ এতিয়ালৈকে সম্ভৱ হোৱা নাই। আমি নিবনুৱা সকলে এই কাম ব্যৱসায় হিচাবে লৈ নিবনুৱা সমস্যাৰ বিষ নাইকিয়া কৰিব লাগে।

**প্ৰশ্ন** ঃ বন্ধ সংস্কৃতি আৰু ইয়াৰ অৰ্থনৈতিক প্ৰভাৱ সম্পৰ্কে যদি আপোনাৰ মতামত জনাব কোৱা হয় তেন্তে আপুনি কি ক'ব?

**উত্তৰ** ঃ বন্ধ সংস্কৃতি বৰ্তমান সময়ৰ আটাইতকৈ ডাঙৰ অপসংস্কৃতি সমূহৰ ভিতৰত এটা। ই এখন দেশৰ ঘৰুৱা উৎপাদনৰ পৰিমাণ যথেষ্ট হ্ৰাস কৰে। বন্ধ সংস্কৃতিৰ বাবে এখন ৰাজ্য বা দেশৰ আমদানি, ৰপ্তানি বন্ধ হৈ পৰে। ফলত দেশৰ বা ৰাজ্যৰ অৰ্থনৈতিক অৱস্থা বেয়া হৈ পৰে। তাৰ উপৰিও ইয়াৰ প্ৰভাৱ পৰে সৰু সৰু উদ্যোগ আৰু স্বনিৰ্ভৰশীল জনগণৰ ওপৰত বন্ধৰ বাবে তেওঁলোকৰ উদ্যোগ বন্ধ ৰাখিব লগা হোৱা বাবেই ই অৰ্থনৈতিক ক্ষেত্ৰত নেতিবাচক প্ৰভাৱ পেলায়।

**প্ৰশ্ন** ঃ অসমীয়া ভাষাই নৃগোষ্ঠীয় ভাষাবোৰক একেলগে কৰাত সফল হৈছেনে?

**উত্তৰ** ঃ অসমীয়া ভাষাই নৃগোষ্ঠীয় ভাষাবোৰক একেলগ কৰাত সফল হৈছে বুলি ক'ব পাৰো। কিয়নো অসমীয়া ভাষাটো মূলতঃ ইন্দো ইউৰোপীয়ান ভাষাৰ পৰা উৎপত্তি হৈছে যদিও ইয়াত বহুতো নৃগোষ্ঠীয় ভাষা উপাদান জড়িত হৈ আছে। তেওঁলোকে নিজৰ ভাষা ব্যৱহাৰ কৰাৰ উপৰিও অসমীয়া ভাষাটো সংযোগী ভষা হিচাপে ব্যৱহাৰ কৰি আহিছে। কিছু কিছু ক্ষেত্ৰত অসমীয়া ভাষাটো ব্যৱহাৰৰ ক্ষেত্ৰত তেওঁলোকৰ কিছুমান উপাদান পৰিলক্ষিত হয় আৰু ঠিক সেইদৰে অসমীয়া ভাষাটোৱো বহুতো নৃগোষ্ঠীয় উপাদান পৰিলক্ষিত হয়। প্ৰতিটো অসমীয়া ভাষাই বিভিন্ন জাতি জনগোষ্ঠীৰ নৃগোষ্ঠীয় ভাষাবোৰক একেলগে কৰি একতাৰ এনাজৰীডাল সুদৃঢ় কৰি তুলিছে।

**ৰাখী বৰদলৈ**
আলোচনী বিভাগৰ সম্পাদিকা
শিৱসাগৰ ছোৱালী মহাবিদ্যালয়
২০১৭-২০১৮ বৰ্ষ

# উপ-সভাপতিৰ প্ৰতিবেদন

জয়জয়তে স্বদেশ স্বজাতিৰ হকে যিসকল ব্যক্তিয়ে নিজৰ জীৱন আহুতি দিলে তথা মহাবিদ্যালয়ৰ উন্নতি হকে নিঃস্বাৰ্থ ত্যাগ আগবঢ়াই মৃত্যুক আকোৱালি ল'লে সেই মহানুভৱ ব্যক্তিসকলক সশ্ৰদ্ধ প্ৰণাম আগবঢ়াইছো আৰু শ্ৰদ্ধাৰে সোঁৱৰিছো। তেওঁলোকৰ বিদেহী আত্মাৰ চিৰশান্তি কামনা কৰিছো।

সোণাৰি মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়ক প্ৰমুখ্য কৰি মহাবিদ্যালয়ৰ শিক্ষাগুৰুসকললৈ সশ্ৰদ্ধ প্ৰণাম জনাইছো। লগতে মোক ২০১৬-২০১৭বৰ্ষৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উপ-সভাপতিৰ দৰে এটি গুৰু দায়িত্ব অৰ্পণ কৰি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলক হিয়া ভৰা মৰম আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো। মোৰ কাৰ্যকালত কি কৰিলো নকৰিলো সেয়া আপোনালোকৰ বিচাৰ্য বিষয়।

মহাবিদ্যালয়ৰ উপ-সভাপতি ৰূপে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত প্ৰতিভা বিকাশৰ আনুষংগিক বিষয় কিছুমানৰ প্ৰতি অনিহা স্পষ্টভাৱে দেখা পাইছিলো। অপ্ৰিয় হ'লেও সত্য মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা অনুষ্ঠান সমূহত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা তেনেই নগন্য। কিন্তু সৰস্বতী পূজাত জাক জমক সাজপোছাক পৰিধান কৰি যিটো উদ্যম আগ্ৰহেৰে সৰস্বতীক সেৱা আগবঢ়াবলৈ আহে, সেই একে উদ্যমেৰে যদি মহাবিদ্যালয়ৰ অনুষ্ঠানসমূহত মাৰ্জিত সাজ-পোছাকৰে ভাগ ল'লেহেঁতেন তেতিয়া যি সকল প্ৰতিযোগীয়ে অংশ গ্ৰহণ কৰে তেওঁলোকৰ মনোবল বৃদ্ধি পালেহেঁতেন আৰু অনুষ্ঠানটো সফল হোৱাত সহজ হ'লহেতেন। গতিকে ছাত্ৰ-ছাত্ৰীসকলে কেৱল শিক্ষা গ্ৰহণত ব্যস্ত নাথাকি অনুষ্ঠানবোৰত অংশ গ্ৰহণ কৰিব বুলি আশা ৰাখিলো।

প্ৰতিবেদনৰ সামৰণিত ভৱিষ্যতৰ ছাত্ৰ একতা সভাই আমাৰ কাৰ্যকালত সফল কৰিব নোৱাৰে কাৰ্যসমূহত বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰি মহাবিদ্যালয়ৰ অভাৱসমূহ পূৰ কৰি জাকত জিলিকাৰূপে এই জ্ঞান মন্দিৰটি আগবঢ়াই নিব বুলি আশা ৰাখিলো।

'জয়তু সোণাৰি মহাবিদ্যালয়'
'জয়তু ছাত্ৰ একতা সভা'

উদয়ন ফুকন
উপ-সভাপতি
ছাত্ৰ একতা সভা
২০১৬-২০১৭বৰ্ষ





# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

সাধাৰণ সম্পাদকৰ প্ৰতিবেদনৰ কলম ধৰাৰ প্ৰাক্ক্ষণত যি সকল নমঃস্য ব্যক্তিৰ অশেষ ত্যাগ আৰু কষ্টৰ ফলত আমাৰ সোণাৰিৰ দৰে ঠাইত উচ্চ শিক্ষাৰ বাবে এখন মহাবিদ্যালয়ৰ গঢ় দিছিল তেওঁলোকক শ্ৰদ্ধাৰে সোঁৱৰিছো। সোণাৰি মহাবিদ্যালয়ৰ পৰম শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়কে প্ৰমুখ্য কৰি সকলো শিক্ষাগুৰু তথা মহাবিদালয়ৰ প্ৰতিজন কৰ্মচাৰীবৃন্দলৈ মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদিছো । লগতে সোণাৰি মহাবিদ্যালয়ৰ প্ৰতিজন ছাত্ৰ-ছাত্ৰীলৈ মোৰ হিয়াভৰা মৰম যাঁচিলো।

মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ আটাইতকৈ দায়িত্বশীল তথা গুৰুত্বপূৰ্ণ পদটি হৈছে সাধাৰণ সম্পাদকৰ পদ। ২০১৬-১৭ বৰ্ষটিত মোৰ সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ পদটিলৈ নিৰ্বাচিত কৰি জীৱনৰ পোন প্ৰথম বাৰৰ বাবে নেতৃত্ব আৰু সেৱা আগবঢ়াবলৈ যি সুযোগ প্ৰদান কৰিলে তাৰ বাবে অশেষ ধন্যবাদ জ্ঞাপন কৰিছো। ইয়াৰ পিছৰে পৰা মই সমাজৰ বাবে কিছু কামত জড়িত হৈছো আৰু প্ৰতিশ্ৰুতিবদ্ধ যে মই যিদৰে মহাবিদ্যালয়ত সেৱা আগবঢ়ালো সেইদৰে সমাজৰ বাবে সেৱা আগবঢ়াবলৈ চেষ্টা কৰিছো আৰু অনাগত দিনতো চেষ্টা কৰিম । আমাৰ দিনতে মহাবিদ্যালয়খনলৈ বিভিন্ন ক্ষেত্ৰত পৰিৱৰ্তন আহিছিল আৰু বিগত বৰ্ষতকৈ বহু উন্নয়নমূলক কাম সাধন হৈছিল । আমাৰ দিনত বহু উন্নয়নমূলক কাম হাতত লোৱা হৈছিল কিন্তু ছাত্ৰ একতা সভাৰ পুঁজিৰ অভাৱত কামসমূহ বিফল হৈছিল যদিও এই অভাৱক নেওচি পঢ়াশুনাৰ লগত ক্ৰীয়া আৰু সংস্কৃতিৰ দিশত মহাবিদ্যালয়খনৰ নাম আন্তঃ মহাবিদ্যালয়ৰ ক্ষেত্ৰত উজ্বলি উঠিছিল । ইয়াৰ কাৰণ ছাত্ৰ একতা সভাৰ প্ৰতিজন বিষয়-ববীয়াই প্ৰতিটো দিশত সমানে সহায় সহযোগিতা আগবঢ়াইছিল । যাৰ বাবে মহাবিদ্যালয়খনে বহুতো পদক আনিবলৈ সক্ষম হৈছিল।

আমাৰ প্ৰতিটো কাম সম্পাদন কৰোতে সামান্য পুঁজিৰে কৰা হৈছিল কাৰণ সেইটো সময়ত অসম চৰকাৰে BPL ৰ অধীনত ছাত্ৰ-ছাত্ৰীসকলক বিনামূলীয়া নামভৰ্ত্তি কৰিবলৈ দিছিল আৰু আমাৰ মহাবিদ্যালয়ৰ সৰহ সংখ্যক ছাত্ৰ-ছাত্ৰীয়েই BPL ৰ অধীন আছিল। আৰু পুঁজি আহোতে বছৰেই শেষ হৈছিল। আমাৰ কাৰ্যকালত কাম কাজ সমূহ কৰোতে যথেষ্ট ভূল ভ্ৰান্তি হৈছিল, সেই ভূলৰ বাবে ক্ষমা প্ৰাৰ্থনা জনাইছো।

## কাৰ্যপ্ৰণালী

১) ০২-০৯-২০১৬ তাৰিখে আমাৰ ছাত্ৰ একতা সভাই শপত গ্ৰহণ কৰি দায়িত্বভাৰ গ্ৰহণ কৰিছিলো ।
২)০৫-০৯-২০১৬ তাৰিখে শিক্ষক দিৱস উদ্‌যাপন কৰা হয়।
৩) ১৩-০৯-২০১৬ তাৰিখে ছাত্ৰ একতা সভাৰ প্ৰথম কাৰ্যনিৰ্বাহক অনুষ্ঠিত কৰা হয় ।
৪)০২-১০-২০১৬ তাৰিখে গান্ধী জয়ন্তী উদ্‌যাপন কৰা হয়।
৫)১৫-১০-২০১৬ তাৰিখে ছাত্ৰ একতা সভাৰ দ্বিতীয় কাৰ্যনিবাহক অনুষ্ঠিত কৰা হয় ।
৬) ০২-০১-২০১৭ তাৰিখে মহাবিদ্যালয় সপ্তাহৰ বাজেট দাখিল কৰা হয়।
৭)০৬-০১-২০১৭ৰ পৰা ১২-০১-২০১৭ তাৰিখলৈ ৪৬ তম মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত কৰা হয়।
৮) ১৭-০১-২০১৭ তাৰিখে শিল্পী দিৱসৰ লগতে মহাবিদ্যালয়ৰ সপ্তাহৰ সামৰণি অনুষ্ঠান উদ্‌যাপন কৰা হয় ।
৯) ৩০-০১-২০১৭ তাৰিখে সৰস্বতী পূজা অনুষ্ঠিত কৰা হয়।
১০) আমাৰ কাৰ্যকালত মহাবিদ্যালয়ত প্ৰতিটো অনুষ্ঠান অনুষ্ঠিত কৰা হৈছিল।
১১) ৩০-০৬-২০১৭ তাৰিখে নৱাগত আদৰণি সভা অনুষ্ঠিত কৰা হয়।

অভিজিৎ, কিঙ্কৰ, হৃদয়, অহ্লান, কিংশুক, পল্লৱী, সংজ্ঞা, সুপ্ৰিয়া, নিবিৰিয়া , জ্যোতিৰ্ময়, দিপু, সুকল্যান লগতে ছাত্ৰ-নিৱাস আৰু ছাত্ৰীনিৱাসলৈ আৰু মহাবিদ্যালয়ৰ পৰিয়াল বৰ্গলৈ ধন্যবাদ জ্ঞাপন কৰিলো।

ইতি
বিশ্বজিৎ বৰুৱা
সাধাৰণ সম্পাদক, ছাত্ৰ একতা সভা ২০১৬-১৭

# সহকাৰী সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে সোণাৰি মহাবিদ্যালয়ৰ পৰম শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়কে প্ৰমুখ্য কৰি মহাবিদ্যালয়ৰ সকলো শিক্ষা গুৰুলৈ তথা মহাবিদ্যালয়ৰ কৰ্মচাৰিবৃন্দলৈ মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদিছো। লগতে সেই মহান ব্যক্তিসকললৈ মোৰ অন্তৰৰ নিভাজ কোণৰ পৰা একাঁজলী শ্ৰদ্ধা জনাইছো। যি সকলৰ অশেষ কষ্ট, যত্ন আৰু ত্যাগৰ ফলত এই জ্ঞানৰ মন্দিৰ "সোণাৰি মহাবিদ্যালয়" গঢ় লৈ উঠিল। ২০১৬-২০১৭ বৰ্ষটিত মোক মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাত সহকাৰী সাধাৰণ সম্পাদক পদলৈ নিৰ্বাচিত কৰি মহাবিদ্যালয়লৈ সেৱা আগবঢ়াবলৈ সুযোগ দিয়া সমূহ শুভাকাংক্ষীলৈ ধন্যবাদ জনাইছো। বিগত বৰ্ষটিত ছাত্ৰ একতা সভাৰ সহকাৰী সাধাৰণ সম্পাদক হিচাপে অন্যান্য বিষয়ববীয়াসকলক সহায়-সহযোগিতা আগবঢ়াইছিলো। মই এই বছৰটোত সহকাৰী সাধাৰণ সম্পাদক হিচাপে মহাবিদ্যালয় হকে কিমান কি কৰিব পাৰিলো নাজানো, কিন্তু যিমান পাৰো কৰিবলৈ চেষ্টা কৰিছিলো।

শেষত মোৰ কাৰ্যকালত বিভিন্ন ক্ষেত্ৰত সহায়-সহযোগিতাৰ লগতে সু-দিহা পৰামৰ্শ আগবঢ়োৱা মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় শ্ৰদ্ধাৰ ড০ বিমল চন্দ্ৰ গগৈ চাৰকে প্ৰমুখ্যে কৰি মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰু তথা ছাত্ৰ-ছাত্ৰীক কৃতজ্ঞতাৰ লগতে অভিনন্দন জনায় মোৰ অজানিতে হোৱা ভুলৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰি মোৰ প্ৰতিবেদন সামৰণি মাৰিছো।

"জয়তু সোণাৰি মহাবিদ্যালয়"
"জয়তু সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা"

পুছেংখাম বৰুৱা
সহকাৰী সাধাৰণ সম্পাদক
ছাত্ৰ একতা সভা - ২০১৬-১৭ বৰ্ষ





# শৰীৰ চৰ্চা বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন

জয়জয়তে মই যিসকল ব্যক্তিৰ অশেষ কষ্ট আৰু ত্যাগৰ বিনিময়ত এই সোণাৰি মহাবিদ্যালয়খনে জন্ম লাভ কৰিছিল আৰু জ্ঞানৰ পোহৰ সঞ্চাৰিত কৰিছিল সেইসকলৰ প্ৰতি কৃতজ্ঞতা নিবেদন কৰিছো।

প্ৰতিবেদনৰ আৰম্ভণিতে সোণাৰি মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয়া , শিক্ষাগুৰুসকল, সমূহ কৰ্মচাৰীবৃন্দ তথা সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক শ্ৰদ্ধা কৃতজ্ঞতা জ্ঞাপন কৰিলো।

২০১৬- ১৭ বৰ্ষৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত শৰীৰচৰ্চা বিভাগৰ সম্পাদকৰূপে মহাবিদ্যালয়ৰ হকে সেৱা আগবঢ়াবলৈ সুযোগ দিয়াৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা সতীৰ্থলৈ ধন্যবাদ জ্ঞাপন কৰিলো।

২০১৬-১৭ বৰ্ষত শৰীৰচৰ্চা বিভাগৰ সম্পাদকৰ কাম গ্ৰহণ কৰিয়েই নামতি মহাবিদ্যালয় হোৱা আন্তঃমহাবিদ্যালয় ভিত্তিক ভাৰত্তোলন প্ৰতিযোগিতাত যোগাদান কৰিবলৈ আমাৰ মহাবিদ্যালয়ৰ হৈ তিনিজনে পদক লাভ কৰি মহাবিদ্যালয়ৰ নাম উজ্বলাবলৈ সক্ষম হয়।

তাৰ পাছতেই বিগত বছৰৰ দৰে এইবাৰো ছাত্ৰ- ছাত্ৰীসকলৰ অতি হেপাঁহৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহ আয়োজন কৰিছিলো। আমি হেপাঁহৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহ আয়োজন কৰিছিলো। আমি এই ক্ৰীড়া সপ্তাহ সুচাৰুৰূপে পালন কৰিবলৈ যত্নৰ ত্ৰুটি কৰা নাছিলো। মহাবিদ্যালয় সপ্তাহৰ লগত সংগতি ৰাখি মই শক্তি উত্তোলন, ভাৰত্তোলন , পাঞ্জা আৰু দেহশ্ৰী প্ৰতিযোগিতাৰ আয়োজন কৰিছিলো।

মহাবিদ্যালয়ৰ এই বাৰ্ষিক ক্ৰীড়াত যি সকল ছাত্ৰ-ছাত্ৰীয়ে পাৰদৰ্শিতা দেখুৱাব পাৰিছিল তেওঁলোকে যাতে মহাবিদ্যালয়ৰ বাহিৰে আন ঠাইত অনুষ্ঠিত হোৱা ক্ৰীড়াত অংশ গ্ৰহণ কৰি ইয়াতকৈ ভাল পাৰদৰ্শিতা দেখুৱাব পাৰে তাৰেই কামনা আৰু এই সুযোগতে সমূহ ক্ৰীড়া প্ৰতিযোগীলৈ মোৰ আন্তৰিক ধন্যবাদ যাচিলো।

সম্পাদকৰ গুৰু দায়িত্ব চলাই নিওঁতে মোক বিভিন্ন ভুল- ভ্ৰান্তি দেখুৱাই সু-পৰামৰ্শ তথা প্ৰত্যক্ষ সহায়েৰে এই দায়িত্ব চলাই নিয়াৰ ক্ষেত্ৰত বাট দেখুৱাই দিয়া অগ্ৰজ বিশ্বজিৎ, বিদ্যুৎ , উদয়ন দা, জ্যোতিৰ্ময়, দিপু, সুকল্যান, আয়ুষ্মান, বিৰাজ, শিশিৰ, শচীন, ময়ুৰ, কাশ্যপ দা, সৌৰভ দা তথা মহাবিদ্যালয়ৰ কৰ্মচাৰীসকল আৰু শ্ৰদ্ধাৰ অধ্যাপকসকল । তথা ছাত্ৰ একতা সভাৰ বিষয়ববীয়া আৰু বিভাগীয় উপদেষ্টাদ্বয় শ্ৰীযুত চক্ৰপাণি পাটিৰ ছাৰ আৰু টংকেশ্বৰ বৰুৱা ছাৰৰ ওচৰত মই চিৰকৃতজ্ঞ।

সদৌ শেষত মোৰ কাৰ্যকালত অনিচ্ছাকৃতভাৱে বৈ যোৱা ভুল-ত্ৰুটিৰ বাবে ক্ষমা বিচাৰি এই ঐতিহ্যমণ্ডিত সোণাৰী মহাবিদ্যালয়খনৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি প্ৰতিবেদন সামৰণি মাৰিলো।

'জয়তু সোণাৰি মহাবিদ্যালয়'
'জয়তু সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা'

ৰঞ্জু প্ৰধান
সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা
২০১৬-১৭ বৰ্ষ

# সংগীত বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

সম্পাদকীয় একলম আগবঢ়োৱাৰ প্ৰথমতেই শ্ৰদ্ধা নিবেদিছোঁ সেইসকল মনিষীলৈ যি সকল ব্যক্তিৰ মহান উদ্দেশ্য দূৰদৰ্শী চিন্তা, অশেষ কষ্ট তথা ত্যাগৰ ফলত আমাৰ সোণাৰি মহাবিদ্যালয়খনে প্ৰতিষ্ঠা লাভ কৰি ৪৫ তম্ বৰ্ষত ভৰি দিলেহি। ইয়াৰ লগতে মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰদ্ধাৰ ড০ বিমল চন্দ্ৰ গগৈ ছাৰৰ লগতে সমূহ শিক্ষাগুৰু সকল কৰ্মচাৰী বৃন্দলৈ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো।

সোণাৰি মহাবিদ্যালয়ৰ ২০১৬-১৭ বৰ্ষৰ সংগীত বিভাগৰ সম্পাদিকা পদৰ দায়িত্ব গ্ৰহণ কৰিবলৈ আগবঢ়াই দিয়া সকলোলৈকে মোৰ মৰম যাচিছোঁ। সম্পাদকীয় কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ কেইদিন মানৰ পাছতেই মহাবিদ্যালয় সপ্তাহ আৰম্ভ হয়। এই সপ্তাহত ছাত্ৰ একতা সভাৰ বিষয়ববীয়া সকলৰ লগতে বন্ধু- বান্ধৱৰ সহযোগত মই সংগীত বিভাগৰ বিভিন্ন প্ৰতিযোগিচতা সমূহ সুকলমে অনুষ্ঠিত কৰিলৈ সক্ষম হ'লো। এই সময়ছোৱাত মোক দিহা- পৰামৰ্শ দি সকলো কাৰ্য সম্পাদনা কৰাত বিশেষ ভাৱে সহায় কৰা বিভাগীয় উপদেষ্টা ড০ ৰীতা দত্ত বাইদেউ, মুহিধৰ চেতিয়া ছাৰ, বিজয়লক্ষী গগৈ বাইদেউলৈ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

মহাবিদ্যালয়ৰ শুভাকাঙ্খী হিচাপে এই এবছৰীয়া কাৰ্যকালত কিমান দূৰ সফল হ'লো এইয়া আপোনালোকৰ বিচাৰ্যৰ বিষয়। কিছুমান নতুন কাম কৰাৰ পৰিকল্পনা কৰিছিলো কিন্তু সীমিত অভিজ্ঞতা তথা বিভিন্ন সমস্যাই গা কৰি উঠাত বহু ক্ষেত্ৰতে মোৰ কল্পনাবোৰ বাস্তৱ ৰূপ দিয়াত ব্যৰ্থ হ'লো। সৰু সৰু কিছু প্ৰতিশ্ৰুতি থাকি গ'ল। যিবোৰ অনাগত দিনত পূৰণ হ'ব বুলি আশা ৰাখিলো।

সদৌ শেষত মোৰ কাৰ্য্যকালত হৈ যোৱা ভুল- ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছো আৰু অনাগত দিনৰ সোণৰি মহাবিদ্যালয় জ্যেতিষ্মান হৈ উঠক তাৰেই কামনা কৰিছো। আৰু ইয়াৰেই আলোকেৰে পোহৰাই তোলক নকৈ ফুলি উঠা সমাজ। লগতে আগন্তুক মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাই যাতে মহাবিদ্যালয়খনৰ আৰু আগুৱাই নিয়ে তাকে ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনাই মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিছো।

'জয়তু সোণাৰি মহাবিদ্যালয়'
'জয়তু সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা'

**হিমাশ্ৰী শইকীয়া**
সংগীত বিভাগৰ সম্পাদিকা
২০১৬-২০১৭ বৰ্ষ





# সাংস্কৃতিক সম্পাদকৰ প্ৰতিবেদন

সৰ্বপ্ৰথমে মই চৰাইদেউ জিলাৰ অন্যতম আগশাৰী শিক্ষানুষ্ঠান, বিদ্যাৰ মন্দিৰ "সোণাৰি মহাবিদ্যালয়"ৰ মহান মনিষীসকলক সোঁৱৰিছো যিসকলৰ সৎ চিন্তা, সৎ প্ৰচেষ্টা, ত্যাগ আৰু নিঃস্বাৰ্থ সেৱাৰ বিনিময়ত পুৱাৰ সুৰুযৰ কিৰণৰ দৰে এই জ্ঞানৰ মন্দিৰে সাৰ পাই উঠিছে। লগতে এই জ্ঞানৰ মন্দিৰে আজি আৰু অধিক উন্নয়ন জখলাত আগুৱাই যাবলৈ সক্ষম হোৱাত প্ৰতিটো ক্ষেত্ৰতে সহায় তথা ত্যাগ স্বীকাৰ কৰি অহা এই মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয় ড০ বিমলচন্দ্ৰ গগৈ ছাৰকে প্ৰমূখ্য কৰি মাননীয় উপাধ্যক্ষ মহোদয় শ্ৰদ্ধাৰ অপৰ্ণ বৰুৱা ছাৰ, পূজনীয়া শিক্ষাগুৰুসকল আৰু এই মহাবিদ্যালয়ৰ কাৰ্যকৰী দিশত সহায় সহযোগিতা আগবঢ়োৱা সোণাৰি মহানগৰৰ শ্ৰদ্ধাৰ সমাজসেৱক ব্যক্তিসকললৈ ২০১৬-১৭ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সংস্কৃতিক বিভাগৰ তৰফৰ পৰা আন্তৰিক শ্ৰদ্ধা, ভক্তিআৰু উলগ জনাইছো।

*"তোৰে মোৰে আলোকৰে যাত্ৰা*
*অব্যৰ্থ অব্যৰ্থ*
*আমি পালো জীৱনৰ অৰ্থ অভিনৱ*
*স্বাগত স্বাগত সতীৰ্থ*
*সময়ৰ পক্ষী ঘোঁৰা কোনসতে উৰি গ'ল*
*মনৰ কাৰেংঘৰ জহি-খহি ভাগি গ'ল*
*বিদায় ল'বৰে হ'ল।*

সময়বোৰক কেতিয়াবা পোৱা-নোপোৱাৰ কাটখৰত ৰাখো, হিচাপ কৰো কি কৰিলো, কি দিলো। ২০১৬-১৭ বৰ্ষৰ মহাবিদ্যালয়ৰ সাংস্কৃতিক বিভাগৰ সম্পাদক হিচাপে এই অভাজনে দায়িত্ব গ্ৰহণ কৰাৰ পিছতে মহাবিদ্যালয়ৰ সাংস্কৃতিক ক্ষেত্ৰখনৰ উন্নতিৰ সকে কি কৰিলো সেয়া বিচাৰ কৰিব আপোনালোকে। কিন্তু ইমান ডাঙৰ মন্দিৰত এটা গুৰু দায়িত্ব পাই মই বাৰে বাৰে চিন্তিত হৈছিলো তথাপি সদায় কৃতজ্ঞ হৈ ৰম সেই সকললৈ যিসকলে মোক প্ৰতিটো ক্ষেত্ৰত সহায় সহযোগিতা আৰু উৎসাহ প্ৰচাৰ কৰিছিল। এই লময় আছিল জীৱন গঢ়াৰ প্ৰস্তুতি এক স্বপ্নালী সময়। য'ত নিজকে চিনাকি হোৱাৰ সুযোগ পালে। মহাবিদ্যালয়ৰ সকে কাম কৰাৰ যিমান কাম কৰাৰ যিমান সপোন ৰচিছিলো হয়তো পৰিৱেশ পৰিস্থিতিৰ দাস হৈ ময়ো পূৰ্ণ কৰিব নোৱাৰিলো। সাচঁতীয়া সপোন। তথাপি অনাগত দিনত ইয়াৰ উত্তৰোত্তৰ কামনা কৰিলো। লগতে এইবৰ্ষত সম্পন্ন হোৱা কিছু কাৰ্যসূচীৰ এক প্ৰতিবেদন আগবঢালো -

যোৱা ২ /৯ / ১৬ তাৰিখ মঙ্গলবাৰে, মহাবিদ্যালয়ৰ ,সকে কাম কৰাৰ প্ৰথমটো দিন। শপত বাক্য পাঠ কৰিলো। ঠিতাতে কৰিলো মহাবিদ্যালয়ৰ সকে কাম কৰাৰ আৰম্ভ কৰিলো মহাবিদ্যালয়ৰ দিনলিপি।

৮ / ৯/ ১৬ তাৰিখ, শুক্ৰবাৰে, ছাত্ৰ এততা সভাৰ উদ্যোগত মহাবিদ্যালয়ৰ প্ৰেক্ষাপথত ড০ ভূপেন হাজৰিকা দিৱস উদ্যাপন কৰা হয়।

১৭ / ৯ / ১৬ তাৰিখ, বুধবাৰ, মহাবিদ্যালৰ সাংস্কৃতিক বিভাগৰ উদ্যোগত শ্ৰী শ্ৰী বিশ্বকৰ্মা পূজা সুকলমে উদ্যাপন কৰা হয়।

১৬ / ৯ / ১৬ তাৰিখ, বৃহস্পতিবাৰত অনুষ্ঠিত হয় মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ প্ৰথমখন কাৰ্যনিৰ্বাহিক সভা, সভাৰ মাননীয় সভাপতি মহোদয় ড০ বিমলচন্দ্ৰ গগৈ ছাৰকে প্ৰমুখ্য কৰি প্ৰতিটো বিভাগৰ তত্বাৱধানত শিক্ষাগুৰুসকলে নিজৰ নিজৰ বক্তব্যৰ মাজেৰে নতুন কাৰ্যক্ৰম প্ৰস্তুত আৰু উদ্দেশ্য, লক্ষ্যৰ ওপৰত আলোকপাত কৰে।

২ / ১০ / ১৩ তাৰিখ, দেওবাৰ, মহাবিদ্যালয়ৰ গান্ধীমূৰ্তীৰ প্ৰংশনত মহামানৱ মহাত্মা গান্ধীৰ স্মৃতিচাৰণ অনুষ্ঠানৰ আয়োজন কৰা হয়।

মহাবিদ্যালয়ৰ সাংস্কৃতিক বিভাগৰ উদ্দোগত আৰু ছাত্ৰ একতা সভাৰ সহযোগত এই অনুষ্ঠান সুন্দৰকৈ অনুষ্ঠিত হৈ যায়। সভাত বহুতো অতিথি আৰু প্ৰতিষ্ঠা সংখ্যক ছাত্ৰ-ছাত্ৰী উপস্থিতিয়ে অনুষ্ঠানটোক সফলমণ্ডিত কৰা বুলি ক'ব পাৰি।

৬ / ০১ / ১৭ তাৰিখ, সোমবাৰৰ পৰা আৰম্ভ হয় মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহ,এইবাৰ ক্ৰীড়া সপ্তাহৰ প্ৰতিটো কাৰ্যসূচী গৰিষ্ঠ সংখ্যক ছাত্ৰ-ছাত্ৰীৰ উপস্তিৰে সুন্দৰকৈ অনুষ্ঠিত হৈযায়। পোন প্ৰথমবাৰৰ বাবে এইবাৰ মিমিকিৰী প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। আনহাতে বিপুল ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত ১৭ / ০১ /১৭ তাৰিখে শিল্পী দিৱসৰ লগতে বঁটা-বিতৰণি অনুষ্ঠিত কৰা হয়। এই ব্যক্তিক্ৰমধৰ্মী অনুষ্ঠাননত জনপ্ৰিয় কণ্ঠশিল্পী ৰূপা মিলিক সংগীত পৰিৱেশন কৰিবলৈ আমন্ত্ৰণ কৰা হয়।

৩ /২ /১৭ তাৰিখৰ পৰা টিয়কৰ চন্দ্ৰকমল বেজবৰুৱা মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ যুৱ মহোৎসৱত সোণাৰি মহাবিদ্যালৰ পৰা এটি দলে অংশগ্ৰহণ কৰে। লগতে ফটোগ্ৰাফী প্ৰতিযোগিতাত মহাবিদ্যালৰ শশীন ৰায়ে দ্বিতীয় স্থান লাভ কৰি মহাবিদ্যালয়ৰ সকে গৌৰৱ কঢ়িযাই আনিবলৈ সক্ষম হয়।

৩০ /০৬ /১৭ তাৰিখ শনিবাে অনুষ্ঠিত হৈ যায় নৱাগতসকলৰ আদৰণি অনুষ্ঠান। প্ৰত্যেক বছৰৰ দৰে এই বৰ্ষতো বিপুল সংখ্যক ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিৰে নৱাগত আদৰণি সভাখনৰ সুন্দৰ সমাপ্তি ঘটে।

বিশেষ কৃতজ্ঞতা

মহাবিদ্যালয়ৰ সকে কাম কৰিবলৈ যাওঁতে অকলে কৰা অসম্ভৱ, ইয়াত বহুতৰে সহায়-সহযোগিতা, দিহা- পৰামৰ্শ নিতান্তই প্ৰযোজনীয়। মোৰ এই কাৰ্যকলাপত বহুতৰে সহযোগিতা আৰু পৰামৰ্শ পাইছিলো, যিবোৰে মোক আগবাঢ়ি যোৱাত অৰিহণা যোগাইছিল তেওঁলোকলৈ মই সহস্ৰ প্ৰণাম আৰু কৃতজ্ঞতা জনাইছো। প্ৰথমতে নাম লব বিচাৰিছো মোৰ তত্বাৱধায়কৰ দায়িত্বত থকা শ্ৰীযুত মুহিধৰ চেতিয়া ছাৰ, শ্ৰীযুত মুচিত্ৰ নাৰায়ণ ৰাজখোৱা ছাৰ, শ্ৰীযুত ৰাণা কোঁৱৰ ছাৰলৈ । লগতে বিভিন্ন অনুষ্ঠানসমূহ অনুষ্ঠিত কৰিবৰ বাবে সঠিক দিহা পৰামৰ্শ আগবঢ়োৱা ড০ ৰীতা দত্ত বাইদেউ, শ্ৰীযুত চক্ৰপানী পাটীৰ ছাৰ, শ্ৰীযুত দিব্যজ্যোতি কোৱঁৰ ছাৰ। মোৰ কাৰ্য্যকালত সোঁৱে- বাঁওৱে থাকি যিকোনো অনুষ্ঠান অনুষ্ঠিত কৰিবলৈ সহায় আগবঢ়োৱা উদয়ন দা , সুৰুয দা, বিশ্বজিত, দিপু, হিমাশ্ৰী, পল্লৱী , ৰুস্মিতা, বিদ্যুৎ, পুছেং দা, সংজ্ঞা, অক্ষয, ৰজ্জু, বিতোপন দা, নাজমিন, সুকল্যাণ, কিংশুক, শিশিৰ, মিনাক্ষী বা সকলোলৈকে কৃতজ্ঞতা জনাইছো, আৰু ভৱিষ্যতলৈ মোক কৃতাৰ্থ কৰিব বুলি আশা ৰাখিলো।

সদৌ শেষত যিজন ব্যাক্তিৰ অবিহনে আমি বা মই কোনো কাম কৰিবলৈ সমৰ্থ নহলোহেতেন তেওঁ শ্ৰদ্ধাৰ অধ্যক্ষা মহোদয় তথা ছাত্ৰ একতা সভাৰ সভাপতি ড০ বিমলচন্দ্ৰ গগৈ ছাৰলৈ আশেষ কৃতজ্ঞতা জনাই অনাগত দিনত সোণাৰি মহাবিদ্যালয়ৰ আলোক উন্নতি কামনা কৰিলো।

"জয়তু সোণাৰি মহাবিদ্যালয়"
"জয়তু সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা"

জ্যোতিমৰ্য় ৰয়চৌধুৰী
সাংস্কৃতিক বিভাগৰ সম্পাদক
সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা
২০১৬-১৭ বৰ্ষ

# গুৰু ক্ৰীড়া বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

সৰ্বপ্ৰথমে মই সোণাৰি মহাবিদ্যালয় শ্ৰদ্ধাৰ অধ্যাক্ষ মহোদয়, সন্মানীয় শিক্ষাগুৰু আৰু কৰ্মচাৰীবৃন্দ তথা ছাত্ৰ-ছাত্ৰী, বন্ধুবৰ্গক মোৰ আন্তৰিক শ্ৰদ্ধা আৰু হৃদয়ভৰা মৰম আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো। লগতে সেই মহান ব্যক্তিসকললৈ মোৰ অন্তৰৰ হিয়া ভৰা মৰম আৰু একাঁজলি শ্ৰদ্ধা জনাইছো। যিসকলৰ ত্যাগৰ ফলত এই জ্ঞানৰ মন্দিৰ সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ ২০১৬-১৭ বৰ্ষৰ সাধাৰণ নিৰ্বাচন প্ৰতিদ্বন্দিতাত গুৰু খেল বিভাগৰ সম্পাদকৰ পদত বিজয় হৈছিলো।

সম্পাদক হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত মোৰ প্ৰথম কাম হৈছিল ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অন্তৰ্গত মহাবিদ্যালয়ৰ সমূহৰ মাজত অনুষ্ঠিত হোৱা আন্তঃমহাবিদ্যালয় খেলসমূহত 'সোণাৰি মহাবিদ্যালয়'ক অংশ গ্ৰহণ কৰোৱা। আন্তঃমহাবিদ্যালয় খেলসমূহৰ ভিতৰত ২০১৬-১৭ বৰ্ষৰ ক্ৰিকেট প্ৰতিযোগিতাত সোণাৰি মহাবিদ্যালয়ৰ পৰা বিজয়ী হৈছিল। তাৰ পিছতেই মোৰ দায়িত্ব আছিল মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহৰ খেলসমূহ সুকলমে অনুষ্ঠিত কৰা। সেই গতিকে মই বাৰ্ষিক ক্ৰীড়া সপ্তাহৰ খেলসমূহ সুকলমে অনুষ্ঠিত কৰা। সেই গতিকে মই বাৰ্ষিক ক্ৰীড়া সপ্তাহত মোৰ বিভাগৰ অন্তৰ্গত খেলসমূহ অনুষ্ঠিত কৰিবলৈ যৎপৰোনাস্তি চেষ্টা কৰিছিলো আৰু মই ভাবো খেলসমূহ অনুষ্ঠিত কৰাত মই সফলো হৈছিলো। মই মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসমূহৰ প্ৰতি আগ্ৰহ আনিবলৈ চেষ্টা কৰিছিলো।

মহাবিদ্যালয়ৰ সম্পাদক হিচাপে মোৰ এই এবছৰীয়া কাৰ্যকালত মই কিমান দূৰ সফল হ'লো সেয়া আপোনালোকৰ বিচাৰ্যৰ বিষয়।

শেষত মোৰ এবছৰীয়া কাৰ্যকালত মোৰ কাৰ্য সুচাৰুৰূপে পৰিচালনা কৰাত প্ৰধানকৈ মোৰ উপদেষ্টা শ্ৰীযুত ৰাজীৱ কটকী, শ্ৰীযুত জ্যোতি প্ৰসাদ ফুকন, শ্ৰীযুত ফনীন্দ্ৰ বৰুৱা, শ্ৰীযুত দিব্যজ্যোতি কোঁৱৰ, শ্ৰীযুত প্ৰবীন বৰা, শ্ৰীযুত মনোৰঞ্জন কোঁৱৰ ছাৰক কৃতজ্ঞতা জ্ঞাপন কৰিছো। ইয়াৰোপৰি মোৰ প্ৰতিটো কাম-কাজতে যিসকল বন্ধু, সৌৰভজ্যোতি গগৈ, বিতুপন ফুকন, জ্ঞানজ্যোতি গগৈ, ৰূপম দা, কল্যাণ গগৈ, দেৱাশীষ গগৈ, অভিনৱ কলিতা ইত্যাদি আৰু মহাবিদ্যালয়ৰ ছাত্ৰাবাসৰ দাদা আৰু ভাইটিসকলৰ ওচৰত সদায় মই চিৰ কৃতজ্ঞ হৈ ৰ'ম।

সদৌ শেষত মোৰ কাৰ্যকালত অনিচ্ছাকৃতভাৱে যদি মোৰ কিবা ভুল-ক্ৰটি হৈছিল তাৰ বাবে মই আপোনালোক সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰিছো। লগতে আগন্তুক বৰ্ষ কেইটা যাতে গুৰু ক্ৰীড়া বিভাগটো অধিক বলিষ্ঠভাৱে কাৰ্যক্ষম হৈ উঠে আৰু সোণাৰি মহাবিদ্যালয় ভৱিষ্যত উজ্বল কামনা কৰি মোৰ প্ৰতিবেদন সামৰিলো।

"জয়তু সোণাৰি মহাবিদ্যালয়"

"জয়তু সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা"

দিপু গগৈ
সম্পাদক
গুৰু ক্ৰীড়া বিভাগ
২০১৫-১৬ বৰ্ষ

# সমাজসেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ প্ৰাক্ক্ষণতে মই সেইসকল মহান ব্যক্তিলৈ শ্ৰদ্ধা যাচিছোঁ যি সকলৰ অশেষ কষ্টৰ ফলত সোনাৰি মহাবিদ্যলয়ে প্ৰাণ পাইছিল। লগতে মোৰ মৰমৰ তথা শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়, উপাধক্ষ্য মহোদয়া আৰু শ্ৰদ্ধাৰ শিক্ষা গুৰুসকল আৰু বিদ্যালয়ৰ সমূহ কৰ্মচাৰীবৃন্দৰ লগতে বিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰী আৰু মোৰ মৰমৰ লগৰ সমনীয়ালৈ মোৰ শ্ৰদ্ধা মৰম ও কৃতজ্ঞতা জ্ঞাপন কৰিলো।

২০১৬-১৭ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সমাজসেৱা বিভাগৰ সম্পাদিকা হৈ মহাবিদ্যালয়লৈ সেৱা আগবঢ়াবলৈ সুযোগ দিয়াৰ বাবে সোণাৰি মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ ওচৰত চিৰ ঋণী।

বিভাগীয় সম্পাদিকা হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছতেই বাৰ্ষিক ক্ৰীড়া সপ্তাহৰ বাবে প্ৰস্তুতি আৰম্ভ কৰিলোঁ আৰু লগতে কলেজ সপ্তাহৰ আগত কলেজৰ চৌহদ চাফাই কৰিলোঁ।

মোৰ কাৰ্যকালৰ সময়থিনিৰ সহায় আগবঢ়োৱা বিভাগীয় উপদেষ্টা শ্ৰদ্ধাৰ শ্ৰীযুত সুশীল চুৰী ছাৰলৈ মই কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। তদুপৰি মোৰ, কাম সমূহ নিয়াৰিকৈ কৰাত সহায়ৰ হাত আগবঢ়োৱা মহাবিদ্যালয়ৰ সমূহ বিষয় ববীয়ালৈ আৰু কলেজৰ সকলো ছাত্ৰ-ছাত্ৰীলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

সদৌ শেষত মোৰ কাৰ্যকালত অজানিতে হোৱা ভুলৰ বাবে মোক ক্ষমা কৰে যেন। সোণাৰি মহাবিদ্যালয়ৰ সুনাম আৰু গৌৰৱ কামনা কৰি মোৰ এই সম্পাদকীয় প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ।

'জয়তো সোণাৰি মহাবিদ্যালয়'

'জয়তু সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা'

ৰশ্মিতা চেতিয়া
সমাজসেৱা বিভাগৰ সম্পাদিকা
২০১৬-১৭ বৰ্ষ



সোণাৰি মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী, ২০১৬-২০১৭

# তৰ্ক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

জয়তু সোণাৰি মহাবিদ্যালয়, তোমাক মোৰ শতকোটি প্ৰণাম তথা প্ৰেমৰ আলিঙ্গন শ্ৰদ্ধাৰে যাচিলো, সম্পাদকীয় প্ৰতিবেদনৰ একলম তোমাৰ (সোণাৰি মহাবিদ্যালয়) বিয়োগত গতি নোপোৱা এক যাত্ৰা। এই আপাহতে সেইসকল মহান ব্যাক্তিক প্ৰণাম জনাইছো, যি সকলৰ অশেষ কষ্ট আৰু ত্যাগৰ ফলত জ্ঞানদীপ্ত এই প্ৰিয়তম সোণাৰি মহাবিদ্যালয়খন প্ৰতিষ্ঠিত হ'ল।

২০১৬-১৭ বৰ্ষৰ তৰ্ক বিভাগৰ নিৰ্বাচনী প্ৰতিযোগিতাত প্ৰতিযোগী পদৰ উপযুক্ত প্ৰাৰ্থী হিচাপে নিবাৰ্চিত কৰি, মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলক উপযুক্ত সেৱা আগবঢ়াবলৈ যি সুবিধাৰ প্ৰদান কৰিলে সচাঁকৈ মই তেওঁলোকৰ ওচৰত সদায় চিৰকৃতজ্ঞ আৰু চিৰ নমস্য।

মই যদিও মহাবিদ্যালয়ৰ আনুষ্ঠানিকতা নিয়ম অনুসৰি তৰ্ক বিভাগৰ সম্পাদক হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰিছিলো। কিন্তু মই নিজকে এজন মহাবিদ্যালয়ৰ ভাল ছাত্ৰ হিচাপেহে মোৰ কাৰ্যকালৰ কাৰ্যসূচী , তথা সোণাৰি মহাবিদ্যালয়ৰ সমূহ বিভাগীয় ছাত্ৰ একতা সভাৰ বয়ৱবিয়াসকলৰ কাৰ্যসূচী সততা আৰু দৃঢ়তাৰে সম্পাদন কৰিবলৈ অতুতপন চেষ্টা কৰিছিলো। সি যি নহওঁক মোৰ কাৰ্যকালৰ দিগন্তত কৃতকাৰ্যতা হোৱাত মোক সহায় সহযোগ কৰা বন্ধু-বান্ধৱ তথা ককাইদেউ-বাইদেউসকলক এই প্ৰতিবেদনৰ যুগুতৰ দ্বাৰা অশেষ ধন্যবাদ জনাঁলো।

শেযত মোৰ কাৰ্যকালত সহায় সহযোগিতা তথা সু-দিহা পৰামৰ্শ আগবঢ়োৱা সন্মানীয় পৰানন কোৱঁৰ ছাৰ আৰু ৰীণা বৰঠাকুৰ বাইদেউকে প্ৰমুখ্য কৰি সমূহ বিভাগীয় শ্ৰদ্ধাৰ শিক্ষাগুৰু আৰু লগতে সোণাৰি বিদ্যালয়ৰ সন্মানীয় অধ্যক্ষ ড০ বিমলচন্দ্ৰ গগৈ ছাৰক ধন্যবাদ তথা কৃতজ্ঞতা জ্ঞাপন কৰি মোৰ এবছৰীয়া কাৰ্যকালত জ্ঞাত বা অজ্ঞাত ভাৱে কৰা ভুল ক্ৰটিৰ বাবে বিনম্ৰভাৱে সকলোৰে ওচৰত ক্ষমা বিচাৰিলোঁ। সোণাৰি মহাবিদ্যালয়ৰ উজ্বল ভৱিষ্যত কামনা কৰি মোৰ প্ৰতিবেদন সামৰণি মাৰিলো।

"জয়তু সোণাৰি মহাবিদ্যালয়"

"জয়তু সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা"

বিদ্যুৎ হাজৰিকা
তৰ্ক বিভাগৰ সম্পাদক
২০১৬-১৭ বৰ্ষ

# ছাত্ৰী জিৰণি কোঠা সম্পাদিকাৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভনিতে যিসকল মহান ব্যক্তিৰ ত্যাগ আৰু শ্ৰমৰ বিনিময়ত সোণাৰি মহাবিদ্যালয়খন গঢ় লৈ উঠিল, সেইসকল মহান ব্যক্তিক মই শ্ৰদ্ধাৰে সুঁৱৰিছো আৰু লগতে মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়কে প্ৰমূখ্য কৰি মাননীয় শিক্ষাগুৰু, কৰ্মচাৰীবৃন্দ তথা সকলো ছাত্ৰ-ছাত্ৰীক শ্ৰদ্ধা আৰু আন্তৰিকতা জ্ঞাপন কৰিছো।

২০১৬-১৭ বৰ্ষৰ সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত ছাত্ৰীৰ জিৰণি কোঠা বিভাগৰ সম্পাদিকা হিচাপে নিৰ্বাচিত হৈ মহাবিদ্যালয়খনলৈ সুযোগ প্ৰদান কৰাৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰীকে ধন্যবাদ জ্ঞাপন কৰিছো।

ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা হিচাপে মই কিমান দূৰ সফল হ'লো সেয়া আপোনালোকৰ বিচাৰৰ বিষয়। মই নিজৰ সাধ্য অনুসাৰে প্ৰতিটো দায়িত্ব নিষ্ঠা সহকাৰে পালন কৰিবলৈ চেষ্টা কৰিছিলো। এই ক্ষেত্ৰত মোক সহায়-সহযোগিতা আৰু দিহা-পৰামৰ্শ আগবঢ়োৱা সকলোলৈকে অশেষ ধন্যবাদ জ্ঞাপন কৰিছো। মোৰ কাৰ্য্যকালত অজানিতে হৈ যোৱা ভুল-ক্ৰটিসমূহৰ বাবে মই সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰিছো। অৱশেষত মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি কামনা কৰি মোৰ প্ৰতিবেদন সামৰিলো।

"জয়তু সোণাৰি মহাবিদ্যালয়"
"জয়তু সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা"

**সংজ্ঞা বৰুৱা**
সম্পাদিকা, ছাত্ৰী জিৰণি কোঠা
ছাত্ৰ একতা সভা ২০১৬-১৭





# ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ প্ৰতিবেদন

জয় জয়তে দেশ মাতৃৰ সেৱাত জীৱন উৎসৰ্গা কৰা অমৰ শ্বহীদসকললৈ অশ্ৰু অঞ্জলি অৰ্পণ কৰি সোণাৰি মহাবিদ্যালয় নামৰ জ্ঞান মন্দিৰটি গঢ় দিওঁতা বৰেণ্য ব্যক্তিসকললৈ মোৰ সশ্ৰদ্ধ প্ৰণাম আগবঢ়াইছো আৰু সোণাৰি মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয়কে প্ৰমুখ্যে কৰি মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ শিক্ষাগুৰুসকললৈ সশ্ৰদ্ধ প্ৰণাম জনাইছো।

২০১৬-২০১৭ বৰ্ষটিত মোক সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ছাত্ৰ-জিৰণি কোঠাৰ বিভাগৰ সম্পাদকৰ পদলৈ বিনা প্ৰতিদ্বন্দ্বিতাত নিৰ্বাচিত কৰি মহাবিদ্যালয়ৰ হকে সেৱা আগবঢ়াবলৈ সুযোগ দিয়া সকলো শুভাকাংক্ষীলৈ মোৰ তৰফৰ পৰা ধন্যবাদ জনাইছো।

ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক হিচাপে কাৰ্যভাৰ লোৱাৰ পাছত মহাবিদ্যালয়ৰ উন্নতিৰ হকে কি সেৱা আগবঢ়লো সেয়া আপোনালোকৰ বিচাৰ্য্য বিষয়। তথাপি মই প্ৰতিটো কামেই সূচাৰুৰূপে কৰাৰ উপৰি ছাত্ৰ একতা সভাৰ প্ৰতিটো কামতে সহায়ৰ হাত আগবঢ়াইছিলো।

মোৰ কাৰ্যকালৰ পোন প্ৰথমে মই ১৯৭০ চনতে প্ৰতিষ্ঠা হোৱা সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ জিৰণি কোঠাত প্ৰথম বাৰৰ কাৰণে 'অক্ষয়' নামৰ প্ৰাচীৰ পত্ৰিকাখনি নিৰ্মাণ কৰিছিলো। তাৰোপৰি কোঠাটোত ছাত্ৰসকলৰ সুবিধা তথা বৌদ্ধিক বিকাশৰ হকে বেঞ্চ-ডেস্ক নিৰ্মাণৰ লগতে কোঠাটোৰ দেৱালত মহৎ লোকসকলৰ ফটো আৰু তেওঁলোকে দি যোৱা মহৎ বাণীসমূহ লিপিবদ্ধ কৰিছিলো। এইদৰে মোৰ প্ৰতিটো কামতে সু-দিহা পৰামৰ্শ আগবঢ়োৱা ছাত্ৰ-জিৰণি কোঠা বিভাগৰ উপদেষ্টা দিলীপ ৰঞ্জন বৰুৱা ছাৰ আৰু ভূপেন চন্দ্ৰ দিহিঙ্গীয়া ছাৰক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

এনেদৰে কিছুমান বিশেষ স্মৃতি মোৰ কাৰণে সদায় চিৰস্মৰণীয় হৈ থাকিব। শেষত অধ্যক্ষ মহোদয়কে প্ৰমুখ্যে কৰি মোৰ কাৰ্যকালত বিশেষভাৱে সহায়ৰ হাত আগবঢ়োৱা শ্ৰদ্ধাৰ পল্টু পাল ছাৰ আৰু ৰঘুনাথ কাগয়ুং ছাৰকো আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো। তৰোপৰি মোৰ প্ৰতিটো কামতে সহযোগিতা আগবঢ়োৱা দাদা-বাইদেউ, ভাইটী-ভন্টি আৰু বন্ধু-বান্ধৱীসকল বিশেষকৈ প্ৰাচীৰ পত্ৰিকা নিৰ্মাণত প্ৰতিটো কামতে ছাঁৰ দৰে লাগি থকা সতীৰ্থ অমল, ৰবিন, মানস, ময়ুৰ, বিদ্যুৎ, কাশ্যপ, জাহিৰুল সকলোলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

সৰ্বশেষত মোৰ কাৰ্যকালত অজানিতে হোৱা ভুল-ক্ৰুটিবোৰৰ বাবে আপোনালোকৰ ওচৰত ক্ষমা বিচাৰি প্ৰতিবেদন সামৰিছো। সোণাৰি মহাবিদ্যালয় সদায় এখন আদৰ্শ মহাবিদ্যালয় হিচাপে জিলিকি ৰয় তাৰ কামনাৰে ——
জয়তু সোণাৰি মহাবিদ্যালয়

অক্ষয়জ্যোতি গগৈ
ছাত্ৰ জিৰণি কোঠা সম্পাদক
২০১৬-২০১৭ বৰ্ষ।

*ছাত্ৰ জিৰণি কোঠাৰ প্ৰতিযোগিতাৰ ফলাফল —*

**কেৰম (একক) ঃ**

| | | |
|---|---|---|
| প্ৰথম | ঃ | জিতু চাহু |
| দ্বিতীয় | ঃ | টোলন শইকীয়া |

**কেৰম (দ্বৈত) ঃ**

| | | |
|---|---|---|
| প্ৰথম | ঃ | ইমতিয়াছ আহমেদ<br>পলি বৰগোহাঁই |
| দ্বিতীয় | ঃ | মহম্মদ আৰিফ হুছেইন<br>যুগান্তৰ বৰগোহাঁই |

**কেৰম (মিক্স ডাবল্চ) ঃ**

| | | |
|---|---|---|
| প্ৰথম | ঃ | ইমতিয়াছ আহমেদ<br>পলি বৰগোহাঁই |
| দ্বিতীয় | ঃ | দ্বীপজ্যোতি গগৈ<br>অনামিকা কঁৰ |

**দবা ঃ**

| | | |
|---|---|---|
| প্ৰথম | ঃ | কাশ্যপ বৰুৱা |
| দ্বিতীয় | ঃ | শচীন দত্ত |

# MINOR GAMES SECRETARY

At the strong of my annual report and would like to convey my sincere honour to respected Principal Dr. Bimal Ch. Gogoi, Vice Principal Sir Dilip Ranjan Boruah and all my teachers as our college.

As I was selected as Minor Games Secretary by my loving friends brothers and sisters. I am greatly thyankfull to them for handling this respectable portfolio and for giving me an opportunity to sow for this college. Well but I donot know up to which unit I have succeeded, to my promised that I have made to you but I believe that I have done every worth in a proper way and in a disciplined manner. During my session, I organized all the competition such as. At last I request to all of you to forgive me for the mistakes I have done in my session. Also I would like to give my cordial thanks to J.P. Sir, Nobin Gogoi Sir, Amit Borpujary Sir for their valuable advise of co-operation. Again would like to give a special thanks to my friend Dhurba, Debojit, Koustov, Deepjyoti, Montu, Maini, Abhinob Kalita, Kaustov Moni Chetia, Bitupon Phukon and all the students of our college for this help in holding the competition. At last I want to apologing as I have done my mistake or forget to mention something in my annual report.

"Long Live Sonari College"

Sri Bidyut Phukon
Minor Games Secretary





## মহাবিদ্যায়ৰ ছাত্ৰ-ছাত্ৰীৰ কেমেৰাত আবদ্ধ হোৱা আলোকচিত্ৰৰ সমাহাৰঃ



আলোকচিত্ৰ ঃ বনদ্বীপ দাস



আলোকচিত্ৰ ঃ ৰিদিপ দাস



আলোকচিত্ৰ ঃ কাশ্যপ বৰুৱা



আলোকচিত্ৰ ঃ শচীন ৰায়



আলোকচিত্ৰ ঃ ভাস্কৰজ্যোতি গগৈ




আলোকচিত্ৰ ঃ মঃ ইব্ৰাহিম আলি



আলোকচিত্ৰ ঃ শচীন ৰায়



আলোকচিত্ৰ ঃ নিকিতা চন্দ্ৰ